DSL 04

সংস্কৃত শিক্ষাৰ কিছু গুৰুত্বপূৰ্ণ দিশ

সংস্কৃত শিক্ষণৰ ডিপ্লোমা

পাঠ্যবিষয় ঃ ৪

খণ্ড ঃ ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক অশোক কুমাৰ গোস্বামী, প্ৰাক্তন অধ্যক্ষ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক দীপক কুমাৰ শর্মা, সঞ্চালক, মহাবিদ্যালয় উন্নয়ন পৰিষদ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা (সংস্কৃত), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
৮	ড° বীণিমা বুজৰবৰুৱা, সহকাৰী অধ্যাপিকা (সংস্কৃত), কটন কলেজ
৯	ড° সুধেন্দু মোহন ভদ্র, প্রাক্তন মুৰব্বী অধ্যাপক, কটন কলেজ
১০	ড° দীপক কুমাৰ শর্মা, সঞ্চালক, মহাবিদ্যালয়
১১	ড° নন্দিতা ভট্টাচার্য্য, (সংস্কৃত), কটন কলেজ
১২-১৩	ড° কল্পিতা বুজৰবৰুৱা, (সংস্কৃত), বি বৰুৱা মহাবিদ্যালয়
১৪	ড° সুদেষ্ণা ভট্টাচার্য, (সংস্কৃত), গুৱাহাটী বিশ্ববিদ্যালয়
১৫	ড° ইন্দ্রানী ডেকা, (সংস্কৃত), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ ড° শ্রুতিধৰা চক্রৱর্তী, সংস্কৃত, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ৮,১৪)
ড° মঞ্জুলা দেৱী, সংস্কৃত, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ৯)
ড° সুদেষ্ণা ভট্টাচার্য, সহকাৰী অধ্যাপিকা (সংস্কৃত) গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১০, ১১,১২,১৩,১৫)

গাঁথনিক সম্পাদনা ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা (সংস্কৃত)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

চেপ্তেম্বৰ, ২০১৮

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

খণ্ড পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্ৰমৰ চতুৰ্থ পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ বাবে এই পাঠ্যবিষয়খিনি যুগুত কৰা হৈছে। ইয়াত সৰ্বমুঠ আঠটা (৮) অধ্যায় আছে। সেইসমূহ হৈছে — অধ্যায় ৮ ঃ মনুসংহিতা- সাধাৰণ অধ্যয়ন, অধ্যায় ৯ঃ উপনিষদ, অধ্যায় ১০ঃ শ্ৰীমদ্ভগৱদ্‌গীতা - সাধাৰণ পৰিচয়, অধ্যায় ১১ঃ শতক কাব্য আৰু ভৰ্তৃহৰিৰ নীতিশতকম্‌, অধ্যায় ১২ ঃ কাদম্বৰী (চমু পৰিচয়), অধ্যায় ১৩ ঃ কাদম্বৰী — সাহিত্য সমালোচনা, অধ্যায় ১৪ ঃ অৰ্থশাস্ত্ৰ ঃ (সাধাৰণ আলোচনা), ১৫ ঃ সতী জয়মতী, প্ৰথম প্ৰবাহ (১-১৪)

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে আয়তাকাৰ বাকচ লক্ষ্য কৰিব। ইয়াৰ 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ৮ঃ **মনুসংহিতা-সাধাৰণ অধ্যয়ন** ১৪৯-১৫৮

ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস, ধর্মৰ অর্থ, ধর্মশাস্ত্ৰৰ পৰিচয়; মনুসংহিতাৰ বিশদ ধাৰণা, মনু আৰু মনুসংহিতাৰ পৰিচয়, মনুসংহিতাৰ বিষয়বস্তু,কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান

অধ্যায় ৯ঃ **উপনিষদ** ১৫৯-১৭০

উপনিষদৰ সংখ্যা আৰু নামবোৰ; উপনিষদৰ প্রবক্তা সকল; প্রধান উপনিষদবোৰৰ চমু পৰিচয়;

অধ্যায় ১০ঃ **শ্রীমদ্ভগৱদ্‌গীতা - সাধাৰণ পৰিচয়** ১৭১-১৮৩

নামৰ তাৎপর্য্য; শাস্ত্রখনিৰ আলোচ্য বিষয়; ৰচয়িতা আৰু ৰচনাকাল, ৰচনাৰ পটভূমি; ভাষ্যকাৰসকল; গীতাৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ সাৰাংশ

অধ্যায় ১১ঃ **শতক কাব্য আৰু ভর্তৃহৰিৰ নীতিশতকম্‌** ১৮৪-১৯৫

শতক কাব্যৰ লক্ষণসমূহ; ৰচনাৰ সময় কাল; মহত্বপূর্ণ শতককাব্যসমূহ, অন্যান্য শতককাব্যসমূহ; কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন, কবিৰ ৰচনাৱলী; 'নীতিশতকম্‌'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য, 'নীতিশতকম্‌'ৰ পাঠ, 'নীতিশতকম্‌'ৰ উৎকর্ষতা

অধ্যায় ১২ঃ **কাদম্বৰী (চমু পৰিচয়)** ১৯৬-২০৬

মহাকবি বাণভট্টৰ পৰিচয়; বাণভট্টৰ সময়; বাণভট্টৰ ৰচনাৱলী; কাদম্বৰীৰ কাহিনীৰ আধাৰ; কাদম্বৰীৰ কাহিনী, কাদম্বৰীৰ পূর্বার্ধৰ কাহিনী, কাদম্বৰীৰ উত্তৰার্ধৰ কাহিনী

অধ্যায় ১৩ঃ **কাদম্বৰী — সাহিত্য সমালোচনা** ২০৭-২২৩

বাণভট্টৰ ৰচনাশৈলী; বাণোচ্ছিষ্টং জগৎ সর্ৱম্‌; গদ্যং কবীনাং নিকষং বদন্তি; কথাৰূপে 'কাদম্বৰী'; 'কাদম্বৰী'ৰ কাব্যিক বৈশিষ্ট্য; বাণভট্টৰ পৰৱর্তী প্রভাৱ

অধ্যায় ১৪ঃ **অর্থশাস্ত্র ঃ (সাধাৰণ আলোচনা)** ২২৪-২৩৫

অর্থশাস্ত্রৰ ৰচয়িতা; অর্থশাস্ত্রৰ বিষয়বস্তু; অর্থশাস্ত্রৰ নামকৰণৰ তাৎপর্য; ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্রৰ গুৰুত্ব

অধ্যায় ১৫ঃ **সতী জয়মতী, প্রথম প্রবাহ (১-১৪)** ২৩৬-২৪৮

জয়মতী কাব্যৰ সাৰাংশ; শ্লোকসমূহৰ সংস্কৃত পাঠ (১-১৪), শ্লোকসমূহৰ শব্দার্থ, শ্লোকসমূহৰ অসমীয়া অনুবাদ

প্রসংগপুথি ঃ

অধ্যায় ৮ ঃ মনুসংহিতা- সাধাৰণ অধ্যয়ন

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস

৮.৩.১ ধর্মৰ অর্থ

৮.৩.২ ধর্মশাস্ত্ৰৰ পৰিচয়

৮.৪ মনুসংহিতাৰ বিশদ ধাৰণা

৮.৪.১ মনু আৰু মনুসংহিতাৰ পৰিচয়

৮.৪.২ মনুসংহিতাৰ বিষয়বস্তু

৮.৪.৩ কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান

৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৬ অধিক জানিবলৈ

৮.৭ অগ্রগতিৰ খতিয়ান

৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ধর্ম আৰু ধর্মশাস্ত্ৰৰ এক চমু আভাস লাভ কৰিব
- মনুসংহিতাৰ বিশদ ধাৰণা লাভ কৰিব
- মনুসংহিতাত সন্নিবিষ্ট কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ জ্ঞান লাভ কৰিব।

৮.২ পৰিচয়

ইতিমধ্যে আপুনি সংস্কৃত সাহিত্যৰ বিভিন্ন গুৰুত্বপূর্ণ শাখাৰ সৈতে পৰিচিত হৈছে। সংস্কৃত সাহিত্যৰ আন এটা গুৰুত্বপূর্ণ শাখা হৈছে ধর্মশাস্ত্র। এই ধর্মশাস্ত্রসমূহ বেদৰ ওপৰত ভিত্তি কৰিয়েই ৰচনা কৰা হৈছিল। ধর্মশাস্ত্রসমূহে প্রধানকৈ ধর্মীয়, নৈতিক, সামাজিক আৰু বিধিগত কর্তব্য সম্পর্কে আলোচনা কৰে। ধর্মশাস্ত্ৰৰ ভিতৰত প্রধান হৈছে মনুসংহিতা।

এই অধ্যায়ত ধর্ম আৰু ধর্মশাস্ত্র সম্পর্কে এটা সাধাৰণ আভাস লাভ কৰিব। ইয়াৰ উপৰিও মনুসংহিতাৰ বিষয়ে বিশদভাৱে জানিব পাৰিব।

৮.৩ ধর্ম আৰু ধর্মশাস্ত্ৰৰ চমু আভাস

মনুসংহিতা এখন ধর্মশাস্ত্র। সেয়ে মনুসংহিতাৰ বিষয়ে সবিশেষ জনাৰ আগতে ধর্ম আৰু ধর্মশাস্ত্ৰৰ এক চমু আভাস লাভ কৰাটো যথেষ্ট আবশ্যকীয়।

১.৩.১ ধর্মৰ অর্থ

সংস্কৃত 'ধর্ম' পদটো এটা অতি ব্যাপক অর্থত ব্যৱহাৰ হয়। ই 'ধৃ' ধাতুৰ পৰা উদ্ভৱ হৈছে। 'ধৃ' ধাতুৰ লগত 'মন্' প্রত্যয় যোগ হৈ ধর্ম শব্দৰ নিষ্পত্তি হৈছে। 'ধৃ' ধাতুৱে ধাৰণ কৰা বুজায়। গতিকে যিবোৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিয়ে সমাজখন ধাৰণ কৰি ৰাখিছে সেয়ে হৈছে ধর্ম। মহাভাৰতৰ শান্তিপর্বত কোৱা হৈছে— ধাৰণাদ্ধর্মমিত্যাহুঃ । এই ধর্মই প্রজাসমূহক ধাৰণ কৰে।

ধর্মৰ বিভিন্ন উৎস আছে। তাৰ ভিতৰত শ্রুতি বা বেদক ইয়াৰ প্রথম উৎস বুলি গণ্য কৰা হয়। ধর্মৰ দ্বিতীয় উৎস হৈছে স্মৃতি বা ধর্মশাস্ত্র।

১.৩.২ ধর্মশাস্ত্ৰৰ পৰিচয়

ধর্মশাস্ত্র শব্দটো সাধাৰণতে ধর্মসূত্র আৰু ছন্দোৱদ্ধ বিধি বা স্মৃতি এই দুয়োটাৰ ক্ষেত্রতে প্রযোজ্য। সকলোবোৰ ধর্মশাস্ত্র বেদৰ আধাৰতেই ৰচিত হৈছে। ভিন্ন ভিন্ন সময়ত আৰু ভিন্ন ভিন্ন সামাজিক পৰিবেশত ৰচিত ধর্মশাস্ত্রসমূহে মানুহৰ আচৰণ কেনে হোৱা উচিত তাৰ নির্দেশ কৰে। সমাজত এক সক্রিয় জীৱন পৰিচালনাৰ বাবে এই নির্দেশনাসমূহ মানি চলাটো অতিশয় প্রয়োজনীয়। ই কেৱল ধর্মীয় বিশ্বাস বা পৰম্পৰাৰে ভৰা নহয়। সামাজিক জীৱন পৰিচালনাৰ বাবে ই হৈছে এক উত্তম হাতপুথি।

ধর্মশাস্ত্র বুলি ক'লে এখন মাত্র শাস্ত্রক নুবুজায়। বিভিন্ন ঋষিৰ দ্বাৰা প্রণীত সংহিতাসমূহক ই নির্দেশ কৰে। ধর্মশাস্ত্র বা স্মৃতিনো কিমান সংখ্যক আছে এই সম্পর্কে সঠিকভাৱে নির্ণয় হোৱা নাই। যাজ্ঞবল্ক্য স্মৃতিত মহর্ষি যাজ্ঞবল্ক্যই বিশগৰাকী ধর্মশাস্ত্রকাৰৰ এখন তালিকা উল্লেখ কৰিছে। এই বিশগৰাকী ধর্মশাস্ত্রকাৰৰ নামবোৰ ইয়াত দিয়া হ'ল— মনু, অত্রি-বিষ্ণু, হাৰীত, যাজ্ঞবল্ক্য, উশন, অঙ্গিৰ, যম, আপস্তম্ব, সংবর্ত্ত, কাত্যায়ন, বৃহস্পতি, পৰাশৰ, ব্যাস, শঙখ, লিখিত, দক্ষ, গৌতম, শাতাতপ আৰু বশিষ্ঠ।

ধর্মশাস্ত্রসমূহক তিনিটা খণ্ডত বিভক্ত কৰা হয়। সেইবোৰ হৈছে— আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত। ইয়াৰে আচাৰ খণ্ডত ধর্মীয় কার্যসমূহৰ অনুষ্ঠান আৰু চাৰিবর্ণ আৰু আশ্রমৰ কর্তব্যৰ বিষয়ে আলোচনা কৰা হয়। ব্যৱহাৰ খণ্ড মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ লগত জড়িত। বিভিন্ন বিবাদৰ বিচাৰ আৰু দোষীৰ প্রতি দণ্ড বিধান আদি বিষয়সমূহ ইয়াৰ অন্তর্গত। প্রায়শ্চিত্ত খণ্ডটো বিভিন্ন পাপৰ পৰা মুক্ত হোৱাৰ বাবে থকা কিছুমান প্রায়শ্চিত্ত ব্যৱস্থাৰ লগত জড়িত।

ধর্মশাস্ত্রৰ গুৰুত্বপূর্ণ বিষয়সমূহ হৈছে— ধর্মৰ উৎস, চাৰিবর্ণ আৰু আশ্রমৰ কর্তব্য, বিভিন্ন সংস্কাৰ, পিতৃ-মাতৃ আৰু গুৰুৰ প্রতি আচাৰণ, শ্রাদ্ধাদি তর্পণ বিধি, গুৰু-শিষ্যৰ ব্যৱহাৰ, পতি-পত্নীৰ কর্তব্য, কৰ ব্যৱস্থা, সাক্ষী, ঋণদান, ঋণ পৰিশোধ, দণ্ডবিধান, সম্পত্তিৰ বিভাজন, পুত্রৰ প্রকাৰ, স্ত্রীধন, নিয়োগ ব্যৱস্থা, বিভিন্ন পাপৰ প্রায়শ্চিত্ত ইত্যাদি। ইয়াত দেখা গ'ল যে মানুহৰ সমগ্র ব্যক্তিগত, সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক আচৰণেই হৈছে ধর্মশাস্ত্রৰ বিষয়বস্তু।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ধর্ম শব্দটো কি ধাতুৰ পৰা উদ্ভৱ হৈছে?

.....

প্রশ্ন নং ২ঃ ধর্মৰ দুটা উৎস লিখক।

.....

প্রশ্ন নং ৩ঃ চাৰিগৰাকী ধর্মশাস্ত্রকাৰৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৪ঃ ধর্মশাস্ত্রসমূহক কি কি তিনিটা খণ্ডত ভগোৱা হয়?

.....

প্রশ্ন নং ৫ঃ ধর্মশাস্তৰ আলোচ্য বিষয় তিনিটা উল্লেখ কৰক।

.....

৮.৪ মনুসংহিতাৰ বিশদ ধাৰণা

এই অংশত আপুনি প্রসিদ্ধ ধর্মশাস্ত্র মনুসংহিতা আৰু ইয়াৰ ৰচক মনুৰ বিষয়ে এক সম্যক ধাৰণা লাভ কৰিব।

৮.৪.১ মনু আৰু মনুসংহিতাৰ পৰিচয়

মনু হৈছে মানৰ জাতিৰ আটাইতকৈ প্রসিদ্ধ ধর্মশাস্ত্রকাৰ। তেওঁৰেই মনুসংহিতাৰ ৰচক। মনুস্মৃতিৰ আৰম্ভণিত মনুক স্বয়ম্ভু ব্রহ্মাৰ পুত্র বুলি অভিহিত কৰা হৈছে। ঋগ্বেদত মনুক 'পিতৃ' বুলি উল্লেখ কৰা হৈছে। এই বেদৰ কেবাঠাইতো মনুৰ কথা পোৱা যায়। ***তৈত্তিৰীয় সংহিতাত*** মনুক প্রজা পতি বুলি কোৱা হৈছে— নমঃ প্রজাপতয়ে মনৱে স্বাহা। নিৰুক্তত আৰু মহাভাৰতৰ বিভিন্ন স্থানতো মনুৰ বিষয়ে উল্লেখ আছে।



তৈত্তিৰীয় সংহিতা— কৃষ্ণ যজুর্বেদ

সকলোবোৰ ধর্মশাস্ত্রৰ ভিতৰত মনুসংহিতাকেই আটাইতকৈ গুৰুত্বপূর্ণ বুলি বিবেচনা কৰা হয়। ভগৱান মনুৱে মহামুনি ভৃগুক যি শিক্ষা দিছিল সেইসমূহ ভৃগুৰ দ্বাৰা মনুসংহিতাত কোৱা হৈছে। এইটো কোৱা হয় যে যিখন স্মৃতিয়ে মনুসংহিতাৰ বিৰুদ্ধাচৰণ

কৰে— সেইখন স্মৃতি কেতিয়াও গ্ৰহণযোগ্য নহয়। মনুৰে যিসমূহ কথা কৈ গৈছে সেইসমূহক ভেষজ বা ঔষধ হিচাপে স্বীকৃতি দিয়া হৈছে— 'মনুৰ্বৈ যদ্‌কিঞ্চাৱদত্তদ্ভেষজম্'। মনু স্মৃতিত সৰ্বমুঠ ১২টা অধ্যায় আছে। বিভিন্ন টীকাকাৰে মনুসংহিতাৰ টীকা ৰচনা কৰি থৈ গৈছে। তাৰ ভিতৰত মেধাতিথি, কুল্লুকভট্ট, সৰ্বজ্ঞনাৰায়ণ আদিয়েই প্ৰধান।

এই মনুসংহিতা শ্লোক ছন্দত ৰচনা কৰা হৈছে। এই ধৰ্মশাস্ত্ৰখনৰ মাজে মাজে উপমা আদি কিছুমান অৰ্থালঙ্কাৰৰ ব্যৱহাৰো দেখা যায়। ইয়াৰ দ্বাৰা ৰচকৰ সাহিত্যিক ৰুচিবোধৰ পৰিচয় লাভ কৰিব পাৰি।

৮.৪.২ মনুসংহিতাৰ বিষয়বস্তু

মনুসংহিতাৰ আলোচ্য বিষয়সমূহৰ অধ্যায় অনুযায়ী তলত কেতবোৰ উল্লেখ কৰা হ'ল—

প্ৰথম অধ্যায়— জগতৰ উৎপত্তি, স্ত্ৰী-পুৰুষৰ সৃষ্টি, মনুৰ উৎপত্তি, দহজন প্ৰজাপতিৰ সৃষ্টি আৰু নাম, কৰ্ম আৰু জন্মাদিক্ৰম কথন, জগতৰ প্ৰলয়, জীৱৰ দেহান্তৰ প্ৰাপ্তি, জীৱৰ শৰীৰ প্ৰাপ্তি, মন্বন্তৰ, বৰ্ণসমূহৰ পৃথক পৃথক কৰ্ম ব্যৱস্থা, মনুসংহিতা পাঠৰ ফল, মনুসংহিতাত উক্ত বিষয় আদি।

দ্বিতীয় অধ্যায়— ধৰ্মৰ লক্ষণ, শাস্ত্ৰীয় কৰ্মৰ দ্বাৰা মোক্ষ লাভ, ধৰ্মৰ বেদমূলত্ব, কৰ্মানুষ্ঠান, শ্ৰুতি আৰু স্মৃতিৰ পৰিচয়, ধৰ্মৰ চাৰি প্ৰমাণ, বৰ্ণধৰ্ম, দ্বিজাতিৰ শাৰীৰিক সংস্কাৰ, জাতকৰ্ম, নামকৰণ, চূড়াকৰণ, উপনয়ন, ব্ৰাত্য, দণ্ড ধাৰণ বিধি, ভিক্ষা গ্ৰহণ বিধি, ভোজন বিধি, আচমন বিধি, স্ত্ৰীলোকৰ সংস্কাৰ, গুৰুৰ কৰ্তব্য, বেদাধ্যয়ন বিধি, গায়ত্ৰী জপৰ ফল, প্ৰণব প্ৰশংসা, ইন্দ্ৰিয় সংযম, জিতেন্দ্ৰিয়ৰ লক্ষণ, পুৰুষাৰ্থ সাধনৰ উপায়, অধ্যয়ন আৰু অধ্যাপনাৰ বিধি আৰু নিষেধ, উপাধ্যায়ৰ লক্ষণ, পুৰোহিতৰ লক্ষণ, মাতৃৰ উৎকৰ্ষ, পিতা আৰু আচাৰ্য্যৰ শ্ৰেষ্ঠত্ব, শিষ্যৰ প্ৰতি অধ্যাপকৰ কৰ্তব্য, স্বাধ্যায় স্তুতি, গুৰুকুলত ব্ৰহ্মচাৰীৰ কৰ্তব্য, পিতৃ-মাতৃ আৰু আচাৰ্য্যৰ প্ৰতি কৰ্তব্য, গুৰু শুশ্ৰূষাৰ ফল ইত্যাদি।

তৃতীয় অধ্যায়— ব্ৰহ্মচাৰীৰ অধ্যয়নৰ কাল, গৃহস্থাশ্ৰম বাস, সমাবৰ্তন, অষ্টপ্ৰকাৰৰ বিবাহ, সৰ্বণ বিবাহ বিধি, অসবৰ্ণ বিবাহ বিধি, বংশৰ হীনতা প্ৰাপ্তিৰ কাৰণ, পঞ্চমহাযজ্ঞৰ অনুষ্ঠান, গৃহস্থৰ ধৰ্ম, অতিথি সৎকাৰ, ভোজন বিধি, শ্ৰাদ্ধ, শ্ৰাদ্ধৰ কৰ্তব্য আৰু অকৰ্তব্য, ভোজনৰ পবিত্ৰতা, শ্ৰাদ্ধৰ নিমন্ত্ৰিত ব্ৰাহ্মণৰ কৰ্তব্য ইত্যাদি।

চতুৰ্থ অধ্যায়— দ্বিজাতিৰ বৃত্তি নিৰূপণ, স্নাতকৰ কৰ্তব্য, বাসস্থান নিৰূপণ, প্ৰাতঃকৃত্য, বেদাধ্যয়নৰ কাল আৰু বিধি, অধ্যয়ন প্ৰসঙ্গ, কপটাচৰণ নিষেধ, নিন্দিত অন্ন, ইষ্ট আৰু পূৰ্ত্ত কৰ্ম, জলদান, ভূমিদান, বিদ্যাদান আদিৰ ফল, যাগৰ সাধাৰণ নিয়ম, স্বৰ্গগমনৰ অধিকাৰী নিৰ্ণয়, দান গ্ৰহণৰ পাত্ৰ আৰু অপাত্ৰ বিচাৰ, অন্নগ্ৰহণৰ পাত্ৰ নিৰ্ণয়, আত্ম নিবেদন, অসত্য বচনৰ নিন্দা, ব্ৰহ্মচিন্তা আদি।

পঞ্চম অধ্যায়— অকাল মৃত্যুৰ কাৰণ, অনিবেদিত অন্নাদিৰ ভক্ষণ নিষেধ, মাংস ভক্ষণ বিধান, অশৌচ, স্নান শুদ্ধি, অশুচি দর্শনৰ শুদ্ধি, শবস্পর্শ শুদ্ধি, ব্রহ্মচাৰীৰ প্রেতকার্যাধিকাৰ, ৰজা প্রভৃতিৰ অশৌচাভাব, দেহশুদ্ধি, সাধাৰণ শুদ্ধি, দ্রব্যশুদ্ধি, আচমন বিধি, উচ্ছিষ্ট বিচাৰ, স্ত্রীলোকৰ ধর্ম, ভার্য্যাৰ মৃত্যুত স্বামীৰ কর্তব্য, ভার্য্যাৰ মৃত্যুত পুনৰ বিবাহ ইত্যাদি।

ষষ্ঠ অধ্যায়— বান প্রস্থাশ্রমৰ ধর্ম, পৰিব্রাজক কাল, সন্যাস আশ্রমৰ কর্তব্য, প্রাণায়াম, দেহৰ স্বৰূপ কথন, ব্রহ্মজ্ঞান, প্রব্রজ্যা গ্রহণৰ প্রশংসা, চাৰি প্রকাৰ আশ্রমৰ সাধাৰণ ধর্ম ইত্যাদি।

সপ্তম অধ্যায়— ৰজাৰ সৃষ্টিৰ কাৰণ, ৰজাৰ প্রশংসা, দণ্ডবিধান, ৰজাৰ কর্তব্য, মন্ত্রীগনৰ লগত মন্ত্রনা, দূত নির্বাচন, সেনাপতি প্রভৃতিৰ কার্য, দূতৰ কার্য, দূর্গ আৰু ইয়াৰ লক্ষণ, কৰ গ্রহণ, সংগ্রাম, কূটাস্ত্রৰ নিন্দা, যুদ্ধনীতি, ৰাজনীতি, গ্রাম্যাধিপতি নিয়োগ, নগৰাধিপতি নিয়োগ আৰু তেওঁৰ কার্য, বাণিজ্য শুল্ক, কৰ গ্রহণৰ নিয়ম, কর্তব্য বিমুখ ৰজাৰ দোষ কথন, সন্ধি বিগ্রহাদিৰ নীতি, যুদ্ধ যাত্রা, ব্যূহ নির্মাণ, আত্মৰক্ষাৰ উপায়, ভোজন বিধি, পীড়িত ৰজাৰ কর্তব্য ইত্যাদি।

অষ্টম অধ্যায়— অষ্টাদশ বিবাদৰ স্থান, বিচাৰ নীতি, সাক্ষী নির্ণয়, মিথ্যা সাক্ষ্যদানৰ দোষ, মিথ্যা সাক্ষ্যৰ প্রায়শ্চিত্ত, মিথ্যা সাক্ষ্যৰ দণ্ড, অন্যায় দণ্ডৰ নিন্দা, ঋণ অপৰিশোধৰ দণ্ড, জামীন, প্রাপ্য বস্তুৰ গ্রহণ, ন্যায় বিচাৰৰ প্রশংসা, বিবাহ সম্বন্ধীয় বিচাৰ, স্বামিপাল বিবাদ, সীমা বিবাদ, বাকপাৰুষ্য বিবাদ, দণ্ডপাৰুষ্য, স্ত্রীসংগ্রহ বিবাদ, মাতা-পিতা ত্যাগৰ দণ্ড, গার্হস্থাশ্রম বিবাদ, অন্যায় বাণিজ্যকাৰীৰ দণ্ড ইত্যাদি।

নৱম অধ্যায়— স্ত্রী পুং ধর্ম, স্ত্রী ৰক্ষা, জায়া শব্দ, নিয়োগ বিধি, কন্যাদান ব্যৱস্থা, বিবাহৰ বয়স নিৰূপণ, ভার্য্যাৰ পোষণ, পৈত্রিকধন বিভাগ, দ্বাদশ প্রকাৰৰ পুত্র আৰু তেওঁলোকৰ ধন বিভাগ, স্ত্রীধন ব্যৱস্থা, স্ত্রী বালকাদিৰ দণ্ড, পুনর্বিচাৰ ব্যৱস্থা, যথাশাস্ত্র দণ্ডৰ প্রশংসা, সপ্তাঙ্গ ৰাজ্যৰ বিৱৰণ, ৰাজ্যোন্নতিৰ কাৰণ, যুগ চতুষ্টয়, নৃপতিৰ ইন্দ্রাদি ব্রতৰ অনুষ্ঠান, ব্রাহ্মণ প্রশংসা, বৈশ্যধর্ম, শূদ্র ধর্ম ইত্যাদি।

দশম অধ্যায়— অনুলোম, প্রতিলোম আৰু সঙ্কৰ জাতিৰ ধর্ম, চতুর্বর্ণ, সর্বসাধাৰণৰ অনুষ্ঠেয় ধর্ম, ষট্‌কর্ম, বর্ণভেদে কর্মৰ বিভিন্নতা, দ্বিজাতিৰ আপদ্ধর্ম, পৰবৃত্তি অবলম্বনত নিন্দা, ৰজাৰ আপদ্ধর্ম, শূদ্রৰ আপদ্ধর্ম, আপদ্ধর্ম পালনৰ ফল ইত্যাদি।

একাদশ অধ্যায়— যাগানুষ্ঠান ব্যৱস্থা, ব্রহ্মবধ প্রায়শ্চিত্ত, গোবধ প্রায়শ্চিত্ত, অভক্ষ্য ভক্ষণ প্রায়শ্চিত্ত, অগম্য গমন প্রায়শ্চিত্ত, শূদ্র সেৱাকাৰীৰ প্রায়শ্চিত্ত, প্রাজাপত্য ব্রত, তপঃ প্রশংসা, ৰহস্যকৃত পাপৰ প্রায়শ্চিত্ত, বেদাভ্যাসৰ ফল ইত্যাদি।

দ্বাদশ অধ্যায়— জন্মান্তৰার্জিত শুভাশুভ কর্মৰ ফল ভোগ, ত্রিগুণ কথন, গুণত্রয়ৰ উত্তৰোত্তৰ শ্রেষ্ঠতা, মোক্ষ সাধন, বেদ প্রশংসা, ব্রহ্মধ্যানৰ উপযোগিতা, মনুসংহিতা পাঠৰ ফল ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ শ্রেষ্ঠ বুলি বিবেচিত হোৱা ধর্মশাস্ত্রখন কি?

.....

প্রশ্ন নং ৭ঃ মনুৰ বিষয়ে উল্লেখ থকা তিনিখন শাস্ত্রৰ নাম লিখক।

.....

প্রশ্ন নং ৮ঃ মনুস্মৃতিৰ অধ্যায় সংখ্যা কিমান?

.....

প্রশ্ন নং ৯ঃ মনুসংহিতাৰ যিকোনো চাৰিটা বিষয়বস্তুৰ উল্লেখ কৰক

.....



জানি থোৱা ভাল

চাৰ উইলিয়াম জোনচে ১৭৯৪ চনত পোনপ্রথমবাৰৰ বাবে মনুস্মৃতি ইংৰাজীলৈ অনুবাদ কৰিছিল। তেওঁ আছিল বৃটিছ ভাৰতৰ কলিকতাস্থিত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ।

৮.৪.৩ কেইটামান গুৰুত্বপূর্ণ বিষয়ৰ সম্যক জ্ঞান

(১) **নাৰায়ণ ঃ** পানী নৰ অর্থাৎ পৰমাত্মাৰ সন্তান বাবে পানীক নাৰা বুলি কোৱা হয়। সেই নাৰা পৰমাত্মাৰ প্রথম নিবাসস্থল। সেয়ে পৰমাত্মাৰ নাম নাৰায়ণ।

(২) **দহগৰাকী প্রজাপতি ঃ** মৰীচি, অত্রি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্রতু, প্রচেতা বশিষ্ঠ, ভৃগু, আৰু নাৰদ।

(৩) **বনস্পতি আৰু বৃক্ষ ঃ** ফুল নলগা উদ্ভিদবোৰক বনস্পতি বোলে আৰু ফুল আৰু ফল দুয়োবিধ য'ত লাগে সেই উদ্ভিদকে 'বৃক্ষ' বুলি কোৱা হয়।

(৪) **ব্রাহ্মণৰ কর্ম ঃ** অধ্যয়ন, অধ্যাপন, যজ্ঞ, দান আৰু প্রতিগ্রহ বা দান গ্রহণ হৈছে ব্রাহ্মণৰ বাবে নির্দিষ্ট কৰি দিয়া কর্ম।

(৫) **ক্ষত্রিয়ৰ কর্ম ঃ** প্রজাপালন, দান, যজ্ঞ, অধ্যয়ন, বিষয়ৰ প্রতি আসক্তিহীনতা এয়েই হৈছে ক্ষত্রিয়ৰ কর্ম।

(৬) **বেদাধ্যয়ন বিধি ঃ** শিষ্যই পবিত্র বস্ত্র পৰিধান কৰি, শাস্ত্রৰ বিধি অনুসৰি ***আচমন*** কৰি সংযত হৈ উত্তৰফালে ব্রহ্মাঞ্জলি কৰি উপবেশন কৰিলে গুৰুৱে তেওঁক অধ্যয়ন কৰাব।

(৭) **ইন্দ্রিয় সংযম ঃ** ইন্দ্রিয়ৰ বিষয়ত আসক্তি থাকিলে তেনে মানুহ দোষমুক্ত হয় আৰু এইসমূহ বশীভূত কৰিব পাৰিলে সিদ্ধি লাভ হয়।



আচমন — হাতৰ তলুৱাৰে পানী লৈ মুখ ধোৱা কার্য।

(৮) **জিতেন্দ্রিয়ৰ লক্ষণ ঃ** (স্তুতি বা নিন্দা বাক্য) শ্ৰৱণ কৰি, (ভাল লগা বা বেয়া লগা বস্তু) স্পর্শ কৰি (সুদৃশ্য বা বেয়া দৃশ্য) দর্শন কৰি (সুস্বাদু বা বিস্বাদযুক্ত আহাৰ) ভোজন কৰি, (সুগন্ধি বা দুর্গন্ধি) ঘ্রাণ লৈ যিজন লোকে আনন্দ বা বিষাদ অনুভৱ নকৰে সেইজনকে জিতেন্দ্রিয় বুলি কোৱা হয়।

(৯) **আচার্য আৰু উপাধ্যায় ঃ** যিজন ব্রাহ্মণে শিষ্যৰ যজ্ঞোপবীত সংস্কাৰ কৰি শিষ্যজনক কলাপ তথা ৰহস্য সহিত বেদৰ শাখা অধ্যয়ন কৰায় তেওঁক আচার্য বোলে আৰু যি ব্রাহ্মণে জীৱিকাৰ বাবে বেদৰ এভাগক তথা বেদাঙ্গক পঢ়ায় তেওঁক উপাধ্যায় বোলে।

(১০) **প্রকৃত বৃদ্ধ ঃ** যাৰ চুলি পকিছে তেঁৱেই কেৱল বৃদ্ধ নহয়। কিন্তু যুৱকো যদি বিদ্বান হয় তেওঁক দেৱতাসকলেও বৃদ্ধ বুলি জ্ঞান কৰে।

(১১) **মাতৃ-পিতৃ আৰু আচার্যৰ প্রতি কর্তব্য ঃ** মাতৃ-পিতৃ আৰু আচার্যৰ প্রতি সদায় প্রিয় কার্য কৰিব লাগে। তেওঁলোক তিনিজন সন্তুষ্ট হ'লে সকলো তপস্যা পূর্ণ হয়।

(১২) **অষ্টপ্রকাৰৰ বিবাহ ঃ** ব্রাহ্ম, দৈৱ, আর্য, প্রাজাপত্য, গান্ধর্ব, আসুৰ, ৰাক্ষস আৰু পৈশাচ।

(১৩) **পঞ্চ মহাযজ্ঞ ঃ** বেদৰ অধ্যয়ন আৰু অধ্যাপন হ'ল ব্রহ্ম যজ্ঞ, তর্পণ হৈছে পিতৃ যজ্ঞ, হোম দেৱযজ্ঞ, পশু পক্ষীক অন্নাদি দান ভূতযজ্ঞ আৰু অতিথি সেৱা হৈছে নৃযজ্ঞ। যিজন গৃহস্থীয়ে সামর্থ অনুসৰি এই পঞ্চ মহাযজ্ঞৰ অনুষ্ঠান কৰে, তেওঁ গৃহতেই থাকি পঞ্চপাপৰ পৰা মুক্ত হয়।

(১৪) **গৃহস্থাশ্রমৰ শ্রেষ্ঠত্ব ঃ** তিনিও আশ্রমৰ গৰাকীয়ে গৃহস্থৰ পৰাই বিদ্যা আৰু অন্ন লাভ কৰে সেয়ে গৃহস্থাশ্রমকেই সর্বশ্রেষ্ঠ আশ্রম বুলি কোৱা হয়।

(১৫) **বচনৰ প্রকৃতি ঃ** বচন সত্য আৰু প্রিয় হ'ব লাগে। অপ্রিয় সত্য কথা ক'ব নালাগে। প্রিয় হ'লেও অসত্য কথা ক'ব নালাগে। এয়ে ***সনাতন ধর্ম***।

(১৬) **দানৰ ফল ঃ** জলদাতাই তৃপ্তি, অন্নদাতাই অক্ষয় সুল, তিলদাতাই সন্তান, প্রদীপ দাতাই উত্তম নেত্র লাভ কৰে। ভূমিদাতাই সম্পত্তি, সোণদাতাই দীর্ঘায়ু, গৃহদাতাই উত্তম গৃহ আৰু ৰূপদাতাই শ্রেষ্ঠ ৰূপ লাভ কৰে।

(১৭) **বিদ্যাদানৰ শ্রেষ্ঠত্ব ঃ** সকলোবিলাক দানতকৈ ব্রহ্মদান বা বেদ অধ্যাপন সর্বশ্রেষ্ঠ।

(১৮) **বানপ্রস্থী ঃ** গৃহস্থাশ্রমত থকাজনৰ যেতিয়া শৰীৰৰ ছাল শুকাই সংকুচিত হৈ পৰে আৰু নিজৰ পৌত্র লাভ কৰে তেতিয়া তেওঁ বনক আশ্রয় কৰিব লাগে। তেওঁকেই বানপ্রস্থী বোলা হয়।

(১৯) **সন্যাস ঃ** জীৱনৰ তৃতীয় অংশ বনত অতিবাহিত কৰি চতুর্থ অংশত সকলো বিষয় সঙ্গক ত্যাগ কৰি সন্যাস আশ্রম পালন কৰিব লাগে।



সনাতন ধর্ম ঃ অনাদি কালৰে পৰা চলি অহা ধর্ম।

(২০) **ধর্মৰ সুৰক্ষা ঃ** ধর্মক নাশ কৰিলে সকলো নাশ প্রাপ্ত হয়। ধর্মৰক্ষিত হ'লে সকলো সুৰক্ষিত হয়। গতিকে ধর্মক নাশ কৰিব নালাগে। অন্যথা নাশপ্রাপ্ত ধর্মই সকলোকে নাশ কৰিব।

(২১) **পুত্র নামৰ তাৎপর্য ঃ** যিহেতু পুং নামৰ নৰকৰ পৰা পিতৃক ৰক্ষা কৰে সেয়ে স্বয়ং ব্রহ্মাই তেওঁক পুত্র আখ্যা দিছে।

(২২) **বাৰ প্রকাৰৰ পুত্র ঃ** ঔৰস, ক্ষেত্রজ, দত্তক, কৃত্রিম, গূঢ়োৎপন্ন, অপবিদ্ধ, কানীন সহোঢ়, ক্রীত,পৌনর্ভৱ, স্বয়ংদত্ত আৰু শৌদ্র — এয়ে হ'ল বাৰ প্রকাৰৰ পুত্র।

(২৩) **ব্রাহ্মণৰ ষট্ কর্ম ঃ** অধ্যাপন, অধ্যয়ন, যজ্ঞ কৰা, যজ্ঞ কৰোৱা, দান দিয়া আৰু দান লোৱা।

(২৪) **সত্ব, ৰজো আৰু তমোগুণ ঃ** আত্মাত যি প্রীতিযুক্ত আৰু ক্লেশৰহিত উজ্জ্বলতা অনুভূত হয় তাকেই সত্বগুণ বোলে। দুখযুক্ত, অপ্রীতিকৰ আৰু দৈহিক বিষয়ৰ প্রতি আকৃষ্টকাৰী বুলি যাক জনা হয় সেয়ে ৰজো গুণ। যি মোহযুক্ত, অস্পষ্ট তথা তর্কৰ অযোগ্য আৰু দুর্জ্ঞেয় সেয়ে তথোগুণ।

(২৫) **ব্রাহ্মনৰ মোক্ষ লাভৰ সাধন ঃ** বেদাভ্যাস, প্রাজাপত্যাদি তপস্যা, ব্রহ্মজ্ঞান, ইন্দ্রিয় সংযম, অহিংসা আৰু গুৰুজনৰ সেৱা— এই ছয়টা ব্রাহ্মনৰ মোক্ষ লাভৰ সাধন।



৮.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- যিসমূহ ৰীতি-নীতি, আচাৰ ব্যৱহাৰৰ জৰিয়তে সমাজ এখন পৰিচালিত হয় সেয়ে ধর্ম।
- স্মৃতি বা ধর্মশাস্ত্র হৈছে ধর্মৰ এক উৎস।
- ধর্মশাস্ত্রৰ বহুতো ৰচক আছে। তাৰ ভিতৰত মনু, অত্রি, যাজ্ঞবল্ক্য, গৌতম, বিষ্ণু, বৃহস্পতি, কাত্যায়ন আদিয়ে প্রধান।
- আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূর্ণ ধর্মশাস্ত্রখন হৈছে মনুস্মৃতি। ইয়াত সর্বমুঠ বাৰটা অধ্যায় আছে।
- মনুস্মৃতিৰ মূল বিষয়সমূহ হৈছে— জগতৰ উৎপত্তি, জীৱৰ শৰীৰপ্রাপ্তি, প্রলয়, চাৰিবর্ণ আৰু আশ্রমৰ কর্তব্য, পিতৃ-মাতৃ আৰু গুৰুৰ প্রতি কর্তব্য, ৰাজধর্ম, অষ্টপ্রকাৰৰ বিবাহ, পিতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰী, শ্রীধন, সত্ত্ব ৰজ আৰু তম গুণ, মোক্ষ লাভৰ সাধন আদি।
- মনুস্মৃতিৰ কেইজনমান উল্লেখযোগ্য টীকাকাৰ হৈছে— মেধাতিথি, কুল্লুকভট্ট, সর্বজ্ঞ নাৰায়ণ আদি।



৮.৬ অধিক জানিবলৈ

১) হিষ্ট্ৰী অব্ ধর্মশাস্ত্র (খণ্ড-১, অংশ-১), পি, ভি, কানে, ভাণ্ডাৰকাৰ অৰিয়েণ্টেল ৰিচার্ছ ইনষ্টিটিউট, পুনা, ১৯৬৮।

২) কালচাৰেল হেৰিটেজ অব্ ইণ্ডিয়া (খণ্ড-২) ৰামকৃষ্ণ মিচন, ইনষ্টিটিউট অব্ কালচাৰ, কলকাতা, ১৯৬২

৩) মনুস্মৃতি, কম্পাৰেটিভ, গঙ্গানাথ ঝা, ইউনিভাচিটি অব্ কলকাতা ১৯২৯।

৪) দ্য ধর্মশাস্ত্র-এন, ইণ্ট্রডাক্টৰী এনালাইচিচ, বি কে, স্বাঈন, (সম্পাদিত) অক্ষয় প্রকাশন, দিল্লী, ২০০৪।

৫) মনুসংহিতা, শ্যামকান্ত বিদ্যাভূষণ, ভোলানাথ ব্রাডার্চ এণ্ড কোং,কলিকতা।

৬) মনুসংহিতা, কিৰণ শর্মা, চন্দ্র প্রকাশ, গুৱাহাটী, ২০০৮।



৮.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ‘ধৃ’ ধাতুৰ পৰা

২ নং প্রশ্নৰ উত্তৰঃ শ্রুতি বা বেদ আৰু স্মৃতি

৩ নং প্রশ্নৰ উত্তৰঃ মনু, যাজ্ঞবল্ক্য, কাত্যায়ন আৰু বৃহস্পতি।

৪ নং প্রশ্নৰ উত্তৰঃ আচাৰ, ব্যৱহাৰ আৰু প্রায়শ্চিত্ত।

৫ নং প্রশ্নৰ উত্তৰঃ চাৰি বর্ণ আৰু আশ্রমৰ কর্তব্য, দণ্ড বিধান বিভিন্ন পাপৰ প্রায়শ্চিত্ত।

৬ নং প্রশ্নৰ উত্তৰঃ মনুস্মৃতি

৭ নং প্রশ্নৰ উত্তৰঃ তৈত্তিৰীয় সংহিতা, শতপথ ব্রাহ্মণ আৰু মহাভাৰত।

৮ নং প্রশ্নৰ উত্তৰঃ বাৰটা

৯ নং প্রশ্নৰ উত্তৰঃ চাৰিবর্ণৰ পৃথক পৃথক কর্তব্য, ধর্মৰ লক্ষণ, ৰাজধর্ম, শ্রীধন।



৮.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ ধৰ্মশাস্ত্ৰৰ এক চমু আভাস ডাঙি ধৰক।

প্ৰশ্ন ২ঃ মনুৰ পৰিচয় আগবঢ়াওঁক।

প্ৰশ্ন ৩ঃ মনুস্মৃতিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ঃ মনুস্মৃতি অনুসৰি তলৰ বিষয়কেইটাৰ ওপৰত চমুকৈ লিখক—
নাৰায়ণ, বেদাধ্যয়ন বিধি, জিতেন্দ্ৰিয়ৰ লক্ষণ, পঞ্চমহাযজ্ঞ, পুত্ৰ নামৰ তাৎপৰ্য।

*** ***** ***

অধ্যায় ৯ঃ উপনিষদ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ উপনিষদৰ সংখ্যা আৰু নামবোৰ
৯.৪ উপনিষদৰ প্ৰবক্তা সকল
৯.৫ প্ৰধান উপনিষদবোৰৰ চমু পৰিচয়
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্নবোৰ

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপনিষদ সাহিত্যৰ আভাস পাব
- উপনিষদ শব্দৰ ব্যুৎপত্তি আৰু তাৎপর্য বুজি পাব
- উপনিষদৰ সংখ্যা আৰু নামবোৰ জানিব পাৰিব
- উপনিষদৰ প্ৰৱক্তাসকলৰ নাম জানিব পাৰিব
- প্ৰধান ওঠৰখন উপনিষদৰ চমু পৰিচয় পাব
- উপনিষদৰ বিষয়বস্তুৰ আভাস পাব।

৯.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰিলে আপুনি বেদান্ত দর্শনৰ মূল বা গুৰি কথাৰে পৰিচিত হ'ব পাৰিব। আপুনি জানে যে বেদৰ অন্তিম ভাগটো বেদান্ত নামেৰে পৰিচিত। এই বেদান্তকে উপনিষদ বোলা হয়। এই অধ্যায়ত আমি উপনিষদবোৰৰ বিষয়বস্তুলৈ আপোনাৰ মনোযোগ আকর্ষণ কৰাৰ চেষ্টা কৰিছোঁ।

এই অধ্যায়ত আমি ঈশ, কেন, ঐতৰেয়, মাণ্ডুক্য প্ৰভৃতি ক্ষুদ্ৰ পৰিসৰৰ আৰু বৃহদাৰণ্যক আৰু ছান্দোগ্যৰ দৰে বৃহৎ উপনিষদেৰেও পৰিচিত কৰিবলৈ চেষ্টা কৰিছো।

উপনিষদৰ বিষয়বস্তুৰ ওপৰত বেদান্তদর্শন প্ৰতিষ্ঠিত। বেদান্তৰ তিনি প্ৰস্থানৰ ভিতৰত উপনিষদবোৰক শ্ৰুতি প্ৰস্থান বোলা হয়। শ্ৰীমদভগৱদগীতা আৰু ব্ৰহ্মপুত্ৰ অন্য দুই প্ৰস্থান, ক্ৰমে স্মৃতি আৰু প্ৰকৰণ প্ৰস্থান বুলি জনাজাত।

উপনিষদ সম্বন্ধীয় বর্তমান অধ্যায়ৰ অধ্যয়নে আপোনাক বেদান্ত দর্শনৰ গুৰি কথা বুজাত সহায় কৰিব। ইয়াৰ অধ্যয়নে আত্মতত্ব বা ব্রহ্মতত্ত্বৰ সৈতে আপোনাক পৰিচিত কৰিব।

শেষৰ এটা ভাগত উপনিষদবোৰে কেনেকৈ বিদেশত প্ৰচাৰিত হ'ল, তাকো জনাত এই অধ্যায়ৰ অধ্যয়নে আপোনাক সহায় কৰিব।

উপনিষদৰ সাধাৰণ পৰিচয়ে অধ্যেতাক আধ্যাত্মিক ভাবৰ প্ৰতি আকৰ্ষণ কৰিব। কাৰণ, উপনিষদবোৰে মানুহক অধ্যাত্মবিদ্যাৰ প্ৰতি অৱগত হ'বলৈ শিকায়।

৯.৩ উপনিষদৰ সংখ্যা আৰু নামবোৰ

উপনিষদসমূহক মুখ্য আৰু গৌণ বুলি দুভাগত ভাগ কৰা দেখা যায়।

মুখ্য উপনিষদ কোনো পণ্ডিতৰ মতে দহখন, কাৰো মতে তেৰখন বা চৈধ্যখন। অষ্টম শতিকাত শঙ্কৰাচার্যই ভাষ্য ৰচনা কৰা উপনিষদবোৰকে মুখ্য বোলা হয়। মুক্তিকোপনিষদৰ এটা শ্লোকত সেই দহখন উপনিষদৰ নাম এনেদৰে দিছে ঃ

ঈশকেনকঠপ্রশ্নমুণ্ডকমাণ্ডূক্যতিত্তিৰিঃ।
ঐতৰেয় চ ছান্দোগ্যঞ্চবৃহদাৰণ্যকংতথা।।

চাৰিবেদ অনুসৰি এই চৈধ্যখন উপনিষদৰ ভাগবোৰ হ'ল—
ঋগ্বেদীয়—ঐতৰেয় আৰু কৌষীতাকীব্রাহ্মণোপনিষদ্।
সামবেদীয়—ছান্দোগ্য আৰু কেন।
শুক্লযজুৰ্বেদীয়—ঈশ আৰু বৃহদাৰণ্যক।
কৃষ্ণযজুৰ্বেদীয়—কঠ, শ্বেতাশ্বতৰোপনিষদ, তৈত্তিৰীয়, মৈত্রায়েণী আৰু মহানাৰায়ণ
অথর্ববেদীয়—প্রশ্ন, মুণ্ডক আৰু মাণ্ডুক্য।
মুক্তিকোপনিষদণ্ড এশ আঠখন উপনিষদৰ তালিকা এখন পোৱা গৈছে। তাত দহখন ঋগ্বেদীয়, ঊনৈশখন শুক্ল যজুৰ্বেদীয়, বত্রিশখন কৃষ্ণ যজুৰ্বেদীয়, ষোল্লখন সামবেদীয় আৰু একত্রিশখন অথর্ববেদীয় উপনিষদৰ নাম পোৱা গৈছে।

৯.৪ উপনিষদৰ প্রবক্তাসকল

বৈদিক মন্ত্রবোৰ দর্শন কৰা ঋষিসকলৰ দৰে উপনিষদৰ দার্শনিক তত্ত্বৰ প্রবক্তা এচামেও উত্তৰ বৈদিক যুগত জন্মগ্রহণ কৰিছিল। তাৰ ভিতৰত নাৰদ, সনৎকুমাৰ, ইন্দ্র, বৰুণ, বিৰোচন আদি উল্লেখযোগ্য। তেওঁলোকৰ উপৰিও মহী দাস ঐতৰেয়, বৈৰু, শাণ্ডিল্য, সত্যকাম জাবাল, গৌতম, জৈবালী, উপকেসেল, উদ্দালক, শ্বেতকেতু, ভাৰদ্বাজ, গার্গ্যায়ন, প্রতর্দন, বালাকি, অজাত শত্রু, যাজ্ঞবল্ক্য, গার্গী, মৈত্রেয়ী, আৰু জনকৰ নাম উল্লেখযোগ্য। এইসকলৰ ভিতৰত উদ্দালক আৰুণি আৰু যাজ্ঞবল্ক্য শ্রেষ্ঠ আছিল।

৯.৫ প্রধান উপনিষদবোৰৰ চমু পৰিচয়

এতিয়া আপুনি প্রধান উপনিষদবোৰৰ বিষয়ে পঢ়িবলৈ পাব।

১) বৃহদাৰণ্যক উপনিষদ ঃ

এইখন উপনিষদ শতপথ ব্রাহ্মণৰ শেষছোৱাত অন্তর্ভুক্ত হৈছে। ইয়াত ছটা অধ্যায় আছে। তাৰে প্রথম দুটা অধ্যায়ক মধুকাণ্ড, তৃতীয় আৰু চতুর্থ অধ্যায়ক মুনিকাণ্ড আৰু পঞ্চম আৰু ষষ্ঠ অধ্যায়ক খিলকাণ্ড বোলা হয়।

প্রথম অধ্যায়ত অশ্বমেধ ৰহস্য, প্রাণোপাসনা, আত্মবিদ্যা, ব্রহ্মবিদ্যা আদি বিষয়ৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত আছে আত্মবিদ্যাৰ আলোচনা, যত 'নেতি নেতি' বুলি ব্রহ্মবিদ্যাৰ তত্ত্বৰ নির্দেশ কৰা গৈছে।

তৃতীয় অধ্যায়ত জনকৰ ৰাজসভাত কুৰু-পাঞ্চাল দেশীয় বিদ্বান ব্রাহ্মণসকলৰ সৈতে যাজ্ঞবল্ক্যৰ ব্রহ্ম বিষয়ক বাদ বিবাদৰ বর্ণনা পোৱা যায়। তাত অশ্বল, জাৰৎকাৰৰ আর্তভাগ, ভুজ্যু লাহ্যায়নি, উষস্ত চাক্রায়ণ, কহোল কৌষীতকেয়, গার্গী বাচক্নবী, শাকল্য প্রভৃতিৰ প্রশ্নৰ যথোচিত উত্তৰ দান কৰে ব্রহ্মজ্ঞানী যাজ্ঞবল্ক্যই।

চতুর্থ অধ্যায়ত আছে জনক-যাজ্ঞবল্ক্য সংবাদ। তাত যাজ্ঞবল্ক্যই আত্মতত্ত্ব সম্বন্ধে জনকক বুজায় কয়। জনকে সন্তুষ্ট হৈ বিদেহ ৰাজ্য দান কৰি, নিজকে যাজ্ঞবল্ক্যৰ দাস ৰূপে আত্মসমর্পণ কৰে।

পঞ্চম অধ্যায়ত নীতি, সৃষ্টি আৰু পৰলোক বিষয়ৰ আলোচনা কৰা হৈছে। শেষলৈ গায়ত্রীবিদ্যাৰ আলোচনাও কৰা হৈছে।

ষষ্ঠ অধ্যায়ত প্রাণোপসনা পঞ্চাগ্নিবিদ্যা, শ্রীমন্থকর্ম, পুত্রমন্থকর্ম, বংশাখ্যানৰ আলোচনা কৰা হৈছে। পঞ্চম আৰু ষষ্ঠ অধ্যায়ত পূর্বৰ আলোচ্য বিষয়ৰ চর্বিত-চর্বণ কৰা বাবে দুয়ো অধ্যায়ক খিল বা পৰিশিষ্ট বোলা হৈছে।

২) ছান্দোগ্য উপনিষদ ঃ

সামবেদীয় ছান্দোগ্য ব্রাহ্মণৰ অন্তিম আঠটা অধ্যায়ক ছান্দোগ্য উপনিষদ বোলা হয়। ইয়াৰ প্রথম অধ্যায়ত ওঙ্কাৰ উপাসনা আৰু সামবেদীয় গূঢ় বিষয়ৰ আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ত উদ্গীথৰ ভৌতিক-যাগানুষ্ঠানৰ বর্ণনা আৰু সামগানৰ উপাসনাৰ বর্ণনা দিয়া হৈছে।

তৃতীয় অধ্যায়ত সূর্যোপসনাৰ বর্ণনা আছে। তাৰ মাজত ধ্বনিত হৈছে অদ্বৈতবাদৰ এক মুখ্যমত 'সর্বং খলিবদং ব্রহ্ম।' চতুর্থ অধ্যায়ত ৰৈক্কৰ পৰা লাভ কৰা দার্শনিক তত্ত্ব আৰু সত্যকাম জাবালৰ বিদ্যা লাভৰ বর্ণনা পোৱা যায়।

পঞ্চম অধ্যায়ত প্রৱাহণ জৈৱলিৰ দার্শনিক সিদ্ধান্ত তথা কেকয় অশ্বপতিৰ সৃষ্টি বিষয়ক তথ্যৰ কথা কোৱা হৈছে। ষষ্ঠ প্রপাঠকত উদ্দালক আৰুণি আৰু তেওঁৰ পুত্র শ্বেতকেতুৰ মাজত আলোচ্য বেদান্তৰ মহাবাক্য 'তত্ত্বমসি'ৰ আলোচনা পোৱা যায়।

সপ্তম অধ্যায়ত আছে সনৎকুমাৰ আৰু নাৰদৰ বহু বিশ্রুত সংবাদ। তাত আন এক সত্যৰ

সন্ধান পোৱাযায়, 'য়ো বৈ ভূমা তদমৃতমথ যদল্পং তন্ মর্ত্যম।' এই ভূমাৰ স্বৰূপ জানিবলগীয়া।

অষ্টম অধ্যায়ত ইন্দ্ৰ আৰু বিৰোচনে ব্ৰহ্মাৰ ওচৰত কৰা আত্ম বিদ্যালাভৰ বৰ্ণনা আছে। এই উপনিষদত ভালেমান আখ্যান আছে।

৩) ঈশোপনিষদ ঃ

ৱাজসনেয়ী সংহিতা বা শুক্লযজুৰ্বেদৰ অন্তিম অধ্যায়কে (চত্বাৰিংশ অধ্যায়) ঈশোপনিষদ বুলি জনা যায়। ইয়াত মাত্ৰ ওঠৰটা সুন্দৰ অৰ্থবহ মন্ত্ৰ আছে।

প্ৰথমতে কোৱা হৈছে যে সমস্ত জগৎ ঈশ্বৰৰ দ্বাৰা পৰিব্যাপ্ত। তাৰ পাছত কোৱা হৈছে যে মানুহে কৰ্মৰ মাজেৰে শত বছৰীয়া জীৱন কটাব লাগে। কৰ্মত অনাসক্ত হৈ থাকিলে মানুহৰ মুক্তি লাভ হয়। বিদ্যা আৰু অৱিদ্যাৰ ব্যৱহাৰিক জ্ঞান এয়ে যে অৱিদ্যা বা কৰ্মৰ দ্বাৰা মৃত্যুক জয় কৰি বিদ্যাৰ বলত অমৃতত্ব লাভ কৰা সম্ভৱ। মুঠতে প্ৰথমবাৰলৈ এই ক্ষুদ্ৰ অৱয়বৰ অৰ্থবহ উপনিষদখনত জ্ঞানকৰ্ম সমুচ্চয়ৰ অৱতাৰণা কৰা হৈছে, যিটো ভগৱান কৃষ্ণই গীতাত প্ৰাঞ্জল ভাষাৰে তুলি ধৰিছে।

৪) কোনোপনিষদ ঃ

এইখন সামবেদৰ তলৱকাৰ ব্ৰাহ্মণৰ নৱম অধ্যায়ত অন্তৰ্ভুক্ত উপনিষদ। প্ৰথম মন্ত্ৰটো 'কেন' শব্দেৰে আৰম্ভ হোৱা বাবে উপনিষদখনৰ নামো কোনোপনিষদ হৈছে, যেনেকৈ 'ঈশা' শব্দৰে আৰম্ভ হোৱা উপনিষদ্‌খনক 'ঈশোপনিষদ্' বুলি কোৱা হৈছে।

এই ক্ষুদ্ৰ উপনিষদখন চাৰি খণ্ডত বিভক্ত। প্ৰথম দুটা খণ্ডত আছে বাক চকু, কান, মন আৰু প্ৰাণৰ বিবাদ, এই ইন্দ্ৰিয়বোৰে ব্ৰহ্মোপলব্ধিত মহান নকৰে ব্ৰহ্মজ্ঞান অতীন্দ্ৰিয় আৰু উপলব্ধৰ বিষয়। এই দুই খণ্ড পদ্যময়। গদ্যত ৰচিত পাছৰ দুই খণ্ড গদ্যময়। তাৰ মাজত বৰ্ণিত উমাৰ বৃত্তান্ত মনোগ্ৰাহী। এবাৰ দেৱতাসকলে অসুৰক যুদ্ধত জয় কৰি অহংকাৰত মত্ত হ'ল। তেতিয়া অদূৰত দেখা দিলে এক যক্ষই। যক্ষক দেখি দেৱতাসকলে তেওঁৰ স্বৰূপ জানিবলৈ প্ৰথমে বায়ুক পঠিয়ালে। বায়ুক ওচৰত দেখি যক্ষই সুধিলে, 'কোন তুমি'? 'তুমি কি কাম কৰা?' 'মই মহাবলী, বায়ু। মই লাগ বুলিলে সকলো উৰুৱাই নিব পাৰোঁ। 'হয় নেকি? 'বাৰু তুমি এই কূটাডালকে উৰুৱাই নিয়াচোন।' এই বুলি যক্ষই তেওঁৰ আগত কূটা এডাল থলে। বায়ুৱে সকলো শক্তি প্ৰয়োগ কৰিও কূটাগছ লৰাব নোৱৰিলে। লাজ পাই উভতি গ'ল। এইবাৰ যক্ষৰ পৰিচয় জানিবলৈ আহিল অগ্নি দেৱতা। ওচৰ আহি পোৱাত যক্ষই অগ্নিক সুধিলে, 'হেৰা বাপু, তুমি কোন' অগ্নিয়ে ক'লে, 'মই অগ্নিদেৱ' 'তুমি কি কৰা?' 'মই চকুৰ নিমিষতে জগতখন পুৰি ছাই কৰিব পাৰো।' বাপৰে, তুমিতো কম নোহোৱা।' সমুখৰ কূটাগছ দেখুৱাই যক্ষই ক'লে, 'কূটাগছকে পো�ৱাচোন চাওঁ।' অগ্নিয়ে মৰ বল দিও কূটা গছ হানি-বিঘিনি ঘটাব নোৱাৰিলে। লাজ পাই ফিৰি গ'ল। বিষয়ৰ গুৰুত্ব বুজি স্বয়ং দেবেন্দ্ৰ ওলাল যক্ষৰ ওচৰলৈ। কিন্তু তেওঁ গৈ পোৱাৰ আগতে যক্ষ নোহোৱা হ'ল। তেওঁৰ ঠাইতে দেখা গ'ল উমা মহেশ্বৰীক। তেওঁক দেখি ইন্দ্ৰই সুধিলে, 'ভগৱতি। অলপ আগতে তোমাৰ ঠাইত সেইজন কোন আছিল?' উমাই ক'লে, 'সেইজন বিশ্ব নিয়ন্তা,পৰমেশ্বৰ; যাক জ্ঞানীসকলে পৰমাত্মা বোলে। তেওঁৰ বলতে তোমালোকে অসুৰসকলক যুদ্ধত পৰাস্ত কৰিছা। তেওঁৰ অবিহনে,

সকলো চৰাচৰ দুর্বল।' তাকে কৈ উমা অন্তর্ধান হ'ল। (এই গল্পটো শিৱ পুৰাণতো আছে)।

৫) ঐতৰেয় উপনিষদ ঃ

এইখন ঋগ্বেদৰ ক্ষুদ্র উপনিষদ। ই একে নামৰ আৰণ্যকৰ অন্তর্গত। ঐতৰেয় আৰণ্যকৰ দ্বিতীয় আৰণ্যকৰ চতুর্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়েই হৈছে ঐতৰেয় উপনিষদ। এই উপনিষদ তিনিটা ভাগত বিভক্ত। প্রথম অধ্যায়ত আছে সৃষ্টিৰহস্য। সৃষ্টিৰ মূলতে আছে ঈক্ষা বা সংকল্প। তাৰ পৰা লোক সমূহৰ সৃষ্টি। দ্বিতীয় অধ্যায়ত জীৱ বা পুৰুষৰ তিনিটা জন্মৰ ৰহস্য বর্ণিত হৈছে। তৃতীয় অধ্যায়ত আত্মাৰ স্বৰূপ কথিত হৈছে। আত্মাৰ পৰা জগতৰ সৃষ্টি, জীৱৰ উৎপত্তি। আত্মা স্বৰূপতে প্রজ্ঞান। সেই প্রজ্ঞানেই লৌকিক চেতনাৰ বিবিধ বৃত্তিৰূপত প্রকাশিত হৈছে। অন্তঃজগতে বহিঃ জগতকো প্রজ্ঞাময় কৰে। ইয়াৰ মূলমন্ত্র 'প্রজ্ঞানং ব্রহ্ম'।

৬) কৌষীতকী ব্রাহ্মণোপনিষদ্ ঃ

উপনিষদখনৰ নামটোৱে ঈঙ্গিত দিয়ে যে ই ঋগ্বেদৰ অন্তর্গত কৌষীতকি বা সাংখ্যায়ন ব্রাহ্মণৰ ভিতৰুৱা উপনিষদ। উপনিষদখন চাৰিটা অধ্যায়ৰ সমষ্টি। প্রথম অধ্যায়ত কোৱা হৈছে দেৱযান আৰু পিতৃযান পন্থাৰ কথা। তাত ৰজা চিত্রই ৰূপকৰ ছলেৰে পর্যঙ্ক বিদ্যাৰ কথা বুজায় উদ্দালক আৰু তেওঁৰ পুত্র শ্বেতকেতুক। দ্বিতীয় অধ্যায়ত প্রাণবিদ্যাৰ বর্ণনা কৰা হৈছে। তৃতীয় অধ্যায়ত ইন্দ্রই প্রতর্দনক দিয়া ব্রহ্মজ্ঞানৰ কথা আছে। চতুর্থ অধ্যায়ত ব্রহ্মাৰ স্বৰূপৰ বিষয়ে পোৱা যায়। ৰজা অজাতশত্রু আৰু দৃপ্ত বালাকিৰ কথোপকথনৰ মাজেৰে এই শিক্ষা দান কৰা হৈছে।

৭) কঠোপনিষদ ঃ

এয়া কৃষ্ণযজুর্বেদৰ কাঠক শাখাৰ উপনিষদ। উপনিষদখন দুটা অধ্যায়ত বিভক্ত। প্রত্যেক অধ্যায়ে আকৌ তিনিটা বল্লীত ভাগ কৰা হৈছে। প্রথম অধ্যায়ৰ আদিতে গদ্যত এটি আখ্যান প্রস্তুত কৰা হৈছে। বাকী গ্রন্থখন পদ্যময়। যম আৰু নচিকেতাৰ কথোপকথনৰ মাজেৰে মৃত্যু আৰু আত্মাৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ যত্ন কৰা হৈছে।

আদিতে থকা আখ্যানত কোৱা হৈছে যে বাজশ্রৱা নামে লোক এজনে এটা যজ্ঞ পাতি সর্বস্ব দান কৰিলে। তেওঁ বুঢ়া হোৱা আৰু দুগ্ধ দান নকৰা কিছু গাই দান কৰা দেখি পুত্র নচিকেতাই অসন্তোষ প্রকাশ কৰিলে। 'মোক কালৈ দিৱা', 'মোক কালৈ দিৱা' বুলি নাচিকতাই দেউতাকক আমনি কৰিলে। তেতিয়া 'তোক যমলৈ দিম' বুলি ক'লে। তাকে শুনি ল'ৰাটোৱে যমৰ ঘৰলৈ বাট পোনালে। যম ঘৰত নথকাতে তেওঁ যমৰ ঘৰ পালে আৰু ভোকাতুৰ অৱস্থাত তিনি ৰাতি কটালে।

তিনি দিনৰ মূৰত যমে ঘৰলৈ আহি নচিকেতাক পাই তিনিটা বৰ যাচিলে। নচিকেতাই প্রথমটো বৰত মৃত্যুৰ পৰা অব্যাহতি আৰু দ্বিতীয় বৰত অগ্নি ৰহস্য জানিবলৈ বিচাৰিলে। যমে দুয়োটা বৰ মঞ্জুৰ কৰিলে। তৃতীয় বৰত নচিকেতাই প্রেতৰ বিষয়ে অর্থাৎ মৃত্যু ৰহস্য যমৰ পৰা জানিবলৈ বিচাৰিলে। যমে বৰ সহজে সেই ৰহস্য ব্যক্ত কৰিবলৈ ইচ্ছুক নহ'ল। কিন্তু নাচিকেতাৰ নেৰানেপেৰা বান্ধত পৰি যমে সেই ৰহস্য কবলৈ বাধ্য হ'ল। লগতে যমে আত্মবিদ্যাৰ কথাও নচিকেতাক ক'বলগীয়া হ'ল।

৮) তৈত্তিৰীয় উপনিষদ ঃ

কৃষ্ণ যজুর্বেদৰ প্রসিদ্ধ তৈত্তিৰীয় শাখাৰ অন্তর্গত তৈতিৰীয় আৰণ্যকৰ সপ্তম অষ্টম আৰু নৱম প্রপাঠক কেইটাকে উপনিষদ্ বুলি কোৱা হয়। এই প্রপাঠক কেইটাক ক্রমে 'শিক্ষাৱল্লী', 'ব্রহ্মবল্লী' আৰু 'ভৃগুৱল্লী' বুলি কোৱা হৈছে।

এই উপনিষদৰ শিক্ষাবল্লীৰ পৰা তাহানিৰ গুৰুকুল শিক্ষাৰ কিছু আভাস পোৱা যায়। ইয়াত ছাত্রই গুৰুৰ ওচৰত শিক্ষা সমাপ্তিত লাভ কৰা উপদেশবোৰে তাহানিৰ সামাজিক আৰু বৌদ্ধিক দিশৰ আভাস দিয়ে। ছাত্রই শিক্ষা সমাপ্ত কৰি পৱিত্র স্নান কৰি (স্নাতক হৈ) সমাবর্তন পর্বত লাভ কৰে গুৰুৰ উপদেশ ঃ 'সত্যং ৱদ। ধর্মং চৰ। স্বাধ্যায়ান মা প্রমদঃ। ..... সত্যনন প্রমদিতব্যয্। দেৱপিতৃকার্য়াভ্যং ন প্রমদিতব্যম্। মাতৃদেৱো ভৱ। পিতৃদেৱো ভব। আচার্য্যদেৱোভব। অতিথিদেৱো ভব। ইত্যাদি। ইয়াৰ পৰা বুজা যায় গার্হস্থ্য জীৱনত গৃহস্থই কেনেকৈ আদর্শনীয় জীৱনৰ পাতনি মেলিব লাগিছিল ইয়াৰ মাজেৰে পঞ্চমহাযজ্ঞৰ ভাৱনাও প্রকটিত হৈছে।

ব্রহ্মবল্লীত ঘোষণা কৰা হৈছে 'সত্যং জ্ঞানমনন্তং ব্রহ্ম।' তাত ব্রহ্মৰ লক্ষণ চমুৱাই কোৱা হৈছে। ভৃগুৱল্লীত বিবৃতি বিদ্যাক বাৰুণী বিদ্যাও বোলা হয়। অর্থাৎ বৰুণে ভৃগুক শুনোৱা ব্রহ্মোপদেশ' এই বিদ্যাৰ বিষয়বস্তু। তাক পঞ্চকোষী বিদ্যাৰ মাজেৰে কোৱা হৈছে।

৯) মহানাৰায়ণ উপনিষদ ঃ

তৈত্তিৰীয় আৰণ্যকৰ অন্তিম ভাগতে মহানাৰায়ণ উপনিষদ বোলা হয়। ইয়াৰ অন্য নাম মহানাৰায়ণীয় বা যাজ্ঞিক উপনিষদ্। এই উপনিষদৰ বিষয়বস্তু কিছু পৃথক। বেদান্ত, সন্ন্যাস, দুর্গা, নাৰায়ণ, মহাদেৱ, দান্ত গৰুড় আদি শব্দৰ উল্লেখৰ পৰা বুজা যায় যে ই বিশেষ পুৰণি উপনিষদ্ নহয়। কিন্তু ৱিণ্টাৰনিৎসৰ দৰে পণ্ডিতে ইয়াৰ প্রাচীনত্ব স্বীকাৰ কৰিছে। ইয়াক নাৰায়ণকে পৰমাত্মতত্ত্ব বুলি বহুবাৰ কোৱা হৈছে। ইয়াত স্নান, আচমন, হোমাদিৰ উপযুক্ত মন্ত্র সন্নিৱিষ্ট হৈছে, যাৰ বাবে ইয়াক যাজ্ঞিক উপনিষদো বোলা হয়।

১০) মুণ্ডকোপনিষদ ঃ

ই অথর্ববেদৰ অন্তর্গত। ই মুণ্ডক নামে তিনিভাগত বিভক্ত। মুণ্ডকবোৰ দুটা ভাগত ভগোৱা হৈছে। কোনো এজন শুনকগোত্রীয় ঋষিয়ে আচার্য অঙ্গিৰসৰ ওচৰলৈ গৈ প্রশ্ন কৰে—'কস্মিন্ নু ভগৱো বিজ্ঞাতে সৱমিদং ৱিজ্ঞাতং ভৱতি ইতি।' তাৰ উত্তৰত অঙ্গিৰসে ক'লে যে পৰা আৰু অপৰা নামে দুই 'বিদ্যা' আছে, সাধাৰণ শ্রুতি-স্মৃতি সম্বন্ধীয় শাস্ত্রচয় অপৰাবিদ্যাৰ ভিতৰুৱা। 'পৰাবিদ্যা' বা 'ব্রহ্মবিদ্যা' তাকে বোলে যাৰ দ্বাৰা অক্ষৰ ব্রহ্মক সম্যকভাৱে জনা যায়।

এইদৰে পৰা আৰু অপৰাবিদ্যাৰ কথা কৈ আচার্যই ক'লে যে অপৰাবিদ্যা ৰূপ যাগ-যজ্ঞাদি কর্মবোৰ তুলুঙা নাৱৰ দৰে। (প্লৱাহ্যেতে যজ্ঞৰূপাঃ)। যিজনে ইয়াকে শ্রেয়ঃ বুলি কয় আৰু তাৰ অনুষ্ঠান কৰে তেওঁ বাৰে বাৰে জৰা-মৰণৰ কবলত পৰে। গতিকে বিচৰালোকে হাতত লৈ গুৰুৰ আশ্রয় লব লাগে। গুৰুজনে তেওঁৰ মনৰ সংশয় আঁতৰ কৰি পৰাবিদ্যা বিষয়ক জ্ঞান দিয়ে। তাৰ ফলত শিষ্য বা মুমুক্ষুজনৰ জ্ঞান জন্মে যে 'পুৰুষ এৱেদং বিশ্বং কর্ম তপো ব্রহ্ম পৰামৃতম্'। এই জ্ঞান যাৰ হয়, তেওঁৰ পৰম ব্রহ্মৰ কথা জ্ঞাত হয়।

'স য়েহ ৱৈ তর্ত পৰমং ব্রহ্ম বেদ
ব্রহ্মৈৱ ভৱতি মাস্যাব্রহ্মবিৎ কুলে ভৱতি।'

এইদৰে মুণ্ডক উপনিষদত পৰাপৰা বিদ্যাৰ বর্ণনাৰে ব্রহ্ম জ্ঞান লাভৰ যি উপদেশ দিয়া হৈছে সেয়া ব্রহ্মজিজ্ঞাসুসকলৰ বাবে পৰম পাথেয়।

১১) প্রশ্নোপনিষদ ঃ

প্রশ্নোপনিষদ্ অথর্ববেদৰ অন্তর্গত। এই উপনিষদত ছটা অধ্যায় আছে। অধ্যায়বোৰক প্রশ্ন বোলা হৈছে। ছটা অধ্যায়ত ছজন শিষ্যই ঋষি পিপ্পলাদক ছটা ব্রহ্মবিষয়ক প্রশ্ন কৰিছে। প্রথম অধ্যায়ত কবন্ধী কাত্যায়নে প্রশ্ন কৰিছে, 'প্রজা সৃষ্টি ক'ৰ পৰা হয়?' দ্বিতীয়টো অধ্যায়ত ভার্গৱ বৈদর্ভিয়ে সুধিছে, 'কোন দেৱতাই প্রজা সমূহক ধাৰণ কৰে?' তৃতীয় অধ্যায়ত কৌসল্য আশ্বলায়নে প্রশ্ন কৰিছে 'প্রাণৰ উৎপত্তি, স্থিতি আৰু লয় হয় কেনেকৈ?' চতুর্থ অধ্যায়ত সৌর্যায়াণী গার্গ্যই সোধে, 'প্রাণৰ সুষুপ্তিত কোন সোৱে আৰু কোনে জাগি থাকে?' পঞ্চম অধ্যায়ত প্রশ্নকর্তা শৈব্য সত্যকামে প্রশ্ন কৰে,'ওঙ্কাৰৰ উপাসকসকলে কি কি লোকলৈ যায় আৰু ষষ্ঠ অধ্যায়ত সুকেশা ভাৰদ্বাজে প্রশ্ন কৰে, 'ষোড়শ কলাযুক্ত পুৰুষ কোন আৰু তেওঁ ক'ত থাকে?'

এই প্রশ্নবোৰৰ উত্তৰত পিপ্পলাদে জীৱ সৃষ্টি, প্রাণতত্ত্ব, সুষুপ্তি বিজ্ঞান; ওঙ্কাৰ-উপাসনা আৰু ষোড়শ কলা পুৰুষৰ কথা বহলাই ব্যাখ্যা কৰে।

১২) মাণ্ডুক্য উপনিষদ ঃ

এইখন অথর্ববেদৰ অন্তর্গত তৃতীয় উপনিষদ্। ইয়াত ওঙ্কাৰতত্ত্বৰ ব্যাখ্যা কৰা হৈছে। উপনিষদ বিলাকৰ ভিতৰত তেনেই চমু এই উপনিষদত মাত্র বাৰটা বাক্য আছে। তাৰ মাজেৰে প্রবক্তাজনে অদ্বৈততত্ত্ব প্রবর্তন কৰিছে। হাতী মাৰি ভুৰুকাত ভৰোৱাৰ এক উৎকৃষ্ট উদাহৰণ এই উপনিষদ।

ইয়াত কোৱা হৈছে যে ওঙ্কাৰেই ভূত, বর্তমান আৰু ভৱিষ্যৎ। ইয়েই জাগ্রৎ, স্বপ্ন আৰু সুষুপ্তিৰ উপৰিও তুৰীয় অৱস্থাৰ কথা কয়। আত্মা যিদৰে চতুষ্পাৎ, ওঙ্কাৰো সেইদৰে চতুর্মাত্র। ওঙ্কাৰৰ অ, উ, ম এই তিনি ভাগে আত্মাৰ জাগ্রত, স্বপ্ন আৰু সুষুপ্তি এই অৱস্থাৰ কথা সূচায়। দার্শনিক গৌড়পাদে তেওঁৰ কাৰিকাত্মক ভাষ্যত এই উপনিষদত নিহিত অদ্বৈতবাদৰ তত্ত্বৰ ব্যাপক চর্চা কৰিছে। শঙ্কৰাচার্যই মাণ্ডুক্য উপনিষদ্ আৰু গৌড়পাদৰ কাৰিকা উভয়ৰে ভাষ্য ৰচনা কৰে।

১৩) মৈত্রায়নী উপনিষদ ঃ

এই উপনিষদখন কৃষ্ণযজুর্বেদৰ অন্তর্গত। উপনিষদখন সাতটা অধ্যায়ত বিভক্ত। শেষৰ অধ্যায় দুটা খিল বা পৰিশিষ্ট বুলি জনাজাত। এই উপনিষদত ৰজা বৃহদ্রথ আৰু মুনি শাকায়নৰ মাজত হোৱা কথোপকথনেৰে ব্রহ্মজ্ঞানৰ কথা কোৱা হৈছে। উপনিষদখন গদ্যত ৰচিত। উপনিষদ্খনৰ ষষ্ঠ অধ্যায়ত গায়ত্রী মন্ত্রৰ বাখ্যা পোৱা যায়।

১৪) শ্বেতাশ্বতৰোপনিষদ ঃ (শ্বোয়শ্বতৰোপনিষদ)

এইখনো কৃষ্ণ যজুর্বেদৰ ভিতৰুৱা উপনিষদ্। উপনিষদখন ছটা অধ্যায়ত বিভক্ত। এই

উপনিষদৰ উপদেশ শ্বেতাশ্বতৰ নামৰ এজন ঋষিয়ে দিছিল বাবে এই উপনিষদৰ নাম শ্বেতাশ্বতৰ হৈছে।

ইয়াৰ প্ৰথমটো অধ্যায়ত জীৱ জ্ঞেয় আৰু অজ্ঞেয়ৰ বৰ্ণনা কৰা হৈছে। গাখীৰত চামনি মিহলি হৈ থকাৰ দৰে ব্ৰহ্মই জগৎখন বিয়পি আছে। দ্বিতীয় অধ্যায়ত ধ্যান যোগক এক সমতা ৰক্ষাৰ প্ৰণালী বুলি কোৱা হৈছে। তৃতীয় অধ্যায়ত শিৱ ৰুদ্ৰৰ বৰ্ণনা কৰোঁতে ঋগ্বেদীয় পুৰুষসূক্ত আৰু শুক্ল যজুৰ্বেদীয় ৰুদ্ৰাধ্যায়ৰ পৰা উদ্ধৃতি দিছে। চতুৰ্থ অধ্যায়ত ব্ৰহ্মক মহেশ্বৰ আৰু প্ৰকৃতিক মায়া বুলি কৈছে (মায়াং তু প্ৰকৃতিং বিদ্যান্ মায়িনং তু মহেশ্বৰম্)। পঞ্চম অধ্যায়ত কপিলৰ উল্লেখ আৰু ত্ৰৈগুণ্যৰ বৰ্ণনা পোৱা যায়। ষষ্ঠ অধ্যায়ত কৰ্মবাদৰ কথা কোৱা হৈছে। ইয়াত সাংখ্য, যোগেদি বিশেষ অৰ্থত ব্যৱহৃত হৈছে। অন্তিম শ্লোকটোত গুৰু-শিষ্যৰ প্ৰশংসা আৰু বিদ্যালাভৰ বাবে শিষ্যৰ গুৰুভক্তিৰ আৱশ্যক বুলি কৈছে ঃ

য় স্য দেৱে পৰা ভক্তির্যথা দেৱে তথা গুৰৌ।
তস্যৈতে কথিতা হ্যর্থা ঃ প্ৰকাশন্তে মহাত্মনঃ।।

কোনোখন বেদৰ লগত সম্পৰ্ক নথকা আৰু চাৰিখন পুৰণি উপনিষদ যোৱা শতিকাত আৱিষ্কৃত হৈছে। এই উপনিষদ্ কেইখন বাষ্কল, ছাগলেয়, আৰ্ষেয় আৰু শৌনক উপনিষদ্ নামে জনা যায়। উপনিষদ কেইখনৰ চমুটোকা তলত দিয়া হ'ল ঃ

১৫) বাষ্কল উপনিষদ ঃ

এইখন উপনিষদত আছে পঁচিশটা মন্ত্ৰ। মন্ত্ৰবোৰ ত্ৰিষ্টুপ ছন্দত ৰচিত। সম্ভৱতঃ ই ঋগ্বেদৰ বাষ্কল উপনিষদৰ পৰিশিষ্ট আছিল। কেইটামান মন্ত্ৰ শাকল সংহিতাত প্ৰাপ্ত মন্ত্ৰৰ সদৃশ। ইয়াত ইন্দ্ৰ আৰু মেধাতিথিৰ সংবাদৰ মাজেৰে দাৰ্শনিক তত্ত্ব তুলি ধৰা হৈছে।

১৬) ছাগলেয় উপনিষদ ঃ

এই উপনিষদখন বৰ সংক্ষিপ্ত। ইয়াত মাত্ৰ ছটা অনুচ্ছেদ আছে। অন্ততঃ এবাৰ ছাগলেয়ৰ নামোল্লেখ আছে। কৃষ্ণ যজুৰ্বেদৰ মৈত্ৰায়নী সংহিতাৰ ছটা শাখাৰ অন্যতম এ ছাগলেয় প্ৰশাখা। ইয়াত সৰস্বতী নদীৰ পাৰত হোৱা ঋষিসকলৰ সত্ৰৰ উল্লেখ আছে। ঋষিসকলে কৰৰ ঐলুষক 'দাস্যা পুত্ৰঃ' বুলি নিন্দা কৰে। পিছত তেওঁলোকে ঐলুষৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি তেওঁৰ ওচৰত উপনীত হ'বলৈ ইচ্ছা প্ৰকাশ কৰে। ঐলুষে তেওঁলোকক কুৰুক্ষেত্ৰত থকা ৱালিশ নামে জনদিয়েক বদ্ধানৰ ওচৰলৈ পঠিয়াই দিয়ে। তাত এবছৰ বিদ্যাব্ৰত গ্ৰহণ কৰাৰ পাছত তেওঁলোকক সম্যক ৰূপে জ্ঞানোপদেশ দিয়ে।

১৭) আৰ্ষেয় উপনিষদ ঃ

আড্যাৰ সংকলনত প্ৰকাশিত চাৰিখন প্ৰাচীন উপনিষদৰ ভিতৰত আৰ্ষেয় উপনিষদ অন্যতম। এইখনো দহটা অনুচ্ছেদত প্ৰাপ্ত ক্ষুদ্ৰ উপনিষদ্। ইয়াতো ঋষিসকলৰ মাজত অনুষ্ঠিত ব্ৰহ্মোদ্যৰ বৰ্ণনা আছে। বিশ্বামিত্ৰ, জমদগ্নি, ভৰদ্বাজ, গৌতম, বশিষ্ঠ প্ৰভৃতি ঋষিয়ে সেই ব্ৰহ্মোদ্যত ভাগ লৈছিল। ঋষিসকলৰ কথোপকথন বৰ্ণিত হোৱা বাবে উপনিষদ গ্ৰন্থ খন আৰ্ষেয় উপনিষদ বুলি জনা যায়।

১৮) শৌনকোপনিষদ ঃ

আড্যাৰ সংকলনত প্ৰাকাশিত চতুৰ্থ উপনিষদখন শৌনকোপনিষদ নামে জনাজাত। ইয়াৰ প্ৰৱক্তা শৌনক। অসুৰসকলৰ ওপৰত দেৱতাসকলৰ বিজয় লাভ আৰু ইন্দ্ৰৰ মহত্ত্ব ইয়াৰ উপজীব্য বিষয়। ইয়াত একাক্ষৰ প্ৰণৱৰ উপাসনা বিহিত হৈছে।

এইকথা উল্লেখযোগ্য যে সম্প্ৰতি দুশৰো অধিক 'উপনিষদ' নামে গ্ৰন্থ মুদ্ৰিত হৈ ওলাইছে। তাৰ প্ৰাচীন আৰু প্ৰামাণিক উপনিষদ্ ওঠৰখনৰ চমু পৰিচয় ওপৰত তুলি ধৰা হ'ল।
তদুপৰি আৰু কেইখনমানৰ নাম ইয়াত উল্লেখ কৰা হ'ল ঃ

(১) অমৃতনাদ, (২) অমৃত বিন্দু, (৩) শাঠ্যায়নীয়, (৪) যোগতত্ত্ব, (৫) কৈৱল্য, (৬) হংস, (৭) গৰ্ভ, (৮) পাশুপত, (৯) যাজ্ঞবল্ক্য, (১০) কালিকা, (১১) গৰুড়, (১২) স্কন্দ, (১৩) সৰ্বসাৰোপনিষদ্, (১৪) পঞ্চব্ৰহ্ম, (১৫) ভাৱনা, (১৬) কালাগ্নি ৰুদ্ৰ, (১৭) প্ৰাণাগ্নিহোত্ৰ, (১৮) কলিসন্তৰণ, (১৯) শ্ৰীৰামপূৰ্বতাপনীয়, (২০) ৰামৰহস্য আদি।

শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্য, মধ্বাচাৰ্য, বল্লভাচাৰ্য প্ৰভৃতিয়ে মূল উপনিষদবোৰৰ ওপৰত ভাষ্য ৰচনা কৰে। ম্যাক্সমূলাৰ, ডায়চন, ৰাধাকৃষ্ণণ প্ৰভৃতিয়ে ইংৰাজী ভাষালৈ সিবোৰ অনুবাদ কৰে।

জানি থোৱা ভাল



১) উপনিষদ শব্দটোৰ ব্যুৎপত্তি অৰ্থ ঃ উপ-নি+ $\sqrt{}$সদ ধাতু+ক্বিপ্ প্ৰত্যয়ৰ যোগত উপনিষদ' শব্দাৰ্থ সাধিত হৈছে। সদ্ ধাতুৰ সাধাৰণ অৰ্থ ওচৰত বহা। কিন্তু উপনিষদ শব্দটোৱে বুজায় ঃ যিয়ে হেতু সহ ংসাৰৰ অৱসাদন কৰে বা সংসাৰৰ মায়া-মোহ সমূকো বিনাশ কৰে; চমুকৈ উপনিষদ্ হৈছে ব্ৰহ্মবিদ্যা, ৰহস্য বিদ্যা। ইয়াত সদ্ ধাতুৰ অৰ্থ অৱসাদন অৰ্থাৎ শিথিল কৰা বা বিনাশ কৰা।

২) সম্ৰাট ছাহজাহানৰ জ্যেষ্ঠ পুত্ৰ আৰু সম্ৰাট ঔৰঙ্গজেৱৰ অগ্ৰজ দৰে সিকোৱে মূল সংস্কৃতৰ পৰা পঞ্চাশখন উপনিষদ্ বাচি উলিয়াই ১৬৫৬ খৃষ্টাব্দত ফাৰ্ছী ভাষালৈ অনুবাদ কৰে।

৩) আঁকেতিল দুপেৰোঁ (Anquetil Duperron) নামে ফৰাছী পণ্ডিতে ভাৰতৰ পৰা দাৰা সিকোৰ ফাৰ্ছী অনুবাদ (Oupenkhat) সংগ্ৰহ কৰি ১৮০১-২ চনত তাৰ লেটিন অনুবাদ প্ৰকাশ কৰে।

৪) পাছলৈ ইৰাণীয় পণ্ডিত জালালি নাইনি (Jalani Naini)য়ে দাৰা সিকোৰ ফাৰ্ছীত কৰা 'উপনেখত'ৰ সংগ্ৰহ সুবিস্তৃত ভূমিকাৰ সৈতে সম্পাদনা কৰি প্ৰকাশ কৰে। তাকে ১৯৬২ চনৰ ১৯ মাৰ্চত আনুষ্ঠানিক ভাৱে দিল্লীত ভাৰতৰ ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধান মন্ত্ৰীৰ হাতত অৰ্পণ কৰে।

৫) দুপেৰোৰ লেটিন অনুবাদৰ পঞ্চাশখন উপনিষদৰ সৈতে আৰু দহখন যোগ দি

জার্মান পণ্ডিত পাউল ডয়সেনে জার্মানলৈ অনুবাদ কৰে আৰু Sechzig Upanisaden des Veda নামে ১৮৯৭ চনত প্ৰকাশ কৰে। পুনেৰ পণ্ডিত ৰেডেকাৰ আৰু পলমূলে ইয়াৰ ইংৰাজী অনুবাদ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ উপনিষদ শব্দৰ ব্যুৎপত্তি আৰু অৰ্থ কি কি?

.....

প্ৰশ্ন নং ২ঃ মুখ্য উপনিষদৰ সংখ্যা কিমান?

.....

প্ৰশ্ন নং ৩ঃ দহখন প্ৰাচীন উপনিষদৰ নাম লিখক।

.....

প্ৰশ্ন নং ৪ঃ দহখন অৰ্বাচীন উপনিষদৰ নাম লিখক।

.....

প্ৰশ্ন নং ৫ঃ ক্ষুদ্ৰ পৰিসৰৰ উপনিষদ দুখনৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৬ঃ বেদ অনুসৰি চৈধ্যখন উপনিষদৰ নাম সজাই লিখক।

.....

প্ৰশ্ন নং ৭ঃ বৈদিক গুৰুকুল শিক্ষাৰ সমাবৰ্তন ভাষণৰ বিষয়ে কোনখন উপনিষদত বৰ্ণিত হৈছে।

.....

প্ৰশ্ন নং ৮ঃ কোনে উপনিষদবোৰ ফাৰ্ছী ভাষালৈ অনুবাদ কৰিছিল?

.....

প্ৰশ্ন নং ৯ঃ কোনে উপনিষদবোৰ লেটিন ভাষালৈ অনুবাদ কৰিছিল?

.....

প্ৰশ্ন নং ১০ঃ যাঠিখন উপনিষদৰ জার্মান অনুবাদকজন কোন?

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি— বৈদিক সাহিত্যৰ অন্তৰ্গত—বেদৰ শেষ ভাগ—বেদান্ত বুলি জনাজাত উপনিষদসমূহৰ বিষয়ে থূল-মূলকৈ বহু কথা জানিব পাৰিলে।

- প্রথমতে উপনিষদৰ চমু পৰিচয়, সিবোৰৰ সংখ্যা, নামবোৰ আৰু প্রবক্তাসকলৰ বিষয়ে গম পালে।
- তাৰ পাছত ওঠৰখন প্রাচীন উপনিষদৰ চমু পৰিচয় জানিলে।
- উপনিষদ শব্দৰ চমু অর্থ আৰু ইবোৰৰ ফার্ছী, লেটিন আৰু জার্মান অনুবাদৰ কথা জানিব পাৰিলে।



৯.৭ অধিক জানিবলৈ

১) Radhakrishnan, S, (ed), (1953), *The Principal Upanisads*, London : George Allen and Unwin Ltd.

২) Vedebar, V. M. and Palsule G. B. (trans.) (1970), *Sixty Upanisads*, (trans. from-German edn. of Paul Deussen, 1897)

৩) Max Mueller, F, (ed). (1879 & 1884), *The Upanisads*, 2 Vols. SBE Series. vol. 1415. Oxford.

৪) শর্মা, তীর্থনাথ, (১৯৯১), *উপনিষদ্ অষ্টক*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৫) শর্মা তীর্থ নাথ, (১৯৯৮), *ছান্দোগ্য উপনিষদ্*, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৬) শর্মা থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, ৰূপনগৰ ঃ অসম বেদবিদ্যালয়।

৭) শর্মা থানেশ্বৰ, (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, ২য় সংস্কৰণ*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।



৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ উপ-নি+সদ+ক্বিপ প্রত্যয়ৰ যোগত সাধিত হোৱা উপনিষদ্ শব্দটোৰ সাধাৰণ অর্থ ওচৰত বহা। কিন্তু উপনিষদ্ শব্দটোৱে দৰাচলতে ব্রহ্মবিদ্যাক বুজায়, যিহেতুকে এই বিদ্যাই অবিদ্যাবশতঃ জন্মা সংসাৰৰ মায়া-মোহ আদি সমূহে বিনাশ কৰে। ইয়াত সদ্ ধাতুৰ অর্থ অৱসাদন অর্থাৎ শিথিল কৰা বা বিনাশ কৰা।

২ নং প্রশ্নৰ উত্তৰঃ মুখ্য উপনিষদ্ কোনো কোনো পণ্ডিতৰ মতে দহখন, কোনো জনৰ মতে তেৰখন বা চৈধ্যখন।

৩ নং প্রশ্নৰ উত্তৰঃ ঈশ, কেন, কঠ, প্রশ্ন, মুণ্ডক, মাণ্ডুক্য, তিত্তিৰি, ঐতৰেয়, ছান্দোগ্য আৰু বৃহদাৰণ্যক।

৪ নং প্রশ্নৰ উত্তৰঃ অমৃতনাদ, অমৃতবিন্দু, শাধ্যায়নীয়, যোগতত্ত্ব, হংস, গর্ভ, পাশুপত, যাজ্ঞৱল্ক্য, গৰুড় আৰু স্কন্দ উপনিষদ্।

৫ নং প্রশ্নৰ উত্তৰঃ মাণ্ডুক্য আৰু ঈশ উপনিষদ্। মাণ্ডুক্য উপনিষদত বাৰ্যা বাক্য আৰু ঈশ উপনিষদৰ ওঠৰটা মন্ত্র আছে।

৬ নং প্রশ্নৰ উত্তৰঃ ঋগ্বেদীয় উপনিষদ্— ১) ঐতৰেয় ২) কৌষীতকী

সামবেদীয় উপনিষদ— ৩) ছান্দোগ্য ৪) কেন

শুক্লযজুর্বেদীয় উপনিষদ— ৫) ঈশ আৰু ৬) বৃহদাৰণ্যক

কৃষ্ণ যজুর্বেদীয় উপনিষদ— ৭) কঠ ৮) তৈত্তিৰীয়

৯) মৈত্রায়ণী ১০) মহানাৰায়ণ

১১) শ্বেতাশ্বতৰ

অথর্ববেদীয় উপনিষদ— ১২) প্রশ্ন ১৩) মুণ্ডক

১৪) মাণ্ডুক্য

৭ নং প্রশ্নৰ উত্তৰঃ তৈত্তিৰীয় উপনিষদৰ শিক্ষা বল্লীত।

৮ নং প্রশ্নৰ উত্তৰঃ সম্রাট ছাজাহানৰ জ্যেষ্ঠ পুত্র দাৰা শিকোৱে পঞ্চাশখন উপনিষদ ফার্ছী ভাষালৈ অনুবাদ কৰিছিল।

৯ নং প্রশ্নৰ উত্তৰঃ আঁকেতিল দুপেৰোঁৱে (Anquetil Duperron)

১০ নং প্রশ্নৰ উত্তৰঃ পাউল ডয়সেন (Paul Deussen)



৯.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ বৈদিক সাহিত্যত উপনিষদৰ স্থান ক'ত?

প্রশ্ন ২ঃ উপনিষদৰ আধাৰত গ্রন্থ ৰচনা কৰা দেশী/বিদেশী পণ্ডিত কেইজনমানৰ নাম লিখক।

(খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ঃ ঈশ, কেন, কঠ, ঐকৰেয় আৰু তৈতিৰীয় উপনিষদৰ চমু পৰিচয় লিখক।

প্রশ্ন ২ঃ উপনিষদত বর্ণিত হোৱা দুটা আখ্যান চমুকৈ লিখক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ কেনোপনিষদত প্রাপ্ত উমা মাহেশ্বৰীৰ আখ্যানটো চমুকৈ উল্লেখ কৰক।

প্রশ্ন ২ঃ কঠোপনিষদত পোৱা নচিকেতাৰ আখ্যানটোৰ তাৎপর্য লিখক।

প্রশ্ন ৩ঃ উপনিষদৰ মূল বিষয় কি?

*** ***** ***

অধ্যায় ১০ঃ শ্রীমদ্ভগৱদ্‌গীতা - সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ নামৰ তাৎপর্য্য
১০.৪ শাস্ত্রখনিৰ আলোচ্য বিষয়
১০.৫ ৰচয়িতা আৰু ৰচনাকাল
১০.৫.১ ৰচনাৰ পটভূমি
১০.৬ ভাষ্যকাৰসকল
১০.৭ গীতাৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ সাৰাংশ
১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৯ অধিক জানিবলৈ
১০.১০ অগ্রগতিৰ খতিয়ান
১০.১১ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শ্রীমদ্ভগৱদ্‌গীতা - নামটোৰ তাৎপর্য্য জানিব পাৰিব
- গীতাৰ আলোচ্য বিষয় অৱগত হব
- গীতাৰ ৰচক, ৰচনাকাল আৰু ৰচনাৰ পটভূমি জানিব পাৰিব
- গীতাৰ ভাষ্যকাৰসকলৰ বিষয়েও জানিব পাৰিব
- শাস্ত্রৰখনৰ ওঠৰটা (১৮) অধ্যায়ৰ বিষয়বস্তুৰ লগত পৰিচিত হব পাৰিব

৯.২ পৰিচয়

শ্রীমদ্ভগৱদগীতা নামৰ অমূল্য গ্রন্থখন সমগ্র ভাৰতীয়ৰ বাবেই অত্যন্ত পূজনীয়। এই গ্রন্থখন কেৱল হিন্দুসকলৰেই নহয়, আন সকলো ধর্মৰ মানুহৰ বাবেও এইখনৰ মূল্য অপৰিসীম। সমগ্র ভাৰতীয় দর্শন তথা আদর্শৰ প্রতিচ্ছবি পোৱা যায় এই গ্রন্থখনত। ৰাহ্যিকভাৱে এইখন কেৱলমাত্র অর্জুন আৰু শ্রীকৃষ্ণৰ কথোপকথন হলেও প্রকৃততে ভাৰতীয় জীৱনদর্শনৰ ভেটি হ'ল এইখন গ্রন্থ। জগতৰ বিভিন্ন বিষয়লৈ সন্দেহৰ আবর্ত্তত ঘূৰি থকা অর্জুনৰ মনত আবির্ভূত হোৱা প্রশ্নৰ সমাধান আৰু উত্তৰ দাঙি ধৰিছে ভগৱান শ্রীকৃষ্ণই উক্ত গ্রন্থত। গ্রন্থখনৰ সৃষ্টিৰ পটভূমিকা যুদ্ধক্ষেত্র হলেও প্রকৃত শান্তিৰ সমীকৰণ দেখুৱাই দিয়া হৈছে এইখন শাস্ত্রত। কুৰুক্ষেত্র যুদ্ধত চকুৰ

আগত শত্রু পক্ষত দ্রোণাচার্য, ভীষ্ম আদি পূজনীয় ব্যক্তিসকলক দেখি নিৰাশাগ্রস্ত হৈ যুদ্ধ নকৰাৰ সিদ্ধান্ত লোৱা অর্জুনক যুদ্ধৰ প্রতি আকৃষ্ট কৰাটোৱে আছিল এই গ্রন্থৰ মুখ্য উদ্দেশ্য। কিন্তু এনে কৰিব গৈ ভগৱানে যি অমৃতবাণী উচ্চাৰণ কৰিলে সেইটো যুগ যুগ ধৰি মানুহৰ মনত উত্থাপিত হোৱা প্রশ্নৰ সমাধান হিচাপে চিৰস্থায়ী হৈ গ'ল। এই অধ্যায়টিত আপুনি শ্রীমদ্ভগৱদ্‌গীতাৰ সাধাৰণ পৰিচয় লাভ কৰিব।

১০.৩ নামৰ তাৎপর্য্য

আমি সাধাৰণতে শ্রীমদ্‌ভগৱদ্‌গীতাক 'গীতা' বুলিহে চমুকৈ কওঁ। দৰাচলতে শ্রীমদ্‌ভগৱদ্‌গীতা বা গীতাৰ সম্পূর্ণ নামটো হ'ল শ্রীমদ্‌ভগৱদ্‌গীতোপনিষদ। 'গৈ' (গান গোৱা) ধাতুত 'ক্ত' প্রত্যয় যোগ হৈ 'গীত' পদটো সাধিত হয়। 'গীত' পদত স্ত্রীলিঙ্গত ব্যৱহৃত 'টাপ্' (আপ্) প্রত্যয় যোগ হ'লে 'গীতা' পদটো সাধিত হয়। মন কৰিবলগীয়া যে 'গীতা' পদটো এটা বিশেষণ পদ। ইয়াৰ সৈতে জড়িত বিশেষ্য পদটো হ'ল 'উপনিষদ'। 'গীতা' নামৰ শাস্ত্রখনক এখন উপনিষদ হিচাবে গণ্য কৰা হয়। যিহেতু 'উপনিষদ' পদটো সংস্কৃত ব্যাকৰণৰ মতে স্ত্রীলিঙ্গত ব্যৱহৃত হয়, সেয়েহে ইয়াৰ বিশেষণ হিচাবে ব্যৱহৃত পদো স্ত্রীলিঙ্গত ব্যৱহাৰ কৰা হয়। সেই বাবেই 'গীত' পদটোত 'টাপ্' প্রত্যয় যোগ কৰি 'গীতা' পদটো সাধন কৰা হৈছে।

১০.৪ শাস্ত্রখনিৰ আলোচ্য বিষয়

মনকৰিবলগীয়া কথা যে গীতাক কোনো বিশেষ ধর্মগ্রন্থ হিচাবে আখ্যা দিয়া নহয়। বৰং ইয়াক অধিবিদ্যা, নীতিশাস্ত্র, ব্রহ্মবিদ্যাপৰক গ্রন্থ আৰু যোগশাস্ত্র বুলি কোৱা হয়। গীতাই প্রতিপাদন কৰিব বিচাৰে যে আধ্যাত্মিক সত্য উপলব্ধি কৰিবলৈ প্রয়াস কৰা লোকে কঠোৰ সাধনা কৰিবই লাগিব। সেই সাধনা হ'ল কর্মৰ নামান্তৰ। আমি উল্লেখ কৰিছো যে গীতাক উপনিষদ হিচাপে জ্ঞান কৰা হয়। উপনিষদ্‌সমূহৰ প্রতিপাদ্য তুৰীয় ব্রহ্মবাদৰ প্রসঙ্গও গীতাত আছে। তদুপৰি, বৈদিক যজ্ঞকাণ্ড, ভাগৱতপুৰাণৰ ঈশ্বৰবাদ তথা ভক্তিবাদ, সাংখ্যদর্শনৰ দ্বৈতবাদ আৰু যোগদর্শনৰ প্রতিপাদ্য বিষয়সমূহৰ সুসংহত ৰূপ গীতাত পৰিলক্ষিত হয়। এই শাস্ত্রসমূহৰ মূল বিষয়সমূহ বর্জন নকৰি সিবিলাকৰ সাৰ গ্রহণ কৰিব পাৰিলেই মানৱ জীৱন সফল পৰিণতিৰ পিনে আগবাঢ়িব পাৰে। এয়াই গীতাৰ মুখ্য আলোচ্য বিষয়। এইখিনিতেই আপোনাক জনাই থওঁ যে উপনিষদ, অধিবিদ্যা, নীতিশাস্ত্র, যোগশাস্ত্র আদিৰ বিষয়ে (চমুটোকা) পিচৰ অধ্যায়ত জানিব পাৰিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ গীতা পদটো কেনেকৈ সাধিত হয়?

.....

প্রশ্ন নং ২ঃ খালী ঠাই পূৰণ কৰক -

(ক) গীতা শাস্ত্রক এখন ..... হিচাপে গণ্য কৰা হয়।

(খ) শ্রীমদ্‌ভগৱদ্‌গীতাক চমুকৈ ..... বুলি কোৱা হয়।

১০.৫ ৰচয়িতা আৰু ৰচনাকাল

গীতাক মহাভাৰতৰ অংশ বুলি কোৱা হয়। মহাভাৰতৰ ভীষ্মপর্বৰ ১৮টা পৰিচ্ছেদেই (২৩-৪০) দৰাচলতে গীতাৰ ওঠৰটা অধ্যায়। সেয়েহে মহাভাৰতৰ ৰচয়িতা কৃষ্ণদ্বৈপায়ন বেদব্যাসক গীতাৰ ৰচয়িতা হিচাবে মান্যতা দি অহা হৈছে। অৱশ্যে বহুতো পণ্ডিতে সেয়া সত্য বুলি গ্রহণ কৰিবলৈ অনিচ্ছা প্রকাশ কৰে।

গীতাত ৭০০ টা শ্লোক আছে। মহাভাৰতৰ কথাবস্তুৰ আধাৰতেই পোৱা যায় যে কুৰুক্ষেত্রৰ যুদ্ধৰ সময়ত মহাযোদ্ধা মধ্যম পাণ্ডৱ অর্জুনে যুদ্ধক্ষেত্রত বিপক্ষত আত্মীয়-স্বজন, গুৰু আদি ব্যক্তি সকলক দেখি দুখত কাতৰ হৈছে। যুদ্ধ কৰিবলৈ তেওঁ অনিচ্ছা প্রকাশ কৰিছে। তেতিয়া, তেওঁৰ ৰথৰ সাৰথি সখা শ্রীকৃষ্ণই বিভিন্ন বুজনি তথা উপদেশ-পৰামর্শৰদ্বাৰা অর্জুনক যুদ্ধৰ বাবে উদ্বুদ্ধ কৰি তুলিছে। সমগ্র গীতাশাস্ত্রখন দৰাচলতে কৃষ্ণ আৰু অর্জুনৰ কথোপকথন। বহুতে কব বিচাৰে যে যুদ্ধক্ষেত্রত থিয় হৈ ইমান বিস্তৃত কথোপকথন সম্ভৱ নহয়। হয়তো কৃষ্ণই অর্জুনক চুটিকৈ কিছু উপদেশ-বাণী প্রদান কৰিছিল। পৰৱর্তী-সময়ত কোনোবা ৰচকে হয়তো ইয়াকেই প্রসাৰিত কৰি তুলিলে। গার্ব (উনবিংশ শতিকা) নামৰ এগৰাকী পাশ্চাত্য দেশীয় পণ্ডিতৰ মতে সাংখ্য-যোগৰ শাস্ত্র হিচাবে ৰচিত গীতাৰ আদি ৰচনা কাল খৃ.পূ. ২ য় শতিকা। কোনো বেদান্তবাদীয়ে ইয়াক খৃষ্টীয় ২ য় শতিকাত বর্ত্তমানৰ ৰূপ প্রদান কৰিছিল বুলি তেওঁ মতপোষণ কৰে। হপ্‌কিন্‌ছ (উনবিংশ শতিকা) নামৰ পণ্ডিতগৰাকীয়ে Religions of India নামৰ গ্রন্থত কৈছে যে গীতা হৈছে "কোনো এখন প্রাচীন বৈষ্ণৱ কাব্যৰ কৃষ্ণীয় ৰূপ, আকৌ এই বৈষ্ণৱ কাব্যখন এখন সম্প্রদায়নিৰপেক্ষ ৰচনা আছিল, সম্ভৱতঃ কোনো নতুন উপনিষদ্‌।" গীতাৰ ৰচনাকাল নির্ণয়ৰ ক্ষেত্রত পণ্ডিত ড° ৰাধাকৃষ্ণণৰ মত উল্লেখযোগ্য। তেখেতৰ Indian Philosophy নামৰ গ্রন্থত উল্লেখ কৰা হৈছে শব্দচয়ন তথা অন্যান্য আভ্যন্তৰীণ বৈশিষ্ট্যৰ পিনে লক্ষ্য কৰিলে অনুমান কৰিব পাৰি যে নিশ্চয় গীতা শাস্ত্রখন খ্রীষ্টপূর্ব কালৰ ৰচনা। তেখেতৰ মতে আনুমানিক খৃ.পূ. ৫ ম শতিকাত এই শাস্ত্রখন ৰচিত হৈছিল। অৱশ্যে পৰৱর্তী কালত ইয়াত দুই - এটা বচন সংযোজিত হ'ব পাৰে।

৯.৫.১ ৰচনাৰ পটভূমি

পূর্বেই উল্লেখ কৰা হৈছে যে মহাশাস্ত্র গীতাক মহাভাৰতৰ অংশবিশেষ বুলি কোৱা হয়। ভীষ্মপর্বৰ অন্তর্গত এই ওঠৰটা অধ্যায়ৰ পটভূমি এনেধৰণৰ - কুৰুক্ষেত্রৰ সমৰত কুৰুৰাজ ধৃতৰাষ্ট্রৰ পুত্রসকল আৰু পাণ্ডুৰ পুত্রসকল পৰস্পৰৰ বিৰুদ্ধে সন্মিলিত

হৈছে। জন্মান্ধ ধৃতৰাষ্ট্ৰ এই ঘটনাত বিমূঢ় হৈছে। তেওঁৰ পুত্ৰসকল আৰু পাণ্ডুৰ পুত্ৰসকলে যুদ্ধত প্ৰবৃত্ত হৈ কিনো কৰিছে সেই বিষয়ে জানিবলৈ ধৃতৰাষ্ট্ৰই সঞ্জয়ক প্ৰশ্ন কৰিছে। গবল্‌গণৰ পুত্ৰ সঞ্জয় আছিল ত্ৰিকালজ্ঞ আৰু প্ৰত্যক্ষদৰ্শী। গীতাৰ পাঠ হিচাবে পৰিগণিত কৃষ্ণ-অৰ্জুনৰ কথোপকথন আৰু ভীষ্মৰ দহ দিনৰ যুদ্ধৰ বৃত্তান্ত সঞ্জয়ে ধৃতৰাষ্ট্ৰৰ ওচৰত নিবেদন কৰিছিল। সঞ্জয়ৰ বৰ্ণনাৰপৰা জনা যায় যে মহাধনুৰ্দ্ধৰ অৰ্জুনে বিপক্ষত গুৰুজনাদি আত্মীয়-স্বজনক দেখি যুদ্ধ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে। শোক আৰু সংশয়ত তেওঁৰ মন দ্বিধাগ্ৰস্ত হৈছে। যুদ্ধৰ প্ৰতি তেওঁৰ আকৰ্ষণ নোহোৱা হৈছে। যুদ্ধত জয়ী হলেও আত্মীয় স্বজনবৰ্জিত ৰাজ্যৰ প্ৰতি তেওঁৰ কোনো অনুৰাগ নাই। এনেবোৰ শঙ্কাৰ বিষয়ে পৰম বান্ধৱ তথা ৰথৰ সাৰথি শ্ৰীকৃষ্ণক জনাইছে। তেওঁৰ উচিত-অনুচিত, কৰ্ত্তব্য-অকৰ্ত্তব্য জ্ঞান লোপ পোৱা দেখি ভগৱান কৃষ্ণই তেওঁৰ মনত প্ৰকৃত সত্যৰ সঞ্চাৰ কৰিবলৈ যত্নপৰ হৈছে। বিভিন্ন তত্ত্বৰ সৰলতৰ ব্যাখ্যাৰে কৃষ্ণই অৰ্জুনক কৰ্মত প্ৰবৃত্ত হ'বলৈ উৎসাহিত কৰিছে। দৰাচলতে, সমগ্ৰ গীতা শাস্ত্ৰখন ভগৱান কৃষ্ণৰ মুখনিৰ্গত বাণীৰ সমাহাৰ। অৰ্জুনৰ মনত উদয় হোৱা একোটাহঁত প্ৰশ্ন বা সংশয়ৰ সমাধান হিচাবে ভগৱানে তেওঁৰ শাশ্বত বাণীসমূহ প্ৰকাশ কৰিছে। এয়াই থোৱতে গীতা ৰচনাৰ পটভূমি।

১০.৬ ভাষ্যকাৰসকল

আমি জানো যে "ভাষ্য" বা ব্যাখ্যা অবিহনে শাস্ত্ৰৰ গূঢ়াৰ্থ বুজা কঠিন। বিশিষ্ট পণ্ডিতসকলে অতীজৰেপৰা কঠিন ৰচনাসমূহৰ ভাষ্য সংকলন কৰি সাধাৰণ পাঠকৰ মহৎ উপকাৰ সাধন কৰি আহিছে। মহাশাস্ত্ৰ গীতাৰো বহুতো ভাষ্য পোৱা যায়। এইখিনিতে গীতা শাস্ত্ৰৰ ভাষ্যকাৰসকলৰ বিষয়ে আলোচনা কৰা হ'ব।

গীতাৰ ভাষ্যকাৰসকলৰ ভিতৰত প্ৰাচীনতম হ'ল শঙ্কৰাচাৰ্য্য। অদ্বৈত বেদান্ত দৰ্শনৰ মুখ্য প্ৰবক্তা শঙ্কৰাচাৰ্য্যৰ (৭৮৮ - ৮২০ খৃ.) ভাষ্যৰপৰা জনা যায় যে তেওঁৰ ৰচনাৰ পূৰ্বেও গীতাৰ অন্য ভাষ্য ৰচিত হৈছিল। পিছে সিবিলাক ভাষ্য সম্প্ৰতি পোৱা নাযায়। "ব্ৰহ্ম সত্যং জগন্মিথ্যা" এই মতৰ মুখ্য পৃষ্ঠপোষক শঙ্কৰাচাৰ্য্যই নিজৰ দাৰ্শনিক বিচাৰধাৰাৰে গীতাৰ ভাষ্য ৰচনা কৰিছে। শঙ্কৰাচাৰ্য্য ব্যাখ্যাৰ মুখ্য সমৰ্থক আনন্দগিৰি (খৃ. ১৩০০ শতিকা), শ্ৰীধৰ (খৃ. ১৪০০ শতিকা) আৰু মধুসূদন (খৃ. ১৬০০ শতিকা) প্ৰভৃতি মনীষীসকলে শঙ্কৰাচাৰ্য্যৰ মতসমূহ বিস্তৃত কৰিছে। মাৰাঠী সন্ত তুকাৰাম আৰু জ্ঞানেশ্বৰ ভক্তিবাদৰ সমৰ্থক হলেও শঙ্কৰাচাৰ্য্যৰ বিচাৰধাৰাক স্বীকাৰ কৰি লৈছে।

ৰামানুজাচাৰ্য্য (খৃ. ১১০০ শতিকা) হ'ল গীতাৰ আন এগৰাকী ভাষ্যকাৰ। তেওঁৰ ভাষ্যত জগতৰ অবাস্তৱতাৰ ধাৰণা আৰু নিষ্কাম কৰ্মমাৰ্গৰ ধাৰণাক খণ্ডন কৰা হৈছে। ৰামানুজৰ ভাষ্য অনুসৰি বিষ্ণুই হ'ল ব্ৰহ্ম। তেৱেঁই একমাত্ৰ পূজ্য দেৱতা, তেওঁৰ দিব্য বিভূতিৰ কোনো অংশীদাৰ নাই। বৈকুণ্ঠত বিষ্ণুৰ সঙ্গলাভ আৰু তেওঁৰ সেৱাত নিৰত হোৱাই হ'ল মোক্ষ।

আচাৰ্য্য মধ্বই (খৃ. ১১৯৯ - খৃ. ১২৭৬) গীতাৰ আধাৰত দুখন ৰচনা প্ৰণয়ন কৰিছে -

গীতাভাষ্য আৰু গীতা-তাৎপর্য্য। মধ্বাচার্য্যই গীতাৰপৰা তেওঁৰ নিজস্ব দ্বৈতবাদ দর্শনৰ প্রমাণ সংগ্রহ কৰাৰ চেষ্টা কৰিছে।

দ্বৈতাদ্বৈতবাদী আচার্য্য নিম্বার্কৰ (খৃ. ১২০০ শতিকা) ব্রহ্মসূত্রৰ আধাৰত পুথি আছে। তেওঁৰ শিষ্য কেশৱকাশ্মীৰীয়ে 'তত্ত্বপ্রকাশিকা' নামৰ গীতাভাষ্য ৰচনা কৰিছে। নিম্বার্কৰ মতে জীৱ, জগৎ আৰু ঈশ্বৰ পৰস্পৰ ভিন্ন। পিছে, জীৱ আৰু জগতৰ অস্তিত্ব আৰু ক্রিয়া ঈশ্বৰৰ ইচ্ছাৰ অধীন। এই বিচাৰধাৰাৰে 'তত্ত্বপ্রকাশিকা'ত গীতাৰ ব্যাখ্যা কৰা হৈছে।

বল্লভাচার্য্য (খৃ- পঞ্চদশ শতিকা) হ'ল শুদ্ধাদ্বৈতবাদৰ প্রৱর্ত্তক। তেওঁৰ মতে জীৱ হ'ল শুদ্ধ আৰু মায়াৰ প্রভাৱৰপৰা মুক্ত। এই জীৱ আৰু পৰম ব্রহ্ম অভিন্ন। স্ফুলিঙ্গ যিদৰে অগ্নিৰ অংশ, সেইদৰে আত্মাও পৰমাত্মাৰ অংশবিশেষ। ব্রহ্মকৃপা অবিহনে মোক্ষলাভ সম্ভৱ নহয়। মোক্ষলাভৰ শ্রেষ্ঠ উপায় হ'ল ঈশ্বৰভক্তি।

প্রাচীন সংস্কৃতজ্ঞ বেদান্তবাদীসকলৰ ভাষ্যৰ উপৰি অর্বাচীন কালৰ ভাষ্যকাৰসকলৰ ভিতৰত বালগঙ্গাধৰ তিলক আৰু শ্রীঅৰবিন্দ অতি প্রসিদ্ধ। মহামানৱ মহাত্মা গান্ধীৰো গীতা সম্বন্ধে নিজস্ব দৃষ্টিভঙ্গী আছে। এই সন্দর্ভতে ড° ৰাধাকৃষ্ণনৰ গীতা ব্যাখ্যাও উল্লেখনীয়। উল্লেখনীয় যে বিভিন্ন ভাষ্যকাৰে নিজ নিজ মতাদর্শৰদ্বাৰা প্রভাৱিত হৈ গীতাৰ ভাষ্য ৰচনা কৰিলেও, এই ভাষ্যসমূহ পৰস্পৰ বিৰোধী বুলি ক'ব নোৱাৰি। বৰং ইটোক আনটোৰ পৰিপূৰক হিচাপেহে গণ্য কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ গীতাত কেইটা অধ্যায় আছে?

.....

প্রশ্ন নং ৪ঃ খালী ঠাই পূৰণ কৰক -

(ক) গীতাক ..... ৰ অংশ বুলি গণ্য কৰা হয়।

(খ) গীতাত ..... টা শ্লোক আছে।

(গ) গীতাৰ প্রাচীনতম ভাষ্যকাৰ হ'ল ..... ।

(ঘ) গীতা মহাভাৰতৰ ..... পর্বৰ অন্তর্গত।

১০.৭ গীতাৰ অধ্যায়সমূহৰ বিষয়বস্তুৰ সাৰাংশ

প্রথম অধ্যায় ঃ 'অর্জুনবিষাদযোগ' নামৰ প্রথম অধ্যায়ৰ আৰম্ভণিত পোৱা যায় যে কুৰুক্ষেত্রৰ ৰণভূমিত কৌৰৱ আৰু পাণ্ডৱসকল পৰস্পৰৰ বিৰুদ্ধে সমবেত হোৱা জানিব পাৰি জন্মান্ধ ৰজা ধৃতৰাষ্ট্রই সঞ্জয়ক যুদ্ধৰ বিষয়ে জনাবলৈ কৈছে। দৈৱদৃষ্টিসম্পন্ন সঞ্জয়ে তেতিয়া যুদ্ধৰ বর্ণনা দিবলৈ লৈছে। সঞ্জয়ে কৈছে যে যুদ্ধক্ষেত্রত অর্জুনৰ কথা অনুসৰি তেওঁৰ ৰথৰ সাৰথি ভগৱান কৃষ্ণই উভয় সেনাদলৰ মাজত ৰথখন ৰখাইছে। বিপক্ষৰ যোদ্ধাসকলৰ মাজত পিতামহ, ভীষ্ম, দ্রোণাচার্য্য প্রভৃতি গুৰু আৰু অন্যান্য আত্মীয়সকলক দেখিবলৈ পাই মহাধনুর্দ্ধৰ অর্জুন ব্যথিত

হৈছে। তেওঁৰ শৰীৰ কঁপিবলৈ ধৰিছে, মুখ শুকাই গৈছে। তেওঁৰ বিখ্যাত গাণ্ডীৱ ধনু হাতৰপৰা সুলকি গৈছে, শৰীৰ যেন দগ্ধ হৈ পৰিছে। তেওঁ সখা কৃষ্ণক কৈছে যে আত্মীয়সকলক বধ কৰি তেওঁ যুদ্ধত বিজয় সাব্যস্ত কৰিব নিবিচাৰে। এই যুদ্ধজয় তেওঁৰ বাবে নিৰৰ্থক। যুদ্ধৰ পৰিণাম স্বৰূপে তেওঁৰ সমগ্ৰ বংশ ধ্বংস হ'ব। বংশবিলোপ কৰা মহান অধৰ্ম, মহাপাপ। গতিকে তেওঁ যুদ্ধত অস্ত্ৰ তুলি নলয়। তেনে অৱস্থাত প্ৰতিপক্ষই যদি তেওঁক বধ কৰে, সেয়াও তেওঁৰ কাম্য। কৃষ্ণক এইদৰে কৈ অৰ্জুনে ধনু-শৰ পৰিত্যাগ কৰি শোকবিহ্বল হৈ ৰ'ল।

দ্বিতীয় অধ্যায় ঃ শ্ৰীমদ্ভগৱদ গীতাৰ দ্বিতীয় অধ্যায়টোৰ নাম হ'ল - সাংখ্যযোগ। মহাযোদ্ধা অৰ্জুনক হতাশ হৈ পৰা দেখি ভগৱান কৃষ্ণই তেওঁক উৎসাহিত কৰিবলৈ ধৰিলে। অৰ্জুনে ক'লে যে আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, গুৰু প্ৰভৃতি লোকসকলক যুদ্ধত নিধন কৰিবলৈ ওলোৱাতকৈ নিজৰ মৃত্যুই কাম্য। অৰ্জুনে বিষাদ গ্ৰস্ত হৈ কৃষ্ণৰ উপদেশ বিচাৰিলে। ভগৱান কৃষ্ণই অৰ্জুনক উদ্দেশ্য কৰি ক'লে যে সংসাৰত সকলো প্ৰাণীৰে মৰণ হ'ল এটা স্বাভাৱিক ঘটনা, ইয়াৰ ব্যতিক্ৰম নাই। যিসকল বীৰ যোদ্ধা অৰ্জুনৰ সন্মুখত দণ্ডায়মান, তেওঁলোকৰো মৃত্যু অৱশ্যম্ভাৱী। গতিকে ইয়াত কাতৰ হোৱা অনুচিত। ক্ষত্ৰিয় সন্তান হিচাপে যুদ্ধত অংশ লোৱাটো অৰ্জুনৰ কৰ্ত্তব্য। ফলৰ কথা চিন্তা নকৰি কৰ্মত প্ৰবৃত্ত হোৱা যুগুত। অৰ্জুনৰ পুনঃ প্ৰশ্নৰ উত্তৰত ভগৱানে স্থিতপ্ৰজ্ঞ ব্যক্তিৰ লক্ষণসমূহ বৰ্ণনা কৰিবলৈ ল'লে। যিসকল ব্যক্তি সুখ-দুঃখ, ভয়-ক্ৰোধ আদিৰদ্বাৰা অস্থিৰ হৈ নপৰে, যিয়ে ইন্দ্ৰিয়সমূহ সংযত কৰিব পাৰে, তেওঁলোকেই স্থিতপ্ৰজ্ঞ। তেনে ব্যক্তিৰ চিত্ত সকলো অৱস্থাতেই সন্তুষ্ট আৰু পৰম পুৰুষৰ ওপৰত নিবিষ্ট। তেওঁলোকেই সংসাৰত পৰম শান্তি লাভ কৰিবলৈ সক্ষম হয়।

তৃতীয় অধ্যায় ঃ শ্ৰীমদ্ভগৱদগীতাৰ এই অধ্যায়টোৰ নাম হ'ল - কৰ্মযোগ। কৰ্মযোগ আৰু বুদ্ধিযোগৰ ভিতৰত কোনটো শ্ৰেষ্ঠতৰ, সেই বিষয়ে অৰ্জুনৰ মনত সন্দেহ উপজিল। তেওঁৰ সন্দেহ দূৰ কৰাৰ বাবে তেওঁ বান্ধৱ কৃষ্ণক পৰামৰ্শ দিবলৈ অনুৰোধ জনালে। ভগবানে উত্তৰ দিলে যে জ্ঞান আৰু কৰ্ম - দুয়োটিয়ে উত্তম। পিছে সকলোৰে বাবে দুয়োটা অন্বেষণীয় নহয়। নিষ্কাম কৰ্মত প্ৰবৃত্ত হ'ব নোৱাৰিলে জ্ঞান আহৰণ অসম্ভৱ; কৰ্মই প্ৰথম সোপান। লোকক দেখুৱাই ইন্দ্ৰিয় জয় কৰা অনুচিত। কৰ্মফলৰ প্ৰতি আসক্তি শূন্য হব পৰাটো ডাঙৰ কথা। প্ৰকৃত জ্ঞানী লোকৰ বাবে কৰ্ম সম্পাদন কৰা বা নকৰাৰ মাজত একো পাৰ্থক্য নাই। কিন্তু তথাপি কৰ্ম কৰিবই লাগিব, অন্যথা সংসাৰৰ গতি স্তব্ধ হৈ যাব। অৰ্জুনে পুনৰ্বাৰ প্ৰশ্ন কৰিলে, যে মানুহেনো কেলেই জানি - বুজিও পাপত লিপ্ত হয়। কৃষ্ণই ব্যক্ত কৰিলে যে কামনা - বাসনাৰ বাবেই মানুহে অনুচিত কৰ্মত প্ৰবৃত্ত হয়। সেইহে ইন্দ্ৰিয়দমন কৰি সকলো কামনাক বিসৰ্জন দিব লাগে।

চতুৰ্থ অধ্যায় ঃ শ্ৰীমদ্ভগৱদ্‌গীতাৰ চতুৰ্থ অধ্যায়টোৰ নাম জ্ঞানকৰ্মসন্ন্যাসযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই অৰ্জুনক কৈছে যে জ্ঞানযোগৰ বিষয়ে তেওঁ পূৰ্বে সূৰ্যদেৱক অৱগত কৰাইছিল। কালক্ৰমত সেয়া বিলুপ্ত হৈছে। সেয়েহে বান্ধৱ অৰ্জুনক সেই বিষয়ে তেওঁ পুনৰায় উপদেশ দিবলৈ ওলাইছে। ভগৱানে কৈছে তেওঁকে লৈ সকলো প্ৰাণীৰে এই জন্মৰ পূৰ্বে বহুবাৰ জন্ম হৈছে। অৰ্জুনে নাজানিলেও তেওঁ সেই বিষয়ে ভালদৰে জানে। দৰাচলতে তেওঁৰ কোনো জন্ম নাই।

পিছে সংসাৰত ধর্মৰ গতি বাধাপ্রাপ্ত হ'বলৈ ওলালে তেওঁ দুষ্টক দমন কৰি সাধুৰ ৰক্ষাৰ বাবে পৃথিৱীত অৱতাৰ ৰূপ গ্রহণ কৰে। ভগবানে কৈছে যে ব্রাহ্মণ, ক্ষত্রিয় প্রভৃতি চাৰি বর্ণ গুণ আৰু কর্ম অনুসৰি তেওঁ বিভাজন কৰিছে। কর্ম আৰু অকর্মৰ পার্থক্য বুজা কঠিন। পিছে, কামনা ত্যাগ কৰি কর্ম কৰিব পাৰিলে সংসাৰ বন্ধনৰপৰা মুক্তি লাভ সম্ভৱ। যোগীসকলে নানা ধৰণৰ যজ্ঞ সম্পাদন কৰে; পিছে জ্ঞান-যজ্ঞহে উৎকৃষ্ট। জ্ঞানৰ প্রভাৱত মহাপাপীয়েও মুক্তি লাভ কৰে। জ্ঞানৰ সমান পৰিত্র একো নাই। জ্ঞানৰূপ অস্ত্রৰদ্বাৰা সকলো সন্দেহ দূৰ কৰিবলৈ ভগৱানে অর্জুনক উপদেশ দিছে।

পঞ্চম অধ্যায় ঃ গীতাৰ পঞ্চম অধ্যায়টোৰ নাম কর্মসন্ন্যাসযোগ। এই অধ্যায়ত শ্রীকৃষ্ণই অর্জুনক কৈছে যে একমাত্র জ্ঞানেহে সকলো প্রকাৰৰ কর্মফল বিনষ্ট কৰিব পাৰে। কর্মতকৈ জ্ঞান শ্রেষ্ঠ। বস্তুতঃ কর্মফল ত্যাগ কৰিব পৰাটোৱেই জ্ঞান। অর্জুনৰ সংশয়ৰ উত্তৰ হিচাপে ভগৱানে আকৌ কৈছে যে কর্ম কৰা আৰু নকৰা - এই দুটাৰ ভিতৰত কর্ম কৰাই ভাল। নিষ্কাম কর্মযোগ সকলোৰে বাবে হিতকৰ। কর্মযোগ নহ'লে কর্মফল ত্যাগৰ কথা আহিব নোৱাৰে। নিষ্কাম কর্ম কৰিলে মানুহে সংসাৰ বন্ধনৰপৰা মুক্ত হ'ব পাৰে। প্রকৃত জ্ঞানীজনৰ বাবে প্রিয়-অপ্রিয়ৰ মাজত কোনো পার্থক্য নাই। তেওঁলোকে নিজৰ মনতেই প্রকৃত সুখ লাভ কৰে। যি ব্যক্তিয়ে কাম-ক্রোধ আদি জয় কৰিব পাৰে, তেৱেঁই প্রকৃত সুখী। ভগৱানেই সকলো যজ্ঞ আৰু তপস্যাৰ ফলদাতা, সকলোৰে ঈশ্বৰ তথা বন্ধু - এই জ্ঞান লাভ হ'লেও জীৱৰ মুক্তিলাভ সম্ভৱ।

ষষ্ঠ অধ্যায় ঃ গীতাৰ ষষ্ঠ অধ্যায়টোৰ নাম আত্মসংযমযোগ। এই অধ্যায়টিত ভগৱান কৃষ্ণই কৈছে যে যি ব্যক্তিয়ে কর্মৰ ফলৰ প্রতি আকাঙ্ক্ষা পোষণ কৰে, তেৱেঁই জ্ঞানযোগী। নিষ্কাম কর্ম সম্পাদন কৰা আৰু কর্মত্যাগ কৰা দৰাচলতে একেই কথা। পিছে জ্ঞানযোগী ব্যক্তিয়ে প্রথম অৱস্থাত নিষ্কাম কর্ম কৰা ভাল, তেতিয়াহে পিছলৈ কর্মত্যাগ কৰা সম্ভৱ। যাৰ চিত্ত স্থিৰ, তেঁৱেই প্রকৃত যোগী। বিবেকৰদ্বাৰা ইন্দ্রিয় দমন কৰি লাহে লাহে বিষয়-বাসনা ত্যাগ কৰিব লাগে। যি ব্যক্তিয়ে সকলোৰে মাজত ভগৱানক অনুভৱ কৰে, তেৱেঁই প্রকৃত মুক্ত। ভগৱানে পুনৰায় কৈছে যে মানুহৰ মন অতিশয় চঞ্চল। মাথোন অভ্যাস আৰু বৈৰাগ্যৰদ্বাৰা চঞ্চল মনক বশীভূত কৰিব পাৰি। অর্জুনৰ জিজ্ঞাসাৰ উত্তৰ হিচাপে শ্রীকৃষ্ণই পুনৰায় কৈছে যে যোগভ্রষ্ট হলেও কোনো লোকৰ শুভকর্মৰ শুভফল অনিবার্য্য। এবাৰৰ জন্মত যোগভ্রষ্ট হ'লেও পৰৱর্তী জন্মত সেই ব্যক্তিয়ে পুনৰায় যোগযুক্ত হৈ পৰম সিদ্ধিৰ প্রতি অগ্রসৰ হয়। এবাৰৰ মনুষ্যজন্মত মুক্তি লাভ সম্ভৱ নহব পাৰে। তপস্বী, কর্মী বা জ্ঞানীসকলতকৈ যোগীসকল শ্রেষ্ঠ। আনহাতে, যোগীসকলৰ ভিতৰতো ভগৱানৰ ভক্তগৰাকীহে শ্রেষ্ঠ।

সপ্তম অধ্যায় ঃ গীতাৰ সপ্তম অধ্যায়টোৰ নাম জ্ঞানবিজ্ঞানযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই কৈছে যে প্রকৃত জ্ঞান লাভ কৰিব পাৰিলে শাস্ত্রীয় জ্ঞান আৰু অনুভূতি নিৰর্থক হৈ ৰয়। সংসাৰৰ অসংখ্য লোকৰ মাজত দুই এজনেহে ভগৱানক পাবলৈ কামনা কৰে, প্রকৃত ভগৱদ্‌ভক্ত ভগৱানক লাভ কৰিবলৈ সমর্থ হয়। পৰা আৰু অপৰা নামৰ ভগৱানৰদ্বাৰা সৃষ্টি দুটি প্রকৃতিৰদ্বাৰা জগতৰ উৎপত্তি হৈছে। ভগৱানৰ মায়াৰ দ্বাৰা সকলো আচ্ছাদিত। প্রকৃত ভক্তইহে মায়াৰ উর্দ্ধলৈ যাব

পাৰে। ভগবানৰ উপাসক সকলৰ ভিতৰত জ্ঞানীসকলহে শ্ৰেষ্ঠ। তেওঁলোকে বহু জন্মৰ পিছতহে ভগৱানক লাভ কৰে। অন্য দেৱতাৰ উপাসনা কৰা লোক সকলো দৰাচলতে ভগৱান কৃষ্ণৰেই উপাসক। ভগৱান সদায় যোগমায়াৰদ্বাৰা আচ্ছন্ন বাবে মানুহে তেওঁৰ স্বৰূপ বুজিব নোৱাৰে। সংসাৰৰ দুখ-শোক আদিৰ পৰা পৰিত্ৰাণৰ বাবে যিসকলে ভগৱানৰ সেৱা কৰে, তেওঁলোকে ব্ৰহ্মজ্ঞানৰ অধিকাৰী হয়।

অষ্টম অধ্যায় ঃ শ্ৰীমদ্ভগৱদ্‌গীতাৰ অষ্টম অধ্যায়টোৰ নাম অক্ষৰব্ৰহ্মযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই কেইটামান তত্ত্ব ব্যাখ্যা কৰিছে। পোনতে ব্ৰহ্মৰ বিষয়ে কোৱা হৈছে যে জগতৰ মূল কাৰণস্বৰূপ, শাশ্বত, বিকাৰশূন্য তত্ত্বই পৰম ব্ৰহ্ম। আকৌ, জীৱদেহত যি জীৱাত্মাৰূপে বিৰাজমান, সেয়াই অধ্যাত্ম। যাৰ জন্ম আৰু বিনাশ আছে, সেয়া অধিভূত। দেৱযজ্ঞ প্ৰভৃতিক কৰ্ম বুলি কোৱা হয়। সৃষ্টিৰ কৰ্ত্তা হিৰণ্যগৰ্ভ হ'ল অধিদৈৱ। মানুহৰ শৰীৰত অন্তৰ্যামী হিচাপে বিৰাজমান ভগৱানেই হ'ল অধিযজ্ঞ। ভগৱানে পুনৰায় কৈছে যে মৃত্যুকালত মানুহে যি চিন্তা কৰে, পৰজন্মত সেই ভাৱনা লৈয়েই জন্মলাভ কৰে। মৃত্যুৰ সময়ত যিয়ে ভগৱানক চিন্তা কৰে, তেওঁ ভগৱানকেই লাভ কৰে। জগতত সকলোৰে পুনৰ্জন্ম হয়। পিছে, যিয়ে ভগৱানক লাভ কৰে, তেওঁ পুনৰ্জন্মৰপৰা মুক্ত হয়। যিয়ে ভগৱানক লাভ কৰিবৰহে কামনা কৰে, তেওঁ প্ৰকৃত তত্ত্ব বা জ্ঞানৰ অধিকাৰী। তেনে ব্যক্তিক পাপ-পুণ্য আদিয়ে আবৃত কৰিব নোৱাৰে। তেঁৱেই মুক্তি লাভ কৰে।

নৱম অধ্যায় ঃ শ্ৰীমদ্ভগৱদ্‌গীতাৰ নৱম অধ্যায়টোৰ নাম ৰাজবিদ্যাৰাজগুহ্যযোগ। এই অধ্যায়ত ভগৱানে সখা অৰ্জুনক পৰম গোপন তত্ত্ব অৱগত কৰাইছে। এয়াই শ্ৰেষ্ঠ বিদ্যা, এয়াই প্ৰকৃত জ্ঞান। শ্ৰীকৃষ্ণই কৈছে যে তেওঁ সমগ্ৰ জগতক ব্যাপৃত কৰি আছে, অথচ সেই জগতত তেওঁ নাই। সমগ্ৰ জগতে তেওঁকেই আশ্ৰয় কৰি বৰ্ত্তি আছে, পিছে ভগৱানৰ সৈতে ইয়াৰ সম্পৰ্ক নাই। মায়াক আশ্ৰয় কৰি ভগৱানে জীৱৰ বাৰম্বাৰ জন্ম-মৃত্যু ঘটাই থাকে। ভগৱানৰ ইচ্ছানুসৰি প্ৰকৃতিয়ে জগৎ সৃষ্টি কৰে। ভগৱানে মনুষ্যৰূপ ধাৰণ কৰিলে, হীনবুদ্ধিসকলে তেওঁক গুৰুত্ব নিদিয়ে। কিন্তু যিসকল প্ৰকৃত জ্ঞানী, তেওঁলোকে ভগৱানক নিবিষ্টচিত্তে উপাসনা কৰে। ভিন ভিন উপাসকে ভিন ভিন পদ্ধতিৰে ভগৱানক পাবলৈ যত্ন কৰে। যিয়ে একাগ্ৰচিত্তে ভগৱান কৃষ্ণৰ উপাসনা কৰে, তেওঁ অন্য দেৱতাৰ উপাসনা নকৰিলেও হয়। পাপাত্মাজনেও ভগৱানৰ উপাসনাৰদ্বাৰা পুণ্যবান হৈ পৰে। ভগৱানৰ ভক্তৰ বিনাশ নাই।

দশম অধ্যায় ঃ শ্ৰীমদ্ভগৱদ্‌গীতাৰ দশম অধ্যায়টোৰ নাম বিভূতিযোগ। এই অধ্যায়টিত ভগৱান কৃষ্ণই অৰ্জুনক কৈছে যে তেঁৱেই সকলো পদাৰ্থৰ ভিতৰত শ্ৰেষ্ঠ, তেঁৱেই সকলোৰে সাৰ। ভগৱানৰ এই অমেয় ঐশ্বৰ্য্যৰ বিষয়ে দেৱতা তথা ঋষিসকলেও ভালদৰে নাজানে। যিসকলে জানে তেওঁলোকে আত্মজ্ঞ। অৰ্জুনে তেতিয়া ভগৱানৰ মহিমাৰ বিষয়ে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। ভগৱান কৃষ্ণই তেওঁৰ ঐশ্বৰ্য্যৰ বিষয়ে চমুকৈ ক'বলৈ ধৰিলে; কিয়নো বিস্তৃতভাৱে বৰ্ণনা কৰিলে ইয়াৰ ওৰ নপৰিব। ভগৱান সকলো প্ৰাণীৰে হৃদয়স্থিত আত্মা। চাৰিবেদৰ ভিতৰত তেওঁ সামবেদ, দেৱগণৰ ভিতৰত ইন্দ্ৰ, ইন্দ্ৰিয়সমূহৰ ভিতৰত মন। দেৱকুল আৰু ঋষিকুলৰ তেঁৱেই আদি। পুৰোহিতসকলৰ ভিতৰত তেওঁ বৃহস্পতি, সেনাপতিসকলৰ ভিতৰত কাৰ্ত্তিক, মহাৰ্ষিসকলৰ ভিতৰত

ভৃগু, পৰ্বতসমূহৰ ভিতৰত হিমালয়। বৃক্ষসমূহৰ ভিতৰত তেওঁ অশ্বত্থ, দেৱর্ষিসকলৰ ভিতৰত নাৰদ, সিদ্ধসকলৰ ভিতৰত কপিল। অশ্বসমূহৰ ভিতৰত তেওঁ উচ্চৈঃশ্ৰবা, হস্তীসমূহৰ ভিতৰত ঐৰাৱত আৰু মানুহৰ ভিতৰত তেওঁ ৰজা। দৈত্যসমূহৰ ভিতৰত তেওঁ প্ৰহ্লাদ, যদুকুলত কৃষ্ণ, পাণ্ডৱসকলৰ বিতৰত অর্জুন, মুনিসকলৰ ভিতৰত ব্যাসদেৱ। ভগৱান কৃষ্ণই সকলো প্ৰাণীৰ আদি কাৰণ। ভগৱানৰ বিভূতি অন্তহীন। জগতৰ যিবোৰ পদার্থ ভাল বা মহৎ সেই সকলোবোৰ ভগৱানৰ অংশবিশেষ। ভগৱানৰ মহিমাৰ আংশিক পৰিমাণেই জগতৰ স্থিতিৰ বাবে পর্য্যাপ্ত।

একাদশ অধ্যায় ঃ শ্ৰীমদ্ভগৱদ্‌গীতাৰ একাদশ অধ্যায়টোৰ নাম বিশ্বৰূপদর্শনযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণৰ অলৌকিক বিভূতিৰ কথা শুনি অর্জুনে সেই বিভূতিময় ৰূপ দর্শন কৰিবলৈ ইচ্ছা কৰিলে। সাধাৰণ চকুৰে সেই দিব্যৰূপ দর্শন কৰা অসম্ভৱ। সেয়েহে ভগৱানে তেওঁক দিব্যচক্ষু প্ৰদান কৰিলে। অর্জুনে তেতিয়া কৃষ্ণৰ সেই বিশাল ৰূপ দেখিবলৈ পালে। বহু হাত-ভৰি-চকু-মুখ সমন্বিত, আভৰণদ্বাৰা পৰিপূর্ণ ভগৱানৰ সেই ৰূপ দেখি অর্জুন চকিত হ'ল। হাজাৰ সূর্য্যৰদৰে আলোকময় সেই ৰূপ দেখি অর্জুন ভীতসন্ত্ৰস্ত আৰু বিস্মিত হ'ল। ভগৱানৰ সেই বিশাল শৰীৰত সমস্ত দেৱতা, প্ৰাণী, স্বয়ং স্ৰষ্টা, সমগ্ৰ ঋষি-মুনি আদি বিৰাজমান। ভীষ্ম, দ্ৰোণ, কর্ণ, দুর্য্যোধন আদি বীৰসকল ভগৱানৰ বিশাল ৰূপৰ মুখগহ্বৰত প্ৰৱেশ কৰিছে। ভগৱানৰ এই মূর্ত্তিৰ প্ৰকৃত স্বৰূপ ঠাৱৰ কৰিবলৈ অর্জুন অপাৰগ হ'ল। তেতিয়া কৃষ্ণই ক'লে যে তেঁৱেই সংহাৰকর্ত্তা, মহাকাল। ভীষ্ম, দ্ৰোণ আদিক তেওঁ পূর্বেই নিধন কৰিছে, অর্জুন এতিয়া মাথোন নিমিত্তহে হ'ব লাগে। অর্জুনে কৃষ্ণৰ স্তুতি কৰিবলৈ লাগিল আৰু এই বিশাল ৰূপ সংবৰণ কৰিবলৈ প্ৰার্থনা জনালে। ভগৱান কৃষ্ণই তেতিয়া পূর্বৰ ৰূপ ধাৰণ কৰিলে। কৃষ্ণই ক'লে যে তেওঁৰ সেই বিশাল ৰূপ দেৱতাসকলেও দেখিবলৈ নাপায়। মাথোন একনিষ্ঠ ভক্তি থকা ব্যক্তিয়েহে সেই ৰূপ দর্শন কৰিব পাৰে।

দ্বাদশ অধ্যায় ঃ শ্ৰীমদ্ভগৱদ্‌গীতাৰ দ্বাদশ অধ্যায়টোৰ নাম ভক্তিযোগ। এই অধ্যায়টিত কৃষ্ণৰ বিশ্বৰূপ দর্শন কৰাৰ পিছত অর্জুনে প্ৰশ্ন কৰিছে যে যিয়ে কৃষ্ণৰ উদ্দেশ্যে কর্ম সম্পাদন কৰি তেওঁৰ আৰাধনা কৰে আৰু যিয়ে নির্গুণ ব্ৰহ্মৰ উপাসনা কৰে, এই দুই শ্ৰেণীৰ ব্যক্তিৰ ভিতৰত শ্ৰেষ্ঠতৰ কোন? কৃষ্ণই উত্তৰ দি কৈছে যে যিয়ে তেওঁৰ উপাসনা কৰে, তেঁৱেই শ্ৰেষ্ঠ। অৱশ্যে নির্গুণ ব্ৰহ্মৰ উপাসক ব্যক্তিও দৰাচলতে তেওঁৰেই উপাসক। পিছে নির্গুণ ব্ৰহ্মৰ উপাসকসকলৰ কষ্ট অধিক। যিয়ে কৃষ্ণকেই একমাত্ৰ আৰাধ্য বুলি জ্ঞান কৰি সমস্ত কর্ম তেওঁৰ ওপৰত অর্পণ কৰে, তেওঁক ভগৱানে সংসাৰ বন্ধণৰপৰা মুক্ত কৰে। ভগৱানৰ ওপৰত মন স্থিৰ কৰিব নোৱাৰিলে অন্য বিষাত মন স্থিৰ কৰি যোগাভ্যাস কৰা উচিত। সেয়া কৰিবলৈ নোৱাৰিলে মাথোন ভগৱানৰ উদ্দেশ্যেই কর্ম কৰা উচিত। সেয়া কৰিব নোৱাৰিলে কর্মফল ত্যাগ কৰিবলৈ যত্নপৰ হোৱা উচিত। ভগৱানে তেওঁৰ ভক্তৰ গুণৰাশি বর্ণনা কৰি কৈছে যে যি ভক্তই কাকো ঈর্ষা নকৰে, সকলোকে ভাল পায় আৰু দয়া কৰে, সেই ভক্ত ভগৱানৰ প্ৰিয়। যিয়ে কাকো কষ্ট নিদিয়ে বা আনে কৰা কামত নিজে কষ্ট নাপায়, সেই ভক্ত ভগৱানৰ অতি প্ৰিয়। তেনে ভক্তগৰাকী শত্ৰু-মিত্ৰৰ প্ৰতি সমভাৱাপন্ন, নিন্দা-প্ৰশংসাত অবিচল আৰু সকলো বিষয়তে সন্তুষ্ট। এনেকুৱা আচৰণৰ প্ৰতি

আগ্রহশীল, শ্রদ্ধাপৰায়ণ ভক্তগৰাকী ভগৱানৰ অতি প্রিয়।

ত্রয়োদশ অধ্যায় ঃ শ্রীমদ্ভগৱদ্‌গীতাৰ ত্রয়োদশ অধ্যায়টোৰ নাম ক্ষেত্রক্ষেত্রজ্ঞবিভাগযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই ক্ষেত্র, ক্ষেত্রজ্ঞ, জ্ঞান, জ্ঞেয়, প্রকৃতি পুৰুষ আদিৰ বিষয়ে ব্যক্ত কৰিছে। শৰীৰৰ নাম ক্ষেত্র, আত্মা হ'ল ক্ষেত্রজ্ঞ বা ক্ষেত্রী। সকলো ক্ষেত্রতেই ভগৱান কৃষ্ণ ক্ষেত্রজ্ঞ হিচাবে বিৰাজমান। ভগৱানে পুনৰ কৈছে যে প্রকৃতি, বুদ্ধি, অহঙ্কাৰ প্রভৃতি চৌবিশটা পদার্থ, ইচ্ছা, দ্বেষ আদিক ক্ষেত্র বোলা হয়। অহঙ্কাৰশূন্যতা, অহিংসা, ক্ষমা, সমবুদ্ধি আদিক জ্ঞান বোলা হয়। এইবিলাকৰ বিপৰীতটোৱেই হ'ল অজ্ঞান। প্রকৃতি আৰু পুৰুষ অনাদি সত্তা। প্রকৃতিৰপৰা সকলো বিকাৰ আৰু গুণৰ উৎপত্তি হয়। পুৰুষৰপৰা একোৰে উৎপত্তি নহয়, পুৰুষ হ'ল সাক্ষী, নির্বিকাৰ। শৰীৰস্থ হ'লে আত্মা দৰাচলতে বন্ধনমুক্ত। ক্ষেত্র আৰু ক্ষেত্রজ্ঞৰ প্রভেদ যিসকলে বুজি পায়, তেওঁলোকৰ মুক্তি নিশ্চিত।

চতুর্দশ অধ্যায় ঃ শ্রীমদ্ভগৱদ্‌গীতাৰ চতুর্দশ অধ্যায়টোৰ নাম গুণত্রয়বিভাগযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই সত্ত্ব, ৰজঃ, তমঃ - এই তিনিগুণৰ বিষয়ে অর্জুনক উপদেশ দিছে। ভগৱানে কৈছে তেঁৱেই জগতৰ পিতৃ আৰু প্রকৃতি হ'ল মাতৃ। প্রকৃতিৰপৰাই ত্রিগুণৰ উৎপত্তি হয়। সত্ত্বগুণ নির্মল, ইয়ে জ্ঞানৰ উদ্রেক ঘটায়। ৰজোগুণ কামনাস্বৰূপ, ইয়ে কর্মত প্রবৃত্ত কৰায়। তমোগুণ অজ্ঞানৰপৰা উৎপন্ন, ইয়ে কষ্ট দিয়ে। সত্ত্ব গুণৰ প্রাবল্যত জ্ঞান প্রকাশিত হয়। ৰজোগুণ প্রৱল হ'লে লোভ, কর্মপ্রবৃত্তি আদি হয়। তমোগুণৰ প্রভাৱত বুদ্ধিনাশ, কর্মৰ প্রতি অনিচ্ছা আদি হয়। এই ত্রিগুণৰপৰা হাত সৰাৰ উপায়ৰ বিষয়ে অর্জুনে সোধাত ভগৱানে কৈছে যে যাৰ কোনো প্রিয় বা অপ্রিয় নাই; সুখ-দুখ, মান-অপমান আদি যাৰ বাবে সমান, আৰু যাৰ কোনো বিষয়ৰ প্রতি বিশেষ আগ্রহ নাই, তেঁৱেই ত্রিগুণৰ প্রভাৱৰপৰা মুক্ত হ'ব পাৰে। আকৌ, যিয়ে আন একো নকৰি একমাত্র ভগৱানকেই সেৱা কৰে, তেৱোঁ গুণত্রয়ৰ প্রভাৱৰ ঊর্দ্ধলৈ যাব পাৰে।

পঞ্চদশ অধ্যায় ঃ শ্রীমদ্ভগৱদ্‌গীতাৰ পঞ্চদশ অধ্যায়টোৰ নাম পুৰুষোত্তমযোগ। ইয়াত ভগৱান কৃষ্ণই কৈছে যে এই সংসাৰখন এজোপা আঁহত গছৰ নিচিনা; ব্রহ্ম হ'ল এই গছৰ শিপা, বুদ্ধি, অহঙ্কাৰ প্রভৃতি হ'ল ইয়াৰ ডাল আৰু বেদ হ'ল পাত। এই সংসাৰৰূপ বৃক্ষৰ বিনাশ নাই। মনক আসক্তিৰপৰা নিলগাই ৰাখিব পাৰিলে সংসাৰ-বৃক্ষ ছেদন কৰি পৰম-পদ লাভ কৰিব পাৰি। মান-অপমান , মায়া-মোহ, আসক্তি, সুখ-দুখ আদি ত্যাগ কৰিব পাৰিলে সেই পৰম পদ লাভ কৰা সম্ভৰ। ভগৱানে কৈছে যে জীৱাত্মা হৈছে তেওঁৰেই অংশ। মন আৰু ইন্দ্রিয়সমূহক আশ্রয় কৰি জীৱাত্মাই সংসাৰত বিচৰণ কৰে। 'ক্ষৰ' আৰু 'অক্ষৰ' নামৰ দুটি পুৰুষ আছে। জগতৰ সমগ্র বস্তুকেই 'ক্ষৰ' বোলা হয়। এই বস্তুসমূহৰ ভোক্তাগৰাকী হ'ল 'অক্ষৰ'। 'ক্ষৰ' আৰু 'অক্ষৰ'তকৈ ভিন্ন এক পুৰুষোত্তম আছে, তেওঁ নিত্য আৰু সর্বব্যাপক। পুৰুষোত্তমেই শ্রেষ্ঠ। শ্রীকৃষ্ণই কৈছে যে তেঁৱেই সেই পুৰুষোত্তম। জ্ঞানীসকলে পুৰুষোত্তমৰেই সেৱা কৰে।

ষোড়শ অধ্যায় ঃ শ্রীমদ্ভগৱদ্‌গীতাৰ ষোড়শ অধ্যায়টোৰ নাম দৈৱাসুৰসম্পদ্বিভাগযোগ। এই অধ্যায়ত ভগৱান কৃষ্ণই দৈৱ (দেৱতাসুলভ) আৰু আসুৰ (অসুৰসুলভ) প্রকৃতিৰ কথা বর্ণনা কৰিছে। দৈৱ প্রকৃতিৰ ব্যক্তিৰ মনত নির্ভীকতা, মনৰ শুদ্ধতা, দান, বেদপাঠ, যজ্ঞ, সৰলতা, দয়া,

নির্লোভতা, পৱিত্রতা আদি ভাৱনা বিৰাজ কৰে। আসুৰ প্রকৃতিৰ ব্যক্তিৰ মনত অহঙ্কাৰ, বৃথা আস্ফালন, অজ্ঞান আদি ভাৱনা থাকে। শ্রীকৃষ্ণই অর্জুনক কৈছে যে তেওঁৰ (অর্জুনৰ) দৈৱ প্রকৃতি জন্মৰপৰাই আছে। দৈৱ প্রকৃতিৰ ফলত সংসাৰৰপৰা মুক্তি হয়; আসুৰ প্রকৃতিৰ বাবে সংসাৰত বন্ধন হয়। অসুৰ প্রকৃতিৰ লোকে ভগৱানক স্বীকাৰ নকৰে। বিভিন্ন আশা, কামনাৰ বশৱর্তী হৈ তেনে লোকে মাথোন ধনাদি সংগ্রহ আৰু সঞ্চয় কৰে। ধন সংগ্রহ কৰি বা শত্রু নিধন কৰিয়েই তেওঁলোকে মনোবাঞ্ছা পূর্ণ হোৱা বুলি ভাৱে। এনে ব্যক্তিৰ মনত হিংস্রভাৱ থাকে। ভগৱানে সিবিলাকক পশুৰ জন্ম লবলৈ বাধ্য কৰে। পৰবর্ত্তী জন্মত সেই পশুবোৰ আকৌ বিভিন্ন কীট-পতঙ্গৰ ৰূপত জন্ম লবলৈ বাধ্য হয়। সিহঁতে কেতিয়াও ভগৱানক লাভ কৰিব নোৱাৰে। ভগৱানে আকৌ কৈছে যে কাম, ক্রোধ আৰু লোভ হৈছে নৰকৰ দুৱাৰ। এইবিলাক ত্যাগ কৰা উচিত। শাস্ত্র অনুসৰি কর্ম কৰিবলৈ ভগৱানে উপদেশ দিছে।

সপ্তদশ অধ্যায় ঃ শ্রীমদ্ভগৱদ্‌গীতাৰ সপ্তদশ অধ্যায়টোৰ নাম শ্রদ্ধাত্রয়বিভাগযোগ। এই অধ্যায়টিত অর্জুনে শ্রীকৃষ্ণক সুধিছে - যিসকলে শাস্ত্রৰ বচনৰ প্রতি কাণসাৰ নকৰাকৈ শ্রদ্ধাৰে পূজা-যজ্ঞ আদি কৰে, তেওঁলোকৰ ফল কেনে ধৰণৰ হয়; সাত্বিক, ৰাজসিক নে তামসিক? ইয়াৰ উত্তৰ হিচাবে ভগৱানে কৈছে যে শ্রদ্ধা অনুসৰি মানুহৰ প্রকৃতি বুজিব পাৰি। সাত্বিক লোকে দেৱতাৰ, ৰাজসিকলোকে যক্ষ-ৰক্ষৰ আৰু তামসিকলোকে ভূত - প্রেতৰ পূজা-অর্চনা কৰে। খাদ্য, যজ্ঞ, দান আৰু তপস্যা - এই প্রতিবিধেই আকৌ সাত্বিক, ৰাজসিক আৰু তামসিক ভেদে তিনি প্রকাৰৰ। তপস্যা আকৌ কায়িক, বাচিক আৰু মানসিক - এই তিনি প্রকাৰৰ হব পাৰে। শ্রদ্ধাৰে, ফলৰপ্রতি আকাঙক্ষা নকৰাকৈ এই তিনি প্রকাৰৰ তপস্যাত নিৰত হোৱাটোকে সাত্বিক তপস্যা বোলে। "ওঁম্ তৎসৎ" হ'ল ব্রহ্মৰেই নাম। এই নাম উচ্চাৰণ কৰি যজ্ঞ, দান তপস্যা আদি কৰিলে কিবা দোষ ঘটিলেও তাৰপৰা পূর্ণফল পোৱা যায়।

অষ্টাদশ অধ্যায় ঃ শ্রীমদ্ভগৱদ্‌গীতাৰ অষ্টাদশ অধ্যায়টোৰ নাম মোক্ষসন্ন্যাসযোগ। এই অধ্যায়ত ভগৱানে পোনতে 'সন্ন্যাস' আৰু 'ত্যাগ'ৰ পার্থক্য ব্যক্ত কৰিছে। কাম্য কর্মৰ ত্যাগ হ'ল 'সন্ন্যাস', সমস্ত কর্মৰ ফলৰ কামনা ত্যাগ হ'ল 'ত্যাগ'। জ্ঞান, কর্ম আৰু কর্ত্তা - ইবিলাকৰ প্রত্যেকবিধেই সাত্বিক, ৰাজসিক আৰু তামসিক হ'ব পাৰে। সেইদৰে বুদ্ধি আৰু সুখো গুণত্রয় অনুসৰি তিনি প্রকাৰৰ। ভগৱানে আকৌ কৈছে যে ব্রাহ্মণ , ক্ষত্রিয়, বৈশ্য আৰু শূদ্র - এই চাৰিবর্ণৰ লোকৰ নিজ নিজ কর্ম আছে। নিজৰ কর্মত প্রবৃত্ত হৈ থাকিলে সিদ্ধি লাভ হয়। পৰধর্মতকৈ নিজধর্ম সদায় শ্রেষ্ঠ। মানুহে নিজৰ ইচ্ছা অনুসৰি কাম কৰিব নোৱাৰে। ভগৱানে হৃদয়ত থাকি সকলো কাম মানুহৰদ্বাৰা কৰোৱায়। শ্রীকৃষ্ণই অর্জুনক কৈছে যে সকলো পৰিত্যাগ কৰি তেওঁৰ কথা চিন্তা কৰিলেই ভগৱানক পোৱা যায়। ভগৱানৰ শৰণ ল'লে ভগৱানে সকলো দুখ-শোকৰ পৰা উদ্ধাৰ কৰে। যাৰ মনত প্রকৃত ভক্তি থাকে, তেনে ব্যক্তিয়েহে এই শুদ্ধ জ্ঞানৰ অধিকাৰী হ'ব পাৰে। ইয়াৰ উত্তৰ হিচাপে অর্জুনে ব্যক্ত কৰিছে যে তেওঁৰ মনৰ অজ্ঞান আৰু সংশয় দূৰীভূত হৈছে। সখা শ্রীকৃষ্ণই কোৱা অনুসৰি তেওঁ নিজ 'কর্ম' যুদ্ধত প্রবৃত্ত হব।

সঞ্জয়ে ৰজা ধৃতৰাষ্ট্ৰক কৈছে যে মহামুনি ব্যাসদেৱৰ অনুগ্ৰহত তেওঁ শ্ৰীকৃষ্ণৰ এই অমৃতবাণীসমূহ শুনিবলৈ সমৰ্থ হৈছে। তেওঁ ৰজাক পুনৰায় কৈছে যে যিটো পক্ষত ভগৱান শ্ৰীকৃষ্ণ আৰু মহাবীৰ অৰ্জুন আছে, সেই পক্ষতেই জয়লক্ষ্মীও থাকিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ গীতাৰ প্ৰথম অধ্যায়ৰ নামটো কি?

.....

প্ৰশ্ন নং ৬ঃ "ভক্তিযোগ" নামটো কোন অধ্যায়ৰ নাম?

.....

প্ৰশ্ন নং ৭ঃ গীতাৰ চতুৰ্থ অধ্যায়ৰ নাম কি?

.....

প্ৰশ্ন নং ৮ঃ গীতাৰ অন্তিম অধ্যায়ৰ নাম কি?

.....

প্ৰশ্ন নং ৯ঃ গীতাৰ ওপৰত ৰামানুজে কি লিখিছে?

.....

প্ৰশ্ন নং ১০ঃ গীতাৰ ৰচকৰ নাম কি?

.....



১০.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- শ্ৰীমদ্ভগৱদ্‌গীতাৰ শিৰোনামৰ তাৎপৰ্য্য জানিব পাৰিলে
- গীতা শাস্ত্ৰৰ আলোচ্য বিষয়ৰ লগত পৰিচিত হ'ল
- শাস্ত্ৰখনৰ ৰচক, ৰচনাকাল আৰু ৰচনাৰ পটভূমিৰ বিষয়ে জানিলে
- গীতাৰ বিভিন্ন ভাষ্যকাৰৰ বিষয়েও অবগত হ'ল
- গীতাৰ আটাইবোৰ অধ্যায়ৰ বিষয়বস্তুৰ বিষয়ে জানিব পাৰিলে।



১০.৯ অধিক জানিবলৈ

১) শ্রীমদ্‌ভগৱদ্‌গীতা, সুবোধচন্দ্র মজুমদাৰ, দেৱ সাহিত্য কুটীৰ, কলকাতা, ১৯৭৩।

২) শ্রীমদ্‌ভগৱদ্‌গীতা, ড° সর্বপল্লী ৰাধাকৃষ্ণণ, মিশ্র ও ঘোষ পাৱলিচার্চ, কলকাতা ১৩৯০ (বংগাব্দ)।



১০.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ গৈ (গান গোৱা) ধাতুত 'ক্ত' প্রত্যয় যোগ হৈ 'গীত' পদটো সাধিত হয়। 'গীত' পদত স্ত্রীলিংগত ব্যৱহৃত 'টাপ্' (আপ) প্রত্যয় যোগ হ'লে 'গীতা' পদটো সাধিত হয়।

২ নং প্রশ্নৰ উত্তৰঃ (ক) উপনিষদ (খ) গীতা

৩ নং প্রশ্নৰ উত্তৰঃ ওঠৰটা (১৮) অধ্যায় আছে।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) মহাভাৰতৰ (খ) ৭০০ টা (গ) শংকৰাচার্য্য (ঘ) ভীষ্মপর্বৰ।

৫ নং প্রশ্নৰ উত্তৰঃ অর্জুনবিষাদযোগ।

৬ নং প্রশ্নৰ উত্তৰঃ দ্বাদশ অধ্যায়ৰ।

৭ নং প্রশ্নৰ উত্তৰঃ জ্ঞানকর্মসন্ন্যাসযোগ।

৮ নং প্রশ্নৰ উত্তৰঃ মোক্ষসন্ন্যাসযোগ।

৯ নং প্রশ্নৰ উত্তৰঃ ভাষ্য লিখিছে।

১০ নং প্রশ্নৰ উত্তৰঃ কৃষ্ণ দ্বৈপায়ন বেদব্যাস।



১০.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ গীতাৰ ৰচক আৰু ৰচনাকালৰ বিষয়ে লিখক।

প্রশ্ন ২ঃ গীতাৰ ভাষ্যকাৰ সকলৰ বিষয়ে লিখক।

প্রশ্ন ৩ঃ গীতাৰ প্রথম আৰু দ্বিতীয় অধ্যায়ৰ সাৰাংশ লিখক।

*** ***** ***

অধ্যায় ১১ঃ শতক কাব্য আৰু ভর্তৃহৰিৰ নীতিশতকম্

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ শতক কাব্যৰ লক্ষণসমূহ

১১.৪ ৰচনাৰ সময় কাল

১১.৫ মহত্বপূর্ণ শতককাব্যসমূহ

১১.৫.১ অন্যান্য শতককাব্যসমূহ

১১.৬ কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন

১১.৬.১ কবিৰ ৰচনাৱলী

১১.৭ 'নীতিশতকম্'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য

১১.৭.১ 'নীতিশতকম্'ৰ পাঠ

১১.৭.২ 'নীতিশতকম্'ৰ উৎকর্ষতা

১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৯ অধিক জানিবলৈ

১১.১০ অগ্রগতিৰ খতিয়ান

১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শতককাব্যৰ লক্ষণৰ বিষয়ে অৱগত হ'ব
- শতককাব্যৰ ৰচনাকাল সম্বন্ধে জানিব পাৰিব
- মহত্বপূর্ণ শতককাব্য আৰু অন্যান্য শতককাব্যসমূহৰ বিষয়ে চমু ধাৰণা লাভ কৰিব পাৰিব
- কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱনৰ বিষয়ে অৱগত হ'ব
- কবিৰ ৰচনাৱলীৰ বিষয়ে ধাৰণা লাভ কৰিব
- 'নীতিশতকম্'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য সম্বন্ধে জ্ঞান লাভ কৰিব।



খণ্ডকাব্য ঃ মহাকাব্যৰ নিচিনা কাব্য।

১১.২ পৰিচয়

ইতিমধ্যে আপুনি প্রথম ছেমিষ্টাৰৰ সংস্কৃত সাহিত্যৰ ইতিহাসৰ বিষয়ে জানিব পাৰিলে। *খণ্ডকাব্য*ৰ অন্তর্গত বিশেষ এবিধ ৰচনাৰ নাম শতককাব্য। সংস্কৃত সাহিত্যৰ ইতিহাসত এই

কাব্যৰ এটি উল্লেখনীয় স্থান আছে। এতিয়া দ্বিতীয় ছেমিষ্টাৰৰ প্রথম অধ্যায়ত আপুনি শতককাব্যৰ লক্ষণ, ৰচনাকাল, উল্লেখযোগ্য শতককাব্য আৰু অন্যান্য শতককাব্যসমূহৰ বিষয়ে আভাস লাভ কৰিবলৈ সমর্থ হ'ব। ইয়াৰ উপৰিও এই অধ্যায়টিত শতক কাব্যৰ অন্তর্গত 'নীতিশতকম্'ৰ বিষয়ে এটি সাধাৰণ আলোচনা আগবঢ়োৱা হৈছে, লগতে উক্ত কাব্যৰ শিৰোনামৰ তাৎপর্য, বিষয়বস্তু ইত্যাদিৰ বিষয়ে আপুনি জানিব পাৰিব। কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন আৰু তেওঁৰ ৰচনাৱলীৰ বিষয়েও এটি ধাৰণা লাভ কৰিব পাৰিব।

১১.৩ শতককাব্যৰ লক্ষণসমূহ

যি কবিকর্ম এশটা পদ্যৰ সমাহাৰত গঢ় লৈছিল তাৰেই নাম শতককাব্য। অলংকাৰশাস্ত্রত এইবিধ কাব্যৰ কোনো উল্লেখ নাই। সেয়েহে ইয়াৰ লক্ষণো তাত পোৱা নাযায়। কিন্তু শতককাব্যসমূহ চালিজাৰি চালে কেইটামান লক্ষণ প্রকাশ পায়। সেইবিলাক হ'ল ঃ

১) আক্ষৰিক অর্থত উল্লিখিত শ্লোকসংখ্যা সকলো ৰচনাত মানি চলাৰ নিয়ম নাই। এশটাতকৈ কম বা অধিক সংখ্যক শ্লোকেৰে ৰচিত কাব্যকো শতককাব্য বোলা হয়।

২) শতকাব্যৰ শ্লোকবোৰত সুৰ সংযোগ কৰি গোৱাৰ সুযোগ আছে।

৩) শতকাব্যত সাধাৰণতে ***মুক্তক*** নামৰ পদ্য ব্যৱহাৰ কৰা হয়।

৪) শতকাব্যত তত্ত্বজ্ঞান বা ভগবদ্ ভক্তিত গুৰুত্ব দিয়া হয়।

৫) শতকাব্যত কোনো গল্প নাথাকে।



মুক্তক ঃ ভাৰ আৰু অর্থ বুজাবলৈ ব্যৱহাৰ হোৱা স্বয়ং সম্পূর্ণ শ্লোক।

১১.৪ ৰচনাৰ সময়কাল

মহাকাব্য আৰু খণ্ডকাব্যৰ প্রতি মানুহৰ এটা সময়ত আকর্ষণ কমি গৈছিল। তেতিয়া কবিসকলে নতুন সৃষ্টিৰ বাবে উৎসাহী হয়। তাৰে ফলত শতককাব্যৰ উৎপত্তি হয়। সেই সময়কালটো আছিল ষষ্ঠ-সপ্তম শতিকা। এই কালছোৱাত ভালেমান শতককাব্য ৰচিত হয়। অন্ততঃ সপ্তদশ শতিকালৈ এই কাব্যৰ ৰচনাৰ ধাৰা অব্যাহত আছিল বুলি ধাৰণা কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শতককাব্য কোনবিধ কাব্যৰ অর্ন্তগত ?

.....

.....

প্রশ্ন নং ২ ঃ সাধাৰণতে শতককাব্যত কিমান শ্লোক থাকে ?

.....

.....

প্রশ্ন নং ৩ ঃ শতককাব্যৰ পদ্যৰ নাম কি?

.....

.....

প্রশ্ন নং ৪ ঃ শতককাব্যত গল্প থাকেনে?

.....

.....



জানি থোৱা ভাল

শ্রব্য কাব্য দুই প্রকাৰৰ হয় — গদ্যময় আৰু পদ্যময়। তাৰে পদ্যময়ৰ বিষয়ে বিশ্বনাথ কবিৰাজৰ সাহিত্যদর্পণত এনেদৰে কোৱা হয় 'ছন্দোৱদ্ধং পদ্যম্' ('ছন্দোময় পদ থকা বাক্যক পদ্য বোলে)। 'তেন মুক্তেন মুক্তকম্' (স্বনির্ভৰ ভাৱার্থ থকা এটি পদ্যক মুক্তক বুলি কোৱা হয়)। দুটা মুক্তকক যুগ্মক ('দ্বাভ্যাং তু যুগ্মকম্') তিনিটাক সংদানিতক ('সংদানিতকং ত্রিভিৰিষ্যতে') চাৰিটাক কলাপক ('কলাপকং চতুর্ভিঃ') আৰু পাঁচোটাক কুলক বোলা হয় ('পঞ্চভিঃ কুলকং মতম্')।

১১.৫ মহত্বপূর্ণ শতককাব্যসমূহ

এতিয়া আপুনি কিছুমান মহত্বপূর্ণ শতককাব্যৰ বিষয়ে জানিব পাৰিব। ইতিমধ্যে আপুনি জানিব পাৰিছে যে এখনৰ পিছত এখন শতককাব্য প্রায় সুদীর্ঘ চাৰিশ বছৰকাল সময়সীমাত কবিসকলে ৰচনা কৰি গৈছে। কিন্তু তাৰে লেখতলবলগীয়া শতককাব্যৰ সংখ্যা কিন্তু নিচেই তাকৰ। মাত্র ছয়খনহে শতককাব্য স্বমহিমাৰে উজলি আছে। সেই কেইখন হ'ল — চণ্ডীশতকম্, সূর্যশতকম্, শৃঙ্গাৰশতকম্, নীতিশতকম্, বৈৰাগ্য শতকম্ আৰু অমৰুশতকম্। এই শতককাব্যকেইখনৰ চমু বিৱৰণ তলত ডাঙি ধৰা হ'ল।

- **চণ্ডীশতকম্ ঃ** সপ্তম শতিকাৰ কবি ***বাণভট্ট*** ই চণ্ডীশতকখন ৰচনা কৰে। গদ্যসাহিত্যৰ ৰচনাত সিদ্ধহস্ত এই বিশিষ্ট কবিগৰাকীয়ে তেওঁৰ শতককাব্যখনত দেৱী চণ্ডীৰ মাহাত্ম্য বর্ণনা কৰিছে। দেৱী চণ্ডীৰ বাওঁ ভৰিৰ নখৰ আঘাতেৰে মহিষাসুৰ নিধন কৰা কার্য্য এইখন কাব্যৰ মূল বিষয়। **মার্কণ্ডেয়** পুৰাণৰ দেবী মাহাত্ম্যখণ্ডৰ আর্হিত চণ্ডীশতক ৰচিত হৈছে।
- **সূর্যশতকম্ ঃ** এইখন শতককাব্যৰ ৰচকৰ নাম ময়ূৰভট্ট। তেওঁ বানভট্টৰ সমসাময়িক কালছোৱাত আবির্ভূত হয়। কথিত যে ময়ূৰভট্ট বাণভট্টৰ শ্বশুৰ আছিল। মতান্তৰত তেওঁ বাণভট্টৰ খুলশালী আছিল বুলি কোৱা হয়। সূর্যশতক ছয়টা অধ্যায়ত বিভক্ত। পুৰাণৰ আধাৰত কল্পিত সূর্যদেৱতাৰ স্তুতিয়েই ইয়াৰ মূল বিষয়। কবিয়ে ইয়াৰ প্রথম অধ্যায়ৰ চৌত্রিছটা শ্লোকত সূর্যৰ দীপ্তিৰ বর্ণনা কৰিছে। দ্বিতীয় অধ্যায়ৰ ছটা শ্লোকত সূর্যৰ ঘোঁৰাৰ, তৃতীয়

অধ্যায়ৰ এঘাৰটা শ্লোকত সাৰথি অৰুণৰ, চতুর্থ অধ্যায়ৰ এঘাৰটা শ্লোকত ৰথৰ, পঞ্চম অধ্যায়ৰ আঠোটা শ্লোকত জ্যোতির্বলয়ৰ বর্ণনা আৰু ষষ্ঠ অধ্যায়ৰ বিশটা শ্লোকত সূর্যৰ স্তুতি দাঙি ধৰিছে।

- **শৃঙ্গাৰশতকম্ ঃ** এই শতককাব্য খনৰ ৰচক ভর্তৃহৰি। এইবিধ কাব্যৰ জনপ্রিয়তাৰ বাবে এই গৰাকী কবিৰ অৱদান আটাইতকৈ অধিক। শৃঙ্গাৰশতক কাব্যখন হৃদয় ছুই যাব পৰা এখন অনুপম কীর্ত্তি। কাব্যখনক সাতটা পর্যায়ত বিভক্ত কৰা হৈছে। এইবিলাকত নাৰীৰ লগত প্রেম, নাৰীৰ প্রশংসা, নিন্দা ইত্যাদি অভিব্যক্তিৰ প্রকাশ ঘটিছে। এই ৰচনাৰ ভাষা সৰল আৰু সংযত। কবিৰ ভাৱনাৰ গভীৰতাৰ চানেকী এই কাব্যৰ শ্লোকত বিদ্যমান।
- **নীতিশতকম্ ঃ** এইখন কাব্যৰো ৰচক ভর্তৃহৰি। এই খণ্ডত শতককাব্যখনৰ বিষয়ে বিস্তৃত আলোচনা যুগুতোৱা হৈছে।
- **বৈৰাগ্যশতকম্ঃ** কবি ভর্ত্তৃহৰি ৰচিত এই শতককাব্যৰ প্রতিটো শ্লোকত বৈৰাগ্যৰ সুৰ ফুটি উঠিছে। বিষয়ভোগত নিৰাসক্তি, সংসাৰৰ দুখজনক পৰিণতি, জগতৰ মোহময়তা, তত্ত্বজ্ঞানৰ সুফল ইত্যাদি এই কাব্যৰ আলোচ্য বিষয়। কথিত হয় যে কবিৰ বিবাহিত জীৱন আছিল তিক্ততাৰে পৰিপূর্ণ। সেয়েহে তেওঁ সংসাৰ ত্যাগ কৰিছিল। তাৰে প্রতিফলন ঘটিছে এই কাব্যখনত । ভর্ত্তৃহৰি ৰচিত এই তিনিখন শতককাব্য 'শতকত্রয়ী' বুলি জনাজাত। তাৰে নীতিশতক আৰু বৈৰাগ্যশতক সংস্কৃত সাহিত্যৰ অমূল্য সম্পদৰূপে বিবেচিত হয়। ভর্তৃহৰি আছিল বৈয়াকৰণ কবি আৰু দার্শনিক। সেয়েহে তেওঁৰ ৰচনাৰাজি অনুপম।
- **অমৰুশতকম্ ঃ** সপ্তম শতিকামানৰ কবি আছিল অমৰু। তেওঁ এখন শতককাব্য ৰচনা কৰিছিল। এইখনৰ নাম অমৰুশতক। এই কাব্যৰ বিষয়বস্তু প্রেম। ইয়াৰ কবিতাবিলাকত নাৰী আৰু পুৰুষক লক্ষ্য কৰি তেওঁলোকৰ বিচিত্র ভাৱ-ভঙ্গী আৰু অনুভূতিক অতি দক্ষতাৰে কবিয়ে ফুটাই তুলিছে। বিবাহিত জীৱনৰ সুখ সংঘাতক কেন্দ্র কৰি ৰচিত এনেধৰণৰ কাব্য সংস্কৃত সাহিত্যত বিৰল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ শতককাব্যৰ চাৰিজন উল্লেখযোগ্য কবিৰ নাম কি?

.....

.....

প্রশ্ন নং ৬ ঃ কোন শতককাব্যৰ ৰচকগৰাকী গদ্যকাব্য লিখি কীর্তিমান হৈছে?

.....

.....

প্রশ্ন নং ৭ ঃ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক-

সূর্যশতক ৰচনা কৰিছে - (ক) ভর্তৃহৰি (খ) ময়ূৰ ভট্ট (গ) বাণভট্ট

.....

প্রশ্ন নং ৮ ঃ শতকত্রয়ী বুলিলে কোন তিনিখন শতককাব্যক বুজায়?

.....

.....

প্রশ্ন নং ৯ ঃ অমৰুৰ দ্বাৰা ৰচিত শতককাব্যৰ নাম কি?

.....

.....

১১.৫.১ অন্যান্য শতককাব্যসমূহ

ইতিমধ্যে আপুনি কিছুমান মহত্বপূর্ণ শতককাব্যৰ বিষয়ে জানিলে। এতিয়া আপুনি অন্যান্য কিছুমান শতককাব্যৰ বিষয়ে জানিব পাৰিব। ভর্ত্তৃহৰি আৰু অমৰু ৰচিত শতককাব্যৰ জনপ্রিয়তা আৰু উৎকর্ষতাই পৰবর্ত্তীকালৰ কবিসকলক যথেষ্ট পৰিমাণে অৰিহণা যোগাইছিল। সেয়েহে এইবিধ কাব্যৰ ৰচনাৰ ধাৰা অব্যাহত আছে। তাৰে কিছুমানৰ ভাষাৰ সৌন্দর্য, ভাৰ আৰু কাব্যশৈলীৰ মাধুর্যই পাঠকক আকৃষ্ট কৰে। এইক্ষেত্র ত পোনপ্রথমে যিখন শতককাব্যৰ নাম উল্লেখনীয় সেইখন হ'ল **শান্তিশতক**। ইয়াৰ স্রষ্টাৰ নাম শিল্হণ। তেওঁক কাশ্মীৰৰ কবি বুলি কোৱা হয়। শান্তিশতকত তেওঁ পার্থিব সুখ-সম্ভোগৰ অসাৰতাৰ কথা ঘোষণা কৰিছে। পৰম ব্রহ্মৰ অনুভূতিৰ জৰিয়তে শান্তিলাভৰ বিষয়েই হৈছে এইকাব্যৰ মূল বক্তব্য। ভর্তৃহৰিৰ **বৈৰাগ্যশতক**ৰ আর্হিত এইখন কাব্য ৰচিত বুলি অনুমান কৰা হয়। শতক কাব্যকাৰসকলৰ মাজত আৰু এগৰাকী স্বনামধন্য কবি হ'ল ভল্লট। তেওঁৰ দ্বাৰা ৰচিত কাব্যৰ নাম **ভল্লটশতক**। ইয়াৰ শ্লোকৰ সংখ্যা এশটাতকৈ কম। ইয়াত ন্যায় নীতি, আদর্শ ইত্যাদিৰ দৰে বিবিধ তত্ত্বগধুৰ বিষয়ৰ অৱতাৰণা কৰা হৈছে। আনুমানিক নৱম শতিকাৰ এই কবিক কাশ্মীৰীয় বুলি কোৱা হয়। ইয়াৰ বাহিৰে জনার্দন ভট্ট ৰচিত **শৃংঙ্গাৰশতক** এখন উল্লেখযোগ্য কাব্য। এইখনৰ শ্লোকসংখ্যা ১০১। কাব্যখন ত্রয়োদশ শতিকামানৰ সৃষ্টি বুলি ধাৰণা কৰা হয়। নৰহৰি ৰচিত কাব্যৰ নাম একেই অর্থাৎ **শৃঙ্গাৰশতক**। ইয়াত ১১৫ টা শ্লোক আছে। এইবিলাকৰ উপৰি ৰামচন্দ্রকবিৰ ৰসিকৰঞ্জন আৰু ৰোমাৱলীশতক, বল্লভকবিৰ কাব্যভূষণ, বিশ্বেশ্বৰ পণ্ডিতৰ ৰোমাৱলীশতক, উৎপ্রেক্ষাৱল্লভৰ সুন্দৰীশতক ইত্যাদি শতককাব্য সংস্কৃত ইতিহাসত স্মৰণীয় হৈ থাকিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ কোনগৰাকী কবিৰ শতককাব্যৰ ৰচনাই পৰৱর্ত্তীকালৰ কবিসকলক অনুপ্রাণিত কৰিছিল?

.....

.....

প্রশ্ন নং ১১ ঃ শিল্হণ কোন ঠাইৰ কবি বুলি অনুমান কৰা হয়?

.....

.....

প্রশ্ন নং ১২ ঃ শিল্হণৰ দ্বাৰা ৰচিত শতককাব্যখনৰ নাম কি?

.....

.....

প্রশ্ন নং ১৩ ঃ ভল্লটশতক কোনে ৰচনা কৰিছে?

.....

.....

প্রশ্ন নং ১৪ ঃ এশটাতকৈ অধিক শ্লোক থকা দুখন শতককাব্যৰ নাম লিখক।

.....

.....

প্রশ্ন নং ১৫ ঃ শতককাব্যৰ ধাৰা কোন শতিকালৈ অব্যাহত আছিল লিখক।

.....

১১.৬ কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱন

'নীতিশতকম্'ৰ ৰচক কবি ভর্তৃহৰি। তেওঁৰ ব্যক্তিগত জীৱন সম্বন্ধে সঠিক তথ্য পোৱা নাযায়। কিন্তু জনশ্রুতিৰ আধাৰত কিছুমান সমল পোৱা যায়। সেই মতে জনা যায় ভর্তৃহৰি মালবৰাজ্যৰ এক ক্ষত্রিয় বংশত জন্মগ্রহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল গন্ধসেন। তেওঁৰ দুগৰাকী পত্নী আছিল। তাৰে প্রথমা পত্নীৰ সন্তান ভর্তৃহৰি। দ্বিতীয়া পত্নী আছিল ধাৰাৰাজ্যৰ ৰজাৰ ছোৱালী। তেওঁৰ দাক্ষিণ্যত ভর্তৃহৰিয়ে এই ৰাজ্যৰ ৰাজপদ লাভ কৰে। প্রসঙ্গতঃ বেলেগ এটি প্রচলিত জনশ্রুতিৰ কথাও উল্লেখ কৰিব পাৰি। সেই সূত্রমতে কথিত হয় যে চন্দ্রগুপ্ত নামে এজন ব্রাহ্মণ আছিল। তেওঁৰ চাৰি বর্ণৰ চাৰিগৰাকী পত্নী আছিল। তাৰে শূদ্রা পত্নীৰ গর্ভজাত সন্তানজনেই ভর্তৃহৰি। এই পুত্রজনেই কালক্রমে বিক্রমাদিত্যৰ ৰাজসভাত প্রধান মন্ত্রীৰ আসন অলংকৃত কৰে।

কথিত হয় যে যুবা বয়সত ভর্তৃহৰিৰ নৈতিক অধঃপতন হয়। শাস্ত্রজ্ঞ হৈয়ো তেওঁ ব্যাভিচাৰত লিপ্ত হৈছিল। তেওঁৰ ব্যৱহাৰত প্রজাবিলাক কালক্রমে বিক্ষুব্ধ হৈ পৰে। মালবত দেখা দিছিল অৰাজকতা। এনে সময়ত ভর্তৃহৰিৰ কার্যাৱলীত অসন্তুষ্ট হৈ তেওঁৰ এগৰাকী পত্নীয়ে আত্মহত্যা কৰে। ইয়াৰ পিছত কবি অন্য এগৰাকী পত্নীৰ ঘনিষ্ঠ সংস্পর্শত আহে। তেওঁৰ নাম পিঙ্গলা। কিন্তু ভর্তৃহৰিৰ কপট আচৰণত এই অনুৰাগিনী পত্নীয়েও মৃত্যুক আকোৱালি লয়। এনে ঘটনাবোৰে ভর্তৃহৰিৰ মন আচ্ছন্ন কৰি পেলাইছিল। কালক্রমে তেওঁৰ মনত বৈৰাগ্য দেখা দিয়ে। তেওঁ গৃহত্যাগ কৰি অৰণ্যত আশ্রয় লয় আৰু সন্ন্যাসীৰ দৰে জীৱন-যাপন কৰে। তেওঁ মহাযোগী গোৰক্ষনাথৰ সাক্ষাৎ লাভ কৰি তেওঁৰ শিষ্যত্ব গ্রহণ কৰিছিল।

ভর্তৃহৰিৰ আৱির্ভাবকাল সম্বন্ধে বিভিন্ন পণ্ডিতে বিভিন্ন মত প্রদান কৰিছে। কিন্তু সকলো মত চালিজাৰি চাই বিশিষ্ট সমালোচকসকলে তেওঁক খৃষ্টীয় ষষ্ঠ শতিকাৰ কবি বুলি সিদ্ধান্ত গ্রহণ কৰিছে।

১১.৬.১ কবিৰ ৰচনাৱলী

আপুনি ইতিমধ্যে ভর্তৃহৰি ব্যক্তিগত জীৱনৰ বিষয়ে কিছু জ্ঞান লাভ কৰিলে। এতিয়া আপুনি তেখেতৰ ৰচনাৱলীৰ বিষয়ে জানিব পাৰিব। ভর্তৃহৰি ৰচিত তিনিখন শতককাব্যৰ নাম ইতিমধ্যে উল্লিখিত হৈছে। ভর্তৃহৰিৰ কীর্তি হ'ল বাক্যপদীয়। ব্যাকৰণদর্শনৰ এই গ্রন্থখন তিনিটা কাণ্ডত বিভক্ত— ব্রহ্মকাণ্ড, বাক্যকাণ্ড আৰু পদকাণ্ড। এই পণ্ডিতপ্রবৰৰ অর্থাৎ ভর্তৃহৰিৰ আৰু কেইখনমান গ্রন্থ আছে। তাৰে লেখত ল'বলগীয়া গ্রন্থবোৰ হ'ল মহাভাষ্যদীপিকা, মীমাংসাভাষ্য, বেদান্ত সূত্রবৃত্তি আৰু শব্দ ধাতু সমীক্ষা। ভট্টিকাব্যম্ নামৰ কাব্যখন কিছুমানে ভর্তৃহৰিৰ লিখা বুলি দাবী কৰে। কিন্তু এইখন কাব্যৰ কবি ভট্টি আৰু শতকত্রয়ৰ কবি ভর্তৃহৰি— এই দুয়োগৰাকী কবি ভিন্ন বুলি পণ্ডিত আৰু গৱেষকসকলে সিদ্ধান্ত গ্রহণ কৰিছে। কোৱা হৈছে বৈয়াকৰণসকলে ভট্টিকাব্যম্ৰ কবি হিচাপে সদায় ভট্টিৰ আৰু বাক্যপদীয় আৰু শতকত্রয়ৰ কবি বুলি ভর্তৃহৰিৰ নাম উল্লেখ কৰে। সেয়েহে ভট্টি আৰু ভর্তৃহৰি যে দুজন পৃথক কবি সেই বিষয়ে সন্দেহৰ থল নাই।

১১.৭ 'নীতিশতকম্'ৰ বিষয়বস্তু আৰু শিৰোনামৰ তাৎপর্য

ভর্তৃহৰি ৰচনাৱলীৰ বিষয়ে জনাৰ পিছত আপুনি এতিয়া 'নীতিশতকম্'ৰ বি,য়বস্তু আৰু ইয়াৰ শিৰোনামৰ তাৎপর্যৰ বিষয়ে জানিব পাৰিব। আপুনি জানে যে নীতিশতকম্ এখন নীতিমূলক গ্রন্থ। লোক শিক্ষাৰ মহান আদর্শ প্রচাৰ কৰাই এই গ্রন্থৰ উদ্দেশ্য। 'নীতিশতকম্'ত একাধাৰে ধর্ম, দর্শন, ৰাজনীতি, সদাচাৰ, লোকাচাৰ, সমাজবিদ্যা ইত্যাদি বিবিধ বিষয়ৰ ওপৰত আলোচনা আগবঢ়োৱা হৈছে। বাস্তৱ জীৱনত মানুহে নানাবিধ বাধা-বিধিনিৰ সন্মুখীন হ'ব লগা হয়। কিন্তু

সেই সকলো নেওচি ন্যায় ধর্মক আশ্রয় কৰি জীৱনক কেনেকৈ সুন্দৰ আৰু সুস্থ কৰি তুলিব পৰা যায় তাৰেই দিগ্ দর্শক এই অনুপম গ্রন্থ। ইয়াৰ প্রতিটো শ্লোকত মানুহৰ কল্যাণ বিধানৰ ভাৱনা ফুটি উঠিছে। সেয়েহে এই শতক কাব্যৰ মূল্য অসীম। বিশেষভাৱে নীতিমূলক বিষয়ৰ ওপৰত আধাৰিত বুলি কাব্যটিৰ নাম সম্ভবত নীতিশতকম্ দিয়া হৈছে। ফলত এই শিৰোনাম সম্পূর্ণভাৱে সার্থক হৈছে।

১১.৭.১ 'নীতিশতকম্'ৰ পাঠ

ইতিমধ্যে কোৱা হৈছে যে ভর্তৃহৰিয়ে তিনিখন শতককাব্য ৰচনা কৰিছে। কিন্তু তাৰে 'নীতিশতকম্'ৰ জনপ্রিয়তা খুব বেছি। সেয়েহে এই গ্রন্থখন প্রায় সকলো ভাৰতীয় ভাষাত অনুবাদ কৰা হৈছে। বহু বিদেশী ভাষাতো ইয়াৰ অনুবাদ পোৱা যায়। কিন্তু গ্রন্থখনৰ ভিন্ ভিন্ সংস্কৰণত মুঠ শ্লোকৰ সংখ্যা বেলেগ বেলেগ পৰিলক্ষিত হয়। গভীৰ দুখৰ বিষয় এয়ে যে শ্লোকৰ শব্দ বিন্যাসতো বহু ক্ষেত্রত ইমানেই বৈসাদৃশ্য দেখা যায় যে কোনো কোনো ঠাইত ভাৱৰো পৰিবর্তন অনুভূত হয়। শ্লোকবিলাকৰ ক্রমবিন্যাসৰ ক্ষেত্রতো একে অৱস্থা হোৱা হেতুকে এই শতককাব্যৰ কিছু পৰিমাণে উৎকর্ষতাৰ হানি ঘটিছে। উল্লেখযোগ্য যে আমি ইয়াত টীকাকাৰ ৰামচন্দ্র বুধেন্দ্র গৃহীত দাক্ষিণাত্যৰ সংস্কৰণৰ পাঠ গ্রহণ কৰিছোঁ। কাৰণ অন্যান্য সংস্কৰণৰ তুলনাত এইখন পাঠ বিজ্ঞানসম্মত বুলি বোধ হয়। এইগৰাকী টীকাকাৰৰ টীকাৰ নাম সহৃদয়ানন্দিনী। ৰামচন্দ্রই তেওঁৰ এই অনবদ্য ব্যাখ্যাত নীতিশতকৰ বিষয়বস্তুক দহটি ভাগত ভাগ কৰিছে। এইবিলাক হ'ল ঃ (১) মূর্খ পদ্ধতি (২ সংখ্যক শ্লোকৰ পৰা ১১ সংখ্যক শ্লোকলৈ), (২) বিদ্বৎপদ্ধতি (১২-২১), (৩) মান-শৌর্য পদ্ধতি (২২-৩১), (৪) অর্থ পদ্ধতি (৩২-৪১), (৫) দুর্জন পদ্ধতি (৪২-৫১), (৬) সুজন পদ্ধতি (৫২-৬১), (৭) পৰোপকাৰ পদ্ধতি (৬২-৭১), (৮) ধৈর্যপদ্ধতি (৭২-৮১), (৯) দৈবপদ্ধতি (৮২-৯২) আৰু (১০) কর্মপদ্ধতি (৯৩-১০২)। এতেকে মঙ্গলাচৰণ শ্লোকৰ বাহিৰে নীতিশতকম্ গ্রন্থত সর্বমুঠ শ্লোকসংখ্যা ১০২।

১১.৭.২ 'নীতিশতকম্'ৰ উৎকর্ষতা

'নীতিশতকম্'ৰ ভাষা সহজ আৰু সৰল। সেয়েহে ইয়াৰ ভাৱ আৰু চিন্তন তত্ত্বগধুৰ হ'লেও সকলো স্তৰৰ মানুহৰ বাবে ই গ্রহণযোগ্য হৈ উঠিছে। কাব্য হিচাপে অতি সুন্দৰ এই গ্রন্থত বহু সুভাষিত আছে। ফলত ই আৰু আকর্ষণীয় হৈ উঠিছে। সংসাৰৰ সকলো ভাল-বেয়া বিবেচনা কৰি মহৎ আদর্শৰ অন্বেষণত প্রয়াসী হ'বলৈ পথপ্রদর্শন কৰে বুলিয়েই গ্রন্থখন যুগজয়ী হৈ উঠিছে। সেয়েহে ইয়াৰ স্রষ্টাগৰাকীও সর্বকালৰ সর্বজনৰ বহুমান্য কবি বুলি স্মৰণীয় হৈ থাকিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ ভর্তৃহৰিয়ে কাৰ শিষ্যত্ব গ্রহণ কৰিছিল?

.....

.....

প্রশ্ন নং ১৭ ঃ ভর্তৃহৰিক কোন শতিকাৰ কবি বুলি কোৱা হয়?

.....

.....

প্রশ্ন নং ১৮ ঃ শতকত্রয়ৰ বাহিৰে ভর্তৃহৰিৰ উল্লেখযোগ্য এখন ৰচনাৰ নাম লিখক?

.....

.....

প্রশ্ন নং ১৯ ঃ ভট্টি আৰু ভর্তৃহৰি একেজন ব্যক্তি হয় নে?

.....

.....

প্রশ্ন নং ২০ ঃ 'নীতিশতকম্' গ্রন্থৰ মূল উদ্দেশ্য কি?

.....

.....

প্রশ্ন নং ২১ ঃ 'নীতিশতকম্'ৰ ৰচক কোন?

.....

.....

প্রশ্ন নং ২২ ঃ ৰামচন্দ্র বুধেন্দ্রৰ টীকাৰ নাম কি?

.....

.....

প্রশ্ন নং ২৩ ঃ ৰামচন্দ্র বুধেন্দ্রই 'নীতিশতকম্' গ্রন্থক কিমান ভাগত ভাগ কৰিছে?

.....

.....

প্রশ্ন নং ২৪ ঃ 'নীতিশতকম্'ত মুঠ কিমান শ্লোক আছে?

.....

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শতককাব্যৰ বিশেষ কেইটিমান লক্ষণ আছে বুলি জানিলে
- এই কাব্যৰ উদ্ভৱ হৈছিল ষষ্ঠ সপ্তমশতিকামানত এই বিষয়েও অৱগত হ'ল
- মহত্বপূর্ণ শতককাব্য ছয়খনৰ বিষয়ে জানিব পাৰিলে
- এই ছয়খনৰ বাহিৰে আৰু ভালেমান শতককাব্য যে আছে তাৰো আভাস লাভ কৰিলে
- মহত্বপূর্ণ শতককাব্যৰ কবিসকলৰ বিষয়ে আপুনি জানিলে
- 'নীতিশতকম্'ৰ বিষয়বস্তু জানিলে
- গ্রন্থৰ শিৰোনামৰ তাৎপর্য জানিব পাৰিলে
- 'নীতিশতকম্'ৰ পাঠ সম্বন্ধে অৱগত হ'ল
- কবি ভর্তৃহৰিৰ ব্যক্তিগত জীৱনৰ বিষয়ে জানিলে
- কবিৰ ৰচনাৱলীৰ বিষয়েও জানিব পাৰিলে।



১১.৯ অধিক জানিবলৈ

১) গোস্বামী, হৰমোহন দেৰ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী,* গুৱাহাটী ঃ বুকলেণ্ড।

২) শর্মা, থানেশ্বৰ, (১৯৯৫); *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* ,গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) কৃষ্ণমাচাৰিয়াৰ, এম (১৯৮৯); *হিষ্টৰি অব্ ক্লাচিকেল সংস্কৃত লিটাৰেচাৰ,* বাৰানসী ঃ মতিলাল বনাৰসী দাস।



১১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ খণ্ডবাক্য

২ নং প্রশ্নৰ উত্তৰ ঃ এশটা

৩ নং প্রশ্নৰ উত্তৰ ঃ মুক্তক

৪ নং প্ৰশ্নৰ উত্তৰ ঃ নাথাকে

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বাণভট্ট, ময়ূৰভট্ট, ভর্ত্তৃহৰি

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বাণভট্ট

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ময়ূৰভট্ট

৮ নং প্ৰশ্নৰ উত্তৰ ঃ নীতিশতক, শৃঙ্গাৰশতক আৰু বৈৰাগ্যশতক

৯ নং প্ৰশ্নৰ উত্তৰ ঃ অমৰুশতক

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ভর্তৃহৰি আৰু অমৰু

১১ নং প্ৰশ্নৰ উত্তৰ ঃ কাশ্মীৰ

১২ নং প্ৰশ্নৰ উত্তৰ ঃ শান্তিশতক

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভল্লট

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ জনার্দন ভট্টৰ শৃঙ্গাৰশতক আৰু নৰহৰিৰ শৃঙ্গাৰশতক

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ অন্ততঃ সপ্তদশ শতিকালৈ

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ গোৰক্ষনাথ

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ ষষ্ঠ শতিকাৰ

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ বাক্যপদীয়

১৯ নং প্ৰশ্নৰ উত্তৰ ঃ নহয়

২০ নং প্ৰশ্নৰ উত্তৰ ঃ লোক শিক্ষাৰ মহান আদর্শ প্ৰচাৰ কৰা

২১ নং প্ৰশ্নৰ উত্তৰ ঃ ভর্তৃহৰি

২২ নং প্ৰশ্নৰ উত্তৰ ঃ সহৃদয়ানন্দিনী

২৩ নং প্ৰশ্নৰ উত্তৰ ঃ দহটা

২৪ নং প্ৰশ্নৰ উত্তৰ ঃ এশ দুইটা



১১.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ শতককাব্যৰ লক্ষণসমূহ কি কি?

প্ৰশ্ন ২ ঃ শূণ্যস্থান পূৰ্ণ কৰক।

ক) বৈৰাগ্যশতক ..... ৰচনা কৰিছে।

খ) শতককাব্যত সাধাৰণতে ..... শ্লোক থাকে।

গ) চণ্ডীশতকত দেবী ..... মাহাত্ম্য বর্ণনা কৰা হৈছে।

ঘ) ভল্লটৰ ৰচিত শতককাব্যৰ নাম .....।

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ যি কোনো এটি মহত্বপূর্ণ শতককাব্যৰ বিষয়ে টোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'নীতিশতকম্'ৰ বিষয়বস্তু সম্বন্ধে লিখক।

প্রশ্ন ২ ঃ ভর্তৃহৰিৰ ব্যক্তিগত জীৱনৰ বিষয়ে এটি চমু আভাস দিয়ক।

প্রশ্ন ৩ ঃ ভর্তৃহৰিৰ ৰচনাৱলীৰ বিষয়ে লিখক।

*** ***** ***

অধ্যায় ১২ ঃ কাদম্বৰী (চমু পৰিচয়)

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ মহাকবি বাণভট্টৰ পৰিচয়
১২.৪ বাণভট্টৰ সময়
১২.৫ বাণভট্টৰ ৰচনাৱলী
১২.৬ কাদম্বৰীৰ কাহিনীৰ আধাৰ
১২.৭ কাদম্বৰীৰ কাহিনী
১২.৭.১ কাদম্বৰীৰ পূৰ্বাৰ্ধৰ কাহিনী
১২.৭.২ কাদম্বৰীৰ উত্তৰাৰ্ধৰ কাহিনী
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্রগতিৰ খতিয়ান
১২.১১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত সাহিত্যৰ মহান গদ্যকাৰ বাণভট্টৰ বিষয়ে বিস্তাৰিতভাৱে জানিব পাৰিব
- বাণভট্টৰ লিখনিসমূহৰ বিষয়ে সম্যক আভাস লাভ কৰিব পাৰিব
- বাণৰ বিখ্যাত কাব্য 'কাদম্বৰীৰ' বিষয়ে জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব
- 'কাদম্বৰী' কাব্যৰ কাহিনী, কাহিনীৰ আধাৰ, আদিৰ বিষয়েও অৱগত হ'ব পাৰিব।

১২.২ পৰিচয়

সংস্কৃত সাহিত্যত দুই প্ৰকাৰৰ কাব্য পোৱা যায়— দৃশ্য কাব্য আৰু শ্ৰব্য কাব্য। দৃশ্য কাব্য নাটক আদি। অভিনয়ৰ জৰিয়তে প্ৰদৰ্শন কৰিব পৰা যায় বাবেই ইয়াক দৃশ্য কাব্য বোলা হয়। শ্ৰব্য কাব্যসমূহ কাব্য-মহাকাব্য আদি। শ্ৰব্য কাব্য আকৌ দুই প্ৰকাৰৰ— পদ্য আৰু গদ্য।

সংস্কৃত সাহিত্যৰ বিশাল কাব্য সাহিত্যৰ ভাণ্ডাৰত অলংকাৰশাস্ত্ৰসন্মত গদ্যকাব্যৰ সংখ্যা মাত্ৰ চাৰিটি। সেইকেইখন হৈছে— দণ্ডীৰ 'দশকুমাৰচৰিতম্', বাণভট্টৰ 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত' আৰু সুবন্ধুৰ 'বাসবদত্তা'।

এই অধ্যায়টিত সংস্কৃত সাহিত্যৰ জ্যোতিষ্কৰূপ বাণভট্ট আৰু তেওঁৰ বিখ্যাত সাহিত্য

কীর্তি 'কাদম্বৰী'ৰ বিষয়ে সম্যক আলোচনা আগবঢ়োৱা হৈছে। অধ্যায়টি অধ্যয়ন কৰি আপুনি বাণভট্টৰ বিষয়ে জানিব পাৰিব। তেওঁৰ বংশ পৰিচয়, শিক্ষা আদিৰ লগতে বিভিন্ন ৰচনাৱলীৰ সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব। ইয়াৰ উপৰিও বাণৰ শ্রেষ্ঠ সাহিত্যকর্ম 'কাদম্বৰী' কাব্যৰ বিষয়েও এই অধ্যায়টিৰ জৰিয়তে বিস্তাৰিতভাৱে জানিব পাৰিব।

১২.৩ মহাকবি বাণভট্টৰ পৰিচয়

ভাৰতীয় প্রাচীন কবি সাহিত্যিকসকলে প্রায়েই নিজৰ পৰিচয় প্রদানত নীৰবতা অবলম্বন কৰিছে। সেইক্ষেত্রত বাণভট্ট ব্যতিক্রম। 'কাদম্বৰী' কাব্যৰ প্রথম এঘাৰটা শ্লোকত তেওঁ নিজৰ বংশ-পৰিচয় উল্লেখ কৰিছে। 'হর্ষচৰিতম্' গ্রন্থৰ প্রথম তিনিটা ***উচ্ছ্বাস***তো কবিয়ে নিজৰ পৰিচয় সবিস্তাৰ উল্লেখ কৰিছে। এইবোৰ অধ্যয়ন কৰি জানিব পাৰি যে তেওঁৰ পূর্বপুৰুষ আছিল বাৎসায়ন গোত্রৰ বেদ বিদ্যাত পাৰ্গত কুবেৰ নামেৰে জনাজাত এজন ব্রাহ্মণ। কুবেৰৰ চাৰিজন পুত্র আছিল। তাৰে এজনৰ নাম আছিল পাশুপত। পাশুপতৰ পুত্র অর্থপতি। এই অর্থপতিৰ আকৌ এঘাৰজন পুত্র আছিল। এই পুত্রসকলৰ ভিতৰত এজনৰ নাম আছিল চিত্রভানু। তেওঁৰ পত্নী এগৰাকীৰ নাম আছিল ৰাজদেৱী। চিত্রভানু আৰু ৰাজদেৱীৰে পুত্র বাণভট্ট।



উচ্ছ্বাস = অধ্যায়

বাণভট্টৰ পূর্বপুৰুষসকলৰ দিনৰ পৰাই বাসস্থান আছিল কান্যকুব্জৰ শোননদীৰ পশ্চিম পাৰত অৱস্থিত প্রীতিকূট নামৰ গাঁও। শৈশৱতে বাণে মাতৃক হেৰুৱায়। মাতৃ অবিহনে পিতৃয়েই তেওঁক লালন-পালন কৰে। কিন্তু চৈধ্য বছৰ বয়সতে তেওঁৰ পিতৃৰো মৃত্যু ঘটে। পিতৃ-মাতৃহীন বাণ সঙ্গতদোষৰ বাবে যৌৱন কালত বৰ উৎপতীয়া স্বভাৱৰ হৈ পৰে। নিজৰ সঙ্গীসকলৰ লগত বহুদিন গৃহ ত্যাগ কৰি বিদেশ ভ্রমণ কৰে। এই ভ্রমণৰ সময়ছোৱাত তেওঁ বহু জ্ঞান আৰু অভিজ্ঞতা লাভ কৰে। ভ্রমণ শেষ কৰি তেওঁ পুনৰ নিজৰ গৃহলৈ ঘূৰি আহে।

ইয়াৰ পিছত সম্রাট হর্ষবর্দ্ধনে বাণভট্টক পত্র পঠিয়াই মাতি পঠায়। বাণেও সেই আমন্ত্রণ ৰক্ষা কৰি সম্রাটৰ ওচৰ পায়গৈ। প্রথমে ৰজাই তেওঁক আগ্রহেৰে গ্রহণ কৰা নাছিল। কিন্তু পাছলৈ ৰজাই তেওঁক শ্রদ্ধাৰ ভাবেৰে ৰাজসভাত স্থান দিয়ে। কালক্রমত তেওঁ সম্রাটৰ অত্যন্ত প্রিয় হৈ পৰে আৰু ৰাজসভাৰ প্রধান পণ্ডিত হয়গৈ। ৰজা হর্ষবর্দ্ধনৰ পৃষ্ঠপোষকতাতে বাণে তেওঁৰ অমৰ কাব্য দুখন অর্থাৎ 'হর্ষচৰিতম্' আৰু 'কাদম্বৰী' ৰচনা কৰে। কিন্তু দুর্ভাগ্যক্রমে 'কাদম্বৰী' কাব্যখন লিখা সম্পূর্ণ নহওঁতেই বাণভট্টৰ মৃত্যু হয়। পিছত তেওঁৰ পুত্র ভূষণভট্ট বা পুলিন্দই 'কাদম্বৰী'খন সম্পূর্ণকৈ ৰচনা কৰে।

১২.৪ বাণভট্টৰ সময়

বাণভট্টৰ পৃষ্ঠপোষক ৰজা আছিল থানেশ্বৰ ৰাজ্যৰ সম্রাট হর্ষবর্দ্ধন। ঐতিহাসিক তথ্য অনুসৰি হর্ষবর্দ্ধনৰ ৰাজত্বকাল ৬০৬ খ্রীষ্টাব্দৰ পৰা ৬৪৮ খ্রীষ্টাব্দলৈ। গতিকে নিশ্চিতভাৱে ক'ব পাৰি যে বাণৰ সময় খ্রীষ্টীয় ষষ্ঠ শতকৰ শেষভাগৰ পৰা সপ্তম শতকৰ প্রথমভাগৰ ভিতৰত।

১২.৫ বাণভট্টৰ ৰচনাৱলী

বাণভট্টৰ দুই সাহিত্যকীর্তি হৈছে 'হর্ষচৰিতম্' আৰু 'কাদম্বৰী'। 'হর্ষচৰিতম্' এখন আখ্যায়িকা। আনহাতেদি 'কাদম্বৰী' এখন কথা। 'হর্ষচৰিতম্' আঠোটা উচ্ছ্বাসত বিভক্ত। ইয়াৰে প্রথম তিনিটা উচ্ছ্বাসত কবিয়ে নিজৰ বংশ-পৰিচয় বর্ণনা কৰিছে। পিছৰ কেইটাত সম্রাট হর্ষবর্দ্ধনৰ জীৱনবৃত্ত বর্ণনা কৰা হৈছে। ঐতিহাসিক বিষয় লৈ ৰচনা কৰা 'হর্ষচৰিত' বাণৰ প্রথম ৰচনা বুলি ভাব হয়। 'কাদম্বৰী' গ্রন্থৰ ৰচনা সম্পূর্ণ কাল্পনিক। গ্রন্থকাৰে কাহিনী উপস্থাপন কৰিছে এটি কাল্পনিক বিষয়লৈ। বাণভট্টই ৰচনা কৰা 'চণ্ডীশতকম্' নামৰ কাব্যত এশ দুটা পদ্য সন্নিৰিষ্ট আছে। এই কাব্যত দেৱী দুর্গাৰ মহিষাসুৰ বধৰ কাহিনী আৰু দেৱীৰ স্তুতি পোৱা যায়। মূলতে এই তিনিখন গ্রন্থ বাণভট্টই ৰচনা কৰা বুলি আমি নিশ্চিতভাৱে পাওঁ আৰু বহুতো গ্রন্থ আছে যিবোৰ বাণে ৰচনা কৰা বুলি ভবা হয়। যেনে, 'পার্বতীপৰিণয়ম্' নামৰ পাঁচটা অঙ্কযুক্ত এখন নাটক, 'মুকুটতাড়িতকম্' নামৰ আন এখন নাটক, 'শিৱশতকম্' আৰু 'শাৰদচন্দ্রিকা' নামৰ দুখন গ্রন্থ ইত্যাদি।



জানি থোৱা ভাল

১। (বাণৰ বংশাৱলী)

বাৎস্যঃ (বৎস)

কুবেৰ

অচ্যুত | ঈশাণ | হৰ | পাশুপত

পাশুপত → অর্থপতি → চিত্রভানু → বাণভট্ট → ভূষণভট্ট

(বাণভট্টৰ পুত্রক ভূষণভট্ট, ভূষণবাণ, পুলিন্দ, পুলিন নামেৰেও জনা যায়)

২। **কথা** — বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্য-দর্পণ' নামৰ গ্রন্থত 'কথা'-ৰ লক্ষণ এনেদৰে দিছে—

"কথায়াং সৰসং ৱস্তু গদ্যৈৰেৱ ৱিনির্মিতম্।
ক্বচিদত্র ভৱেদার্যা ক্বচিদ্ৱক্ত্রাপৱক্ত্রকে।
আদৌ পদ্যৈর্নমস্কাৰঃ খলাদের্ৱৃত্তকীর্তনম্।।"

অর্থাৎ 'কথা'-ত গদ্যৰ মাধ্যমেৰে সৰস কাহিনী বর্ণিত হয়। এনে কোনো কোনো কাব্যত আর্যা, ৱক্ত্র আৰু অপৱক্ত্র ছন্দৰ পদ্য থাকে। এই কাব্যৰ আদিতে পদ্যত ৰচিত কবিৰ

ইষ্ট দেৱতাৰ স্তুতি থাকে, তাৰ পিছত থাকে অসৎ লোক আৰু সৎ বা সাধু লোকৰ চৰিত্ৰৰ বৰ্ণনা। ইয়াৰ পিছত থাকে পৰিকল্পিত কাহিনীভাগৰ বৰ্ণনা।

৩। **আখ্যায়িকা—** 'সাহিত্যদৰ্পণ' গ্ৰন্থত বিশ্বনাথ কবিৰাজে 'আখ্যায়িকা'-ৰ লক্ষণ নির্দেশ কৰি কৈছে—

আখ্যায়িকা কথাৱৎ স্যাৎ কৱের্বংশানুকীর্তনম্।
অস্যামন্যকৱীনাঞ্চ বৃত্তং পদ্যং ক্বচিৎ ক্বচিৎ।।
কথাংশানাং ব্যৱচ্ছেদ আশ্বাস ইতি বদ্ধ্যতে।
আর্যাৱক্ত্রাপৱক্ত্রানাং ছন্দসা যেন কেনচিৎ।।
অন্যাপদেশেনাশ্বাসমুখে ভাব্যর্থসূচনম্।

অর্থাৎ, আখ্যায়িকা কথাৰ দৰেই। ইয়াৰ আদিতে কবিৰ বংশৰ বৰ্ণনা আৰু ক'ৰবাত ক'ৰবাত অন্য কবিসকলৰ কাহিনী বর্ণিত থাকে। কাহিনীৰ অংশবোৰক আশ্বাস বোলে। প্ৰত্যেক আশ্বাসৰ আৰম্ভণিতে হ'বলগীয়া ঘটনাৰ সূচনা কৰা হয় আর্যা, ৱক্ত্ৰ আৰু অপৱক্ত্ৰ,— এই তিনিটাৰ যিকোনো এটা ছন্দত ৰচনা কৰা পদ্যৰ জৰিয়তে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ কাদম্বৰী গ্ৰন্থৰ ৰচয়িতা কোন?

.....

.....

প্ৰশ্ন নং ২ঃ কাদম্বৰী এখন ..... । (খালী ঠাই পূৰণ কৰক)

.....

.....

প্ৰশ্ন নং ৩ঃ হর্ষচৰিত এখন ..... (খালী ঠাই পূৰণ কৰক)

.....

.....

প্ৰশ্ন নং ৪ঃ বাণভট্টই ৰচনা কৰা কেইখনমান গ্ৰন্থৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৫ঃ বাণভট্ট কোন ৰজাৰ সভাকবি আছিল?

.....

.....

১২.৬ কাদম্বৰীৰ কাহিনীৰ আধাৰ

'কাদম্বৰী' শব্দৰ প্ৰকৃত অৰ্থ 'সু�ৰা'। সু�ৰা বা মদিৰাৰ প্ৰভাৱত মানুহ যিদৰে আত্মহাৰা হয়, 'কাদম্বৰী' গ্ৰন্থখন অধ্যয়ন কৰিলেও মানুহ আপোন পাহৰা হৈ পৰে। আপুনি ইতিমধ্যে এই গ্ৰন্থৰ ৰচকৰ বিষয়ে জানিব পাৰিলে। এতিয়া এই কাব্য লিখিবলৈ বাণভট্টই কি গ্ৰন্থৰ পৰা অনুপ্ৰেৰণা পাইছিল বা কি গ্ৰন্থখন তেওঁৰ ৰচনাৰ আধাৰৰূপে লৈছিল তাক জানিব পাৰিব।

সম্ভৱতঃ বাণভট্টই গুণাঢ্যৰ 'বৃহৎকথা'-ৰ পৰা 'কাদম্বৰী' ৰচনা কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। গুণাঢ্যই প্ৰাকৃত ভাষাত 'বৃহৎকথা' ৰচনা কৰিছিল। কিন্তু বৰ্তমান এই গ্ৰন্থ পোৱা নাযায় অৰ্থাৎ বিলুপ্ত হৈছে। 'বৃহৎকথা'ৰ সংক্ষিপ্ত সংস্কৃত ৰূপ হিচাপে সোমদেৱৰ দ্বাৰা ৰচিত 'কথাসৰিৎসাগৰ' নামৰ গ্ৰন্থখন পোৱা যায়। লগতে ক্ষেমেন্দ্ৰ ৰচিত 'বৃহৎকথামঞ্জৰী' আৰু বুধস্বামী ৰচিত 'বৃহৎকথাশ্লোকসংগ্ৰহঃ' নামে গ্ৰন্থও সংস্কৃতত পোৱা যায়। বাণভট্টই 'কাদম্বৰী'-ৰ কাহিনীৰ আধাৰ ৰূপে 'বৃহৎকথা'ৰ কাহিনীৰ ওপৰত ৰচিত 'কথাসৰিৎসাগৰ' কাব্যৰ দশম ***লম্বক***ৰ ত্ৰয়োদশ ***তৰঙ্গত*** বৰ্ণিত কাহিনী গ্ৰহণ কৰিছে।



লম্বক, তৰঙ্গ = 'কথাসৰিৎসাগৰ'-ৰ অধ্যায়সমূহৰ নাম।

'কথাসৰিৎসাগৰ' আৰু 'কাদম্বৰী'— এই দুয়োখন গ্ৰন্থতে বৰ্ণনা কৰা কল্পিত চৰিত্ৰসমূহৰ ভালেখিনি মিল দেখা যায়। অৱশ্যে ঘটনাৰ স্থান আৰু কোনো কোনো পাত্ৰৰ নামৰ অমিলো পোৱা যায়। লগতে কাদম্বৰীত কাহিনীভাগৰ অগ্ৰগতি আৰু পৰিণতিৰ পিনেও বৈসাদৃশ্য দেখা যায়। বাণভট্টই কাদম্বৰীৰ কাহিনীভাগৰ আধাৰৰূপে 'কথাসৰিৎসাগৰ'ৰ কাহিনী গ্ৰহণ কৰিলেও কিন্তু তেওঁ নিজৰ অভিজ্ঞতা, প্ৰতিভা আৰু নিপুণতাৰে কাদম্বৰীক এখন সৰ্বোৎকৃষ্ট গ্ৰন্থৰূপে ৰচনা কৰিছে।

১২.৭ কাদম্বৰীৰ কাহিনী

কাদম্বৰীৰ ভাগ দুটা ঃ 'পূৰ্বাৰ্ধ' আৰু 'উত্তৰাৰ্ধ'। পূৰ্বাৰ্ধৰ কাহিনীভাগ বাণভট্টই নিজে ৰচনা কৰা। তেওঁৰ আকস্মিক জীৱনাৱসানৰ কাৰণে কাদম্বৰীৰ কাহিনীভাগ অসম্পূৰ্ণ হৈ ৰয়। পিছত তেওঁৰ পুত্ৰ ভূষণভট্টই এই কাব্যৰ উত্তৰাৰ্ধ ৰচনা কৰি কাহিনীটো সম্পূৰ্ণ কৰে।

১২.৭.১ কাদম্বৰীৰ পূৰ্বাৰ্ধৰ কাহিনী

কাদম্বৰীৰ পূৰ্বাৰ্ধৰ কাহিনী তলত বৰ্ণনা কৰা হ'ল—

বিদিশা নগৰীৰ ৰজা আছিল শূদ্ৰক। এদিন তেওঁৰ ৰাজসভালৈ এজনী চণ্ডাল কন্যাই বুঢ়া চণ্ডাল এটাৰ সৈতে আহে। লগতে আনে এটা ভাটৌ চৰাই। ভাটৌটোৱে মানুহৰ দৰে কথা ক'ব পাৰে। চণ্ডাল কন্যাই চৰাইটো ৰজাক উপহাৰ দি যায়। ৰজাৰ কৌতূহল জন্মিল। ৰজাই চৰাইটোৰ বিষয়ে সবিশেষ জানিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। তেতিয়া ভাটৌটোৱে নিজৰ কাহিনী ক'বলৈ ধৰিলে—

বিন্ধ্য পর্বতৰ ওচৰত পম্পা সৰোবৰ। তাৰে পাৰত থকা এজোপা শিমলু গছত সেই ভাটৌটোৱে বাস কৰিছিল। তাৰ জন্মৰ পিছতেই মাক ঢুকাল। বাপেকৰ ডেউকাৰ মাজতে সোমাই সি ডাঙৰ হ'বলৈ ধৰিলে। এদিন চিকাৰলৈ অহা চিকাৰী কিছুমানে গছজোপাত থকা চৰাইবোৰ মাৰি পেলালে। তেতিয়া তাৰ বাপেকো মৰিলে। ভাটৌটোৱে কোনো মতে চিকাৰীৰ হাতৰ পৰা সাৰি চুঁচৰি-বাগৰি পম্পাসৰোবৰৰ পাৰ পালেগৈ। এনে সময়তে এদল মুনি কুমাৰৰ লগত হাৰীত মুনি পম্পা সৰোবৰত স্নান কৰিবলৈ আহিল। তেওঁ তাতে ভাটৌ পোৱালীটোক পালে আৰু কেইটোপালমান পানী খুৱাই আশ্রমলৈ লৈ গ'ল। আশ্রমত হাৰীতৰ পিতৃ জাবালি মুনিয়ে তাক দেখি ক'লে— 'ই কর্মফল ভোগ কৰিছে।' তাকে শুনি মুনিসকলে জাবালিক ভাটৌটোৰ কাহিনী ক'বলৈ অনুৰোধ কৰিলে। জাবালিয়েও ভাটৌৰ পূর্বজন্মৰ কাহিনী ক'বলৈ ধৰিলে—

অৱন্তী দেশৰ উজ্জয়িনী নামৰ নগৰত তাৰাপীড় নামে ৰজা আছিল। তেওঁৰ পত্নী বিলাসৱতী। ৰজাৰ এজন মন্ত্রীৰ নাম শুকনাস। মন্ত্রীৰ পত্নী মনোৰমা। তাৰাপীড় ৰজাৰ পুত্রৰ নাম চন্দ্রাপীড় আৰু শুকনাসৰ পুত্রৰ নাম বৈশম্পায়ন। দুয়োজনৰ জন্ম একেদিনাই। দুয়োজনে একেলগেই নানা বিদ্যাত শিক্ষালাভ কৰি ডাঙৰ-দীঘল হয়।

যথাসময়ত চন্দ্রাপীড়ক যুৱৰাজৰ পদত অভিষিক্ত কৰা হ'ল। তাৰ পিছত তেওঁ দিগ্বিজয়ৰ বাবে ওলাল। লগত ওলাল বিপুল সৈন্যবাহিনী আৰু বৈশম্পায়নকে ধৰি বন্ধুসকল। বহুদেশ জয় কৰাৰ পাছত ৰাজকুমাৰে সৈন্যসকলৰ সৈতে হিমালয় পর্বতৰ ওচৰৰ সুৱর্ণপুৰত শিবিৰ পাতিলেগৈ। এদিন চন্দ্রাপীড়ে অকলে তেওঁৰ অশ্ব ইন্দ্রায়ুধত আৰোহন কৰি গৈ গৈ অচ্ছোদ সৰোবৰৰ পাৰ পালেগৈ। সৰোবৰৰ পাৰতে এটি শিৱ মন্দিৰ। সেই মন্দিৰতে চন্দ্রাপীড়ে ভগৱানৰ আৰাধনাত মগ্ন হৈ এগৰাকী শুধ বগা বল্কল ধাৰিনী যুৱতীক গীত গাই থকা দেখা পালে। তেওঁলোকৰ মাজত পৰিচয় হ'ল। যুৱতীগৰাকীয়ে চন্দ্রাপীড়ক ফলমূলেৰে অভ্যর্থনা কৰিলে। যুৱৰাজে যুৱতীগৰাকীৰ তেনে অৱস্থাৰ বিষয়ে জানিবলৈ বিচাৰিলে।

তেতিয়া যুৱতীগৰাকীয়ে নিজৰ জীৱনৰ কাহিনী বর্ণাবলৈ ধৰিলে। যুৱতীগৰাকীৰ নাম মহাশ্বেতা। তেওঁ হেমকূট পর্বতৰ গন্ধর্বৰাজ্যৰ ৰজা হংস আৰু ৰাণী গৌৰীৰ কন্যা। এবাৰ অচ্ছোদ সৰোবৰৰ পাৰতে তেওঁ দুজন ঋষিকুমাৰক লগ পায়। তাৰে এজনৰ নাম পুণ্ডৰীক আৰু আনজনৰ নাম কপিঞ্জল। মহাশ্বেতা আৰু পুণ্ডৰীক ইজনে-সিজনৰ প্রতি আকৃষ্ট হৈ পৰে। কিন্তু মহাশ্বেতা পুনৰ নিজৰ ৰাজভৱনলৈ উভতি যাবলগীয়া হয়। সন্ধিয়া পৰত কপিঞ্জল ৰাজভৱনলৈ আহি মহাশ্বেতাক লগ ধৰি কয় যে পুণ্ডৰীক তেওঁৰ বিৰহত অতিকৈ কাতৰ হৈ পৰিছে। সেয়েহে তেওঁ যেন এবাৰ পুণ্ডৰীকৰ ওচৰলৈ গৈ তেওঁৰ জীৱন ৰক্ষা কৰে। মহাশ্বেতায়ো প্রিয়তমৰ জীৱন ৰক্ষাৰ বাবে অচ্ছোদ সৰোবৰৰ পাৰলৈ যায়। কিন্তু তেওঁ গৈ পোৱাৰ আগতেই পুণ্ডৰীকৰ মৃত্যু হয়। কপিঞ্জল আৰু মহাশ্বেতা শোকত ভাগি পৰি কান্দিবলৈ ধৰে। এনেতে স্বর্গীয় জ্যোতি এটাই

আকাশৰ পৰা আহি পুণ্ডৰীকৰ শৰদেহটো তুলি লৈ যায়। কপিঞ্জলো তাৰ পিছে পিছে যায়। কিন্তু আকাশবাণী হয় যে মহাশ্বেতাৰ লগত পুণ্ডৰীকৰ পুনৰ মিলন ঘটিব। সেই সময়লৈ মহাশ্বেতাই অপেক্ষা কৰিব লাগে। মহাশ্বেতাই নিজৰ কাহিনী চন্দ্রাপীড়ৰ আগত বর্ণনা কৰি কয় যে পুণ্ডৰীকৰ লগত মিলনৰ আশাতে তেওঁ এনেদৰে ব্রত পালন কৰি শিৱৰ আৰাধনা কৰি আছে।

শোকাভিভূত মহাশ্বেতাক চন্দ্রাপীড়ে সান্ত্বনা দিলে। তাৰ পিছত মহাশ্বেতাৰ অনুৰোধত যুৱৰাজ গন্ধর্বলোকলৈ গ'ল। তাতে তেওঁ মহাশ্বেতাৰ প্রিয় বান্ধৱী কাদম্বৰীক লগ পালে। কাদম্বৰীৰ ৰূপত চন্দ্রাপীড় মুগ্ধ হ'ল। দুয়ো দুয়োৰে প্রতি আকৃষ্ট হ'ল। কিছুদিন হেমকূটত কটাই চন্দ্রাপীড় পুনৰ নিজ ঘৰলৈ উভতিল। যুৱৰাজৰ উজ্জয়িনীলৈ আগমনত সকলো আনন্দিত হৈ পৰিল। সকলোৱে তেওঁক দিগ্‌বিজয় সম্বন্ধীয় সকলো কথা সুধিলে। চন্দ্রাপীড়েও নানা কথা জনালে।

(এইখিনিতে বাণভট্টৰ আকস্মিক বিয়োগৰ বাবে কাদম্বৰীৰ পূর্বার্ধৰ কাহিনীৰ অন্ত পৰিল। পিছত তেওঁৰ পুত্র ভূষণভট্টই পৰৱর্তী কাহিনীভাগ অর্থাৎ উত্তৰার্ধ ৰচনা কৰে)।

১২.৭.২ কাদম্বৰীৰ উত্তৰার্ধৰ কাহিনী

আপুনি ইতিমধ্যে কাদম্বৰী কাব্যৰ পূর্বার্ধৰ কাহিনীৰ বিষয়ে অৱগত হ'ল। এতিয়া উত্তৰার্ধৰ কাহিনীৰ বিষয়ে তলত অধ্যয়ন কৰিব পাৰিব।

পূর্বার্ধৰ অন্তত উল্লেখ কৰা মতে চন্দ্রাপীড় উজ্জয়িনী পাই ৰাজভৱনত পিতৃ-মাতৃক লগ পায়। বহুদিনৰ মূৰত যুৱৰাজ ৰাজধানীলৈ উভতি অহাত সকলোৰে মনত অপাৰ আনন্দ।

চন্দ্রাপীড় নিজে ৰাজভৱনত থাকিলেও কাদম্বৰীৰ প্রতি চিন্তাই তেওঁক আকুল কৰি তোলে। তেওঁ কাদম্বৰীৰ খবৰ ল'বলৈ পত্রবাহকক পঠায়। পত্রবাহকে উভতি আহি জনায় যে কাদম্বৰীয়ে যুৱৰাজৰ চিন্তাত অতিকৈ বেদনা ভূগি আছে। কাদম্বৰীৰ অৱস্থাৰ কথা শুনি চন্দ্রাপীড় মূর্চ্ছা যায়। সংজ্ঞা ঘূৰাই পাই কেনেকৈ এই অৱস্থাৰ উপশম কৰিব পাৰি তাকে চিন্তা কৰিবলৈ ধৰিলে। তাৰ পিছত চন্দ্রাপীড়ে পিতৃ-মাতৃৰ আজ্ঞা লৈ বৈশম্পায়নক লগ কৰাৰ বাবে দশপুৰ নামৰ স্থানলৈ যায়। তালৈ গৈ তেওঁ বৈশম্পায়ন অচ্ছোদ সৰোবৰৰ তীৰত থকা বুলি জানিব পাৰে। তাৰ পিছত গম পায় যে মহাশ্বেতাৰ অভিশাপত বৈশম্পায়নৰ মৃত্যু হ'ল। এই কথা শুনি চন্দ্রাপীড় শোকত কাতৰ হৈ পৰে। সকলো কথাৰ সন্ভেদ পোৱাৰ আশাৰে তেওঁ মহাশ্বেতাৰ আশ্রমত উপস্থিত হয়গৈ। মহাশ্বেতাই জনায় যে এজন যুৱকে তেওঁ বৈৰাগ্য জীৱন যাপন কৰি থাকোতে শিষ্টাচাৰ ভঙ্গ কৰিবলৈ আহিছিল। সেয়েহে তেওঁ যুৱকজনক পাপকর্মৰ বাবে ভাটৌ হৈ জন্ম গ্রহণ কৰিবলৈ অভিশাপ দিয়ে। তাৰ পিছত নিজৰ অপৰাধৰ ফলতেই হওক বা পাপৰ ফলতেই

হওক যুৱকজনে মাটিত বাগৰি পৰি প্ৰাণত্যাগ কৰে। সেই যুৱকজনেই আছিল বৈশম্পায়ন। নিজৰ বন্ধুৰ এনে দুৰ্দশাৰ কথা শুনি চন্দ্ৰাপীড়েও দুখতে মৃত্যু বৰণ কৰে। যুৱৰাজৰ মৃত্যুৰ শোকত সকলো নিমজ্জিত হৈ থকাৰ সময়তে কাদম্বৰী সেই স্থানলৈ আহে। তাতে চন্দ্ৰাপীড়ৰ শৱদেহ দেখি তেওঁ সংজ্ঞাহীন হৈ পৰে। এনেতে দৈৱবাণী হয় যে 'পুণ্ডৰীকৰ দেহ চন্দ্ৰলোকত সুৰক্ষিত হৈ আছে। মহাশ্বেতাই তেওঁৰ লগত পুনৰ মিলনলৈ অপেক্ষা কৰিব লাগে। চন্দ্ৰাপীড় চন্দ্ৰৰ অংশ। অতি সোনকালে কাদম্বৰীৰ লগতো তেওঁৰ পুনৰ মিলন ঘটিব। সেই কাৰণে চন্দ্ৰাপীড়ৰ দেহ পানীত ভহাই নিদি বা অগ্নি সৎকাৰ নকৰি যতনেৰে ৰক্ষা কৰিব লাগে।' এই দৈৱবাণী শুনি কাদম্বৰীয়েও শুকুলা সাজ পৰিধান কৰি চন্দ্ৰাপীড়ক নিজৰ স্পৰ্শেৰে সযতনে ৰাখিলে।

ইতিমধ্যে চন্দ্ৰাপীড়ৰ সেনাপতি মেঘনাদে উজ্জয়িনীলৈ গৈ ৰজা-ৰানীক সকলো ঘটনা বিৱৰি ক'লে। সকলো অচ্ছোদ সৰোবৰৰ তীৰলৈ আহে। চন্দ্ৰাপীড়ৰ দেহ ৰক্ষা কৰাত যত্নৰ যাতে কোনো ত্ৰুটি নঘটে, তাৰ বাবে ৰজা তাৰাপীড় আৰু ৰাণী বিলাসৱতীয়েও অন্য এখন আশ্ৰম পাতি সৰোবৰৰ তীৰতে থাকিবলৈ ল'লে। লগতে মন্ত্ৰী শুকনাস আৰু তেওঁৰ পত্নীও থাকিল।

পূৰ্বাৰ্ধত বৰ্ণনা কৰা মতে ভাটৌটোৰ পূৰ্বজন্মৰ কাহিনী বৰ্ণনা কৰি থকা জাবালি মুনিয়ে তেতিয়া কয় যে এইটোৱেই সেই ভাটৌ যাৰ নাম বৈশম্পায়ন, যিটোৱে মহাশ্বেতাৰ শাপত এই জন্মত ভাটৌ হৈ জন্মিল। এই কথাবোৰ শুনি ভাটৌটোৱে অতীতৰ সকলো ঘটনা মনত পেলাবলৈ ধৰিলে। সকলো ঘটনা মনত পৰাত বৈশম্পায়ন নামৰ ভাটৌটোৱে চন্দ্ৰাপীড়ক লগ পাবলৈ ইচ্ছা কৰে। কিন্তু জাবালি মুনিয়ে তাক পাখী গজালৈকে আৰু ভালকৈ উৰিব পৰা হোৱালৈকে অপেক্ষা কৰিবলৈ কয়। কিছুদিনৰ পিছত নিজৰ আত্মীয়সকলক লগ পাবলৈ উৰা মাৰোতেই চণ্ডালৰ হাতত ভাটৌৰূপী বৈশম্পায়ন বন্দী হয়। সেই চণ্ডালৰ ঘৰতে বন্দী হৈ কিছুদিন থকাৰ পিছত চণ্ডালকন্যাই তাক ৰজা শূদ্ৰকক উপহাৰ ৰূপে দিয়ে।

শূদ্ৰকৰ ৰাজসভাত নিজৰ কাহিনী কৈ থকা বৈশম্পায়নে ৰজাক ক'লে যে চণ্ডাল কন্যাগৰাকী কোন, কিয় তেওঁক পুত্ৰ বুলি সম্বোধন কৰিছে, কিহৰ বাবেই বা তেওঁক বন্দী কৰি ৰাখিছে আৰু কি কাৰণে ৰাজসভালৈ লৈ আনিছে একো নাজানে।

তেতিয়া ৰজাৰো কৌতূহল উপজিল। তেওঁ চণ্ডাল কন্যাক মতাই আনিলে। চণ্ডাল কন্যাই শূদ্ৰকক 'ৰোহিনীপতি' বুলি সম্বোধন কৰিলে। লগতে ক'লে যে তেঁৱে লক্ষ্মীদেৱী, ভাটৌটোৰ প্ৰথম জন্ম পুণ্ডৰীকৰ মাতৃ। পিতৃৰ আদেশত পিছৰ জন্মতো তাক মাতৃৰূপে ৰক্ষা কৰি আছে। এতিয়া ভাটৌটো অভিশাপ মুক্ত হ'ল আৰু মনুষ্য ৰূপ ঘূৰাই পালে।

চণ্ডাল-কন্যাৰ কথাখিনি শুনি ৰজা শূদ্ৰকৰ পূৰ্বজন্মৰ সকলো কথা, বৈশম্পায়নৰ লগত বন্ধুত্ব, কাদম্বৰীৰ প্ৰতি প্ৰেম— সকলো মনত পৰিল। ফলত শাপৰ

অন্ত পৰিল। শূদ্রকৰ প্রাণে চন্দ্রাপীড়ৰ দেহত প্রবেশ কৰিলে। কাদম্বৰীয়ে চন্দ্রাপীড়ৰ যি শৱদেহ সাবটি ধৰি আছিল, সি যেন টোপনিৰ পৰা সাৰ পাই প্রাণ পাই উঠিল। চন্দ্রাপীড়ে জনালে যে পুণ্ডৰীকো শাপমুক্ত হৈছে। কেইমুহূর্তমানৰ পিছতে পুণ্ডৰীকো মহাশ্বেতাৰ ওচৰলৈ আহিল। তেওঁলোকৰ পুনৰ মিলন হ'ল। ইয়াৰ পিছত প্রত্যেকেই পূর্বৰ শৰীৰ ঘূৰাই পোৱাত এক উৎসৱমুখৰ পৰিবেশত কাহিনীৰ পৰিসমাপ্তি ঘটে।

(কাদম্বৰীৰ উত্তৰার্ধৰ কাহিনীভাগৰ এইখিনিতে অন্ত পৰে।)



জানি থোৱা ভাল

১। 'কাদম্বৰী' কাব্যৰ বিষয়বস্তু হ'ল চন্দ্রাপীড় আৰু কাদম্বৰী তথা মহাশ্বেতা আৰু পুণ্ডৰীকৰ বিভিন্ন জন্মৰ প্রেম কাহিনী। ইয়াত বর্ণিত হৈছে যে কেনেদৰে

চন্দ্রই মহাশ্বেতাৰ বিৰহত কাতৰ পুণ্ডৰীকৰ অভিশাপত পৃথিৱীত জন্ম লয়। জন্ম লয় চন্দ্রাপীড়ৰূপে আৰু গন্ধর্বৰাজকুমাৰী কাদম্বৰীৰ প্রেমত পৰে। পুণ্ডৰীকেও চন্দ্রৰ শাপত পৃথিৱীত জন্ম গ্রহণ কৰে চন্দ্রাপীড়ৰ বন্ধু বৈশম্পায়নৰূপে। চন্দ্রাপীড় আৰু বৈশম্পায়নে প্রাণত্যাগ কৰি জন্মগ্রহণ কৰে ক্রমে ৰজা শূদ্রক আৰু ভাটৌ চৰাইৰূপে। শেষত সকলোৱে নিজ নিজ প্রিয়জনৰ লগত মিলন হয়। অর্থাৎ বাণভট্টই 'কাদম্বৰী' কাব্যত তিনিটা জন্মৰ কাহিনী বর্ণনা কৰিছে। প্রথম জন্মত চন্দ্র, দ্বিতীয় জন্মত চন্দ্রাপীড় আৰু তৃতীয় জন্মত ৰজা শূদ্রকৰ কাহিনী আৰু সেইদৰে প্রথম জন্মত পুণ্ডৰীক, দ্বিতীয় জন্মত বৈশম্পায়ন আৰু তৃতীয় জন্মত মানুহৰ দৰে কথা ক'ব পৰা ভাটৌ চৰাইৰ কাহিনী ইয়াত পোৱা যায়।

২। **অৱন্তী ৰাজ্য** — পুৰণি কালৰ মালৱ দেশ। প্রসিদ্ধ উজ্জয়িনী নগৰ এই ৰাজ্যৰ ৰাজধানী আছিল। শিপ্রা নদীৰ পাৰত উজ্জয়িনী নগৰ অৱস্থিত আছিল।

৩। **হেমকূট পর্বত** — কিংপুৰুষ ক্ষেত্র নামৰ হিমালয় পর্বতৰ ওচৰত এখন ঠাইৰ সীমাত অৱস্থিত পর্বত হেমকূট। এই পর্বতৰ দীঘ নৱৈ সহস্রলোচন, প্রস্থ আৰু বিস্তাৰ দ্বিসহস্রযোজন।

৪। **হাৰীত মুনি** — ধর্মশাস্ত্রৰ প্রৱর্তক এজন মুনি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ 'কাদম্বৰী' শব্দৰ প্রকৃত অর্থ কি?

.....

.....

প্রশ্ন নং ৭ঃ বাণভট্টই কাদম্বৰীৰ কাহিনীৰ আধাৰ ৰূপে লোৱা গ্রন্থখন কি?

.....

.....

প্ৰশ্ন নং ৮ঃ কাদম্বৰীৰ ভাগ দুটা কি কি?

.....

.....

প্ৰশ্ন নং ৯ঃ শূদ্ৰকক ভাটৌটো কোনে উপহাৰ দিছিল?

.....

.....

প্ৰশ্ন নং ১০ঃ চন্দ্ৰাপীড়ৰ পিতৃ আৰু মাতৃৰ নাম কি আছিল?

.....

.....



১২.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সংস্কৃত সাহিত্যৰ প্ৰসিদ্ধ গদ্য ৰচকসকলৰ ভিতৰত অন্যতম বাণভট্ট। তেওঁ থানেশ্বৰ ৰাজ্যৰ ৰজা হৰ্ষবৰ্দ্ধনৰ সভাকবি আছিল। তেওঁৰ সময় খ্ৰীষ্টীয় ষষ্ঠ শতকৰ শেষৰভাগৰ পৰা সপ্তম শতকৰ প্ৰথমভাগৰ ভিতৰত বুলি বাণে নিজৰ বিষয়ে তেওঁৰ দুই বিখ্যাত গ্ৰন্থ 'হৰ্ষচৰিত' আৰু 'কাদম্বৰী'ত লিপিবদ্ধ কৰি থৈ গৈছে।
- বাণভট্টৰ ৰচনাৱলীৰ ভিতৰত উল্লেখযোগ্য ৰচনা হৈছে হৰ্ষচৰিত, কাদম্বৰী, চণ্ডীশতকম্, পাৰ্ৱতীপৰিণয়ম্, মুকুটতাড়িতকম্ আদি।
- 'কাদম্বৰী' বাণভট্টৰ অন্যতম সাহিত্য কীৰ্তি। এই গ্ৰন্থৰ কাহিনীভাগৰ আধাৰ গ্ৰন্থ হৈছে সোমদেৱৰ দ্বাৰা ৰচিত 'কথাসৰিৎসাগৰ'।
- 'কাদম্বৰী'-ৰ কাহিনীভাগ দুটা ভাগত বিভক্ত— 'পূৰ্বাৰ্ধ' আৰু 'উত্তৰাৰ্ধ'। 'পূৰ্বাৰ্ধ' বাণভট্টই ৰচনা কৰে। তেওঁৰ আকস্মিক বিয়োগৰ বাবে 'কাদম্বৰী'ৰ কাহিনীভাগ আধৰুৱা হৈ ৰয়। পিছত তেওঁৰ পুত্ৰ ভূষণভট্টই উত্তৰাৰ্ধ' ৰচনা কৰি 'কাদম্বৰী' গ্ৰন্থৰ কাহিনী সম্পূৰ্ণ কৰে।



১২.৯ অধিক জানিবলৈ

১) এম্, আৰ্, কালে (সম্পাদিত), কাদম্বৰী, পূৰ্বভাগ ঃ তত্ত্বপ্ৰকাশিকা টীকা, দিল্লী, ১৯৬৮

২) পি ভি কাণে (সম্পাদিত), হৰ্ষচৰিতম্, দিল্লী, ১৯৮৬

৩) প্ৰভাত চন্দ্ৰ শৰ্মা, কাদম্বৰী (অনুবাদ), আবিলেক, ২০০০

৪) থানেশ্বৰ শৰ্মা, সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, চন্দ্ৰপ্ৰকাশ, গুৱাহাটী, ১৯৯৫



১২.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বাণভট্ট।

২ নং প্ৰশ্নৰ উত্তৰঃ কথা।

৩ নং প্ৰশ্নৰ উত্তৰঃ আখ্যায়িকা।

৪ নং প্ৰশ্নৰ উত্তৰঃ বাণভট্টই ৰচনা কৰা কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে, হৰ্ষচৰিত, কাদম্বৰী, চণ্ডীশতকম্, পাৰ্ৱতীপৰিণয়ম্, মুকুটতাড়িতকম্ আদি।

৫ নং প্ৰশ্নৰ উত্তৰঃ সম্ৰাট হৰ্ষবৰ্দ্ধন।

৬ নং প্ৰশ্নৰ উত্তৰঃ সুৰা।

৭ নং প্ৰশ্নৰ উত্তৰঃ সোমদেৱ বিৰচিত 'কথাসৰিৎসাগৰ'।

৮ নং প্ৰশ্নৰ উত্তৰঃ পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ।

৯ নং প্ৰশ্নৰ উত্তৰঃ চণ্ডালকন্যাই।

১০ নং প্ৰশ্নৰ উত্তৰঃ ৰজা তাৰাপীড় আৰু ৰাণী বিলাসৱতী।



১২.১১ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ মহাকবি বাণভট্টৰ বিষয়ে এটি চমু আভাস ডাঙি ধৰক।

প্ৰশ্ন ২ঃ বাণভট্টৰ ৰচনাৱলীৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ঃ কাদম্বৰী-ৰ পূৰ্বাৰ্ধৰ কাহিনীভাগ নিজৰ ভাষাত লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ কাদম্ববী — সাহিত্য সমালোচনা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ বাণভট্টৰ ৰচনাশৈলী
১৩.৪ বাণোচ্ছিষ্টং জগৎ সর্ৱম্
১৩.৫ গদ্যং কবীনাং নিকষং বদন্তি
১৩.৬ কথাৰূপে 'কাদম্ববী'
১৩.৭ 'কাদম্ববী'ৰ কাব্যিক বৈশিষ্ট্য
১৩.৮ বাণভট্টৰ পৰৱৰ্তী প্ৰভাৱ
১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১০ অধিক জানিবলৈ
১৩.১১ অগ্ৰগতিৰ খতিয়ান
১৩.১২ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সংস্কৃত গদ্যসাহিত্যৰ মহান গদ্যকাৰ বাণভট্টৰ ৰচনাশৈলীৰ বিষয়ে জানিব পাৰিব
- 'বাণোচ্ছিষ্টং জগৎ সর্ৱম্' —এই বাক্যফাঁকিৰ অর্থৰ লগত পৰিচিত হ'ব
- গদ্যকাব্য ৰচনাৰ কাৰণে প্ৰয়োজনীয় গুণাৱলীৰ বিষয়ে জানিব পাৰিব
- কাদম্ববী কথাকাব্যৰ কাব্যিক বৈশিষ্ট্যৰ লগতো পৰিচিত হ'ব
- গদ্যকাব্য ৰচয়িতাসকলৰ মাজত বাণভট্টৰ স্থানৰ বিষয়েও অবগত হ'ব।

১৩.২ পৰিচয়

আগৰ অধ্যায়কেইটা অধ্যয়ন কৰি আপুনি ইতিমধ্যে বাণভট্ট আৰু তেওঁৰ লিখনিসমূহৰ বিষয়ে অৱগত হ'ল। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাণভট্টৰ লগতে তেওঁৰ অমৰ সৃষ্টি 'কাদম্ববী'ৰ বিভিন্ন বৈশিষ্ট্যসমূহৰ বিষয়ে আভাস লাভ কৰিব। বাণভট্টই তেওঁৰ লিখনিসমূহৰ জৰিয়তে সংস্কৃত সাহিত্যৰ আকাশত উজ্জ্বল নক্ষত্ৰ হৈ আজিও জিলিকি আছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাণৰ বৈশিষ্ট্যপূর্ণ লিখনিৰ লগতে 'কাদম্ববী'ৰ উৎকৃষ্টতা সম্বন্ধেও অধ্যয়ন কৰিব পাৰিব।

১৩.৩ বাণভট্টৰ ৰচনাশৈলী

সংস্কৃত কবিসকলৰ মাজত বাণভট্ট অন্যতম শ্ৰেষ্ঠ কবি। সংস্কৃত গদ্য সাহিত্যৰ আকাশত তেওঁ উজ্জ্বল নক্ষত্ৰ। গদ্য লেখক ৰূপে বাণ অদ্বিতীয়। ভাৰতীয় প্ৰাচীন কবি-সাহিত্যিকসকলে প্ৰায়েই নিজৰ পৰিচয় লিপিবদ্ধ কৰি যোৱা নাই। সেইক্ষেত্ৰত বাণ ব্যতিক্ৰম। তেওঁ নিজৰ ৰচনাৱলীত নিজৰ তথা তেওঁৰ বংশ সম্পৰ্কে বহু তথ্য লিখি থৈ গৈছে। সেই তথ্যসমূহৰ মাধ্যমেৰে জনা যায় যে তেওঁ বাৎস্য গোত্ৰীয় ব্ৰাহ্মণবংশত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল চিত্ৰভানু আৰু তেওঁৰ মাতৃৰ নাম আছিল ৰাজ্যদেৱী। তেওঁ অতি সৰু থাকোতেই মাতৃৰ মৃত্যু হয়। মাতৃহাৰা বাণক পিতৃয়ে অতি যতনেৰে তুলি-তালি ডাঙৰ-দীঘল কৰে লগতে বিধি অনুসৰি শিক্ষাদানো কৰিছিল। কিছুদিনৰ পাছত তেওঁৰ পিতৃৰো মৃত্যু হয়। তাৰ পিছত বাণে বন্ধু-বান্ধৱৰ সৈতে বহু ভ্ৰমণ কৰে আৰু লগতে বহু অভিজ্ঞতাও সঞ্চয় কৰে। থানেশ্বৰ ৰাজ্যৰ ৰজা সম্ৰাট হৰ্ষবৰ্দ্ধনৰ ৰাজসভাৰ সভাকবি আছিল বাণভট্ট। হৰ্ষবৰ্দ্ধনৰ সময় ৬০৬ খ্ৰীষ্টাব্দৰ পৰা ৬৪৮ খ্ৰীষ্টাব্দলৈ। গতিকে বাণৰ সময় খ্ৰীষ্টীয় ষষ্ঠ শতকৰ শেষভাগৰ পৰা সপ্তম শতকৰ প্ৰথমভাগলৈ বুলি নিশ্চিতকৈ ক'ব পাৰি।

বাণভট্টৰ ৰচনাৱলীৰ ভিতৰত দুখন শ্ৰেষ্ঠ কাব্য হৈছে 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত'। কাদম্বৰী এখন কথা আৰু হৰ্ষচৰিত এখন আখ্যায়িকা। এই দুয়োখন কাব্যই শৈলী প্ৰধান, ঘটনাপ্ৰধান নহয়। শৈলীপ্ৰধান ৰচনাত ঘটনা বা বৰ্ণনীয় বিষয়ক অধিক গুৰুত্ব দিয়া নহয়। বিভিন্ন বিষয়সমূহৰ বৰ্ণনাকহে বেছিকৈ মহত্ব দিয়া হয়। বাণভট্টৰ বহু আগতেই এই শৈলীৰ উদ্ভাৱন হৈছিল। প্ৰাচীন শিলালিপিসমূহত এয়া পৰিলক্ষিত হয়। বাণৰ ৰচনাতো এই শৈলী বিদ্যমান। তেওঁৰ ৰচনাশৈলীক সাধাৰণতে গদ্যকাব্যৰ মানদণ্ডৰূপেও গণ্য কৰা হয়। অৰ্থাৎ বাণভট্টৰ ৰচনাৰ শৈলীক আন গদ্যকাৰসকলে আৰ্হি ৰূপে গণ্য কৰে।

বিশেষতঃ বাণভট্টৰ গদ্যত পাঞ্চালী ৰীতিৰ প্ৰয়োগ বেছিকৈ দেখা যায়। কাদম্বৰী আৰু হৰ্ষচৰিত এই ৰীতিৰ উৎকৃষ্ট উদাহৰণ। মাধুৰ্য আৰু সৌকুমাৰ্য্য গুণেৰে মণ্ডিত ৰীতিকেই পাঞ্চালী ৰীতি বোলা হয়। বামণে তেওঁৰ 'কাব্যালঙ্কাৰ সূত্ৰবৃত্তিঃ' (১/২/১৩) নামৰ গ্ৰন্থত এই কথাকে উল্লেখ কৰি কৈছে যে— '**মাধুৰ্যসৌকুমাৰ্য্যো**পপন্না পাঞ্চালী'। অৰ্থাৎ মাধুৰ্য্য আৰু ওজঃ গুণ প্ৰকাশক বৰ্ণৰ প্ৰয়োগত হোৱা ৰচনা-ৰীতিয়েই পাঞ্চালী ৰীতি।

মাধুৰ্য = মধুৰ, সুললিত
সৌকুমাৰ্য = সুকুমাৰতা

বাণভট্টই কেৱল পাঞ্চালী ৰীতিৰেই তেওঁৰ কাব্যসমূহ ৰচনা কৰা নাই। এই ৰীতিৰ লগতে বিষয়-বস্তুৰ প্ৰয়োজন অনুসৰি তেওঁ গৌড়ী আৰু বৈদৰ্ভী ৰীতিৰো ব্যৱহাৰ কৰিছে। 'কাব্যালঙ্কাৰসূত্ৰবৃত্তিঃ (১/২/১২) গ্ৰন্থ অনুসৰি গৌড়ী ৰীতিৰ লক্ষণ হ'ল— 'ওজঃ কান্তিমতী গৌড়ীয়া।' অৰ্থাৎ ওজঃ গুণপ্ৰকাশক কাব্য ৰচনা ৰীতিকেই গৌড়ী ৰীতি বোলা হয়। বাণভট্টই কাদম্বৰীৰ বিভিন্ন বৰ্ণনাত এই ৰীতিৰ প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে, 'বিন্ধ্যাটৱী বৰ্ণনা', 'উজ্জয়িনী বৰ্ণনা', 'ইন্দ্ৰায়ুধ বৰ্ণনা' আদিত এই ৰীতিৰ প্ৰয়োগ পোৱা যায়।

ইয়াৰ উপৰিও বাণে তেওঁৰ ৰচনাত বৈদৰ্ভী ৰীতিৰো সুষম প্ৰয়োগ কৰিছে। মাধুৰ্য্যগুণযুক্ত

বর্ণৰ সমাৱেশত সুললিত, সমাসহীন বা অলপ সমাসবিশিষ্ট ৰচনাক বৈদভী ৰীতি বোলা হয়। বর্ণনীয় বিষয়ৰ স্নিগ্ধতা আৰু মৃদুতা বুজাবলৈ এই ৰীতিৰ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, কাদম্বৰী কাব্যৰে 'শুকনাসৰ উপদেশ', মহাশ্বেতা, পুণ্ডৰীক আৰু কাদম্বৰীৰ বিৰহ অৱস্থা বর্ণনাত বাণভট্টই বৈদভী ৰীতিৰ প্ৰয়োগ কৰিছে।

বাণভট্টৰ ৰচনাশৈলীৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ***অলঙ্কাৰ***ৰ বহুল প্ৰয়োগ। তেওঁৰ ৰচনাত বিশেষকৈ অনুপ্ৰাস, উপমা, ৰূপক, উৎপ্ৰেক্ষা, অতিশয়োক্তি, সমাসোক্তি, অর্থান্তৰন্যাস, বিৰোধাভাস আদি অলঙ্কাৰৰ প্ৰয়োগ পোৱা যায়। ইয়াৰ উপৰিও বাণৰ গদ্যত ***শ্লেষ***ৰ প্ৰয়োগো পৰিলক্ষিত হয়। কাদম্বৰী গ্ৰন্থৰ আদিতে উল্লেখ কৰা হৈছে যে ৰচনাত শ্লেষ থাকিলেহে পাঠকৰ মন জয় কৰিব পাৰি।

পৰম্পৰাগতভাৱে সংস্কৃত গদ্যক চাৰিভাগত ভাগ কৰা হৈছে। যেনে— মুক্তক, বৃত্তগন্ধী, উৎকলিকাপ্ৰায় আৰু চূর্ণক। বাণভট্টৰ ৰচনাত উক্ত চাৰিওবিধৰ সুন্দৰ প্ৰয়োগ দেখা যায়। ইয়াৰে মুক্তক প্ৰকাৰৰ গদ্য সমাসহীন। কাদম্বৰী কাব্যত মহাশ্বেতা, কপিঞ্জল আৰু কাদম্বৰীৰ বিৰহ অৱস্থা বর্ণনা কৰা সময়ত এই গদ্য ব্যৱহৃত হোৱা দেখা যায়। গদ্যত যেতিয়া আংশিকভাৱে ছন্দৰ সম্পর্ক থাকে অর্থাৎ ছন্দৰ অংশ থকা বুলি ভাৱ হয়, তেতিয়া তাক বৃত্তগন্ধী গদ্য বোলা হয়। এনে বৃত্তগন্ধী গদ্যৰ ৰচনাও কাদম্বৰীত পোৱা যায়। তৃতীয়তে, দীঘল সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যক উৎকলিকাপ্ৰায় বোলে। বাণভট্টই তেওঁৰ লিখনিত এই গদ্যৰো প্ৰায়ে ব্যৱহাৰ কৰা দেখা যায়। চতুর্থতে চুটি চুটি সমাসযুক্ত পদৰ দ্বাৰা ৰচিত গদ্যৰ নাম চূর্ণক। এনে গদ্যৰ ব্যৱহাৰো বাণভট্টৰ ৰচনাৰাজিত পৰিলক্ষিত হয়।

অগ্নিপুৰাণত গদ্যকাব্যৰ পাঁচটা ভাগ পোৱা যায়। সেই ভাগকেইটা হৈছে— কথা, আখ্যায়িকা, খণ্ডকথা, পৰিকথা আৰু কথানক। বাণভট্ট বিৰচিত হর্ষচৰিত 'আখ্যায়িকা' আৰু কাদম্বৰী 'কথা' ভাগৰ সুন্দৰ উদাহৰণ।

ভাৰতীয় পৰম্পৰামতে ৰসেহে এখন কাব্যক জীৱনদান কৰিব পাৰি। আলংকাৰিক বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্যদর্পণ' নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে, 'বাক্যং ৰসাত্মকং কাব্যম্'। অর্থাৎ 'ৰসপূর্ণ বাক্যই কাব্য'। বাণভট্টই তেওঁৰ ৰচনাৰাজিত বিভিন্ন ৰসৰ প্ৰয়োগ অতি সফলতাৰে কৰিছে। প্ৰকৃততে তেওঁৰ লিখনিত **নবৰসৰ** অপূর্ব সংমিশ্ৰণ ঘটা পৰিলক্ষিত হয়।

দৰাচলতে গদ্যৰচনাৰ নিপুণতা বাণভট্টৰ লিখনিত স্পষ্টভাৱেই প্ৰতিফলিত হৈছে। কিন্তু বাণৰ গদ্যশৈলী বা ৰচনাশৈলী একাংশ পাশ্চাত্য আধুনিক সমালোচকে সহজভাৱে ল'ব পৰা নাই। এই সন্দর্ভত ৱেৰাৰ (weber) নামৰ পাশ্চাত্য সমালোচক এজনৰ উদ্ধৃতি প্ৰায়ে দিয়া হয়। তেওঁ বাণৰ ৰচনাশৈলীক ভাৰতীয় ঘন অৰণ্যৰ লগত তুলনা কৰিছে। য'ত পাঠকে সোমাবহে পাৰে কিন্তু ভিতৰত শব্দৰ বর্ণাঢ্যত দিশহাৰা হৈ পৰে। আধুনিক পাঠকে বাণৰ দীঘল দীঘল বর্ণনা সহজভাৱে ল'ব নোৱাৰে। ইয়াৰ উপৰিও কাহিনীৰ মাজতে উপ-কাহিনী, দীঘল দীঘল সমাসযুক্ত বাক্য বা অতি দীঘল বর্ণনাসমূহেও পাঠকক কেতিয়াবা আমনি দিয়ে। কিন্তু আধুনিক যুগৰ পাঠকৰ ৰুচি আৰু প্ৰয়োজনক লক্ষ্য কৰি বাণভট্টৰ ৰচনাশৈলীৰ বিচাৰ সমীচীন নহ'ব। বোধহয় কবিজনাৰ



অলঙ্কাৰ = কাব্যৰ অলঙ্কাৰ অতিশয় সৌন্দর্যবর্দ্ধক, ৰস আদিৰ উপকাৰক।



শ্লেষ = এটা পদেৰে অনেক অর্থ বুজালে শ্লেষ হয়।



নবৰস = শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, বীভৎস, ভয়ানক, অদ্ভুত, আৰু শান্ত।

সময়ত এনে ৰচনাহে অধিক গ্ৰহণযোগ্য আছিল। সেইবাবে মানুহৰ আকৰ্ষণ সৃষ্টি কৰিবলৈকে হয়তো তেওঁ এনে লিখনিৰ সৃষ্টি কৰিছিল। কবিৰ নিজা সময়ৰ দৃষ্টিত তেওঁৰ ৰচনাশৈলীৰ বিচাৰ-বিশ্লেষণ কৰিলেহে কবিজনাৰ প্ৰকৃত মূল্যায়ন হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ বাণভট্টৰ পিতৃ-মাতৃৰ নাম কি আছিল?

.....

.....

প্ৰশ্ন নং ২ঃ বাণভট্টৰ পৃষ্ঠপোষক ৰজাজনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৩ঃ পাঞ্চালী ৰীতিৰ লক্ষণ লিখক।

.....

.....

প্ৰশ্ন নং ৪ঃ গৌড়ী ৰীতিৰ লক্ষণ কি?

.....

.....

প্ৰশ্ন নং ৫ঃ বৈদৰ্ভী ৰীতি কাক বোলা হয়?

.....

.....

প্ৰশ্ন নং ৬ঃ 'শ্লেষ' শব্দৰ অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ৭ঃ সংস্কৃত গদ্যৰ ভাগকেইটা আৰু কি কি লিখক।

.....

.....

প্ৰশ্ন নং ৮ঃ 'নবৰস' বুলিলে কি বুজে লিখক।

.....

.....

১৩.৪ বাণোচ্ছিষ্টং জগৎ সর্ৱম্

সংস্কৃত সাহিত্যৰ মহান কবিসকলৰ মাজত বাণভট্ট আছিল অপ্ৰতিদ্বন্দ্বী। তেওঁ কবিসকলৰো কবি, লেখকসকলৰো লেখক। ভাৰতীয় পণ্ডিতসকলে তেওঁক ভূয়সী প্ৰশংসা

কৰিছে। পণ্ডিতসকলে স্বীকাৰ কৰিছে যে— 'বাণোচ্ছিষ্টং জগৎ সর্ৱম্'। অর্থাৎ জগতৰ সকলোবোৰ বস্তুকে বাণে উচ্ছিষ্ট বা স্পর্শ কৰিছে। পৃথিৱীত এনে বস্তু নাই যাৰ বর্ণনাই তেওঁৰ লিখনিত স্থান পোৱা নাই। তেওঁৰ সমস্ত সাহিত্য কর্মতে সকলোবোৰবিষয়ৰ অভিজ্ঞতা আৰু নিপুন বর্ণনা চাতুর্য্য প্রকাশ পাইছে।

বাণভট্ট আছিল বর্ণনাৰ ৰজা। বিষয়বস্তুসমূহৰ বর্ণনাৰ ধৰণ তেওঁৰ অতুলনীয়। কোনো বিষয়ৰে সাধাৰণভাৱে বর্ণনা কৰাৰ পক্ষপাতি তেওঁ নহয়। কবিৰ মনে যেন কিবা নতুনত্ব উপস্থাপনৰ বাবে, কিবা এটা অসাধাৰণ বা অদ্ভুত বর্ণনা কৰিবৰ বাবে ব্যাকুল হৈ থাকে। এই ব্যাকুলতাই তেওঁক এটা অবিস্মৰণীয় কাহিনী বর্ণনাত সহায় কৰে। কাহিনী বর্ণনাৰ সময়ত তেওঁ ভৱিষ্যতে কি ঘটিব সেই বিষয়ে ক'বলৈ লৰালৰি নকৰে, ধীৰে ধীৰে আগুৱাই লৈ যায় তেওঁৰ লিখনি। সাধাৰণতে ঘটনাৰ বর্ণনাই হৈছে গল্প। কিন্তু বাণভট্টই তেওঁৰ গল্প সৃষ্টি কৰিছিল মুহূর্তে মুহূর্তে ভাষাচিত্র অংকন কৰিহে। সেই কাৰণেই তেওঁৰ ৰচনা গতিশীল নহয়। উদাহৰণস্বৰূপে, কাদম্বৰী কাব্যৰ উজ্জয়িনীবর্ণনাত পোৱা যায়, 'অস্তি সকলত্রিভুবনললামভূতা..... উজ্জয়িনী নাম নগৰী'। এই গদ্যাংশভাগত লেখকৰ প্রধান উদ্দেশ্যটো হ'ল পাঠকক অৱগত কৰোৱাটো যে অৱন্তি দেশত উজ্জয়িনী নামৰ এখন নগৰ আছিল। কিন্তু বাণভট্টই এই উজ্জয়িনীৰ বর্ণনা আৰম্ভ কৰি 'অস্তি' বুলি লিখাৰ পিছতে নগৰখনৰ বহু বিশেষণ ব্যৱহাৰ কৰিছে। বহুপিছততে তেওঁ কৈছে যে বর্ণনীয় নগৰখনৰ নাম উজ্জয়িনী। এনেদৰে অতি দীঘলীয়া সমাসবদ্ধ গদ্যৰ ব্যৱহাৰৰ লগতে অত্যধিক বিশেষণৰ ব্যৱহাৰৰ বাবেই বাণভট্টৰ বর্ণনা অতি ধীৰ গতিত আগবাঢ়ে। কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰৰ মতে, 'অন্য লেখকে যেতিয়া কোনো এটা গল্প ঘটনাৰে বর্ণনা কৰে, বাণে তেতিয়া ইয়াক বর্ণনা কৰে চিত্র অঙ্কনৰ দ্বাৰা।'

নিজৰ লিখনিসমূহত চৰিত্র উপস্থাপনৰ ক্ষেত্রতো বাণভট্টৰ দক্ষতা অপৰিসীম। তেওঁৰ ৰচনাত ৰজা-ৰাণী, ৰাজকুমাৰ-ৰাজকুমাৰী, মন্ত্রী, তপস্বী, কিন্নৰ, অপ্সৰা আদি সকলো বিদ্যমান। যদিও তেওঁৰ এই চৰিত্রসমূহ কম-বেছি পৰিমাণে প্রচলিত ধৰণে উপস্থাপন কৰিছে, তথাপি চৰিত্রসমূহ নিজ ব্যক্তিত্বৰে মহীয়ান। বাণভট্টই তেওঁৰ জীৱনকালত বিভিন্ন সময়ত বহু ঠাই ভ্রমণ কৰিছিল। এই ভ্রমণকালত তেওঁ বহু অভিজ্ঞতা সঞ্চয় কৰিছিল। লগতে বহু মানুহৰ সংস্পর্শলৈ আহিছিল। মানুহৰ প্রকৃতি তেওঁ খুব সূক্ষ্মভাৱে পর্যবেক্ষণ কৰিছিল। সেইবাবেই হয়তো তেওঁ ৰচনাৰ চৰিত্রসমূহক জীৱন্তভাৱে উপস্থাপন কৰিব পাৰিছিল।

কাব্যৰ আত্মা হৈছে ৰস। বাণভট্টয়ো তেওঁৰ ৰচনাৰাজিত ৰসৰ প্রয়োজনীয়তা উলাই কৰা নাছিল। তেওঁৰ বিখ্যাত দুয়োখন ৰচনাতে অর্থাৎ 'হর্ষচৰিত' আৰু 'কাদম্বৰী'ত প্রায় সকলো ৰসৰে সমাহাৰ পৰিলক্ষিত হয়। কাদম্বৰীৰ কাহিনী শৃঙ্গাৰ ৰস প্রধান। ইয়াৰ উপৰিও এই গ্রন্থত আন ৰসসমূহেও সমানেই আস্বাদ্য হৈছে। সেইদৰে 'হর্ষচৰিত'ৰ প্রধান ৰস হৈছে বীৰ। কিন্তু এই বীৰৰসৰ লগতে নানাবিধ ৰসৰ অপূর্ব সংমিশ্রণ এই কাব্যত ঘটিছে।

বাণভট্টৰ ৰচনাত প্রকৃতি-বর্ণন অতি সুন্দৰ। তেওঁ যেন সদায়ে সহৃদয় পাঠকৰ সন্মুখত এক সজীৱ প্রাকৃতিক বর্ণনা দাঙি ধৰিবলৈ যত্ন কৰে। হর্ষচৰিত আৰু কাদম্বৰী এই দুই কাব্যতে

তেওঁ বিস্তাৰিতকভাৱে নদ-নদী, গছ-বৃক্ষ, নগৰ-আশ্রম, পুৱা-গধূলিৰ অনুপম দৃশ্য, পুৰুষ আৰু নাৰীৰ সৌন্দর্য আদি বর্ণনা কৰিছে। প্রকৃতিৰ লগত যে মানৱৰ সম্বন্ধ অতি আত্মিক আৰু চিৰন্তন, সেই কথাও তেওঁ লিখনিৰ মাজেৰে প্রকাশ কৰিছে। বিভিন্ন অলংকাৰ প্রয়োগৰ দ্বাৰা প্রকৃতিৰ বিভিন্ন উপাদানৰ চিত্রনৰ জৰিয়তে তেওঁ গছ-বৃক্ষ বা পশু-পক্ষীৰ যি অনুপম বর্ণনা আগবঢ়াইছে, সেয়া অদ্বিতীয়।

বাণভট্টই তেওঁৰ লিখনিত উপযুক্ত বর্ণৰ সমাহাৰ দেখুৱাইছে। উদাহৰণস্বৰূপে তেওঁ 'ৰক্তবর্ণ'ৰ বাবে বিভিন্ন সময়ত বিভিন্ন পর্যায়বাচক শব্দ বা বিশেষণ ব্যৱহাৰ কৰিছে। যেনে— পদ্মৰাগপাটল, প্রতপালক্ষৰহিত, গজৰোধিৰবিদ্রুম, পাটল আদি। সেইদৰে বগা ৰং বুজাবলৈ তেওঁ কেবল শ্বেত বা ধবল শব্দৰে ব্যৱহাৰ কৰা নাই। ইয়াৰ বাবে তেওঁ হংসচিত্ত, জৰথমৃণাল, দণ্ডধৱল, মুক্তাফলধৱল, অমৃতফেন ধৱল আদি শব্দৰ ব্যৱহাৰ কৰিছে। বাণৰ শব্দ সম্ভাৰৰ প্রাচুর্য্য সঁচাকৈয়ে বিস্ময়কৰ। ভাৱ হয় তেওঁ গভীৰভাৱে শব্দকোষৰ জ্ঞান লাভ কৰিছিল। তেওঁ তেওঁৰ ৰচনাত প্রচলিত শব্দৰ লগতে মাজে-সময়ে কেতিয়াবা কিছুমান অপ্রচলিত দুর্লভ শব্দ ব্যৱহাৰ কৰিছে। তেওঁৰ কাব্যসমূহ যেন শব্দকোষৰ ভাণ্ডাৰ। সংস্কৃত ভাষাত অতি দখল থকা বাণে একেটা অর্থ বুজাবলৈ বহু শব্দৰ ব্যৱহাৰ কৰিছে। উদাহৰণস্বৰূপে 'নিনাদ'ৰ (অর্থাৎ ধ্বনি) প্রায় সকলো পর্যায়বাচী শব্দ তেওঁ প্রয়োগ কৰিছে। যেনে— ধ্বনি, ৰনিত, নাদ, ৰসিত, ঘর্ঘৰ, ঝঙ্কাৰ, ঝণঝণ, কোলাহল, ৰৱ, কেংকাৰ, শব্দ, নিঃস্বন, বিৰুত, কলকল, হুংকৃত, ক্বনিত, গর্জিত, কূজিত, টংকাৰ, স্বৰ, ঘোষ, স্বন, হ্লাদ, চীৎকৃত, আক্রন্দিত আদি। সেইদৰে ভগৱান শিবক বুজাবলৈ তেওঁ ব্যৱহাৰ কৰা কিছুমান শব্দ হ'ল— হৰ, ঈশান, পশুপতি, শম্ভু, শেখৰ, শিতিকণ্ঠ, মহাকাল, মহেশ্বৰ, পিনাকী, নীলকণ্ঠ, স্থাণু, বিৰূপাক্ষ, ধূর্জটি, প্রমথনাথ, ত্রিলোচন, ত্রিপুৰাৰি, গৌৰীনাথ, শঙ্কৰ, ত্রিনয়ন, কামজিৎ শূলপাণি আদি। মুঠতে বাণভট্ট আছিল 'সর্বেশ্বৰ'। তেওঁ নিজৰ লিখনিত বিশ্ব-ব্রহ্মাণ্ডৰ প্রায় সকলো বস্তু বা বিষয়কে বর্ণনা কৰিছে। সেয়েহে তেওঁৰ বিষয়ে যথার্থভাৱেই কোৱা হয় যে— 'বণোচ্ছিষ্টং জগৎ সর্বম্।'

১৩.৫ গদ্যং কবীনাং নিকষং বদন্তি

বৈদিক যুগত গদ্যাত্মক ৰচনা বহুল পৰিমাণে পোৱা যায়। সেই যুগত মানুহে গদ্য-সাহিত্যৰ বিস্তৃত অধ্যয়ন কৰিছিল। কিন্তু বৈদিকোত্তৰ কালৰ প্রথম অৱস্থাত সকলো সাহিত্যিক গ্রন্থতে পদ্যাত্মক ৰচনাহে প্রধান হৈ পৰে। আনকি ব্যাকৰণ, জ্যোতিষ, চিকিৎসাশাস্ত্র আদি বিষয়তো ছন্দোবদ্ধ কাব্যৰ সৃষ্টি হয়। ইয়াৰ প্রধান কাৰণ হ'ল পদ্য মনত ৰাখিবলৈ সহজ। ফলত গদ্যৰ জনপ্রিয়তা লাহে লাহে হ্রাস পাবলৈ ধৰিলে। সমালোচকসকলেও গদ্যৰ নীৰস আৰু সাধাৰণ বিষয়বস্তুত বিশেষ আকর্ষণ বিচাৰি নোপোৱা হ'ল। এইবোৰ কাৰণতে গদ্যকাৰসকলে তেওঁলোকৰ গদ্যৰচনাত এক বৈশিষ্ট্য সৃষ্টিৰ বাবে যত্নপৰ হৈ পৰিল। ছন্দোবদ্ধ ৰচনাৰ লগত ফেৰ মাৰিব পৰাকৈ গদ্যৰচনাতে এক কাব্যিক চাৰুতাৰ সৃষ্টি কৰা হ'ল। গদ্যতে পদ্যজনিত এক আবেদন

সৃষ্টিৰ প্ৰয়াস কৰিলে গদ্যকাৰসকলে। ছন্দৰ বাহিৰে পদ্যৰ সকলোবোৰ বৈশিষ্ট্য গদ্যৰচনাত প্ৰয়োগ হ'বলৈ ধৰিলে। ফলত বিশেষ একপ্ৰকাৰৰ পদ্যময় গদ্যৰ সৃষ্টি হ'ল। এই বিশেষ ৰচনাসমূহে লোককথাসমূহৰ পৰা বিষয়বস্তু গ্ৰহণ কৰিলে। কিন্তু গদ্যত পদ্যৰ সহজাত গুণ প্ৰয়োগ কৰাটো সহজ নাছিল। সেয়েহে পাঠকৰ মন আকৰ্ষণ কৰিব পৰা গদ্যৰচনা কৰিবলৈ গৈ গদ্যকাৰসকলে অসাধাৰণ দক্ষতা প্ৰদৰ্শন কৰিব লগা হ'ল। ফলত পদ্যাত্মক ৰচনাতকৈ গদ্যাত্মক ৰচনাহে অধিক কঠিন বুলি সময়ত বিবেচিত হ'ল। কোৱা হ'ল যে 'গদ্যং কৱীনাং নিকষং বদন্তি' অৰ্থাৎ 'গদ্য কবিসকলৰ **কষটিশীলা**।'

কষটিশীলা = সোণৰ শুদ্ধতা বা অশুদ্ধতা পৰীক্ষা কৰিবলৈ সোণ ঘঁহা এবিধ ক'লা শিল। ইংৰাজীত কোৱা হয় Touch stone

সংস্কৃত কবিসকলৰ মাজত বাণভট্ট অন্যতম শ্ৰেষ্ঠ কবি। নাটক আৰু পদ্য ৰচনাত মহাকবি কালিদাসৰ প্ৰতিভা অদ্বিতীয় বুলি জনাজাত। সেইদৰে গদ্যকাৰ হিচাপে বাণভট্টক অদ্বিতীয় বুলি ক'ব পাৰি। যি সময়ত শ্লোকবদ্ধ পদ্য ৰচনা কৰাতকৈ বিশিষ্ট গুণসম্পন্ন গদ্যকাব্য ৰচনা কৰাটো অধিক কঠিন আছিল, তেনে সময়তে বাণভট্টই 'কাদম্বৰী' আৰু 'হৰ্ষচৰিত' ৰচনা কৰি আদৰ্শৰূপে পাঠকৰ আগত দাঙি ধৰি নিজৰ কবিপ্ৰতিভাৰ যথাৰ্থতা প্ৰতিপন্ন কৰি থৈ গৈছে।

আপুনি ইতিমধ্যে জানিছে যে পৰম্পৰাগতভাৱে গদ্যক চাৰিটা ভাগত ভাগ কৰা হৈছে— মুক্তক, বৃত্তগন্ধী, চূৰ্ণক আৰু উৎকলিকা প্ৰায়। বাণভট্টৰ ৰচনাত উক্ত চাৰিওবিধৰ সুন্দৰ প্ৰয়োগ দেখা যায়। 'মুক্তক' গদ্যৰ নিৰ্দশন হৈছে সমাসবিহীন ৰচনা। বাণে এনে সমাসবিহীন গদ্য অনুভূতিৰ তাড়নাত কিছুমান বিশেষ চৰিত্ৰই কৰা উক্তিত প্ৰয়োগ কৰিছে। যেনে— কাদম্বৰী গ্ৰন্থত পোৱা যায় যে, 'হা হতোহস্মি! হা দগ্ধোহস্মি! হা ৱঞ্চিতোহস্মি' হা কিমিদমপেতিতম্। কিংবৃত্তম্। উৎসন্নোহস্মি।' (অৰ্থাৎ 'উঃ! মৰিলোঁ। হায়'! মোক পুৰি মাৰিলে। মোক বঞ্চনা কৰিলে। উঃ! এয়া কি হ'ল? কি ঘটিল? মোক পুলিয়ে পোখাই উভালিলে।) দ্বিতীয়তে, আংশিকভাৱে ছন্দৰ ব্যৱহাৰ থকা গদ্যই 'বৃত্তগন্ধী'। কাদম্বৰী গ্ৰন্থত বাণভট্টই এই গদ্যবোৰ প্ৰয়োগ কৰিছে। উদাহৰণস্বৰূপে — 'অম্বিকাকৰতলমিৱ ৰুদ্রাক্ষৱলয়গ্রহণনিপুণম্, শিশিৱসময়সূৰ্যমিব কৃতোত্তৰা সঙ্গম্, বাড়ৱানলমিৱ সন্ততপয়োভক্ষম্, শূন্যনগৰমিব দীননাথৱিপন্নশৰণম্, পশুপতিমিৱ ভস্মপাণ্ডুৰোমাশ্লিষ্টশৰীৰং ভগৱন্তং জাবালিমপশ্যম্। (অৰ্থাৎ ভগৱতী অম্বিকা বা পাৰ্বতীয়ে নিজৰ হাতৰ তলুৱাৰে নিপুণভাৱে ৰুদ্ৰৰ অৰ্থাৎ ভগৱান শিৱৰ চকুযুৰি আৱৰি ধৰে, এওঁ ৰুদ্রাক্ষমালাজপত নিপুণ আছিল। শীতকালত সূৰ্য উত্তৰদিশে গতি কৰে, এওঁ উত্তৰীয় বসন ধাৰণ কৰিছিল। ***বাড়ৱানল*** সততে সাগৰৰ পানীত থকাৰ দৰে এওঁ সততে দুগ্ধ আৰু পানী পাণ কৰিছিল। দীন, অনাথ, বিপন্নসকলে শূন্য নগৰত আশ্রয় লয়, এৰোঁ এইবিলাকৰ আশ্রয় আছিল। পশুপতিৰ অৰ্থাৎ শিৱৰ দৰে ভস্ম-ধৱল ৰোমৰাজিৰে আবৃত আছিল এওঁৰ শৰীৰ। এনে ভগৱান জাবালিক দেখিলো।) তৃতীয়তে, 'চূৰ্ণক' নামৰ গদ্যৰ ভেদত সমাসবোৰ সৰু হয় আৰু পদবিলাক কোমল আৰু মধুৰ হয়। কাদম্বৰী কাব্যত এই গদ্যভেদবো উদাহৰণ পোৱা যায়। যেনে— 'সখে পুণ্ডৰীক, নৈতদনুৰূপং ভৱতঃ। ক্ষুদ্রজনক্ষুণ্ণঃ এষ মার্গঃ। ধৈৰ্যধনা হি সাধৱঃ। কিং যঃ কশ্চন প্রাকৃত ইব বিক্লৱীভৱন্তমাত্মনং ন ৰক্ষণৎসি।' (অৰ্থাৎ, 'সখা পুণ্ডৰীক, এইটো তোমাৰ পক্ষে উচিত নহয়। নীচ লোকে আচৰণ কৰা এই পথ। ধৈৰ্য সাধুসকলৰ ধন। যিকোনো সাধাৰণ লোকএজনৰ

বাড়ৱানল = সাগৰৰ পানীত জ্বলি উঠা অগ্নি। ইয়াৰ আন এটা নাম 'বাড়ৱ'

দৰে কিয় মন বন্ধা নাই?') চতুর্থতে, উৎকলিকাপ্রায় নামৰ গদ্যত দীঘল দীঘল সমাস থাকে। বাণে তেওঁৰ ৰচনাত এইবিধ গদ্যৰ সঘনাই ব্যৱহাৰ কৰিছে। কাদম্বৰীৰে পূর্বভাগত এনে উদাহৰণ পোৱা যায়। যেনে— 'উদ্দামকেকাৰবানুমীয়মানমৰকতকুট্টিমস্থিতশিখণ্ডিমণ্ডলম্ অতিশিশিৰচন্দনবিটপিচ্ছায়ানিষণ্ণ-নিদ্রায়মানগৃহসাৰসম্'। (অর্থাৎ 'মৰকত মনিৰে নির্মিত ভেটিৰ ওপৰত থকা ম'ৰাজাকক সিহঁতৰ দীঘলীয়া কেকাধ্বনিৰদ্বাৰাহে অনুমান কৰিব পৰা হৈছিল। পোহনীয়া সাৰসপক্ষীবোৰে সুশীতল চন্দন-বৃক্ষৰ ডালৰ ছাঁত বহি টোপনি মাৰিছিল।' কাদম্বৰী— পূর্বভাগ)

আপুনি ইতিমধ্যে অবগত হৈছে যে অগ্নিপুৰাণত গদ্যকাব্যৰ পাঁচটা ভাগৰ বিষয়ে কোৱা হৈছে। এই পুৰাণত কোৱা হৈছে যে—

আখ্যায়িকা কথা খণ্ডকথা পৰিকথা তথা।
কথানিকেতি মন্যন্তে গদ্যকাৱ্যং চ পঞ্চধা।।

(অগ্নিপুৰাণম্, ৩৩৭/১২)

অর্থাৎ, আখ্যায়িকা, কথা, খণ্ডকথা, পৰিকথা তথা কথানিকা— গদ্যকাব্য এই পাঁচ প্রকাৰৰ হয়। বাণভট্টৰ হর্ষচৰিত 'আখ্যায়িকা' আৰু কাদম্বৰী 'কথা' ভাগৰ উৎকৃষ্ট উদাহৰণ।

বাণভট্টই তেওঁৰ ৰচনাৰাজিত বিভিন্ন ৰীতিৰ প্রয়োগ কৰিছে। তেওঁ যেন এটা ৰীতিৰ প্রয়োগত তৃপ্তি নাপায়। কেতিয়াবা তেওঁ প্রতি প্রসঙ্গতে বিবিধ ৰীতি প্রয়োগ কৰাও পৰিলক্ষিত হয়। বাণ অতিশয় পৰিৱর্তনপ্রিয় লিখক। উদাহৰণস্বৰূপে, 'কাদম্বৰী' আৰু 'হর্ষচৰিত', এই দুইখন কাব্যই পাঞ্চালী ৰীতিৰ উজ্জ্বল নির্দশন। কিন্তু তেওঁ মাজে মাজে গৌড়ী আৰু বৈদর্ভী ৰীতিৰো প্রয়োগ কৰিছে। যেনে 'কাদম্বৰী' কাব্যৰ বিন্ধ্যাটৱী বর্ণনা, উজ্জয়িনী বর্ণনা, ইন্দ্রায়ুধ বর্ণনা আদিত গৌড়ী ৰীতিৰ ব্যৱহাৰ দেখা যায়। আনহাতেদি এই কাব্যত সন্নিবিষ্ট শুকনাসৰ উপদেশ, মহাশ্বেতা, পুণ্ডৰীক আৰু কাদম্বৰীৰ বিৰহ অৱস্থা বর্ণনাত কবিয়ে বৈদর্ভী ৰীতিৰ প্রয়োগ কৰিছে।

বাণভট্টৰ কাব্যত শব্দালংকাৰ আৰু অর্থালংকাৰ উভয়ৰে প্রয়োগ প্রায় সমভাৱেই দেখা যায়। কবিৰ কেইটামান প্রিয় অলংকাৰ হৈছে উপমা, উৎপ্রেক্ষা, ৰূপক, অনুপ্রাস, শ্লেষ, পৰিসংখ্যা, বিৰোধ, সমাসোক্তি, অতিশয়োক্তি। তেওঁ এই সকলো অলংকাৰৰে যথাযথ প্রয়োগ কৰিছে। কিন্তু এইবোৰৰ লগতে ঠায়ে ঠায়ে আন অলংকাৰসমূহৰ যেনে, ব্যতিৰেক, ভ্রান্তিমান, যমক, নিদর্শনা, দৃষ্টান্ত, বিভাৱনা আদিৰো বাণভট্টই বহুবাৰ অতি নিপুণভাৱে প্রয়োগ কৰিছে।

আলংকাৰিকসকলে ৰসকে কাব্যৰ সাৰবস্তু বুলি কৈছিল। 'সাহিত্য-দর্পণ' নামৰ অলংকাৰ গ্রন্থৰ ৰচক বিশ্বনাথ কবিৰাজৰ মতে 'ৰসপূর্ণ বাক্যই কাব্য' (ৰসাত্মকং ৱাক্যং কাৱ্যম্)। বাণভট্টৰ দুয়োখন গদ্যকাব্যতে নৱৰসে স্থান পাইছে। প্রতিটো ৰসকে তেওঁ অতি দক্ষতাৰে উপস্থাপন কৰিছে। কাদম্বৰীৰ মুখ্য ৰস হৈছে শৃংগাৰ। কিন্তু ইয়াৰ লগতে কবিয়ে কৰুণ, হাস্য, অদ্ভুত আদি ৰসৰো তেওৰ লিখনিত স্থান দিছে।

দৰাচলতে বাণভট্টৰ গদ্যৰচনাৰ নিপুণতা তেওঁৰ কাব্যত স্পষ্টভাৱেই প্রতিফলিত হৈছে। পাশ্চাত্যৰ কোনো কোনো পণ্ডিতে তেওঁৰ ৰচনাত বর্ণনাৰ আতিশয্য, সমাসৰ জটিলতা আদিৰ

উল্লেখ কৰি এই ৰচনাসমূহ সহজভাৱে ল'ব পৰা নাই। বহু সমালোচকৰ মাজতে বাণে বৰ্ণনাত সীমা অতিক্রম কৰি যায়। কিন্তু ভাৰতীয় পণ্ডিতসকলে তেওঁৰ ভূয়সী প্রশংসা কৰিছে। তেওঁলোকে স্বীকাৰ কৰিছে যে জগতৰ সকলোবোৰ বস্তুকে বাণভট্টৰ বৰ্ণনাই সামৰি লৈছে। সেইবাবেই সোড়্ঢ়লে তেওঁৰ 'উদয়সুন্দৰীকথা' নামৰ কাব্যত এনেদৰে কৈছে— 'ৰসেশ্বৰং স্তৌমি চ কালিদাসং বাণং তু সর্ৱেশ্বৰমানতোহস্মি।' (অর্থাৎ কালিদাস হৈছে 'ৰসেশ্বৰ' কিন্তু বাণ হৈছে 'সর্ৱেশ্বৰ'।)

১৩.৬ কথাৰূপে কাদম্বৰী

সংস্কৃত সাহিত্যত কাব্য দুই প্রকাৰৰ— দৃশ্য কাব্য আৰু শ্রব্য কাব্য। দৃশ্যকাব্য অভিনয়াত্মক। যেনে, নাটক আদি। শ্রব্য কাব্যক আকৌ দুই ভাগত ভাগ কৰা হৈছে— পদ্য আৰু গদ্য। পদ্যাত্মক শ্রব্যকাব্যসমূহ হৈছে মহাকাব্য, খণ্ডকাব্য আদি। গদ্যাত্মক শ্রব্যকাব্যৰ বহু প্রকাৰ ভেদ আছে। কিন্তু পৰৱর্তীকালত দণ্ডী, ভামহ, বিশ্বনাথ কবিৰাজ আদি আলংকাৰিকে গদ্যকাব্যৰ দুটা ভাগহে স্বীকাৰ কৰিছে। সেই ভাগ দুটা হৈছে— কথা আৰু আখ্যায়িকা।

বাণভট্ট ৰচিত 'কাদম্বৰী' কথা নে আখ্যায়িকা এই প্রসঙ্গৰ আলোচনা কৰাৰ পূর্বে কথা আৰু আখ্যায়িকাৰ লক্ষণ সম্বন্ধে বিভিন্ন আলংকাৰিকৰ মতামতসমূহ পর্যালোচনা কৰাটো আৱশ্যক।

আচার্য ভামহৰ মতে আখ্যায়িকা কাব্যৰ বৈশিষ্ট্যসমূহ হৈছে— (ক) ইয়াৰ বিষয়বস্তু হ'ব লাগিব লোকসমাজত প্রচলিত ঘটনা, (খ) নায়ক নিজেই আখ্যানভাগৰ বক্তা হ'ব, (গ) গল্পটো ক'ব লাগিব সুন্দৰ গদ্যত, (ঘ) কাব্যৰ বিভাগবোৰৰ নাম হ'ব লাগিব উচ্ছ্বাস, (ঙ) প্রথম পৰিচ্ছেদৰ বাহিৰে আন প্রতিটো পৰিচ্ছেদৰ আৰম্ভণিতে আর্য্যাছন্দত ৰচিত শ্লোক থাকিব লাগিব, (চ) গদ্যাংশৰ মাজত থকা পদ্য বক্ত্র বা যিকোনো ছন্দত ৰচিত হ'ব লাগে। ভামহে কথা কাব্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে কৈছে যে — (ক) পদ্য বা শ্লোকসমূহত দেৱতা বা গুৰুক উদ্দেশ্য কৰি নমস্কাৰ, কবিৰ বংশ বর্ণনা, কাব্যৰচনাৰ প্রেৰণা থাকিব লাগিব, (খ) কথাভাগ গদ্যত ৰচিত হ'ব লাগিব, (গ) গদ্যৰ মাজত ব্যৱহৃত পদ্যত, ভাষাত অনুপ্রাস ছন্দ ব্যৱহাৰ কৰিব পাৰিব।

'সাহিত্যদর্পণ' গ্রন্থত বিশ্বনাথ কবিৰাজে কথা আৰু আখ্যায়িকাৰ লক্ষণ দাঙি ধৰিছে। কবিৰাজৰ মতে কথা হ'ল—

'কথায়াং সৰসং ৱস্তু গদ্যৈৰেৱ ৱিনির্মিতম্
ক্বচিদত্র ভৱেদার্য্যা ক্বচিদৱক্ত্রাপৱক্ত্রকে।
আদৌ পদ্যৈর্নমস্কাৰঃ খলাদের্ৱৃত্তকীর্তনম্।'

(সাহিত্যদর্পণ, ষষ্ঠ পৰি)

অর্থাৎ, কথাত গদ্যৰ মাধ্যমেৰে সৰস কাহিনী বর্ণিত হয়। এনে কোনো কোনো কাব্যত আর্যা, ৱক্ত্র আৰু অপৱক্ত্র ছন্দৰ পদ্য থাকে। গ্রন্থৰ আৰম্ভণিতে পদ্যত ৰচিত কবিৰ ইষ্ট-দেৱতাৰ স্তুতি থাকে। তাৰ পিছত থাকে দুর্জন বা অসৎ লোক আৰু সাধু বা সৎলোকৰ চৰিত্রৰ বর্ণনা। ইয়াৰ পিছত থাকে পৰিকল্পিত কাহিনীভাগৰ বর্ণনা।

বিশ্বনাথ কবিৰাজৰ মতে আখ্যায়িকাৰ লক্ষণ হ'ল—

আখ্যায়িকা কথাৱৎ স্যাৎ কৱের্ৱংশানুকীর্তনম্।
অস্যামন্যকৱীনাঞ্চ বৃত্তং পদ্যং ক্বচিৎ ক্বচিৎ।।
কথাংশানাং ব্যৱচ্ছেদ আশ্বাস ইতি বদ্ধ্যতে।
আর্য়াৱক্ত্রাপৱক্ত্রানাং ছন্দসা য়েন কেনচিৎ।
অন্যাপদেশেনাশ্বাসমুখে ভাৱ্যর্থসূচনম।।

(সাহিত্যদর্পণ, ষষ্ঠ পৰি)

অর্থাৎ আখ্যায়িকা কথাৰ দৰেই। ইয়াৰ আদিতে কবিৰ বংশৰ বর্ণনা আৰু ক'ৰবাত ক'ৰবাত অন্য কবিসকলৰ কাহিনী পদ্যত বর্ণিত হয়। কাহিনীৰ অংশবোৰক আশ্বাস বোলা হয়। প্রত্যেক আশ্বাসৰ আৰম্ভণিতে ভাবী ঘটনাৰ সূচনা কৰা হয় আর্য্যা, ৰক্ত্র আৰু অপৱক্ত্র— এই তিনিটাৰ যিকোনা এটা ছন্দত ৰচনা কৰা পদ্যৰ জৰিয়তে।

ইয়াৰ বাহিৰেও বিভিন্ন আলংকাৰিকে যেনে দণ্ডী, ৰুদ্রট আদিয়েও কথা আৰু আখ্যায়িকাৰ লক্ষণ নিৰূপণ কৰিছে। এই সকলোৰে মতসমূহ বিচাৰ কৰি চালে দেখা যায় যে তেওঁলোকৰ মতে কথাৰ বিষয়বস্তু সম্পূর্ণ কল্পনাপ্রসূত হোৱাটো বাঞ্ছনীয়। আনহাতেদি, আখ্যায়িকাৰ বিষয়বস্তু তথ্যপূর্ণ ভূতকালিক ঘটনাৰ ওপৰত প্রতিষ্ঠিত আৰু ঐতিহাসিক বা ঐতিহাসিকতাযুক্ত হ'ব লাগে। বাণভট্ট বিৰচিত 'কাদম্বৰী' এক প্রসিদ্ধ কথা শ্রেণীৰ কাব্য। ইয়াত কথাকাব্যৰ প্রায় সকলোবোৰ লক্ষণ প্রতিফলিত হৈছে। যেনেদৰে, গ্রন্থৰ আৰম্ভণিতে কবিয়ে ব্রহ্মা, শিব, বিষ্ণু আৰু গুৰু ভর্বুক প্রণাম জনাইছে। লগতে কাব্যৰ ফলশ্রুতি সম্পর্কে মন্তব্য কৰিছে আৰু কবিয়ে নিজ বংশকীর্তন কৰিছে। চন্দ্রাপীড় আৰু কাদম্বৰী তথা পুণ্ডৰীক আৰু মহাশ্বেতাৰ প্রণয় কাহিনী গ্রন্থখনৰ মূল উপজীব্য বিষয়। কথাশ্রেণীৰ গদ্যৰ লক্ষণ অনুসৰি গ্রন্থৰ কাহিনীভাগৰ মূল বক্তা নায়ক নহয়। বৈশম্পায়ন বা মহাশ্বেতা বা মহর্ষি জাবালিয়ে বক্তাৰ ভূমিকা পালন কৰিছে। ইয়াৰ ৰীতি পাঞ্চালী। প্রধান ৰস হৈছে শৃংগাৰ। কাদম্বৰীৰ কাহিনীভাগ কবিকল্পিত। ইয়াত উচ্ছ্বাসভাগ নাই। লিখকে একেলেথাৰিয়ে কাহিনী বর্ণনা কৰি গৈছে। মাজে মাজে ৰক্ত্র আৰু অপৱক্ত্র ছন্দত ৰচিত পদ্য সন্নিৱিষ্ট কৰা হৈছে। কাদম্বৰীত প্রকৃতিৰ বর্ণনা আদিৰ ক্ষেত্রতো গদ্যকাৰে বিশেষ দৃষ্টি নিবদ্ধ কৰিছে। বিন্ধ্যাটৱী, পম্পাসৰোবৰ, জাবালি আশ্রম, চণ্ডিকাদেৱীৰ মন্দিৰ ইত্যাদিৰ বর্ণনা এই ক্ষেত্রত বিশেষ উল্লেখযোগ্য। এই সকলোবোৰে সহৃদয় পাঠকৰ হৃদয়ত গভীৰ আনন্দৰ সঞ্চাৰ কৰে। তেনেদৰে, অলংকাৰ তথা ৰসৰ মধুৰ মিলনত, ভাষা আৰু ভাৱৰ পৰস্পৰ সম্পর্কত, কল্পনা তথা বর্ণনাৰ অনুৰূপ সংঘটনত কাদম্বৰী গ্রন্থখনে সংস্কৃত সাহিত্যত অনুপম আৰু অদ্বিতীয় গ্রন্থৰূপে সর্বজন স্বীকৃত হৈ পৰিছে। উক্ত আলোচনাৰ পৰা এয়া প্রতীয়মান হয় যে বাণভট্ট বিৰচিত কথাকাব্যখনি সংস্কৃত সাহিত্যৰ এক উৎকৃষ্ট কাব্যৰূপে পণ্ডিত তথা বিদ্বানসমাজত সমাদৃত হৈ আহিছে।



জানি থোৱা ভাল

১। **অগ্নিপুৰাণ ঃ** এই পুৰাণক সকলো ভাৰতীয় বিদ্যাসমূহৰ সংক্ষিপ্ত বিশ্বকোষ বোলা হয়। ইয়াত প্ৰায় চাৰে এঘাৰ হাজাৰ অৰ্থাৎ এঘাৰ হাজাৰ পাঁচশ শ্লোক আছে। ইয়াত ৩৮৩টা অধ্যায় আছে। এই পুৰাণত বিষ্ণুৰ অৱতাৰসমূহৰ চমু বিৱৰণ পোৱা যায়।

২। **ভামহ** — ভামহৰ কাল ৫০০—৬২০ খৃষ্টাব্দৰ মাজত বুলি কোৱা হয়। তেওঁ 'কাব্যালংকাৰ' নামে অলংকাৰ শাস্ত্ৰ ৰচনা কৰে। গ্ৰন্থখন ছটা পৰিচ্ছেদত বিভক্ত।

৩। **দণ্ডী** — দণ্ডীয়ে 'কাব্যাদৰ্শ' নামেৰে অলংকাৰ শাস্ত্ৰ ৰচনা কৰে। গ্ৰন্থখন তিনিটা পৰিচ্ছেদত বিভক্ত। ইয়াত ৬৬০ (-৬৬৩)টা শ্লোক আছে। দণ্ডী ৰচিত আন এখন বিখ্যাত গ্ৰন্থ হৈছে 'দশকুমাৰচৰিত'।

৪। **ৰুদ্ৰট** — ৮২৫—৮৫০ খৃষ্টাব্দৰ ভিতৰত ৰুদ্ৰটৰ জন্ম কাশ্মীৰত হৈছিল বুলি কোৱা হয়। তেওঁ 'কাব্যালংকাৰ' নামৰ অলংকাৰ শাস্ত্ৰ ৰচনা কৰে। ইয়াত ষোল্লটা অধ্যায় আছে। ইয়াত সৰ্বমুঠ ৭৩৪টা শ্লোক আছে।

১৩.৭ কাদম্বৰীৰ কাব্যিক বৈশিষ্ট্য

'কাদম্বৰী' বাণভট্টৰ সৰ্বশ্ৰেষ্ঠ ৰচনা। বিশ্বসাহিত্যৰ উদ্যানত সমূহ গদ্য-সাহিত্যকুসুমৰ মাজত কাদম্বৰী যেন ৰূপে-গুণে অতুলনীয়। ই কবিৰ বহুমুখী প্ৰতিভাৰ এক অপূৰ্ব নিদৰ্শন। কবিৰ সূক্ষ্ম নিৰীক্ষণ শক্তি, বিস্তৰ অভিজ্ঞতা আৰু বৰ্ণনা নৈপুণ্যৰ বলত কাদম্বৰী পাঠক সামজৰ মাজত সৰ্বজন সমাদৃত। ইয়াৰ প্ৰতিটো বৰ্ণনাই পাঠকৰ হৃদয় স্পৰ্শ কৰি যায়।

কাদম্বৰীৰ মূল কাহিনীভাগৰ বিষয়বস্তু হৈছে কাদম্বৰী আৰু চন্দ্ৰাপীড় তথা মহাশ্বেতা আৰু পুণ্ডৰীকৰ প্ৰণয় কাহিনী। ইয়াৰ প্ৰধান ৰস হৈছে শৃঙ্গাৰ ৰস। কিন্তু এই ৰসৰ লগতে আন আন ৰসসমূহৰো সমানেই স্ফুৰণ ঘটিছে। শৃঙ্গৰ ৰস সাধাৰণতে দুই ভাগত বিভক্ত— সম্ভোগ-শৃঙ্গাৰ ৰস আৰু ৱিপ্ৰলম্ভ-শৃঙ্গাৰ ৰস। এই দুয়োবিধ শৃঙ্গাৰ ৰসেই কাদম্বৰীত ফুটি উঠা দেখা যায়। অচ্ছোদ সৰোবৰৰ পাৰত পুণ্ডৰীক আৰু মহাশ্বেতাৰ দৰ্শন, পৰস্পৰে পৰস্পৰৰ প্ৰতি আকৰ্ষিত হোৱা, স্পৰ্শসুখ লাভ আদিৰ জৰিয়তে সম্ভোগ শৃঙ্গাৰ ৰস ফুটি উঠিছে। কাদম্বৰী আৰু চন্দ্ৰাপীড়ৰ প্ৰথম দৰ্শনৰ বৰ্ণনাতো এই ৰসৰ সৃষ্টি হৈছে। এই ৰসৰ বৰ্ণনা কৰিলেও কিন্তু ক'তো অশ্লীলতাৰ আভাস পোৱা নাযায়। অৱশ্যে কাদম্বৰীত বিপ্ৰলম্ভ-শৃঙ্গাৰ ৰসৰ বৰ্ণনো আকৰ্ষণীয়। অচ্ছোদ সৰোবৰৰ পাৰত পুণ্ডৰীকক প্ৰথম দেখা পোৱাৰ পাছত মহাশ্বেতা নিজ প্ৰাসাদলৈ উভতি যায়। তাৰ পিছত পুণ্ডৰীকৰ ভাৱনাত মহাশ্বেতাৰ মনৰ অস্থিৰ অৱস্থাৰ যি বৰ্ণনা পোৱা যায়, তাত বিপ্ৰলম্ভ-শৃঙ্গাৰ ৰস স্পষ্টকৈ ফুটি উঠিছে। আনহাতেদি চন্দ্ৰাপীড়ৰ প্ৰস্থানৰ পিছত মদনাৰ্তা কাদম্বৰীৰ যি অৱস্থা, তাতো এই ৰসৰ সুন্দৰ নিৰ্দশন পোৱা যায়। প্ৰেম বা কামৰ দহোটা অৱস্থা আলংকাৰিকসকলে উল্লেখ কৰিছে। বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্যদৰ্পণ' গ্ৰন্থৰ তৃতীয় পৰিচ্ছেদত এই বিষয়ে কৈছে যে—

অভিলাষশ্চিন্তা স্মৃতিগুণকথনোদ্বেগসম্প্রলাপাশ্চ।

উন্মাদ্যোহথ ব্যাধির্জড়তা মৃতিৰিতি দশোহএ কামদশাঃ।

অর্থাৎ, অভিলাষ, চিন্তা, স্মৰণ, গুণ-কীর্তন, উদ্বেগ, প্রলাপ, উন্মাদ, ব্যাধি, জড়তা আৰু মৃত্যু — এই দহোটা হ'ল কামৰ অৱস্থা। সংস্কৃত সাহিত্যত সাধাৰণতে মৃত্যু বা মৰণ অৱস্থাটোৰ বর্ণনা কৰা নহয়। কিন্তু বাণভট্টই তেওঁৰ 'কাদম্বৰী'ত এই দশম অৱস্থাটোও চিত্রিত কৰিছে। মহাশ্বেতাৰ লগত বিচ্ছেদ সহিব নোৱাৰি প্রেমত আতুৰ হৈ পুণ্ডৰীকে মৃত্যুক আকোৱালি লৈছে। আকৌ চন্দ্রাপীড়ৰৰ বিৰহত কাদম্বৰীৰ সন্তাপ-জ্বৰৰূপ ব্যাধিয়ে দেখা দিছে। তাৰ নিবাৰণৰ বাবে হিমগৃহৰ ব্যৱস্থা কৰা হৈছে। এই ব্যাধি কাম অৱস্থাৰ অষ্টম দশা। এনেদৰে শৃঙ্গাৰ ৰসৰ সুন্দৰ নিদর্শন 'কাদম্বৰী' কাব্যত বিদ্যমান।

'কাদম্বৰী'ত শৃঙ্গাৰৰস মুখ্য ৰস হ'লেও কিন্তু আন ৰসবোৰেও সমানে প্রাধান্য লাভ কৰিছে। তাৰ ভিতৰত কৰুণ ৰস বিশেষ উল্লেখযোগ্য। 'কাদম্বৰী'ৰ কথামুখতে এই ৰসৰ অনুভূতি জাগি উঠিছে। বৃদ্ধ শৱৰটোৱে (চিকাৰী) নিষ্ঠুৰভাৱে ভাটৌ পোৱালীবোৰ বধ কৰি যেতিয়া গছৰ ওপৰত পৰা মাটিত পেলাই দিয়ে তেতিয়া সেই বর্ণনা পঢ়ি পাঠকৰ মন কৰুণাৰে উপচি পৰে। সেইদৰে শুক-শাৱকটোৰ (ভাটৌ পোৱালী) পিতৃয়ে তাৰ প্রাণৰক্ষাৰ বাবে কৰা চেষ্টা আৰু পাছত ভাটৌ— পিতৃৰ মৃত্যুৰ যি বর্ণনা, সেয়া পঢ়িও মন শোকত উথলি উঠে। পুনৰ কৰুণ ৰস ফুটি উঠিছে পুণ্ডৰীকৰ মৃত্যুত মহাশ্বেতাই কৰা বিলাপত। মহাশ্বেতাই কৰুণ বিননিৰে বিধাতাৰ ওচৰত পুণ্ডৰীকৰ জীৱন-ভিক্ষা কৰাৰ বর্ণনা সঁচাকৈয়ে অতি হৃদয় বিদাৰক। মিত্র পুণ্ডৰীকৰ মৃত্যুত কপিঞ্জলে কৰা শোকৰ বর্ণনাতো কৰুণৰস ফুটি উঠিছে।

ইয়াৰ উপৰিও, 'কাদম্বৰী'ত বীৰৰসৰ আভাসো পোৱা যায়। চন্দ্রাপীড়ৰৰ দিগ্বিজয় যাত্রাৰ বর্ণনা, বিশাল সৈন্য বাহিনী, নৃপতিসকল, অশ্ব, হস্তী, প্রজাৰ জয়-জয়কাৰ, বিভিন্ন বাদ্যৰ যাত্রাকালত ধ্বনি, সৈন্য, ৰথ, পদাতিকৰ দ্বাৰা উত্থিত ধূলিয়ে ধূসৰিত কৰা দিগন্ত আদিৰ বর্ণনায়ো সহৃদয় পাঠকৰ অন্তৰত বীৰ ৰসৰ অনুভূতি জাগ্রত কৰে।

বাণভট্টই 'কাদম্বৰী'ত হাস্য ৰসৰ উদ্রেক কৰা বর্ণনাও দাঙি ধৰিছে। চণ্ডিকা মন্দিৰত বাস কৰা বৃদ্ধ দ্রাবিড়দেশীয় ধার্মিকজনৰ বর্ণনা পঢ়িলে হাস্য ৰসৰ অনুভৱ হয়। কাদম্বৰীয়ে বিয়া পাতি দিয়া কালিন্দী নামৰ শালিকাজনী আৰু পৰিহাস নামৰ ভাটৌটোৰ মাজত হোৱা কন্দলখনেও হাঁহিৰ খোৰাক যোগোৱাত সহায় কৰিছে। সেইদৰে এই বৃদ্ধ ধার্মিকৰ বর্ণনাত পোৱা যায় যে তেওঁৰ দেহৰ ধণনীবোৰে দগ্ধ বৃক্ষ বুলি উঠি যোৱা গুঁই, জেঠী আৰু তেজপিয়াৰ জাকৰ দৰে হৈ শৰীৰত খিড়িকীবোৰৰ সৃষ্টি কৰিছিল। এটা চকু তেওঁৰ ফুটি গৈছিল সিদ্ধাঞ্জন বা কাজল লগোৱাৰ বাবে। এনে বর্ণনাবোৰত বীভৎস ৰসৰ উদ্রেক হৈছে।

ইয়াৰ উপৰিও কাদম্বৰীৰ কথামুখত থকা শৱৰসকলৰ মৃগয়াৰ বর্ণনাত মাতঙ্গ নামৰ শৱৰ-সেনাপতিজনৰ যি বর্ণনা পোৱা যায়, তাত ৰৌদ্র ৰস অনুভূত হয়। এই শৱৰ-সৈন্যসকলৰ কোলাহলত অৰণ্যৰ জীৱ-জন্তু, চৰাই-চিৰিকতিবোৰে ভয় খাই দৌৰি পলাই যোৱাৰ যি বর্ণনা আছে, তাত ভয়ানক ৰসৰ উদ্রেক হৈছে। এই বর্ণনাতে সন্নিৱিষ্ট থকা হাতী পোৱালীবোৰৰ

চিঞৰ, সিংহৰ গর্জন, চিকাৰীবোৰৰ ভৰিৰ শব্দত সৃষ্টি হোৱা ভূমিকম্প, গুণ টনা ধনুবোৰে শৰ বৰষাৰ শব্দ, বতাহত তৰোৱালবোৰৰ সো-সোৱনি শব্দ, বনৰীয়া জন্তুবোৰৰ ঘর্ঘৰনি আদিৰ বর্ণনাই পাঠকৰ অন্তৰত ভয়ৰ সঞ্চাৰ কৰে।

'কাদম্বৰী'ত কিছুমান অদ্ভুত বর্ণনা পঢ়িবলৈ পোৱা যায় য'ৰ পৰা অদ্ভুত ৰসৰ অনুভূতি হয়। পুণ্ডৰীক আৰুচন্দ্রাপীড়ৰ পুনৰ জন্ম, মহাশ্বেতা-পুণ্ডৰীক আৰুকাদম্বৰী-চন্দ্রাপীড়ৰ পুনৰ মিলন, স্বর্গীয় জ্যোতি এটিয়ে আহি পুণ্ডৰীকৰ শৰদেহটো আকাশলৈ তুলি লৈ যোৱা কার্য, বৈশম্পায়ন নামৰ ভাটৌ চৰাইটোৰ পাণ্ডিত্য আদিত অদ্ভুত ৰসৰ আস্বাদ পোৱা যায়।

তেনেদৰে, কাদম্বৰীত শান্ত ৰসৰো বর্ণনা পোৱা যায়। পম্পা সৰোবৰৰ বর্ণনা, প্রভাত বর্ণনা, জাবালি আশ্রম বর্ণনা, সন্ধ্যা-বর্ণনা, অচ্ছোদ সৰোবৰৰ বর্ণনা আদিত শান্তি ৰসৰ উদ্রেক হৈছে। এই শান্ত ৰসৰ লগতে বাৎসল্য ৰসৰো আভাস পোৱা যায়। পুত্র জন্ম হোৱাৰ সময়ত তাৰাপীড় আৰু বিলাসৱতীৰ যি অনন্দৰ বর্ণনা তাত বাৎসল্য ৰস ফুটি উঠিছে। তেনেদৰে বৃদ্ধ শৱৰটোৰ হাতৰ পৰা পোৱালী ভাটৌটোক ৰক্ষা কৰাৰ বাবে পিতৃ ভাটৌটোৰ যি ব্যাকুলতা, তাতো বাৎসল্য প্রেমৰ সম্পূর্ণ আস্বাদ পোৱা যায়। এনেদৰে, 'কাদম্বৰী' কাব্যত বাণভট্টই প্রায় নবৰসৰে বর্ণনা কৰিছে।

'কাদম্বৰী' কাব্যত যি প্রকৃতিৰ অনুপম বর্ণনা পোৱা যায় সি অতি মনোমোহা। এই বর্ণনাসমূহৰ ভিতৰত বিন্ধাটৱী বর্ণনা, জাবালি মুনিৰ আশ্রম বর্ণনা, পম্পা সৰোবৰ, অচ্ছোদ সৰোবৰৰ বর্ণনা, সন্ধ্যা-প্রভাত আদিৰ বর্ণনা পঢ়িলে পাঠকৰ মনত যেন এক সজীৱ প্রাকৃতিক ছবিয়ে ভুমুকি মাৰেহি। প্রকৃতিৰ বিভিন্ন উপাদানসমূহৰ মাধ্যমেৰে কবিয়ে প্রকৃতিৰ যি অনুপম বর্ণনা আগবঢ়াইছে, সেয়া সঁচাকৈয়ে অতুলনীয়, অদ্বিতীয়।

বাণভট্টই 'কাদম্বৰী'ত প্রেমৰ ধাৰণাৰ বিষয়ে যি উচ্চ ভাবাদর্শ ব্যক্ত কৰিছে, সেয়া তুলনাহীন। কবিৰ মতে বিচ্ছেদৰ পিছতহে প্রেমে পূর্ণতা লাভ কৰে। এই কথাকে বাণে কাদম্বৰী-চন্দ্রাপীড় আৰু মহাশ্বেতা-পুণ্ডৰীকৰ চৰিত্রৰ জৰিয়তে প্রকাশ কৰিছে। কবিৰ মতে প্রেম হ'ল দুটি আত্মাৰ পবিত্র সম্পর্ক। এই প্রেম অমৰ, জন্ম-জন্মান্তৰে এই প্রকৃত প্রেমৰ পৰিৱর্তন নহয়। সেয়ে 'কাদম্বৰী'ত নায়ক-নায়িকাৰ মিলন বিচ্ছেদৰ পাছত পুনৰজন্মত দেখুওৱা হৈছে।

বর্ণনাৰ ৰজা বাণভট্ট। কোনো এটা বিষয় বা ঘটনাৰ বর্ণনা কৰোতে তেওঁ ধীৰে-সুস্থিৰে আগবাঢ়ে। প্রতিটো বিষয়ৰ বর্ণনাত কবিৰ বর্ণনা-চাতুর্যৰ পূর্ণ প্রকাশ ঘটিছে। কাদম্বৰীৰ পূর্বভাগত পোৱা, শূদ্রক বর্ণনা, চণ্ডালকন্যা বর্ণনা, শূদ্রকৰ ৰাজসভা বর্ণনা, উজ্জয়িনী বর্ণনা, ৰাজকুল বর্ণনা আদিত কবিৰ অশেষ জ্ঞানৰ পৰিচয় পোৱা যায়। সেইদৰে কবিয়ে চণ্ডালকন্যা, ৰাণী বিলাসৱতী, পত্রলেখা, মহাশ্বেতা, কাদম্বৰীৰ যোগেদি নাৰী সৌন্দর্যৰ যি বর্ণনা আগবঢ়াইছে, তাৰ যোগেদি তেওঁৰ বর্ণনা চাতুর্য ফুটি উঠিছে। পুৰুষ সৌন্দর্যৰ ৰূপ বর্ণনাতো তেওঁ সিদ্ধহস্ত, ৰজা শূদ্রক, তাৰাপীড়, চন্দ্রাপীড় আদিৰ বর্ণনাৰ জৰিয়তে সেয়া প্রকাশ পাইছে। চন্দ্রাপীড়ৰ দিগ্বিজয় যাত্রা, দ্রাবিড়দেশীয় বৃদ্ধ ধার্মিকৰ বর্ণনা আদিৰ যোগেদি বাণৰ অভিজ্ঞতা সমৃদ্ধ জ্ঞানৰ পৰিচয় পোৱা যায়।

'কাদম্বৰী' কাব্যখন অধ্যয়ন কৰিলে সেইসময়ৰ বাণ-কালীন ভাৰতবৰ্ষৰ এখন স্পষ্ট-সামাজিক চিত্ৰ পোৱা যায়। চন্দ্ৰাপীড়ৰ শিক্ষা গ্ৰহণ ব্যৱস্থাৰ বৰ্ণনাৰ যোগেদি সেই সময়ৰ ভাৰতবৰ্ষত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আভাস পোৱা যায়। সেইদৰে সূতিকাগৃহ বৰ্ণনা, পুত্ৰৰ জন্মোৎসৱৰ বৰ্ণনা আদিৰ মাধ্যমেৰে ভাৰতত সেই সময়ত প্ৰচলিত বিভিন্ন সামাজিক নিয়ম-নীতিৰ ধাৰণা পোৱা যায়। ইয়াৰ উপৰিও কাদম্বৰী কাব্যখন ভৌগোলিক দিশতো তথ্য সমৃদ্ধ। তাত পোৱা বিভিন্ন নদ-নদী, পাহাৰ-পৰ্বত, জনপদ, জনগোষ্ঠীসমূহৰ নাম আদি অধ্যয়ন কৰিলে সেই সময়ৰ ভাৰতবৰ্ষৰ ভৌগোলিক স্থিতি সম্বন্ধে জ্ঞান আহৰণ কৰিব পাৰি।

কাদম্বৰী শব্দৰ প্ৰকৃত অৰ্থ 'সুৰা' বা 'মদিৰা'। সুৰাৰ প্ৰভাৱত মানুহ যেনেদৰে আত্মহাৰা হয়, 'কাদম্বৰী' পাঠ কৰিলেও মানুহ বিভোৰ হৈ পৰে। বাণভট্টৰ বিস্তৰ অভিজ্ঞতা, সূক্ষ্ম নিৰীক্ষণ শক্তি আৰু নিপুণ প্ৰতিভাৰে ৰচনা কৰা এই কাব্যখনি পণ্ডিতসমাজৰ মাজত এখন উৎকৃষ্ট কথা-কাব্যৰূপে সৰ্বদা আদৰণীয় হৈ আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ঃ শৃঙ্গাৰ ৰসৰ ভাগ দুটাৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ১০ঃ 'কাদম্বৰী' শব্দৰ প্ৰকৃত অৰ্থ কি?

.....

.....

১৩.৮ বাণভট্টৰ পৰৱৰ্তী প্ৰভাৱ

সংস্কৃত সাহিত্যৰ কবিসকলৰ ৰচনাৱলীত বাণভট্টৰ প্ৰভাৱ বাৰুকৈয়ে পৰা দেখা যায়। বিশেষকৈ বাণৰ পাছৰ কবিসকলৰ বাবে তেওঁৰ লিখনিসমূহ যেন বীজস্বৰূপ। দৰাচলতে বাণভট্টৰ লিখনিসমূহত এনে কোনো বিষয়-বস্তুৰ বৰ্ণনা নাই যি পৰৱৰ্তী কবিসকলৰ লিখনিত পোৱা যায়, সেইবাবেই সংস্কৃত জগতত যথাযথ ভাৱেই কোৱা হয় যে 'বাণোচ্ছিষ্টং জগৎ সৰ্বম্' অৰ্থাৎ 'জগতৰ সকলো বস্তুৱেই বাণে স্পৰ্শ কৰি গৈছে, বাণৰ পৰৱৰ্তী কবিসকলৰ ৰচনাৰাজিত বিশেষ একো নতুনত্ব বিচাৰি পোৱা নাযায়। এই ক্ষেত্ৰত গদ্যকাৰ সুবন্ধুৰ নাম উল্লেখ কৰিব পাৰি। সুবন্ধুক অৱশ্যে বহুতো সমালোচকে বাণৰ পূৰ্বৱৰ্তী কবি বুলি প্ৰতিষ্ঠিত কৰিব বিচাৰে। কাৰণ বাণে তেওঁৰ লিখনিত 'বাসবদত্তা'-ৰ উল্লেখ কৰিছে। সুবন্ধুৱেও 'বাসৱদত্তা' নামৰ গদ্যকাব্য ৰচনা কৰিছিল। কিন্তু বাণে উল্লেখ কৰা 'বাসৱদত্তা' সুবন্ধুৰ 'বাসৱদত্তা' নহয়। বাৰ্তিককাৰ কাত্যায়নে বাসৱদত্তা— উদয়নৰ কাহিনীৰ আধাৰত 'বাসৱদত্তা' ৰচনা কৰিছিল। এইখন বাণভট্টৰ সময়ত উপলব্ধ আছিল, কিন্তু অধুনা লুপ্ত। ইয়াৰ উপৰিও সুবন্ধুৱে তেওঁৰ লিখনিত বাণৰ কাদম্বৰীৰ অনেক ঘটনাই অনুকৰণ কৰা যেন লাগে। গতিকে সুবন্ধুৰ দ্বাৰা ৰচিত 'বাসৱদত্তা' নামৰ

গদ্যকাব্যখনিত বাণভট্টৰ প্ৰভাৱ যথেষ্ট পৰিছে। ইয়াৰ উপৰিও দণ্ডী, ত্ৰিবিক্ৰমভট্ট, সোমদেৱ, সোড্ঢল আৰু অম্বিকাদত্ত ব্যাস আদি গদ্যকাৰসকলে বাণভট্টক নিজৰ নিজৰ আদৰ্শ ৰূপে গণ্য কৰিছে। সেয়েহে তেওঁলোকৰ লিখনিসমূহত বাণৰ স্পষ্ট প্ৰভাৱ পৰা পৰিলক্ষিত হয়। শ্ৰীহৰ্ষ ৰচিত 'নৈষধচৰিত' কাব্যতো বাণভট্টৰ 'কাদম্বৰী'ৰ প্ৰভাৱ পৰা দেখা যায়।

ইয়াৰ উপৰিও পণ্ডিতসকলে বাণভট্টৰ বিশাল-সাহিত্য কৰ্মৰ ভূয়সী প্ৰশংসা কৰিতেওঁৰ বাবে বহু প্ৰশস্তি লিখি থৈ গৈছে। সোড্ঢলে তেওঁৰ 'উদয়সুন্দৰীকথা' নামৰ কাব্যত বাণভট্টক 'সৰ্বেশ্বৰ' বুলি উল্লেখ কৰি কৈছে যে— 'ৰসেশ্বৰং স্তৌমি চ কালিদাসং বাণং তু সৰ্বেশ্বৰমানতোহস্মি।' অৰ্থাৎ কালিদাসক 'ৰসেশ্বৰ' বুলি কোৱা হয় কিন্তু বাণক 'সৰ্বেশ্বৰ' বুলি মানো।' সেইদৰে পণ্ডিত গোবৰ্দ্ধনাচাৰ্যই তেওঁৰ 'আৰ্য়াসপ্তশতী' নামৰ গ্ৰন্থত বাণভট্টক মূৰ্তিমান সাহিত্য-প্ৰতিভা বুলি বৰ্ণনা কৰি এনেদৰে উল্লেখ কৰিছে—

জাতা শিখণ্ডিনী প্ৰাগ্ যথা শিখণ্ডী তথাহৱগচ্ছামি।
প্ৰাগল্ভ্যমধিকমাপ্তুং ৱাণী বাণো বভূৱেতি।।

উক্ত শ্লোকফাঁকিৰ অৰ্থ হৈছে— 'যেনেকৈ প্ৰথমতে শিখণ্ডিনী হৈ জন্মি পিছত শিখণ্ডী হৈছিল, তেনেকৈ বোধকৰোঁ প্ৰকাশৰ আধিক্য লাভৰ বাবে বাণীয়ে (সাহিত্য-প্ৰণয়নৰ প্ৰতিভাই) বাণ হৈছিল।' এনেদৰে বাণভট্টৰ সাহিত্যকৰ্মৰ প্ৰশংসা কৰি অনেক সংস্কৃত পণ্ডিতে বহু প্ৰশংসা-বাণী লিখি থৈ গৈছে। এনেধৰণৰ প্ৰশস্তিসূচক মন্তব্যই বাণভট্টক বিশ্বদৰবাৰত সৰ্বজনসম্মানিত কবি ৰূপে প্ৰতিষ্ঠিত কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'বাসৱদত্তা' নামৰ গ্ৰন্থখনৰ ৰয়িতা কোন?

.....

.....

প্ৰশ্ন নং ১২ঃ শ্ৰীহৰ্ষ ৰচিত কাব্যখনৰ নাম লিখক?

.....

.....

প্ৰশ্ন নং ১৩ঃ 'উদয়সুন্দৰীকথা' কাব্যৰ ৰচয়িতাগৰাকী কোন?

.....

.....

প্ৰশ্ন নং ১৪ঃ বাণভট্টক কোনে 'সৰ্বেশ্বৰ' বুলি কৈ গৈছে?

.....

.....

প্ৰশ্ন নং ১৫ঃ 'আৰ্য়াসপ্তশতী' নামৰ গ্ৰন্থখনৰ গ্ৰন্থকাৰজনৰ নাম লিখক।

.....

.....



১৩.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাণভট্ট বিৰচিত গদ্যকাব্য 'কাদম্বৰী'ৰ বিষয়ে অধিক জানিব পাৰিলে। লগতে বাণভট্টৰ ৰচনাশৈলীৰ বিষয়েও অৱগত হ'ল। বিভিন্ন সময়ত বিভিন্ন সমালোচকে বাণৰ লিখনিসমূহৰ ওপৰত মতামত আগবঢ়াই আহিছে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি সেই সমালোচনাসমূহৰো আভাস পালে। লগতে তেওঁৰ গদ্যশৈলী, 'কাদম্বৰী'ৰ কাব্যিক বৈশিষ্ট্য, বাণৰ প্ৰতি আগবঢ়োৱা প্ৰাচীন প্ৰশস্তিসমূহৰ লগতো পৰিচিত হ'ল। দৰাচলতে এই জগতত এনে কোনো বস্তু নাই যিয়ে বাণৰ লিখনিত স্থান পোৱা নাই। গদ্যকাৰৰূপে বাণ অদ্বিতীয়। 'কাদম্বৰী' নামৰ কথাকাব্য প্ৰণয়ন কৰি বাণে সংস্কৃত গদ্যকাব্যৰ লেখকসকলৰ ভিতৰত শ্ৰেষ্ঠ স্থান লাভ কৰিছিল। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি এই সকলোবোৰ কথা বিশদভাৱে জানিব পাৰিলে।



১৩.১০ অধিক জানিবলৈ

১) এম্, আৰ্, কালে (সম্পাদিত), কাদম্বৰী, পূৰ্বভাগ ঃ, তত্ত্বপ্ৰকাশিকা টীকা, দিল্লী, ১৯৬৮

২) পি ভি কানে (সম্পাদিত), হৰ্ষচৰিতম্, দিল্লী, ১৯৮৬

৩) প্ৰভাত চন্দ্ৰ শৰ্মা, কাদম্বৰী (অনুবাদ), আবিলেক, ২০০০

৪) থানেশ্বৰ শৰ্মা, সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৫



১৩.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বাণভট্টৰ পিতৃৰ নাম চিত্ৰভানু আৰু মাতৃৰ নাম ৰাজ্যদেৱী।

২ নং প্ৰশ্নৰ উত্তৰঃ থানেশ্বৰ ৰাজ্যৰ ৰজা সম্ৰাট হৰ্ষবৰ্দ্ধন।

৩ নং প্ৰশ্নৰ উত্তৰঃ মাধুৰ্য্য আৰু সৌকুমাৰ্য্য গুণেৰে মণ্ডিত ৰীতিকেই পাঞ্চালী ৰীতি বোলা হয়।

৪ নং প্ৰশ্নৰ উত্তৰঃ ওজঃ গুণ প্ৰকাশক কাব্য ৰচনা ৰীতিকে গৌড়ী ৰীতি বোলা হয়।

৫ নং প্ৰশ্নৰ উত্তৰঃ মাধুৰ্য্য গুণযুক্ত বৰ্ণৰ সমাবেশত সুললিত বা অলপ সমাসবিশিষ্ট ৰচনাৰ ৰীতিক বৈদৰ্ভী ৰীতি বোলা হয়।

৬ নং প্ৰশ্নৰ উত্তৰঃ এটা পদেৰে একাধিক অৰ্থ বুজালে শ্লেষ বোলা হয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ পৰম্পৰাগতভাৱে সংস্কৃত গদ্যৰ ভাগ চাৰিটা। সেইকেইটা হৈছে— মুক্তক, বৃত্তগন্ধী, উৎকলিকাপ্ৰায় আৰু চূৰ্ণক।

৮ নং প্ৰশ্নৰ উত্তৰঃ 'নবৰস' পদেৰে কাব্যৰ নটা ৰসক বুজোৱা হৈছে। সেইকেইটা হৈছে— শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, বীভৎস, ভয়ানক, অদ্ভুত আৰু শান্ত।

৯ নং প্ৰশ্নৰ উত্তৰঃ শৃঙ্গাৰ ৰসৰ ভাগ দুটা হৈছে— সম্ভোগ-শৃঙ্গাৰ ৰস আৰু ৱিপ্ৰলম্ভ-শৃঙ্গাৰ ৰস।

১০ নং প্ৰশ্নৰ উত্তৰঃ সুৰা বা মদিৰা।

১১ নং প্ৰশ্নৰ উত্তৰঃ সুবন্ধু।

১২ নং প্ৰশ্নৰ উত্তৰঃ নৈষধচৰিতম্।

১৩ নং প্ৰশ্নৰ উত্তৰঃ সোড্ঢ়ল।

১৪ নং প্ৰশ্নৰ উত্তৰঃ সোড্ঢ়লে।

১৫ নং প্ৰশ্নৰ উত্তৰঃ গোবৰ্দ্ধনাচাৰ্য্য।



১৩.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ বাণভট্টৰ ৰচনাৰীতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ কাদম্বৰী কথা নে আখ্যায়িকা? ব্যাখ্যা কৰি লিখক।

প্ৰশ্ন ৩ঃ ব্যাখ্যা কৰি লিখক— বাণোচ্ছিষ্টং জগৎ সর্ৱম্।

প্ৰশ্ন ৪ঃ গদ্যং কৱীনাং নিকষং বদন্তি— বাক্যফাঁকিৰ অৰ্থ বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ অর্থশাস্ত্র ঃ (সাধাৰণ আলোচনা)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অর্থশাস্ত্ৰৰ ৰচয়িতা
১৪.৪ অর্থশাস্ত্ৰৰ বিষয়বস্তু
১৪.৫ অর্থশাস্ত্ৰৰ নামকৰণৰ তাৎপর্য
১৪.৬ ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্ৰৰ গুৰুত্ব
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবলৈ
১৪.৯ অগ্রগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- অর্থশাস্ত্ৰৰ বিষয়ে জানিব পাৰিব
- অর্থশাস্ত্ৰৰ লিখকৰ বিষয়ে অৱগত হ'ব
- অর্থশাস্ত্ৰৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব
- অর্থশাস্ত্ৰৰ নামকৰণৰ তাৎপর্যৰ বিষয়ে জানিব
- সমগ্ৰ ভাৰতৰ বিভিন্ন গ্ৰন্থসমূহৰ মাজত অর্থশাস্ত্ৰৰ যিটো সুকীয়া স্থান আছে সেই বিষয়েও অৱগত হ'ব।

১৪.২ পৰিচয়

সমগ্ৰ সংস্কৃত সাহিত্যৰ তথা ভাৰতীয় পৰম্পৰাৰ ভিতৰত এখন অমূল্য গ্ৰন্থ হ'ল অর্থশাস্ত্ৰ। নামকৰণৰক্ষেত্ৰত 'অর্থ' পদটোৰ অৱস্থিতি থাকিলেও প্ৰকৃততে এইখন এখন সমাজশাস্ত্ৰ। প্ৰাচীন ভাৰতীয় সমাজৰ বিভিন্ন দিশৰ সূক্ষ্মাতিসূক্ষ্ম বিষয়ক লৈ কৰা অতি গভীৰ অধ্যয়ন আৰু আলোচনাৰ প্ৰতিফলন ঘটিছে এই গ্ৰন্থত। পণ্ডিতপ্ৰৱৰ কৌটিল্যৰ ৰাজনীতি সম্বন্ধীয় জ্ঞানৰ আধাৰত ৰচিত হোৱা এই গ্ৰন্থখনে ৰাজ্য বা সমাজৰ সফল শাসনব্যৱস্থা তথা সার্থক বিধি-নিয়মৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। প্ৰাচীন ভাৰতৰ নন্দবংশক সমূলে উৎখাত কৰাৰ বাসনা মনত লৈ আগবাঢ়ি যোৱা চাণক্য বা কৌটিল্যৰ বাস্তৱ অভিজ্ঞতাসম্পন্ন সুগভীৰ জ্ঞানৰ পৰাকাষ্ঠা দেখিবলৈ পোৱা যায় অর্থশাস্ত্ৰত। সেই কাৰণেই কোৱা হয় যে অর্থশাস্ত্ৰখন কেৱল মাত্ৰ ৰাজনীতি বা দণ্ডনীতিৰ গ্ৰন্থ নহয়। এইখন

গ্ৰন্থ হৈছে সমাজ এখনত প্ৰচলিত প্ৰায় সকলো বিষয়ক সামৰি লোৱা এটি গৱেষণাসমৃদ্ধ তথা ব্যৱহাৰিক উপযোগিতা থকা মহামূল্যবান জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ। ৰাজনীতি বা দণ্ডনীতিৰ বাহিৰেও অর্থশাস্ত্ৰত আলোচিত হৈছে আয়ুর্বেদ, বাস্তুবিদ্যা, ধনুর্বেদ, উদ্ভিদবিদ্যা, ইতিহাস আদি বিষয়সমূহ। সেই কাৰণে যুগ যুগ ধৰি পণ্ডিতসকলে এই গ্ৰন্থ অধ্যয়ন কৰি নিজৰ নিজৰ ক্ষেত্ৰত বহুতো জ্ঞানৰ সন্ধান লাভ কৰিছে। বর্তমান যুগতো এই গ্ৰন্থৰ প্ৰাসংগিকতা সমানভাৱেই প্ৰযোজ্য। প্ৰাচীন ভাৰতীয় সমাজৰ বিষয়ে অধ্যয়ন কৰিবলৈ গ'লে অর্থশাস্ত্ৰৰ জ্ঞান অবিহনে এখোজো আগবাঢ়িব নোৱাৰি। তদুপৰি বর্তমানকালৰ বিভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত অর্থশাস্ত্ৰৰ বিষয়ে থকা জ্ঞানৰ উপযোগিতাৰ কথা কোনোমতেই নুই কৰিব নোৱাৰি। বর্তমান যুগত প্ৰচলিত হৈ থকা বহুতো শাসন তথা বিচাৰ ব্যৱস্থাৰ মূলটো অর্থশাস্ত্ৰত পোৱা যায়। গতিকে আজিৰ যুগতো কৌটিল্যৰ অর্থশাস্ত্ৰৰ উপযোগিতা সমানেই প্ৰৱাহমান। ইতিহাস, শাসনব্যৱস্থা, দণ্ডনীতি বা সমাজনীতিৰ শিক্ষার্থী এজনৰ বাবে অর্থশাস্ত্ৰৰ অধ্যয়ন অতিকৈ প্ৰয়োজনীয়। এই অধ্যায়টিত আপুনি কৌটিল্যৰ অর্থশাস্ত্ৰৰ বিষয়ে এটি সাধাৰণ জ্ঞান লাভ কৰিব। তদুপৰি সমগ্ৰ ভাৰতীয় সমাজত এই গ্ৰন্থৰ গুৰুত্ব কেনেকুৱা সেই বিষয়েও আপুনি অৱগত হ'ব।

১৪.৩ অর্থশাস্ত্ৰৰ ৰচয়িতা

অর্থশাস্ত্ৰৰ ৰচক হিচাপে কৌটিল্যৰ নামটোৱেই সর্বাধিক জনপ্ৰিয়। কিন্তু তেওঁ চাণক্য আৰু বিষ্ণুগুপ্ত নামেৰেও জনাজাত। কৌটিল্য আৰু চাণক্য— এই দুয়োটা নাম আৰু তাৰ অর্থ লৈ পণ্ডিতসকলৰ মাজত যথেষ্ট মতবিৰোধ দেখিবলৈ পোৱা যায়। কিছুমান পণ্ডিতৰ মতে কৌটিল্য পদটো 'কুটিল' শব্দৰ পৰা অহা হেতুকে গ্ৰন্থকাৰ এজনৰ বিষয়ে প্ৰয়োগ কৰাটো সমীচীন নহয়। গতিকে কুটল গোত্ৰৰপৰা জন্ম হোৱা কাৰণে কৌটল্য শব্দটোহে গ্ৰহণযোগ্য বুলি তেওঁলোকে মত প্ৰকাশ কৰে। কিন্তু এই অভিমতটো সর্বজনগ্ৰাহ্য নহয় আৰু অর্থশাস্ত্ৰৰ ৰচয়িতা হিচাপে কৌটিল্য নামটোৱেই অধিক জনাজাত। সেই কাৰণে অর্থশাস্ত্ৰৰ প্ৰণেতা বুলি ক'লে সাধাৰণভাৱে কৌটিল্যৰ নামটোৱেই উচ্চাৰণ কৰা হয়। চাণক্য শব্দটোৰ অর্থ বিশ্লেষণ লৈও পণ্ডিতসকল একমত নহয়। কিছুসংখ্যক পণ্ডিতৰ মতে চণক নামৰ ঋষিজনৰ পুত্ৰহোৱা বাবে কৌটিল্যক চাণক্য বুলি অভিহিত কৰা হয়। আন কিছুসংখ্যক পণ্ডিতে কয় যে 'চণক' নামৰ ঠাইত জন্মগ্ৰহণ কৰা বাবে চণক পদটোৰ পৰা চাণক্য পদটোৰ উৎপত্তি হৈছে। আকৌ অর্থশাস্ত্ৰৰ প্ৰণেতা হিচাপে বিভিন্ন গ্ৰন্থত বিষ্ণুগুপ্তৰ নামটো পোৱা যায়। উদাহৰণস্বৰূপে ক'ব পাৰি যে কামন্দকীয় নীতিসাৰত, বিশাখদত্তপ্ৰণীত মুদ্ৰাৰাক্ষস নামৰ নাটকত তথা আচার্য দণ্ডী বিৰচিত দশকুমাৰ চৰিতত অর্থশাস্ত্ৰকাৰ হিচাপে বিষ্ণুগুপ্ত নামটো উক্ত হৈছে। কিছুসংখ্যক পণ্ডিতৰ মতে আকৌ বিষ্ণুগুপ্ত আৰু চাণক্য হ'ল দুজন পৃথক ব্যক্তি। কিন্তু এই অভিমতৰ সপক্ষেও নিশ্চিত প্ৰমাণ পোৱা নাযায়। বহু যুগ ধৰি চলি অহা ধাৰণা মতে বিষ্ণুগুপ্ত চাণক্য বা কৌটিল্যৰে প্ৰকৃত নাম। কুটিল বা বেঁকা বুদ্ধিযুক্ত হোৱা বাবে তেওঁক কৌটিল্য বুলি অভিহিত কৰা হয়। মুদ্ৰাৰাক্ষস নাটকত 'কৌটিল্যঃ কুটিলমতিঃ' বুলি যি ধাৰণা আগবঢ়োৱা হৈছে সেইটোৰ পৰাও অনুমান কৰা যায় যে কুটিল বুদ্ধি যুক্ত হোৱা বাবেই চাণক্য বা

বিষ্ণুগুপ্তক কৌটিল্য বুলি কোৱা হৈছিল। অর্থশাস্ত্র গ্ৰন্থতেই একাধিকবাৰ অর্থশাস্ত্ৰৰ ৰচয়িতা হিচাপে কৌটিল্যৰ নাম উল্লেখ কৰা হৈছে। যেনে শাসনাধিকাৰ অংশত কোৱা হৈছে—

সর্বশাস্ত্রান্যনুক্রম্য প্রয়োগমুপলভ্য চ।
কৌটিল্যেন নৰেন্দ্রার্থে শাসনস্য বিধিঃ কৃতঃ।।

এইবোৰ উক্তিৰ পৰা ধাৰণা কৰা যায় যে কৌটিল্যই আছিল অর্থশাস্ত্ৰৰ ৰচয়িতা।



অগ্ৰগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ অর্থশাস্ত্ৰৰ ৰচয়িতা কোন?

.....

.....

প্রশ্ন নং ২ঃ কৌটিল্য শব্দৰ অর্থ কি?

.....

.....

প্রশ্ন নং ৩ঃ কৌটিল্যৰ প্রকৃত নাম কি আছিল?

.....

.....

প্রশ্ন নং ৪ঃ চাণক্য পদটো ক'ৰ পৰা উৎপন্ন হৈছে?

.....

.....

প্রশ্ন নং ৫ঃ কি কি গ্ৰন্থত অর্থশাস্ত্ৰৰ ৰচয়িতা হিচাপে বিষ্ণুগুপ্তৰ নাম পোৱা যায়।

.....

.....

১৪.৪ অর্থশাস্ত্ৰৰ বিষয়বস্তু

অর্থশাস্ত্ৰৰ বিষয়বস্তু সম্পূর্ণৰূপে ৰাজ্যশাসনসম্বন্ধীয়। কাৰণ কৌটিল্যৰ মতে প্রজাসকলৰ মঙ্গল সাধন কৰা আৰু ৰাজ্যত সকলোৱে সুখৰ বাবে যথাযথ আইন প্রণয়ন কৰা তথা শত্রু-ৰাজ্যৰ ৰজাৰ কাম-কাজৰ প্রতি লক্ষ্য ৰখাটোৱে আছিল ৰজাসকলৰ মূল কর্ত্তব্য। ৰজাৰ এই প্রাথমিক কর্ত্তব্যৰ কথা মনত ৰাখিহে পূর্ববর্তী আচার্যসকলৰ অভিমত বিচাৰ-বিবেচনা কৰি কৌটিল্যই ৰচনা কৰিছিল অর্থশাস্ত্ৰৰ নিচিনা অতি গুৰুত্বপূর্ণ গ্ৰন্থখন। গতিকে স্বাভাৰিকভাৱেই এই গ্ৰন্থখনৰ বিষয়বস্তু ৰাজ্য শাসনক কেন্দ্র কৰি লিপিবদ্ধ কৰা হৈছে। সমগ্র অর্থশাস্ত্ৰৰ বিশালতাপূর্ণ বিষয়বস্তুক অধিকৰণ, প্রকৰণ আৰু অধ্যায়ত ভাগ কৰা হৈছে। সম্পূর্ণ অর্থশাস্ত্রত পোন্ধৰটা (১৫) অধিকৰণ আছে, এশ আশিটা (১৮০) প্রকৰণ আছে আৰু এশ পঞ্চাশ (১৫০) টা অধ্যায় আছে। অর্থশাস্ত্রত থকা অধিকৰণসমূহৰ নামবোৰ হ'ল (ক) বিনয়াধিকাৰিক, (খ) অধ্যক্ষ প্রচাৰ, (গ) ধর্মস্থীয়, (ঘ)

কণ্টকশোধন, (ঙ) যোগবৃত্ত, (চ) মণ্ডলযোনি, (ছ) ষাড়গুণ্য, (জ) ব্যসনাধিকাৰিক, (ঝ) অভিযাস্যৎকর্ম, (ঞ) সাংগ্রামিক, (ট) সংঘবৃত্ত, (ঠ) আৱলীয়স্, (ড) দুর্গলাভোপায় , (ঢ) ঔপনিষদ, (ণ) তন্ত্রযুক্তি। ইয়াৰ ভিতৰত বিনয়াধিকাৰিকশীর্ষক প্রথম অধিকৰণত ৰজাসকলৰ বিনয়শিক্ষা আৰু বিদ্যাৰ বিষয়ে কোৱা হৈছে, দ্বিতীয় অধিকৰণত বিভিন্ন শাখাৰ অধ্যক্ষসকলৰ কাম-কাজৰ বিষয়ে আলোচনা কৰা হৈছে। অর্থশাস্ত্রৰ ধর্মস্থীয় নামৰ তৃতীয় অধিকৰণত দেৱানী প্রক্রিয়াৰ বিষয়ে কোৱা হৈছে। কণ্টকশোধন নামৰ অধিকৰণত ফৌজদাৰী প্রক্রিয়াৰ বিষয়ে আৰু প্রমাণিত অপৰাধীৰ শাস্তিৰ বিষয়ে আলোচনা কৰা হৈছে। যোগবৃত্ত নামৰ অধিকৰণত গুপ্তচৰবিলাকৰ কাম-কাজৰ কথা আলোচিত হৈছে। মণ্ডলযোনি নামৰ ষষ্ঠ অধিকৰণত বাৰজন ৰজাৰ বিভিন্ন বিষয় লৈ বিষয়বস্তু প্রতিপাদন কৰা হৈছে। ষাড়গুণ্য শীর্ষক অধিকৰণটোত সন্ধি-বিগ্রহ-যান-আসন-দ্বৈধ আৰু আশ্রয় ৰজাসকলৰ এই ছটা গুণৰ বিষয়ে আলোচনা কৰা হৈছে। ব্যসনাধিকাৰিক নামৰ অধিকৰণটোত ৰাজ্যৰ ব্যসন অর্থাৎ বিভিন্ন ধৰণৰ বিপদৰ বিষয়ে আলোচনা আছে। বিজয় ইচ্ছা কৰা ৰজাৰ শত্রু ৰাজ্যৰ প্রতি স্থিৰ কৰা আক্রমণ আদিলৈ বিষয় বস্তুৰ অৱতাৰণা কৰা হৈছে। অভিযাস্যৎকর্মনামৰ অধিকৰণটোত। সাংগ্রামিক নামৰ দশম অধিকৰণত সংগ্রাম অর্থাৎ যুদ্ধৰ বিষয়ে আলোচনা আছে। সংঘবৃত্ত অধিকৰণত বিভিন্ন সংঘ বা শ্রেণীৰ প্রতি কৰিবলগীয়া ৰজাৰ আচাৰ-ব্যৱহাৰৰ বিষয়ে কোৱা হৈছে। আবলীয়স্ নামৰ দ্বাদশ অধিকৰণত যিজন ৰজাই শত্রুৰাজ্য জয় কৰিবলৈ ইচ্ছা কৰিছে অথচ তুলনামূলকভাৱে দুর্বল— তেনেকুৱা ৰজাৰ কর্ত্তব্যৰ বিষয়ে আলোচনা কৰা হৈছে। দুর্গলাভোপায়নামৰ অধিকৰণত শত্রুসকলৰ দুর্গবিলাক কেনেদৰে অধিকাৰ কৰা যায় সেই বিষয়ে আলোচনা দিয়া হৈছে। ঔপনিষদ শীর্ষক প্রকৰণত শত্রুক কেনেদৰে পৰাস্ত কৰা যায় সেই গূঢ় বিষয় সন্দর্ভত বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে। সমগ্র অর্থশাস্ত্রত বিভিন্ন ধৰণৰ যি ব্যাখ্যান-ন্যায়ৰ কথা আছে সেইবোৰসম্বন্ধীয় আলোচনাসমৃদ্ধ বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে তন্ত্রযুক্তি নামৰ অন্তিম অধিকৰণত। এনেদৰে দেখা যায় যে মহামতি কৌটিল্যই ৰচনা কৰা অর্থশাস্ত্র গ্রন্থখনত এজন ৰাজ্যশাসকৰ সকলো দিশ সামৰি লৈ বিষয়বস্তু নির্ণয় কৰা হৈছে। এজন ৰজাৰ আদর্শ হোৱা উচিত জিতেন্দ্রিয় হোৱাটো। আচার্য-কৌটিল্যই গ্রন্থৰ প্রথম ভাগতেই উল্লেখ কৰিছে যে ইন্দ্রিয়জয়েই হ'ল সকলো শ্রেয়বস্তুৰ সাধন। ইন্দ্রিয় সংযম কৰিলেহে ৰজাই নিজৰ প্রকৃত কামৰ বাবে উদ্যোগী হ'ব পাৰিব— এয়াই আছিল কৌটিল্যৰ অভিমত। এই অভিমত হৃদয়ত ৰাখি তেওঁ তেওঁৰ সমগ্র অর্থশাস্ত্র গ্রন্থখনত ৰজাৰ কর্তব্য-অকর্তব্যৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। সেই ফালৰ পৰা ক'বলৈ গ'লে অর্থশাস্ত্র গ্রন্থখন বিষয়বস্তুৰ মাহাত্ম্যত সমৃদ্ধিশালী তথা অতি প্রয়োজনীয়।



জানি থোৱা ভাল

১। মীমাংসা গ্রন্থৰ অধ্যায়সমূহক অধিকৰণ বোলা হয়।

২। যিটো অধ্যায়ত এটি নির্দিষ্ট বিষয়ক লৈ আলোচনা আগবঢ়োৱা হয় তাকেই প্রকৰণ বুলি কোৱা হয়। যেনে, ভট্টোজিদীক্ষিতে ৰচনা

কৰা বৈয়াকৰণসিদ্ধান্তকৌমুদী গ্ৰন্থৰ অধ্যায়বোৰক কোৱা হৈছে সংজ্ঞাপ্রকৰণ, পৰিভাষা প্রকৰণ ইত্যাদি।

৩। দেৱানী আৰু ফৌজদাৰী পদ দুটা বিচাৰ প্রক্রিয়াৰ লগত জড়িত। দেৱানী শব্দটোৱে স্বত্বস্থিৰ কৰা সম্পর্কীয় গোচৰ লোৱা আদালতক বুজায় আৰু ফৌজদাৰী পদটোৱে অপৰাধ সংক্রান্ত গোচৰ লোৱা আদালতক বুজায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ অর্থশাস্ত্রত মূল প্রতিপাদ্য বিষয় কি?

.....

.....

প্রশ্ন নং ৭ঃ অর্থশাস্ত্রত কেইটাকৈ অধিকৰণ, প্রকৰণ আৰু অধ্যায় আছে?

.....

.....

প্রশ্ন নং ৮ঃ অর্থশাস্ত্রৰ তৃতীয় অধিকৰণটোৰ নাম কি? এই অধিকৰণৰ আলোচ্য বিষয় কি?

.....

.....

প্রশ্ন নং ৯ঃ যোগবৃত্ত নামৰ অধিকৰণটোত কি বিষয়লৈ আলোচনা কৰা হৈছে?

.....

.....

প্রশ্ন নং ১০ঃ অর্থশাস্ত্রত থকা অন্তিম অধিকৰণটোৰ নাম কি?

.....

.....

প্রশ্ন নং ১১ঃ কৌটিল্যৰ মতে সকলো শ্রেয়বস্তুৰ সাধন কি?

.....

.....

প্রশ্ন নং ১২ঃ ৰাজ্য শাসনৰ ক্ষেত্রত প্রয়োজনীয় ৰজাসকলৰ ছটা গুণ কি কি?

.....

.....

১৪.৫ অর্থশাস্ত্র নামকৰণৰ তাৎপর্য

কৌটিল্যৰ অর্থশাস্ত্রৰ নামকৰণটোৱে বিশাল তাৎপর্য বহন কৰে। সাধাৰণভাৱে অর্থশব্দটোৱে ধন-সম্পত্তি, টকা-পইচাক বুজায়। সেই কাৰণে অর্থসম্বন্ধীয় শাস্ত্র-অর্থশাস্ত্র এই

অর্থ গ্রহণ কৰি বহুতে অর্থশাস্ত্র গ্রন্থখনক অর্থনীতিৰ (Economics) গ্রন্থ বুলি ভাবিবৰ প্রয়াস কৰে। ভাৰতীয় পৰম্পৰা তথা প্রাচীন বিদ্যাসমূহৰ বিষয়ে প্রকৃতজ্ঞান নাথাকিলে অৱশ্যে এনেকুৱা চিন্তা কৰাটো অতি স্বাভাৱিক বুলি ক'ব পাৰা যায়। কাৰণ প্রাচীন ভাৰতীয় পটভূমিত অর্থ শব্দটোৱে এক বিশাল ক্ষেত্রক সামৰি লৈছিল। সেইখিনি কথা অৱগত হ'লেহে অর্থশাস্ত্র শব্দৰ প্রকৃত অর্থ পোৱা যাব। এই অংশত অর্থশাস্ত্র শব্দৰ মূল অর্থ আৰু এই অর্থৰ তাৎপর্যৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

প্রকৃততে দণ্ডনীতিয়েই অর্থশাস্ত্রৰ মূল বিষয়বস্তু। ৰজাৰ বিভিন্ন কর্তব্য-অকর্তব্য, ৰাজ্য শাসন পদ্ধতি, শত্রু ৰাজ্যৰ প্রতি উপযুক্ত দৃষ্টিভঙ্গী— ইত্যাদি বিষয়সমূহক সামৰি লৈ কৌটিল্যই অর্থশাস্ত্র গ্রন্থখন ৰচনা কৰিছে। গতিকে দণ্ডনীতি অর্থশাস্ত্রৰ মুখ্য আলোচনীয় বিষয়। এই দণ্ডনীতি হ'ল চাৰিপ্রকাৰৰ মূল ভাৰতীয় বিদ্যাৰ ভিতৰত এটি। অর্থশাস্ত্রতেই কোৱা হৈছে 'আন্বীক্ষিকী ত্রয়ী বার্তা দণ্ডনীতিশ্চেতি (দণ্ডনীতিঃ + চ + ইতি) বিদ্যাঃ'। অর্থাৎ **আন্বীক্ষিকী** বা হেতুবিদ্যা, ত্রয়ী অর্থাৎ ঋক্‌বেদ, সামবেদ আৰু যজুর্বেদ সম্বন্ধীয় বিদ্যা, বার্তা অর্থাৎ কৃষি-বাণিজ্য-পশুপালন সম্বন্ধীয় বিদ্যা আৰু দণ্ডনীতি বা ৰাজনীতি— এয়াই চাৰিপ্রকাৰৰ মুখ্য বিদ্যা। যদিও প্রাচীন ভাৰতীয় বিদ্যাৰ এই চতুর্ধা বিভাজনক লৈ পণ্ডিতসকলৰ মাজত মতভেদ আছে তথাপি আচার্য্য কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত এই চাৰিপ্রকাৰৰ বিদ্যাকেই স্বীকাৰ কৰিছে। এই চাৰিপ্রকাৰ বিদ্যাৰ ভিতৰত থকা

দণ্ডনীতি নামৰ বিদ্যাকেই মুখ্য হিচাপে লৈ অর্থশাস্ত্র গ্রন্থখনত থকা বিষয়বস্তুৰ অৱতাৰণা কৰা হৈছে। দণ্ডনীতিৰ অস্তিত্বৰ বিষয়ে প্রাচীন পণ্ডিতসকল একমত। আচার্য মনুৱেও তেওঁৰ মনুসংহিতাৰ সপ্তম অধ্যায়ত ৰাজধর্মৰ বিষয়ে আলোচনা কৰিবলৈ গৈ দণ্ডৰ প্রয়োজনীয়তাৰ বিষয়ে কৈছে—

দণ্ডঃ শাস্তি প্রজাঃ সর্বাঃ দণ্ডং ধর্মং বিদুর্বুধাঃ। অর্থাৎ দণ্ডই প্রজাসকলক শাসন কৰে, তেওঁলোকক ৰক্ষা কৰে। মানুহ নিদ্রামগ্ন হ'লেও দণ্ড উজাগৰে থাকে। এনেকুৱা দণ্ডকেই জ্ঞানীসকলে ধর্ম বুলি আখ্যা দিয়ে। মহাভাৰতৰ শান্তিপর্বতো দণ্ডৰ উপযোগিতাৰ বিষয়ে স্পষ্টকৈ কোৱা হৈছে—

দণ্ডেন নীয়তে চেদং দণ্ডং নয়তি বা পুনঃ।
দণ্ড নীতিৰিতি খ্যাতা ত্রীন্ লোকান্ অভিবর্ততে।।

অর্থাৎ, দণ্ডৰ জৰিয়তেই জগৎসংসাৰ চালিত হয় আৰু দণ্ডই পুৰুষার্থ লাভৰ কাৰণ হয়। সেই কাৰণে ইয়াক দণ্ডনীতি বুলি কোৱা হয় আৰু এই নীতি ত্রিলোকতেই কার্যশীল। এই কথা সকলোৱে স্বীকাৰ কৰি লৈছে যে জগতখনক অৰাজকতাৰ পৰা ৰক্ষা কৰিব পৰা শক্তি কেৱল দণ্ডৰেই আছে। দণ্ডনীতিৰ এই মহত্ব উপলব্ধি কৰি স্বয়ং কৌটিল্যই তেওঁৰ অর্থশাস্ত্রত কৈছে— 'আন্বীক্ষিকীত্রয়ীবার্তানাং **যোগক্ষেমসাধনো** দণ্ডঃ। তস্য নীতির্দণ্ডনীতিঃ— অলব্ধলাভার্থা, লব্ধপৰিৰক্ষণী, ৰক্ষিতবিবর্ধনী বৃদ্ধস্য তীর্থেষু প্রতিপাদনী চ'। ইয়াৰ অর্থ হ'ল আন্বীক্ষিকী, ত্রিবেদাত্মক আৰু বার্তা এই তিনি প্রকাৰ বিদ্যাৰযোগক্ষেমসাধনকাৰী হ'ল দণ্ড। দণ্ডবিষয়ক নীতিকেই

আন্বীক্ষিকী = আন্বীক্ষিকী পদটোৱে তর্কবিদ্যা বা আত্মবিদ্যাকো বুজায়। গুৰুৰ মুখৰ পৰা শুনাৰ পিছত আলোচনাৰ মাজেদি যি বিদ্যা হৃদয়ঙ্গম কৰা হয় সেইটোৱে আন্বীক্ষিকী। সাংখ্য, যোগ, লোকায়ত— এই তিনিখন শাস্ত্রকেই আন্বীক্ষিকীৰ অন্তর্ভুক্ত কৰা হৈছে। কোৱা হয়— 'সাংখ্যং যোগো লোকায়তং চেত্যান্বীক্ষিকী'।

যোগ = যোগপদৰ অর্থ হ'ল ধনৰ উপার্জন আৰু বৃদ্ধি। কোৱা হয়— 'অলব্ধলাভো যোগঃ'। অর্থাৎ আগতে নোপোৱা সম্পদ প্রাপ্তিয়েই হ'ল যোগ।

ক্ষেম = ক্ষেমপদৰ অর্থ হ'ল সম্পদ বা ধনৰ ৰক্ষণাবেক্ষণ। কোৱা হয়— ' লব্ধপৰিপালনং ক্ষেমঃ' অর্থাৎ লাভ কৰা ধন বা সম্পত্তিৰ পৰিপালন বা ৰক্ষাই হ'ল ক্ষেম।

দণ্ডনীতি বোলে। দণ্ডনীতিয়ে নোপোৱা বস্তুক পোৱাই দিয়ে, লব্ধ বস্তুক ৰক্ষণাবেক্ষণ দিয়ে, ৰক্ষা কৰা ধনৰ বৃদ্ধি ঘটায় আৰু বৃদ্ধিপ্রাপ্ত বস্তুক যথাযোগ্যভাৱে নিয়োগ কৰে। এখন সমাজ এনেকুৱা নীতি অবিহনে কেতিয়াও ঠিক পথত চলিব নোৱাৰে। মহামতি কৌটিল্যই পূৰ্বাচাৰ্যসকলে পৰিবেশন কৰা দণ্ডনীতিৰ বিষয়ে মতামত নিৰীক্ষণ কৰি নিজৰ অন্তৰ্দৃষ্টিৰে সমাজত দণ্ডৰ প্রয়োজনীয়তা আৰু গুৰুত্ব অনুভৱ কৰি এই বিষয়ক প্রধান হিচাপে গ্রহণ কৰি অর্থশাস্ত্রখন ৰচনা কৰিছে। গতিকে অর্থশাস্ত্র পদটো দণ্ডনীতিৰ বাচক। কৌটিল্যৰ মতে পৃথিৱীৰ লাভৰ বাবে আৰু পালনৰ বাবে অর্থশাস্ত্রৰ প্রয়োজন। এনেকুৱা শাস্ত্র কৌটিল্যৰ পূৰ্বৱর্তী কিছুমান পণ্ডিতেও ৰচনা কৰি গৈছে আৰু কৌটিল্যও তেওঁলোকৰ পদাঙ্ক অনুসৰণ কৰি এনেকুৱা শাস্ত্র ৰচনাত প্রবৃত্ত হৈছে। এই কথা কৌটিল্যই নিজেই কৈছে তেওঁৰ গ্রন্থত— 'পৃথিব্যা লাভে পালনে চ যাবন্তি অর্থশাস্ত্রানি পূৰ্বাচার্যৈঃ প্রস্থাপিতানি প্রায়শস্তানি সংহৃত্য একমিদম্ অর্থশাস্ত্রং কৃতম্'। অর্থাৎ পৃথিৱীৰ লাভৰ বাবে আৰু পালনৰ বাবে যি যি অর্থশাস্ত্র পূৰ্ববর্ত্তী আচার্যসকলে ৰচনা কৰি গৈছে প্রায় সেই সকলোবোৰ একেলগ কৰি এইখন অর্থশাস্ত্র ৰচনা কৰা হ'ল। এই উক্তিৰ পৰা সহজেই অনুমান কৰা যায় যে অর্থশাস্ত্রৰ বিষয়বস্তু পৃথিৱীৰ মানুহৰ লাভৰ বাবে আৰু পৃথিৱীক সঠিকভাৱে পালনৰ বাবেহে প্রস্তুত কৰা হৈছে। অর্থাৎ কি পথ অনুসৰণ কৰিলে পৃথিৱীক সত্য তথা ন্যায়ৰ পথত ৰাখি মানুহৰ উন্নতি সাধন কৰা যাব— সেইটো বিষয়কেই মুখ্য হিচাপে লোৱা হৈছে অর্থশাস্ত্রত। এইখিনিতে মনকৰিবলগীয়া কথাটো হ'ল— অর্থ হ'ল ত্রিবর্গৰ অন্যতম। ধর্ম, অর্থ আৰু কাম এই তিনিটা পুৰুষার্থৰ ভিতৰত অর্থকেই প্রধান হিচাপে গণ্য কৰিছে মহামতি কৌটিল্যই। তেওঁ অর্থশাস্ত্রত কৈছে— 'অর্থ এব প্রধানঃ' অর্থাৎ অর্থই হ'ল ত্রিবর্গৰ ভিতৰত প্রধান। ইয়াৰ কাৰণ হিচাপে কোৱা হৈছে 'অর্থমূলোহি ধর্মকামাবিতি (ধর্মকামৌ + ইতি)' অর্থাৎ ধর্ম আৰু কাম হ'ল অর্থমূল। অর্থক আশ্রয়কৰি ধর্ম আৰু কামৰ বিকাশ হোৱা বাবে অর্থকেই প্রাধান্য দিয়া হৈছে। এই অর্থই হ'ল মানুহৰ বৃত্তি। মানুহৰ বৃত্তিৰূপত থকা অর্থক লৈ শাস্ত্র ৰচনা কৰিলে তাক অর্থশাস্ত্র বোলে। আচার্য কৌটিল্যই অর্থশাস্ত্র পদটোৰ ব্যাখ্যা প্রসঙ্গত কৈছে— 'মনুষ্যানাং বৃত্তিৰর্থঃ, মনুষ্যবতী ভূমিৰিত্যর্থঃ। তস্যাঃ পৃথিব্যাঃ লাভপালনোপায়শাস্ত্রম্ অর্থশাস্ত্রমিতি।' গতিকে দেখা যায় যে মহামতি কৌটিল্যই অর্থশাস্ত্র গ্রন্থত অর্থপদেৰে মানুহযুক্ত পৃথিৱীক বুজাইছে। সেই কাৰণে অর্থশাস্ত্র গ্রন্থখনে পৃথিৱীত থকা মানুহসকলৰ বৃত্তি বা স্থিতিসম্বন্ধীয় শাস্ত্রক বুজায়। গতিকে অর্থশাস্ত্র পদটোৱে ইংৰাজী ইকনমিকস্ বিষয়ক নুবুজায় আৰু বিষয়বস্তুৰ প্রতিপাদনৰ লগত নামকৰণটোৰ সম্পূর্ণ সামঞ্জস্য থকা কাৰণে অর্থশাস্ত্র পদটো সম্পূর্ণ সার্থক ৰূপত প্রযুক্ত হৈছে বুলি ক'ব পাৰি। দণ্ডনীতিৰ লগতো অর্থ নিবিড়ভাৱে যুক্ত হৈ আছে গতিকে দণ্ডনীতিবিষয়ক গ্রন্থক অর্থশাস্ত্র বুলি নামকৰণ কৰাত কোনোধৰণৰ সামঞ্জস্যহীনতা পোৱা নাযায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ঃ দণ্ডৰ বিষয়ে আচার্যমনুয়ে কি কৈছে।

.....

.....

প্রশ্ন নং ১৪ঃ প্রাচীন ভাৰতীয় পৰম্পৰা মতে চাৰিপ্রকাৰৰ বিদ্যা কি কি?

.....

.....

প্রশ্ন নং ১৫ঃ আন্বীক্ষিকী পদটোৰ অর্থ কি?

.....

.....

প্রশ্ন নং ১৬ঃ দণ্ডনীতিৰ প্রাধান্য কেনেদৰে স্বীকাৰ কৰা হৈছে।

.....

.....

প্রশ্ন নং ১৭ঃ অর্থশাস্ত্র পদটোত অর্থ শব্দৰ দ্বাৰা কি বুজোৱা হৈছে?

.....

.....

প্রশ্ন নং ১৮ঃ ত্রিবর্গৰ ভিতৰত কোনটোক প্রধান বুলি স্বীকাৰ কৰা হৈছে?

.....

.....

১৪.৬ ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্রৰ গুৰুত্ব

সমগ্র ভাৰতীয় পৰম্পৰাত মহামতি কৌটিল্যই ৰচনা কৰা অর্থশাস্ত্রখনৰ এটি বিশেষ মর্যাদা আছে। প্রকৃততে জনশ্রুতি অনুসৰি নন্দবংশীয় ৰজাই কৰা অপমানৰ প্রতিশোধ ল'বলৈ গৈ নন্দবংশক ধ্বংস কৰাৰ মানসেৰে চন্দ্রগুপ্তমৌর্যৰ শাসন নিষ্কণ্টক কৰাৰ উদ্দেশ্য লৈ চাণক্য বা কৌটিল্যই অর্থশাস্ত্র গ্রন্থখন ৰচনা কৰিছিল। ৰজাৰ শাসনপদ্ধতি নির্ভুলভাৱে প্রদর্শন কৰাটোৱেই আছিল কৌটিল্যৰ মুখ্য উদ্দেশ্য। গতিকে অর্থশাস্ত্রখন ৰচনা কৰাৰ সময়ত স্বাভাৱিকভাৱেই তেওঁ পূর্বাচার্যসকলৰ গ্রন্থৰাজি তথা সমাজত প্রচলিত ধর্মশাস্ত্রাদি গভীৰভাৱে অধ্যয়ন কৰি লৈছিল। অতি তীক্ষ্নবুদ্ধিৰ অধিকাৰী কৌটিল্যই তেওঁৰ গ্রন্থত সূক্ষ্মাতিসূক্ষ্ম বিষয়সমূহকো যথেষ্ট প্রাধান্য দি আলোচনা কৰিছে। ফলস্বৰূপে এই গ্রন্থখন সমগ্র ভাৰত তথা পৃথিৰীতেই এখন অত্যন্ত উপযোগী প্রাচীন গ্রন্থ হিচাপে পৰিগণিত হৈছে। এই অংশটিত অর্থশাস্ত্রৰ সামগ্রিক গুৰুত্বৰ বিষয়ে আলোচনা আগবঢ়োৱা হ'ল।

এইখিনিতে মন কৰিবলগীয়া কথাটো হ'ল যে অর্থশাস্ত্র গ্রন্থখন কেৱলমাত্র দণ্ডনীতিৰ

গ্ৰন্থ নহয় কিন্তু প্ৰাচীন ভাৰতবৰ্ষৰ ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, ব্যৱহাৰ, ধৰ্মব্যৱস্থা, দণ্ডপ্ৰক্ৰিয়া আদি বিষয়বোৰো এই গ্ৰন্থত বিস্তৃতভাৱে আলোচিত হৈছে। কৌটিল্যই ৰজাৰ মুখ্য কৰ্তব্য হিচাপে প্ৰজাৰ সুখবিধানকে স্থিৰ কৰিছে। ৰজা এজনৰ সকলো সুখ আৰু মঙ্গল প্ৰজাকেন্দ্ৰিক বুলি স্বীকাৰ কৰিছে আচাৰ্য কৌটিল্যই। তেওঁ কৈছে— 'প্ৰজাসুখে সুখং ৰাজ্ঞঃ প্ৰজানাং চ হিতে হিতম্। নাত্মপ্ৰিয়ং হিতং ৰাজ্ঞঃ প্ৰজানাং তু প্ৰিয়ং হিতম্।' ৰাজ্য শাসনত অমাত্যসকলৰ এটি সুদৃঢ় ভূমিকা থকা দেখা যায়। মন্ত্ৰাধিকাৰত কৌটিল্যই নিপুণভাৱে ৰজাই কৰিবলগীয়া গোপন আলোচনাৰ সঠিক প্ৰক্ৰিয়াৰ কথা ব্যক্ত কৰিছে। 'পঞ্চাঙ্গো মন্ত্ৰঃ' বুলি তেওঁ মন্ত্ৰণাকাৰ্যৰ বিভিন্ন অঙ্গৰ কথা কৈছে আৰু কিহৰ দ্বাৰা মন্ত্ৰভেদ হয় সেই বিষয়েও কৌটিল্যই আলোচনা দাঙি ধৰিছে। গুপ্তচৰ সম্পৰ্কে কৌটল্যই বহুতো প্ৰয়োজনীয় কথা ব্যক্ত কৰিছে যিবোৰ আজিৰ যুগতো অতি প্ৰাসঙ্গিক। দূতসমূহ কেনেকুৱা হোৱা উচিত তথা বেলেগ ৰাষ্ট্ৰত গৈ দূতসমূহে কি কি কৰ্তব্য পালন কৰিব সেই বিষয়েও আচাৰ্য কৌটিল্যই স্বকীয় অভিমত দাঙি ধৰিছে। অৰ্থশাস্ত্ৰ গ্ৰন্থখন অধ্যয়ন কৰিলে জনা যায় যে আচাৰ্য্য কৌটিল্য শ্ৰমবিভাগ তথা ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ প্ৰৱক্তা আছিল। দণ্ডবিধান কৰা কাৰণে ৰজাক দণ্ডধৰ বুলি ক'লেও অমাত্যসকলৰ হাততো বিভিন্ন বিষয়ত বহুতো ক্ষমতা আছিল। সকলোৰে সন্মিলিত কৰ্তব্য পালনৰ ওপৰতেই ৰজাৰ সফলতা নিৰ্ভৰ কৰিছিল। অৰ্থশাস্ত্ৰত কৌটিল্যই ধন সংগ্ৰহ প্ৰক্ৰিয়াৰ বিষয়েও বিস্তৃত আলোচনা আগবঢ়াইছে। সমাজত কোনটো শ্ৰেণীৰ মানুহে ৰজাৰ পৰা বিশেষধৰণৰ ৰক্ষণাবেক্ষণ পাব লাগে সেই বিষয়েও আচাৰ্য কৌটিল্যই তেওঁৰ সুগভীৰ অভিমত দাঙি ধৰিছে। উক্ত গ্ৰন্থত স্বৰ্ণকাৰ, তন্তুবায়, ৰজক আদি বিভিন্ন বৃত্তিধাৰী মানুহৰ কাম-কাজ তথা নিয়মৰ বিষয়ে কোৱা হৈছে। তদুপৰি চিকিৎসকৰ দায়িত্ব তথা কৰ্তব্য আৰু কৰ্তব্যৰ গাফিলতিৰ বাবে হোৱা দণ্ডৰ বিষয়েও আচাৰ্য কৌটিল্যই আলোচনা আগবঢ়াইছে। ইয়াৰ উপৰিও দাসপ্ৰথা, বিবাহ প্ৰথা, বিধৱা পুনৰ্বিবাহ ইত্যাদি বিষয়কো অৰ্থশাস্ত্ৰত সন্নিবিষ্ট কৰা হৈছে। সমাজত থকা নাৰীসকলৰ বিভিন্ন অধিকাৰৰ বিষয়েও আচাৰ্য কৌটিল্যই স্বমত দাঙি ধৰিছে। গতিকে ক'ব পৰা যায় যে প্ৰাচীন যুগতেই ভাৰতীয় সমাজৰ পটভূমিত আচাৰ্য কৌটিল্যই যি গ্ৰন্থখন ৰচনা কৰি গ'ল তাৰ বিষয়বস্তু আজিৰ যুগতো সমানভাৱে আলোচনাৰ বিষয় হৈ আছে। প্ৰাচীন ভাৰতৰ অৰ্থনীতি সমাজনীতি, ৰাজনীতি, দণ্ডনীতি, বিচাৰ ব্যৱস্থা আদিৰ বিষয়ে জানিবলৈ হ'লে অৰ্থশাস্ত্ৰ গ্ৰন্থখনৰ অধ্যয়ন একান্ত জৰুৰী বুলি নিঃসন্দেহে ক'ব পৰা যায়। অৰ্থশাস্ত্ৰ গ্ৰন্থখনত সেই যুগৰ ভাৰতীয় সমাজখন প্ৰকৃত ৰূপত প্ৰতিবিম্বিত হৈছে। ৰামায়ণ-মহাভাৰত আদি গ্ৰন্থসমূহত যি ভাৰতবৰ্ষৰ প্ৰতিচ্ছবি পোৱা যায় সি বহুতো ক্ষেত্ৰত কবিকল্পনাপ্ৰসূত আৰু ব্যঞ্জনাকেন্দ্ৰিক। কিন্তু অৰ্থশাস্ত্ৰত প্ৰতিবিম্বিত হোৱা ভাৰতীয় সমাজখন সম্পূৰ্ণভাৱে বাস্তৱসম্মত। সেই কাৰণে অৰ্থশাস্ত্ৰৰ অধ্যয়নৰ প্ৰয়োজনীয়তা বৰ্তমান যুগতো সম্পূৰ্ণভাৱে অনুভূত হয়। ৰাজনীতিৰ ফালৰ পৰা এইখন এখন অমূল্য গ্ৰন্থ। বৰ্তমান যুগৰ বিভিন্ন পণ্ডিতে আজিও অৰ্থশাস্ত্ৰৰ বিভিন্ন বিষয়ক লৈ তেওঁলোকৰ গৱেষণাকাৰ্য চলাই আছে। গতিকে ক'ব পৰা যায় যে সমগ্ৰ ভাৰতীয় পৰম্পৰাত কৌটিল্যবিৰচিত অৰ্থশাস্ত্ৰ গ্ৰন্থখনে সঁচাকৈয়ে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে।



জানি থোৱা ভাল

১। নয় আৰু অপনয় দণ্ডনীতিৰ আলোচ্য বিষয়। কোৱা হৈছে 'নয়াপনয়ৌ (নয় + অপনয়ৌ) দণ্ডনীত্যাম্'। উপযুক্ত ঠাইত সন্ধি-যুদ্ধ আদিৰ প্ৰয়োগক নয় বোলে আৰু য'ত উপযুক্ততা নাই তেনেকুৱা ঠাইত সন্ধি-যুদ্ধ আদি প্ৰযুক্ত হ'লে তাক অপনয় বুলি কোৱা হয়।

২। কৌটিল্যই তেওঁৰ অর্থশাস্ত্ৰত বিভিন্ন ধৰণৰ বিবাহ প্ৰথাৰ বিষয়ে উল্লেখ কৰিছে। কিছুমান ক্ষেত্ৰত বিবাহবিচ্ছেদৰ সপক্ষেও কৌটিল্যই অভিমত দাঙি ধৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৯ঃ কৌটিল্যই কাৰ ওপৰত প্ৰতিশোধ ল'ব খুজিছিল?

.....

.....

প্ৰশ্ন নং ২০ঃ দণ্ডধৰ বুলি কাক কোৱা হৈছিল?

.....

.....

প্ৰশ্ন নং ২১ঃ কৌটিল্যৰ দিনত প্ৰচলিত কিছুমান বৃত্তি উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ২২ঃ শুদ্ধ নে অশুদ্ধ লিখক ঃ

(ক) অর্থশাস্ত্ৰ গ্ৰন্থখনত বিধবা বিবাহৰ কথা পোৱা যায়।

.....

(খ) অর্থশাস্ত্ৰখন প্ৰাচীন ভাৰতীয় দণ্ডনীতিৰ এখন অমূল্য গ্ৰন্থ।

.....



১৪.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- অর্থশাস্ত্ৰ গ্ৰন্থখনৰ ৰচনাৰ ইতিহাস সম্পর্কে জানিব পাৰিলে।
- অর্থশাস্ত্ৰৰ ৰচকৰ বিষয়ে অৱগত হ'ল।
- কৌটিল্যৰ প্ৰকৃত নাম আছিল বিষ্ণুগুপ্ত— সেই বিষয়েও জানিলে।

- অর্থশাস্ত্ৰৰ বিষয়বস্তুক যে অধিকৰণ-প্রকৰণ-অধ্যায় হিচাপে বিভক্ত কৰা হৈছে সেই কথাটো জানিলে।
- অর্থশাস্ত্ৰৰ কোন কোন অধিকৰণত মূল বিষয় কি আছে সেই বিষয়েও অৱগত হ'ল।
- অর্থশাস্ত্র শব্দটোৰ অর্থ আৰু এই নামকৰণটোৰ তাৎপর্য জানিলে।
- ভাৰতীয় পৰম্পৰাত অর্থশাস্ত্ৰৰ গুৰুত্বৰ বিষয়ে অৱগত হ'ল।



১৪.৮ অধিক জানিবলৈ

১) কৌটিলীয় অর্থশাস্ত্র, আৰ পি কাঙ্গল, মোতিলাল বানাৰসীদাস পাবলিচার্ছ প্রাইভেট লিমিটেড, দিল্লী ১৯৯৭ (পুনর্মুদ্রণ)

২) কৌটিলীয় অর্থশাস্ত্র, ড° অনিল চন্দ্র বসু, সংস্কৃত বুক ডিপো, কোলকাতা, দ্বিতীয় সংস্কৰণ ২০০১।

৩) কৌটিল্য অন্ ৰাজনীতি, কে পি মেনন, ৰাষ্ট্রীয় সংস্কৃত সংস্থান, নিউ দিল্লী, ১৯৯৮।

৪) কৌটিলীয়ম্ অর্থশাস্ত্রম্, শ্রীবিশ্বনাথৰামচন্দ্র, শ্রীগীর্বাণবাগ্ধর্ধিনীসভা, বাৰানসী।



১৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ মহামতি কৌটিল্য।

২ নং প্রশ্নৰ উত্তৰঃ কৌটিল্য শব্দৰ অর্থ হ'ল কুটিল বুদ্ধিযুক্ত।

৩ নং প্রশ্নৰ উত্তৰঃ বিষ্ণুগুপ্ত।

৪ নং প্রশ্নৰ উত্তৰঃ চণক পদটোৰ পৰা চাণক্য পদটো উৎপন্ন হৈছে।

৫ নং প্রশ্নৰ উত্তৰঃ কামন্দকীয় নীতিসাৰত, মুদ্রাৰাক্ষসনাটকত আৰু দশকুমাৰচৰিতত।

৬ নং প্রশ্নৰ উত্তৰঃ দণ্ডনীতি বা ৰাজনীতিয়েই হ'ল অর্থশাস্ত্ৰৰ প্রতিপাদ্য বিষয়।

৭ নং প্রশ্নৰ উত্তৰঃ অর্থশাস্ত্রত ১৫টা অধিকৰণ, ১৮০টা প্রকৰণ আৰু ১৫০টা অধ্যায় আছে।

৮ নং প্রশ্নৰ উত্তৰঃ অর্থশাস্ত্ৰৰ তৃতীয় অধিকৰণটোৰ নাম হ'ল ধর্মস্থীয়। এই অধিকৰণৰ বিষয়বস্তু গোচৰ আৰু বিচাৰ সম্বন্ধীয়।

৮ নং প্রশ্নৰ উত্তৰঃ যোগবৃত্ত নামৰ অধিকৰণত গুপ্তচৰবিলাকৰ কার্যকলাপ আলোচিত হৈছে।

১০ নং প্রশ্নৰ উত্তৰঃ অর্থশাস্ত্ৰৰ অন্তিম অধিকৰণটোৰ নাম হ'ল তন্ত্রযুক্তি।

১১ নং প্ৰশ্নৰ উত্তৰঃ কৌটিল্যৰ মতে সকলো শ্ৰেয়বস্তুৰ সাধন হ'ল ইন্দ্ৰিয়জয় বা ইন্দ্ৰিয়সংযম।

১২ নং প্ৰশ্নৰ উত্তৰঃ ৰাজ্য শাসনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ৰজাৰ ছটা গুণ হ'ল— সন্ধি, বিগ্ৰহ, যান, আসন, দ্বৈধ আৰু আশ্ৰয়।

১৩ নং প্ৰশ্নৰ উত্তৰঃ দণ্ডৰ বিষয়ে বহুতো কথাৰ ভিতৰত মনুয়ে কৈছে যে পণ্ডিতসকলৰ মতে দণ্ডই হ'ল প্ৰকৃত ধৰ্ম।

১৪ নং প্ৰশ্নৰ উত্তৰঃ আন্বীক্ষিকী, ত্ৰয়ী, বাৰ্তা আৰু দণ্ডনীতি।

১৫ নং প্ৰশ্নৰ উত্তৰঃ আন্বীক্ষিকী পদৰ অৰ্থ হ'ল তৰ্ক বা ন্যায়।

১৬ নং প্ৰশ্নৰ উত্তৰঃ দণ্ডনীতি আন আন বিদ্যাৰ সাধন বুলি বিবেচিত।

১৭ নং প্ৰশ্নৰ উত্তৰঃ অৰ্থপদটোৱে মানুহৰ বৃত্তিক বুজাইছে।

১৮ নং প্ৰশ্নৰ উত্তৰঃ ত্ৰিবৰ্গৰ ভিতৰত অৰ্থক প্ৰধান বুলি কোৱা হৈছে।

১৯ নং প্ৰশ্নৰ উত্তৰঃ নন্দবংশৰ ৰজাৰ ওপৰত।

২০ নং প্ৰশ্নৰ উত্তৰঃ দণ্ডধৰ বুলি ৰজাক বুজোৱা হৈছে।

২১ নং প্ৰশ্নৰ উত্তৰঃ শিল্পী, কুশীলৱ, স্বৰ্ণকাৰ, ৰজক, তন্তুবায় আদি বৃত্তিধাৰী মানুহৰ কথা অৰ্থশাস্ত্ৰত উল্লিখিত হৈছে।

২২ নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ, (খ) শুদ্ধ।



১৪.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ঃ অৰ্থশাস্ত্ৰৰ লিখকৰ বিষয়ে চমু টোকা লিখক।

প্ৰশ্ন ২ঃ অৰ্থশাস্ত্ৰৰ বিষয়বস্তুৰ ওপৰত আলোচনা কৰক।

প্ৰশ্ন ৩ঃ অৰ্থশাস্ত্ৰ শব্দটোৰ অৰ্থ লিখি এই শিৰোনামৰ তাৎপৰ্য ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ ভাৰতীয় পৰম্পৰাত অৰ্থশাস্ত্ৰৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ সতী জয়মতী, প্রথম প্রবাহ (১-১৪)

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ লিখকৰ পৰিচয়

১৫.৪ জয়মতী কাব্যৰ সাৰাংশ

১৫.৫ শ্লোকসমূহৰ সংস্কৃত পাঠ (১-১৪)

১৫.৫.১ শ্লোকসমূহৰ শব্দার্থ

১৫.৫.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৭ অধিক জানিবলৈ

১৫.৮ অগ্রগতিৰ খতিয়ান

১৫.৯ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সতী জয়মতী কাব্যৰ ৰচকৰ বিষয়ে চমু আভাস পাব
- কাব্যখনৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিব
- কাব্যখনৰ ১-১৪ নং শ্লোকৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব
- শ্লোকসমূহৰ (১-১৪) শব্দার্থ আৰু অসমীয়া অনুবাদ জানিব পাৰিব

১৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি মহাকবি কালিদাস ৰচিত বিশ্ববিখ্যাত সংস্কৃত নাটক 'অভিজ্ঞান শকুন্তলম্'ৰ বিষয়ে অধ্যয়ন কৰিলে। এই অধ্যায়টিত আপুনি ভবদেৱ ভাগৱতী ৰচিত 'সতী জয়মতী' কাব্যৰ বিষয়ে কিছু অধ্যয়ন কৰিব পাৰিব। অধ্যায়টিত সতী জয়মতী কাব্যৰ প্রথম প্রবাহৰ একৰ পৰা চৌধ্যটা (১-১৪) শ্লোকৰ আলোচনা আগবঢ়োৱা হৈছে। এইসমূহ শ্লোকত প্রধানকৈ কামৰূপৰ সুন্দৰ বর্ণনা দাঙি ধৰা হৈছে। 'সতী জয়মতী' কাব্যক গীতি কাব্য বুলিও কোৱা হয়। গীতি কাব্যৰ বিষয়ে আপুনি দ্বিতীয় বর্ষত অধ্যয়ন কৰিছে। অন্যহাতেদি এই কাব্যখনত এশটা শ্লোক থকা বাবে ইয়াক 'শতক কাব্য' বুলিও কোৱা হয়। আপুনি শতক কাব্যৰ বিষয়ে বিশদভাৱে পিছৰ অধ্যায়বোৰত অধ্যয়ন কৰিব পাৰিব। এই অধ্যায়ত আপুনি উল্লিখিত শ্লোকসমূহৰ সংস্কৃত পাঠ, কঠিন শব্দবোৰৰ অর্থ আৰু প্রতিটো শ্লোকৰ অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব।

১৫.৩ লিখকৰ পৰিচয়

পণ্ডিত ভৱদেৱ ভাগৱতী অসমৰ এজন কৃতী সন্তান। তেখেতৰ জন্ম হয় ১৯০২ চনৰ ২৭ জানুৱাৰীত নলবাৰী জিলাৰ কৈঠালকুছি গাঁৱত। তেখেতৰ মাতৃৰ নাম হ'ল মহেশ্বৰী দেৱী আৰু পিতৃৰ নাম বলভদ্ৰ ভাগৱতী। ভৱদেৱ ভাগৱতীদেৱে তেখেতৰ প্ৰাথমিক শিক্ষা নিজ গাঁৱৰ বিদ্যালয়তে আৰম্ভ কৰি পিছত হাইস্কুল শিক্ষাৰ বাবে নলবাৰী চহৰৰ গৰ্ডন স্কুলত নামভৰ্তি লয়। তেখেতে ১৯২২ চনত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে। ইয়াৰ পিছত তেখেতে নিজ গাঁও কৈঠালকুছিত সংস্কৃত শিক্ষা ল'লে। ১৯২৫ চনত ভাগৱতীদেৱে বেঙ্গল সংস্কৃত বোৰ্ডৰ অধীনত অনুষ্ঠিত 'ব্যাকৰণতীৰ্থ' পৰীক্ষাত চতুৰ্থ স্থান অধিকাৰ কৰে। একেটা বছৰতে তেখেতে অসম সংস্কৃত বোৰ্ডৰ পৰা পুৰাণশাস্ত্ৰী ডিগ্ৰী লাভ কৰে। ভাগৱতীদেৱে বাৰানসীত বেদান্ত শিক্ষা গ্ৰহণ কৰে আৰু কলিকতা সংস্কৃত সংস্থাৰ পৰা 'বেদান্ত তীৰ্থ' উপাধি লাভ কৰে। ১৯৩৩ চনত তেখেতে প্ৰথম বিভাগত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ব্যক্তিগত পৰীক্ষাৰ্থী হিচাপে মেট্ৰিক পৰীক্ষা পাছ কৰে। তেখেতে নলবাৰী জিলাৰ চামতা হাইস্কুলত শিক্ষকতাও কৰে। ১৯৮২ চনত ভাগৱতীদেৱে ৰাষ্ট্ৰপতিৰ পৰা সন্মানজনক 'চাৰটিফিকেট অব অনাৰ' লাভ কৰে। অসমৰ গৌৰৱ এইজনা মহান সংস্কৃত পণ্ডিতে ১৯৮৮ চনৰ জুলাই মাহৰ ১৯ তাৰিখে ইহলীলা সম্ৱৰণ কৰে। ভাগৱতীদেৱে তেখেতৰ ৰচনাৱলীৰ জৰিয়তে অসমীয়া আৰু সংস্কৃত সাহিত্য চহকী কৰি গৈছে। তেখেতে ১৯২৪ চনত 'লীলা' নামেৰে এখন অসমীয়া উপন্যাস ৰচনা কৰে। তেখেতৰ আন এখন ব্যঙ্গাত্মক ৰচনা হ'ল 'ভেকোভাওনা'। এইখনো অসমীয়া ভাষাতে ৰচিত। অন্য এখন ব্যঙ্গাত্মক ৰচনা হ'ল 'সুখৰ সপোন।' 'কথাকুসুমম্' নামেৰে সংস্কৃত পাঠ্যপুথি এখনো সপ্তম আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ভাগৱতীদেৱে লিখি উলিয়ায়। তেখেতে আনকি মহাভাৰতৰ ১৩০০ শ্লোকো অসমীয়া গদ্যত অনুবাদ কৰে। 'শ্লোকমালা' নামৰ সংকলন এটা ১৯৫৭ চনত ভাগৱতী দেৱে প্ৰকাশ কৰি উলিয়ায়। এই সংকলনটিত তেখেতে মহাত্মা গান্ধীকে আদি কৰি অসমৰ বিভিন্ন পণ্ডিতৰ বিষয়ে ভক্তিসহকাৰে লিখিছে। ১৯৮২ চনত ভাগৱতীদেৱে 'নূতনং নাটকম্' নামৰ এখন চুটি নাটক ৰচনা কৰি উলিয়ায়। এই নাটকখন অসমীয়া আৰু সংস্কৃত দুয়োটা ভাষাতে ৰচিত হৈছে। ভাগৱতীদেৱৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ ভিতৰত উল্লেখযোগ্য গ্ৰন্থখন হ'ল 'সতী জয়মতী'। এইখন এখন **খণ্ডকাব্য** আৰু ইয়াতে এশটা শ্লোক আছে।

১৫.৪ জয়মতী কাব্যৰ সাৰাংশ

ভৱদেৱ ভাগৱতী ৰচিত 'সতী জয়মতী' কাব্যখন ***শতক কাব্য***ৰ নিচিনা। শতক কাব্যৰ আন এটা উদাহৰণ হ'ল 'নীতিশতক'। 'সতী জয়মতী' কাব্যখনৰ মুখ্য নাৰী চৰিত্ৰ হ'ল জয়মতী আৰু প্ৰধান পুৰুষ চৰিত্ৰ হ'ল গদাপানী। কাব্যখনৰ কাহিনীটো মধ্যযুগৰ অসম বুৰঞ্জীৰ এটা ঘটনাৰ আধাৰত ৰচিত হৈছে। আহোম ৰাজকোঁৱৰ গদাপানীৰ পত্নী জয়মতীৰ নিজ স্বামীৰ ৰক্ষণাবেক্ষণৰ বাবে কৰা আত্ম-ত্যাগৰ ঘটনাই এই কাব্যখনৰ বিষয়বস্তু।

সতী জয়মতী কাব্যখন তিনিটা প্রবাহত বিভক্ত। প্রবাহ মানে অধ্যায়। প্রথম প্রবাহত সাতাইশটা (২৭) শ্লোক আছে। প্রথম প্রবাহটোৱে কাহিনীভাগৰ পাতনি দাঙি ধৰিছে আৰু লগতে অসম বুৰঞ্জীৰ বিষয়েও পৰিচয় কৰাই দিছে। কাহিনী অনুসৰি বশিষ্ঠ মুনিয়ে এই অসমতে এটা সময়ত কঠোৰ সাধনাত ব্রতী হৈছিল। এইটোও উল্লেখ আছে যে কামাখ্যাৰ অৱস্থান প্রাগজ্যোতিষপুৰৰ নীলাচল পাহাৰত আছে। প্রাচীন অসমৰ বীৰ পুৰুষ লাচিত বৰফুকন আৰু চিলাৰায়ৰ প্রতি থকা অসমৰ মানুহৰ প্রেম আৰু ভক্তিৰ কথাও এই প্রৱাহত কোৱা হৈছে। কাব্যখনৰ জৰিয়তে কবিয়ে এইটোও কল্পনা কৰিছে যে দেৱতাসকলৰ ৰজা ইন্দ্রই তেওঁৰ আত্মীয় কুটুম্বক এই অসমলৈ প্রতিনিধি কৰি পঠাইছিল প্রশাসক হিচাপে। এই ৰাজবংশটোৱেই 'আহোম' নামেৰে জনাজাত হৈছে। কাব্যখনৰ দ্বিতীয় প্রৱাহত একত্রিশটা (৩১) শ্লোক আছে। এই প্রবাহত আহোম ৰাজকোঁৱৰ গদাপাণিৰ জয়মতীৰ সৈতে হোৱা বিবাহ, তেওঁলোকৰ সুখী বৈবাহিক জীৱন তথা দুই পুত্রৰ জন্মৰ কথা বর্ণিত হৈছে। তৃতীয় প্রবাহত বিয়াল্লিশটা (৪২) শ্লোক আছে। তিনিওটা প্রবাহৰ ভিতৰত শেষৰ প্রবাহটো ডাঙৰ। ইয়াত গদাপাণিৰ আত্মগোপন, জয়মতীৰ বন্দিত্ব, ডেকাৰজা চুকাফাৰ দ্বাৰা জয়মতীৰ ওপৰত চলোৱা অত্যাচাৰ আৰু শেষত জয়মতীৰ অকাল মৃত্যু বর্ণিত হৈছে। সমগ্র কাব্যখনৰ ভাষা অতি সহজ আৰু সৰল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ভৱদেৱ ভাগৱতীদেৱৰ জন্ম ক'ত হৈছিল?

.....

.....

প্রশ্ন নং ২ঃ ভাগৱতীদেৱে ৰাষ্ট্রপতিৰ পৰা কি লাভ কৰিছিল?

.....

.....

প্রশ্ন নং ৩ঃ 'লীলা' নামৰ উপন্যাসখন কোন চনত ৰচিত হৈছিল?

.....

.....

প্রশ্ন নং ৪ঃ 'সতী জয়মতী' কাব্যত কিমানটা শ্লোক আছে?

.....

.....

১৫.৫ শ্লোকসমূহৰ সংস্কৃত পাঠ (১-১৪)

লসতু লসতু বাণী শ্বেতপদ্মে সুৰম্যে
চলতু চলতু হংসী পাদপার্শ্বে জনন্যাঃ
বদতু বদতু বীণা ৰম্যহস্তাচ্ছ তস্যা

দহতু দহতু বিঘ্নং সৈব ভাষা সুহাসা।। ১।।

কৃতমুনিজনবাসো ব্রহ্মনঃ সৃষ্টিবর্য্যঃ
সুজলসুফলপূর্ণঃ পূতৰত্নপ্রকৃষ্টঃ।
বিবিধবিভৱধন্যঃ পর্ব্বতৈৰীক্ষ্যমাণঃ
স্মৱতি পৱমভাগ্যং কামৰূপপ্রদেশঃ।। ২।।

শ্রবণসুভগশব্দৈঃ সান্ধ্যলালিত্যকান্ত্যৈ
গিৰিবৱতনুৰুদ্ধৈর্ব্যাপ্তমঞ্জুনিকুঞ্জৈঃ।
ঋষিবৱ ইহহৃষ্ট পুণ্যবান্ সত্যৰূপো
বিমলতপসিযুক্তো ভূতবান্ বৈ বশিষ্ঠঃ।। ৩।।

চলতু নিখিলপাপং সেবকানামুমায়া
ভবতু চ ভবভীতঃ শোকহীনঃ সুৰূপঃ।
অসুৱমথন ইত্থং দিব্যভাবাৎ পৱেশো
ভগমিহ ভগবত্যা নীলশীর্ষে মুমোচ।। ৪।।

চিলৱয় হৰিলাচিৎ শংকৱাদিপ্রমুখ্যাঃ
শুভতনয়সমূহা আবিৱাসন্ জনন্যাঃ।
বিমলসলিলধন্যো ব্রহ্মপুত্রঃ সুপুত্রঃ
মুনিতনয়প্রদত্তঃ শোভতেহদ্যাপি ভূমৌ।। ৫।।

মধুৰিপুৱপি কৃষ্ণো ৰুক্মিণীশুভ্রহস্তম্
জনপদমিমমেত্য প্রেমভাবাদ্দধাৱ।
ললিতবচনজালে বিশ্চকেতুৰ্ৰূষায়া
শ্চকিতহৰিণনেত্রে কেশবেশে চ মুগ্ধঃ ।। ৬।।

ঘটকনৱকবাণা নাৱকেয়ঃ সুধন্বা
কমতনৃপতিমুখ্যা ৱাজবৃন্দা বৱেণ্যাঃ
ভৱতজনপৱাজ্যে ভাৱতে খ্যাতবীর্য্যা
মণিমৱকতচিত্রাং কামভূমিং শশাসুঃ।। ৭।।

অথ সুৱপতিৱস্যা জ্ঞাতবান্ বৈ সমস্তম্
নিজজননকুলস্য স্বর্গিণঃ সংদিদেশ।
অধিকুৰুত কুলীনা মর্ত্ত্যজন্ম প্রগৃহ্য
নিয়তিনটনমঞ্চং কামৰূপপ্রদেশম্।। ৮।।

ন হি সৱতি ভবেহস্মিন্ স্বেচ্ছয়া কোহপি দেহী

প্রভবতি কিল তস্মিন্ বিশ্চপো বিশ্চমূর্ত্তিঃ।
অথ বিধিনিয়মাত্তা দেৱতা দিব্যৰূপা
নৃপপদমধিচক্রুঃ শ্যানদেশে প্রসিদ্ধে।। ৯।।

ৰিপুকুলদলনে তে শক্রতুল্যপ্রভাবাঃ।
পৰনৃপতিকৃতায়াং সন্ধিনীতৌ সুবিজ্ঞাঃ।
সুগতৰচিতধর্মে বিষ্টচিত্তা বিশুদ্ধাঃ
সুখিজনগণপূর্ণং ভুক্তবন্তঃ স্ৱৰাজ্যম্।। ১০।।

বহুসুৰভিপ্রয়াণে পুর্বপার্বত্যভাগে
খুনলুং সহজাতঃ খুনলইঃ সভ্যৰাজ
অতুলনগৰবেশং মুংৰিমুং ৰামদেশম্
সসুখমশিষদব্দান্ শাসনে শ্রীনিবাসঃ।। ১১।।

শতশৰদমতীত্য পার্থিবঃ সিংহবীর্যঃ
সুৰসদনময়াসীদ্ভক্তিমান্ শাক্যসিংহে।
শিশিৰকমলতুল্যং সর্বসাৰৈর্বিহীনম্
যৎ ইহ নৰদেহং কালদণ্ডে র্বিদীর্ণম্।। ১২।।

মৃতকবিপুলৰাজ্যং বীক্ষ্য ভূপৈর্বিহীনম্
প্রকৃতিসকলমুখ্যৈর্ভূপতৌ দত্তচিত্তৈঃ।
অধিগত ইহ ৰাজা খুন্লঙঃ সন্ততিৱৈ
শুভজনপদচীনাত খ্যাতবীর্য্যো বৰেণ্যঃ।। ১৩।।

নবনৰপতিবংশে বীৰসিংহশ্চুকাফা
অথবদিহ নৃপালঃ কার্যধৈর্যস্য তস্য।
প্রথিতযশস আখ্যা বায়ুবদ্বেগবত্যঃ
শ্রৱণবিবৰমিত্বা মানবান্ মোদয়ন্তি।। ১৪।।

১৫.৫.১ শ্লোকসমূহৰ শব্দার্থ

১ নং শ্লোকৰ শব্দার্থ

বাণী বাগ্দেৱী (সৰস্বতী) সুৱম্যে দর্শনীয়ে (সুন্দৰ) শ্বেতপদ্মে শুক্লপংকজে (বগা পদুমত) লসতু লসতু পুনঃ পুনঃ বিৰাজতাম্ (বাৰে বাৰে বা পুনঃ পুনঃ বিৰাজ কৰক) হংসী দেব্যাঃ বাহনভূতা (দেৱীৰ বাহনস্বৰূপ হংসীয়ে) জনন্যাঃ মাতৃস্বৰূপিন্যাঃ সৰস্বত্যাঃ (মাতৃস্বৰূপা সৰস্বতীৰ) পাদপার্শ্বে চৰণসন্নিহিতে (চৰণৰ ওচৰত) চলতু চলতু বাৰম্বাৰং বিচৰতু (বাৰে বাৰে বিচৰণ কৰক)। চ তস্যাঃ বাগ্দেব্যাঃ (আৰু সেই দেৱীৰ) ৰম্যহস্তাৎ

ৰমণীয়পাণিতঃ (সুন্দৰ হাতৰ পৰা) বীণা তন্ত্রীযুক্তবাদ্যবিশেষঃ (তাৰযুক্ত বাদ্যবিশেষ, বীণাই) বদতু বদতু নিৰন্তৰং মূর্চ্ছনাং কৰোতু (বাৰে বাৰে মূর্চ্ছনা কৰক অর্থাৎ বাজি উঠক)। সা এব সুহাসা স্মিতহাসিনী (সেই হাঁহিমুখীয়া) ভাষা সৰস্বতী (দেৱীয়ে) বিঘ্নং কাব্যৰচনায়াং প্রতিবন্ধকৰূপং (কাব্য ৰচনাত হ'ব পৰা বিঘিনি) দহতু দহতু সম্পূর্ণতয়া ভস্মসাৎ কৰোতু (নাশ কৰক)।

২ নং শ্লোকৰ শব্দার্থ

কৃতমুনিজনবাসো ঋষীণাং নিবাসভূতঃ (মুনিসকলে বাস কৰা) ব্রহ্মণ বিধেঃ (বিধাতাৰ) সৃষ্টিবর্য্যঃ শ্রেষ্ঠা নির্মিতিঃ (শ্রেষ্ঠ সৃষ্টি) সুজল সুফলপূর্ণঃ সলিলৰাশি পৰিপূর্ণঃ শ্রেষ্ঠফলাদিভিঃ পৰিপূর্ণঃ (সুজল আৰু সুফলেৰে পৰিপূর্ণ) পূতৰত্নপ্রকৃষ্টঃ বিশুদ্ধৰত্নাদিভিঃ উৎকর্ষং লভ্যমানঃ (পবিত্র ৰত্নসমূহেৰে উৎকৃষ্ট) বিবিধবিভবধন্যঃ নানাঐশ্বর্যমণ্ডিতঃ (বিভিন্ন বিভৱেৰে ধন্য) পর্বতৈৰীক্ষ্যমাণঃ সর্বতঃ বহুভিঃ অদ্রিভিঃ পৰিবৃতঃ (পর্বতবোৰে দৃষ্টি কৰি থকা) কামৰূপপ্রদেশঃ পূর্বোত্তৰ-ভাৰতবর্ষীয়- দেশবিভাগঃ প্রাগ্জ্যোতিষপুৰঃ ইতি অপৰনামকঃ (কামৰূপপ্রদেশে) পৰমভাগ্যং প্রকৃষ্টং গৌৰৱং (পৰম সৌভাগ্য) স্মৰতি মনসা পুনঃ চিন্তয়তি (স্মৰণ কৰে) অর্থাৎ অতীতগৌৰবস্মৃতিৰূপং সৌভাগ্যং কামৰূপপ্রদেশঃ নিতৰাং ধাৰয়তি।

৩ নং শ্লোকৰ শব্দার্থ

সান্ধ্যলালিত্যকান্ত্যৈঃ সন্ধা-ললিতা-কান্তা ইতি তৎ তৎ নামকনির্ঝৰিণীনিঃসৃতৈঃ (সন্ধ্যা, ললিতা আৰু কান্তা শব্দৰদ্বাৰা), গিৰিবৰতনুৰুদ্ধৈঃ আদিশ্রেষ্টস্য সন্ধ্যাচলস্য শৰীৰে প্রাপ্তবাধৈঃ, (পর্বতশ্রেষ্ঠ সন্ধ্যাচলৰ শৰীৰত ঠেকা খাই) ব্যাপ্তমঞ্জুনিকুঞ্জৈঃ বিস্তৃতৰম্যোপবনৈঃ (মনোহৰ নিকুঞ্জবোৰত বিয়পি পৰা) শ্রবণসুভগশব্দৈঃ শ্রুতিসুখকৰকুলুধ্বনিভিঃ (শুনি ভাল লগা কুলু ধ্বনিৰদ্বাৰা) হৃষ্টঃ আহ্লাদিতঃ সন্ (আহ্লাদিত হৈ) ইহ অস্মিন্ কামৰূপপ্রদেশে (এই কামৰূপতেই অর্থাৎ বশিষ্ঠাশ্রমত) পুণ্যবান্ সুকৃতময়ঃ (পূণ্যাত্মা), সত্যৰূপো কৃতকেতৰপৰায়ণঃ (সত্যপৰায়ণ) ঋষিবৰঃ মুনিশ্রেষ্ঠঃ (ঋষিশ্রেষ্ঠ) বশি ষ্ঠঃ (বশিষ্ঠ মুনিয়ে) বিমলতপসি নির্মলতপঃ সাধনে (পবিত্র তপস্যাত) যুক্তঃ আত্মনিযুক্তঃ (আত্মনিয়োগ) ভূতবান্ অভবৎ (কৰিছিল)।

৪ নং শ্লোকৰ শব্দার্থ

উমায়াঃ পার্বত্যাঃ (পার্বতীৰ) সেবকানাং ভক্তানাং (ভক্তসকলৰ) নিখিলপাপং সমগ্রং কুকৃত্যজাতমালিন্যং (সকলো পাপকর্ম) চলতু দূৰীভবতু (দূৰহওঁক) চ ভবভীতঃ সংসাৰক্লেশাদ্ সন্ত্রস্তঃ জনঃ (আকৌ সংসাৰভীত লোক) শোকহীনঃ সংসাৰতাপশূন্যঃ (সংসাৰৰ সকলো দুখৰ পৰা মুক্ত) সুৰূপঃ শোভনকান্তিযুক্তঃ (আৰু সুন্দৰ ৰূপৰ অধিকাৰী) ভবতু অস্তু (হওঁক)। ইত্থম্ এবং প্রকাৰেণ (এনেদৰে) দিব্যভাবাৎ সদুদ্দেশ্যেন (সৎ ভাৰেৰে) অসুৰমথনঃ দৈত্যঘ্নঃ (দৈত্যশত্রু) পৰেশঃ মহাদেৱঃ (পৰমেশ্বৰে) ভগবত্যাঃ

দেব্যাঃ উমায়াঃ (দেৱীৰ) ভগং যোনিদেশম্ (যোনিপীঠক) ইহ অত্র (এই) নীলশীর্ষে নীলাচলশিখৰে (নীলাচলৰ শিখৰত) মুমোচ তত্যাজ (এৰিছিল অর্থাৎ দক্ষ ৰজাৰ যজ্ঞত দেহ ত্যাগ কৰা সতীৰ যোনিভাগ ত্যাগ কৰিছিল)।

৫ নং শ্লোকৰ শব্দার্থ

চিলৰয় চিলাৰায়ঃ ইতি অসমপ্রদেশীয়কোচনৃপতেঃ নৰনাৰায়ণস্য মল্লদেবস্য অনুজঃ সেনানী চ, হৰিঃ হৰিদেৱঃ ইতি বৈষ্ণবাচার্যঃ লাচিৎ লাচিতবৰফুকন ইতি নামধেয়ঃ আহোমনৃপতেঃ সেনাধ্যক্ষঃ, শংকৰঃ শংকৰদেৱঃ ইতি মহান্ বৈষ্ণবাচার্যঃ অসমে নববৈষ্ণৱধর্মস্য প্রচাৰকঃ, আদি প্রমুখ্যঃ ইতি এতে প্রসিদ্ধাঃ (চিলাৰায় হৰিদেৰ লাচিতবৰফুকুন শংকৰদেৰ আদি প্রমুখ) জনন্যাঃ দেশমাতৃকায়াঃ (জন্মভূমিৰ) শুভ তনয়সমূহাঃ সুপুত্রগণাঃ (শুভপুত্রসকল) আবিৰাসন্ আবির্ভূতাঃ অভবন্ (আৱির্ভাৰ হৈছিল) মুনিতনয়প্রদত্তঃ ঋষিপুংগবেন পৰশুৰামেন দত্তমার্গঃ (মুনিপুত্র পৰশুৰামে দান কৰা) বিমলসলিলধন্যো স্বচ্ছতলপুষ্টঃ (পবিত্র পানীৰে ধন্য) সুপুত্রঃ ব্রহ্মপুত্রঃ শান্তনুকুলনন্দনঃ লৌহিত্য ইতি অপৰনামকঃ (সুপুত্র ব্রহ্মপুত্র) অদ্যাপি ইদানীমপি (আজিও) ভূমৌ অসমক্ষেত্রে (এই অসমভূমিত) শোভতে বিৰাজতে (শোভা পায়)।

৬ নং শ্লোকৰ শব্দার্থ

মধুৰিপুঃ মধুনামকস্য দৈত্যস্য বিনাশকঃ (মধু নামৰ অসুৰৰ বিনাশক) কৃষ্ণঃ অপি (ভগৱান শ্রীকৃষ্ণইও) ইমং জনপদং প্রদেশম্ (এই দেশলৈ) এত্য আগত্য (আহি) প্রেমভাবাদ্ অনুৰাগবশাৎ (অনুৰাগবশতঃ) ৰুক্মিণীশুভ্রহস্তম্ ৰুক্মিণ্যাঃ ভীষ্মকাত্মজায়াঃ চাৰুং কৰং (ৰুক্মিণীৰ সুন্দৰ হাতত) দধাৰ ধৃতবান্ (ধৰিছিল)। বিশ্বকেতুঃ অনিৰুদ্ধঃ কৃষ্ণনপ্তা (শ্রীকৃষ্ণৰ নাতি অনিৰুদ্ধই) ঊষায়াঃ বানতনয়ায়াঃ (বানৰজাৰ কন্যা ঊষাৰ) ললিত-বচনজালে মনোহৰবাক্প্রাগ্লেভ্য (লাৱণ্যময় বাক্যবোৰত) চকিতহৰিণনেত্রে চঞ্চলমৃগনয়নে (চঞ্চল হৰিণৰ নিচিনা চকুজুৰিত)কেলবেশে চ (শিৰোৰুহবিন্যাসে আৰু মূৰৰ ওপৰৰ খোপাটিত) মুগ্ধঃ আকৃষ্টঃ অভৱৎ (মুগ্ধ হৈছিল)।

৭ নং শ্লোকৰ শব্দার্থ

ঘটকনৰকবাণাঃ ঘটকঃ নৰকঃ বাণঃ ইতি অভিধেয়াঃ ৰাজানঃ (ঘটক, নৰক, বাণ) নাৰকেয়ঃ নৰকাত্মজঃ ভগদত্তঃ (নৰকৰ পুত্র ভগদত্ত) সুধন্বা তন্নামকঃ নৃপঃ (সুধন্বা নামৰ ৰজা) কমত নৃপতিমুখ্যাকমতেশ্বৰঃ প্রভৃতয়ঃ (কমতেশ্বৰ প্রভৃতি প্রধান প্রধান) বৰেণ্যাঃ মহনীয়াঃ (বৰণীয়ঃ) খ্যাতবীর্য্যা বিদিতবিক্রমাঃ (শক্তিৰ পৰিচয় দিয়া) ৰাজবৃন্দাঃ নৃপতয়ঃ (ৰজাসকলে) ভৰতজনপৰাজ্যে ভাৰতে, ভৰতবংশীয় নৃপাণাং ৰাষ্ট্রে ভাৰতবর্ষে (ভৰতবংশীয় ৰজাসকলৰ ৰাজ্য ভাৰতবর্ষত) মণিমৰকতচিত্রাং ৰত্নাদিভিঃ আঢ্যাং (মণিমৰকতেৰে বিচিত্র) কামভূমিং কামদায়িনীং কামৰূপাং কামৰূপপ্রদেশং (কামৰূপৰাজ্যক) শশাসুঃ বুভুজিৰে (শাসন কৰিছিল)।

৮ নং শ্লোকৰ শব্দার্থ

অথ সুৰপতিঃ দেবৰাজঃ ইন্দ্রঃ (দেৱতাসকলৰ ৰজা ইন্দ্রই) অস্যাঃ কামৰূপভূমেঃ (এই কামৰূপ ভূমিৰ) সমস্তং সমগ্রং বিবৰণজাতং (সকলো কথা) জ্ঞাতবান্ বিদিতবান্ বৈ (বিদিত হৈ) নিজজননকুলস্য স্ববংশজাতস্য (নিজ বংশৰ) স্বর্গিণঃ দেৱান্ (দেৱতাসকলক) সংদিদেশ সমাদিষ্টবান্ (আদেশ কৰিলে) হে কুলীনাঃ সদ্বংশজাঃ দেৱাঃ (হে জ্ঞাতিসকল অর্থাৎ আত্মীয়সকল) মর্ত্ত্যজন্ম মনুষ্যৰূপং (মনুষ্যজন্ম) প্রগৃহ্য ধাৰয়িত্বা (গ্রহণ কৰি) নিয়তিনটনমঞ্চং দৈবস্য ৰংগভূমিং (নিয়তিৰ নাট্যমঞ্চ স্বৰূপ) কামৰূপপ্রদেশং প্রাগজ্যোতিষপুৰং (কামৰূপ প্রদেশক) অধিকুৰুত গৃহ্ণন্তু (অধিকাৰ কৰাগৈ)।

৯ নং শ্লোকৰ শব্দার্থ

অস্মিন্ ভবে অস্মিন্ সংসাৰে (এই সংসাৰত) কোহপি দেহী প্রাণী (কোনো প্রাণীয়ে) স্বেচ্ছয়া আত্মৰুচ্যনুসাৰং (নিজৰ ইচ্ছা অনুসৰি) ন হি সৰতি চলতি (চলিব নোৱাৰে) তস্মিন্ বিষয়ে কেবলং (সেই বিষয়ত) বিশ্বপো জগৎপালকঃ (জগৎ পালক) বিশ্বমূর্ত্তিঃ বিশ্বৰূপঃ ভগবান্ (বিশ্বমূর্ত্তি পৰমেশ্বৰৰ) প্রভৱতি কিল সমর্থো ভবতি ইতি (প্রভাৱহে বর্তমান) অথ ততঃ (গতিকে) বিধিনিয়মাৎ ঈশ্বৰেচ্ছানুসাৰং (বিধাতাৰ নিয়ম অনুসাৰে) দিব্যৰূপাঃ স্বর্গীয়ৰূপধাৰিনঃ (দিব্যৰূপী) তা দেবতা সুৰগণাঃ (দেৱতাসকলে) প্রসিদ্ধে বিখ্যাতে (প্রসিদ্ধ) শ্যানদেশে তৎ নামকে ভূমিভাগে (শ্যামদেশ নামৰ ঠাইত, এতিয়াৰ ম্যানমাৰ নামৰ ঠাইত) নৃপপদম্ ৰাজপদবীং (ৰাজপদ) অধিচক্রুঃ গৃহীতবন্তঃ (গ্রহণ কৰিলে)।

১০ নং শ্লোকৰ শব্দার্থ

তে মর্ত্ত্যৰূপধাৰিণঃ দেবাঃ শ্যানদেশে কৃতনিবাসাঃ (তেওঁলোক অর্থাৎ শ্যানদেশত বাসকৰা দেৱতাসকল) ৰিপুকুলদলনে অৰিবর্গদমনে শক্রতুল্যপ্রভাবাঃ ইন্দ্র সমপৰাক্রমাঃ (শত্রুসকলক দমন কৰাত ইন্দ্রৰ সমান প্রভাৱশালী) পৰনৃপতিকৃতায়াং সন্ধিনীতৌ অৰিভিঃ নৃপতিভিঃ সন্ধিনামকে নয়মার্গ পৰিৰক্ষণে (শত্রুপক্ষৰ ৰজাই স্থাপন কৰা সন্ধিনীতিত) সুবিজ্ঞাঃ সম্যক্ নিপুণাঃ (সুবিজ্ঞ অর্থাৎ নিপুণ) বিশুদ্ধাঃ পূতহৃদয়াঃ (শুদ্ধ হৃদয়ৰ তেওঁলোকে) সুগতৰচিতধর্মে বৌদ্ধধর্মে (বুদ্ধদেৱে প্রচাৰ কৰা বৌদ্ধধর্মত) বিষ্টচিত্তা নিবিষ্টহৃদয়া (চিত্র ৰাখি) সুখিজনগণপূর্ণং সন্তুষ্টপ্রজাভিঃ পৰিপূর্ণং (সুখী প্রজাসমূহেৰে পৰিপূর্ণ) স্বৰাজ্যং স্বকীয়ং সাম্রাজ্যং শ্যানদেশম্ ইতি (স্বৰাজ্য অর্থাৎ শ্যানদেশ) ভুক্তবন্তঃ শাসিতবন্তঃ (ভোগ কৰিছিল)।

১১ নং শ্লোকৰ শব্দার্থ

বহুসুৰভিপ্রয়াণে, অনেকবসন্তগতে এবং ক্রমেন বহুবর্ষয়াতে (বহুত বসন্তকাল অতীত হোৱাত) পূর্বপার্বত্যভাগে, ভাৰতবর্ষস্য পূর্বস্মিন্ পার্বত্যে জনপদে (পূর্বদিশৰ পর্বতীয় অঞ্চলত) খুনলুং সহজাতঃ খুনলুঙ্ ইতি নামধেয়স্য ৰাজ্ঞঃ কনিষ্ঠঃ ভ্রাতা (খুনলুঙৰ সৰু

ভায়েক) খুনলইঃ ইতি আখ্য (খুন্‌লই নামৰ) সভ্যৰাজঃ সংস্কৃতঃ নৃপতিঃ (সভ্য ৰজা এজনে) অতুলনগৰবেশং অনুপমেয়নগৰসমাকীর্ণং (অতুল নগৰেৰে পৰিশোভিত) মুংৰিমুংৰামদেশম্ মুংৰিমুংৰাম্ ইতি আখ্যম্ (মুংৰিমুংৰাম নামেৰে এখন দেশত) সসুখং সানন্দং (সুখেৰে) অব্দান্ বহুবর্ষাণি (বহু বছৰ) অশিষৎ অপালয়ৎ (ৰাজত্ব কৰিছিল) অসৌ খুন্‌লাই ইতি ৰাজা শাসনে দেশপৰিৰক্ষণে (সেই খুনলাই ৰজা দেশ শাসনত) শ্রীনিবাসঃ শ্রীবিষ্ণু ইব (বিষ্ণুৰ নিচিনা) আসীৎ (আছিল)।

১২ নং শ্লোকৰ শব্দার্থ

শতশৰদম্ শতসংখ্যকসংবৎসৰান্ (এশটা শৰৎ কাল কটাই অর্থাৎ এশবছৰ জীয়াই থাকি) শাক্যসিংহে বুদ্ধদেৱে (বুদ্ধদেৱত) ভক্তিমান্ শ্রদ্ধাশীলঃ (ভক্তি ৰখা) সিংহবীর্য্যঃ সিংহবিক্রমঃ স খুন্‌লাই ইতি নামধেয় (সিংহৰ সমান পৰাক্রমী খুন্‌লাই নামৰ) পার্থিবঃ ৰাজা (ৰজা) সুৰসদনম্ দেবভূমিং (স্বর্গধামলৈ) অয়াসীৎ গতবান্ (গমন কৰিলে) যতঃ ইহ অস্মিন্ সংসাৰে (কাৰণ এই সংসাৰত) শিশিৰকমলতুল্যং শীতকালিকং পদ্মম্ ইব (শীতকালৰ পদুমৰ দৰে) কালদণ্ডেঃ মৃত্যু দেৱস্য যষ্ট্যা (যমদণ্ডেৰে) বিদীর্ণম্ বিশীর্ণং (বিদীর্ণ) নৰদেহং মনুষ্যশৰীৰং (মানৱদেহ) সর্বসাৰৈঃ বিহীনং সমস্তৰসশূন্যং শুষ্কম্ ভবতি (সর্বসাৰশূন্য হয়)।

১৩ নং শ্লোকৰ শব্দার্থ

মৃতকবিপুলৰাজ্যং মৃতকস্য দিবংগতস্য ৰাজ্ঞঃ খুন্‌লাই ইতি অভিধেয়স্য ৰাজ্যং শাসনভূমিং (মৃত খুন্‌লাই ৰজাৰ বিশাল ৰাজ্য) ভূপৈঃবিহীনং নৃপৈঃ শূন্যং (ৰজাহীন) বীক্ষ্য অভিলক্ষ্য (দেখি) ভূপতৌ নৃপৌ ভূপতিলাভায় (ৰজা লাভ কৰিবলৈ) দত্তচিত্তৈঃ কৃতসংকল্পৈঃ (দৃঢ় সংকল্প কৰি) প্রকৃতিসকলমুখ্যৈঃ প্রজাসমূহপ্রধানৈঃ (মুখীয়াল প্রজাসকলে) শুভজনপদচীনাতঃ চীননামকাৎ শোভনাদ দেশাৎ আগতঃ (সুন্দৰ চীনদেশৰ পৰা আহি) খুন্‌লুঙঃ তন্নামকস্য ৰাজ্ঞঃ (খুন্‌লুঙৰ) খ্যাতবীর্য্যো প্রসিদ্ধপৰাক্রমঃ (পৰাক্রমী) ববেণ্যঃ শ্রেষ্ঠঃ (শ্রেষ্ঠ) সন্ততিঃ সন্তানঃ (সন্তান) ৰাজা ইহ অধিগত অস্মিন্ পূর্বদেশে প্রাপ্তঃ (ইয়ালৈ অসম ভূমিলৈ আনি ৰজাস্বৰূপে লাভ কৰিলে)।

১৪ নং শ্লোকৰ শব্দার্থ

নবনৰপতিবংশে অস্য নূতনস্য ৰাজ্ঞঃ বংশে (এই নতুন নৰপতি বংশত) চুকাফা ইতি নামকঃ (চুকাফা) বীৰসিংহঃ শূৰশ্রেষ্ঠঃ (বীৰ শ্রেষ্ঠ) নৃপালঃ ৰাজা অভবৎ (ৰজা হ'ল) তস্য কার্যধৈর্যস্য চুকাফা ইতি অবিধেয়স্য ৰাজ্ঞঃ (তেওঁৰ অর্থাৎ ৰাজকার্যত ধৈর্যশীল চুকাফাৰ) বায়ুবদ্বেগবত্যঃ পবনতুল্যগতিশীলস্য (বায়ুৰ দৰে বেগবাতী) প্রথিতযশসঃ বিদিতগৌৰবস্য (যশস্যাৰ) আখ্যা কথা বর্ণনা বা (কথাবোৰ) শ্রবণবিবৰং শ্রুতিমার্গম্ (কাণলৈ) ইত্বা গত্বা (গৈ) মানবান্ জনান্ (মানুহক) মোদয়ন্তি আহ্লাদয়ন্তি (আনন্দ দিয়ে)।

১৫.৫.২ শ্লোকসমূহৰ অসমীয়া অনুবাদ

১ নং শ্লোক

বাগ্‌দেৱী সৰস্বতীয়ে সুন্দৰ বগা পদুমত বাৰে বাৰে বিৰাজ কৰক। (বাহনস্বৰূপ) হংসী মাতৃ (আই) সৰস্বতীৰ চৰণৰ ওচৰত পুনঃ পুনঃ বিচৰণ কৰক আৰু সেই দেৱীৰ সুন্দৰ হাতত থকা বীণাই বাৰে বাৰে মূৰ্চ্ছণা কৰক, মিচিকিয়াই হাঁহি থকা সৰস্বতীয়ে কাব্য ৰচনাৰ সময়ত হ'ব পৰা বাধা-বিঘিনিবোৰ নাশ কৰক।

২ নং শ্লোক

মুনিসকলে বাস কৰা, বিধাতাৰ শ্ৰেষ্ঠ সৃষ্টি, সুজল আৰু সুফলেৰে পৰিপূৰ্ণ, পবিত্ৰ ৰত্নসমূহেৰে উৎকৃষ্ট বিভিন্ন বিভৱেৰে ধন্য আৰু পৰ্বতবোৰে দৃষ্টি কৰি থকা কামৰূপপ্ৰদেশে পৰম সৌভাগ্য স্মৰণ কৰে অৰ্থাৎ কামৰূপপ্ৰদেশলৈ অতীত সৌভাগ্যৰ স্মৃতি মনত ধাৰণ কৰে।

৩ নং শ্লোক

পৰ্বতশ্ৰেষ্ঠ (সন্ধ্যাচল)ৰ গাত খুন্দা খাই সুন্দৰ নিকুঞ্জবোৰত বিয়পি পৰা তথা কাণেৰে শুনি ভাল লগা, সন্ধ্যা, ললিতা আৰু কান্তাৰ কুলু ধ্বনিৰদ্বাৰা আহ্লাদিত হৈ এই কামৰূপপ্ৰদেশতেই সত্যপৰায়ণ পুণ্যাত্মা, ঋষিশ্ৰেষ্ঠ বশিষ্ঠই নিজ আশ্ৰমত বিমল তপস্যাত আত্মনিয়োগ কৰিছিল।

৪ নং শ্লোক

ভগৱতীৰ (দেৱীৰ) ভক্তসকলৰ সকলো পাপ নাশ হওঁক, আকৌ সংসাৰভীত লোক সংসাৰৰ সকলো শোকৰ পৰা মুক্ত আৰু সুন্দৰ হওঁক— এনে দিব্যভাৱ মনলৈ আনি দৈত্যশত্ৰু পৰমেশ্বৰে নীলাচলৰ শিখৰত ভগৱতীৰ 'যোনিপীঠ' ত্যাগ কৰিছিল।

৫ নং শ্লোক

শংকৰদেৱ, হৰিদেৱ, চিলাৰায় আৰু লাচিত বৰফুকন প্ৰভৃতি জন্মভূমিৰ শুভ পুত্ৰসকলৰ আৱিৰ্ভাৱ হৈছিল। মুনিপুত্ৰ পৰশুৰামে দান কৰা স্বচ্ছ জলেৰে ধন্য সুপুত্ৰ ব্ৰহ্মপুত্ৰ এতিয়াও এই অসমভূমিত শোভা পায়।

৬ নং শ্লোক

অসুৰৰ বিনাশ কৰ্তা শ্ৰীকৃষ্ণই এই দেশলৈ আহি প্ৰেমবশতঃ ৰুক্মিনীৰ শুভ্ৰ হাতত ধৰিছিল। অনিৰুদ্ধও ঊষাৰ চঞ্চল হৰিণৰ নিচিনা চকুজুৰি, চুলিৰ খোপাটি আৰু লাৱণ্যময় বাক্যবোৰত মুগ্ধ হৈছিল।

৭ নং শ্লোক

ভৰত ৰজাৰ ৰাজ্য ভাৰতবৰ্ষত শক্তিৰ পৰিচয় দিয়া ঘটক, নৰক, বাণ, ভগদত্ত, সুধন্বা

আৰু কমতেশ্বৰ আদি প্রধান প্রধান ৰজাসকলে মণিমৰকতেৰে বিচিত্র এই কামভূমি কামৰূপ ৰাজ্য শাসন কৰিছিল।

৮ নং শ্লোক

দেৱৰাজ ইন্দ্রই এই কামৰূপৰ বিষয়ে সকলো কথা জ্ঞাত হৈ নিজ বংশৰ দেৱতাসকলক আদেশ দিলে, 'হে জ্ঞাতি কুটুম্বসকলহু তোমালোকে মনুষ্য জন্ম গ্রহণ কৰি নিয়তিৰ নাট্যমঞ্চৰূপ কামৰূপ প্রদেশক অধিকাৰ কৰাগৈ।

৯ নং শ্লোক

এই সংসাৰত কোনো প্রাণীয়ে নিজৰ ইচ্চামতে চলিব নোৱাৰে, সেই বিষয়ত বিশ্বপালক বিশ্বমূর্ত্তি পৰমেশ্বৰৰ হে প্রভাৰ বর্তমান। গতিকে বিধাতাৰ নিয়ম অনুসৰি দিব্যৰূপী দেৱতাসকলে প্রসিদ্ধ শ্যানদেশতহে ৰাজপদ গ্রহণ কৰিলে।

১০ নং শ্লোক

শত্রুসকলক দমন কৰাত তেওঁলোক ইন্দ্রৰ সমান প্রভাৱশালী আৰু শত্রুপক্ষৰ ৰজাই স্থাপন কৰা সন্ধিনীতিত সুনিপুণ। শুদ্ধমনৰ তেওঁলোকে বুদ্ধদেৱে প্রচাৰ কৰা বৌদ্ধধর্মত চিত্ত ৰাখি সুখী প্রজাসমূহেৰে পৰিপূর্ণ স্বৰাজ্য ভোগ কৰিছিল।

১১ নং শ্লোক

বহুত বসন্তকাল অর্থাৎ বহুবছৰ অতীত হলত খুন্লুঙৰ সৰু ভায়েক খুন্লাই নামেৰে সভ্য ৰজা এজনে পূবফালৰ পর্বতীয়া অঞ্চলত অতুল নগৰেৰে পৰিশোভিত মুংৰিমুংৰাম নামেৰে এখন দেশত বহুবছৰ ৰাজত্ব কৰিছিল, তেওঁ শাসনত শ্রীকৃষ্ণৰ দৰে আছিল।

১২ নং শ্লোক

এশটা শৰৎকাল কটাই অর্থাৎ এশবছৰ কাল জীৱিত থাকি বুদ্ধদেৱত ভক্তি থকা সিংহৰ সমান পৰাক্রমী খুন্লাই নামৰ ৰজা স্বর্গধামলৈ গ'ল অর্থাৎ ইহলীলা সম্বৰণ কৰিলে। কাৰণ যমদণ্ডেৰে দণ্ডিত মনুষ্যদেহ শীতকালৰ পদুমফুলৰ নিচিনা সাৰহীন হৈ যায়।

১৩ নং শ্লোক

মৃত ৰজাৰ অর্থাৎ খুন্লুঙ ৰজাৰ মৃত্যুৰ পিছত বিশাল ৰাজ্য ৰজাহীন হোৱা দেখি, অন্য কোনো ৰজা লাভ কৰিবলৈ দৃঢ় সংকল্প কৰি, মুখীয়াল প্রজাসকলে সুন্দৰ চীনদেশৰ পৰা খুন্লুঙৰ শক্তিশালী শ্রেষ্ঠ সন্তান এজনক অসমভূমিলৈ আনি ৰজা হিচাপে লাভ কৰিলে।

১৪ নং শ্লোক

এই নতুন নৰপাতি বংশত বীৰশ্রেষ্ঠ চুকাফা ৰজা হ'ল। ৰাজকার্য চলোৱাত ধৈর্যশীল সেই চুকাফাৰ বায়ুৰ দৰে বেগৱতী যশস্যাৰ কাহিনীবোৰ কাণত পৰি মানুহবোৰৰ পৰম আনন্দ লাভ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ কামৰূপ প্রদেশত কোন ঋষিয়ে আশ্রম পাতিছিল?

.....

.....

প্রশ্ন নং ৬ঃ খুন্‌লুঙৰ সৰু ভায়েকৰ নাম কি?

.....

.....

প্রশ্ন নং ৭ঃ খুন্‌লুঙৰ সৰু ভায়েকে ৰাজত্ব কৰা দেশখনৰ নাম কি?

.....

.....

প্রশ্ন নং ৮ঃ খুন্‌লুঙৰ কোনজন শ্রেষ্ঠ বংশধৰে অসম ৰাজ্যৰ ৰজা হিচাপে নিযুক্ত হৈছিল?

.....

.....



জানি থোৱা ভাল

১। বশিষ্ঠ মুনি ইক্ষ্বাকুবংশীয় পুৰোহিত আছিল।

২। শ্রীমন্ত শংকৰদেৱে বৰগীত আৰু অংকীয়া নাট ৰচনা কৰিছিল।

৩। কীর্তন, ভাগৱত আৰু ভক্তিৰত্নাকৰ আদি গ্রন্থও শংকৰদেৱে ৰচনা কৰিছিল।

৪। শোণিতপুৰনগৰীক ঊষা অনিৰুদ্ধৰ মিলনভূমি বুলি জনা যায়।



১৫.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সতী জয়মতী কাব্যৰ ৰচকৰ বিষয়ে জানিলে
- কাব্যখনৰ বিষয়বস্তুৰ লগত পৰিচিত হ'ব পাৰিলে
- কাব্যখনৰ (১-১৪) শ্লোকৰ সংস্কৃত পাঠ পঢ়িলে
- শ্লোকসমূহৰ (১-১৪) শব্দার্থ আৰু অসমীয়া অনুবাদ জানিলে।



১৫.৭ অধিক জানিবলৈ

১) ভৱদেৱ ভাগৱতী ৰচিত সতী জয়মতী— ড° দীপক কুমাৰ শর্মা, কিতাপ ঘৰ, নলবাৰী



১৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ নলবাৰী জিলাৰ কৈঠালকুছি গাঁৱত।

২ নং প্রশ্নৰ উত্তৰঃ চাৰটিফিকেট অব অনাৰ।

৩ নং প্রশ্নৰ উত্তৰঃ ১৯৪২ চনত।

৪ নং প্রশ্নৰ উত্তৰঃ এশটা (১০০)।

৫ নং প্রশ্নৰ উত্তৰঃ বশিষ্ঠ মুনিয়ে।

৬ নং প্রশ্নৰ উত্তৰঃ খুন্‌লাই।

৭ নং প্রশ্নৰ উত্তৰঃ মুংৰিমুংৰাম।

৮ নং প্রশ্নৰ উত্তৰঃ চুকাফা।



১৫.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ঃ ভৱদেৱ ভাগতীদেৱৰ জীৱনৰ চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ঃ জয়মতী কাব্যৰ সাৰাংশ লিখক।

*** ***** ***



প্রসংগ পুথি

অসমীয়া ঃ

১) উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ ইন ইণ্ডিয়া*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

২) উপাধ্যায়, প্রঃ বাচস্পতি, (২০০১), *সংস্কৃত ষ্টাডিজ এব্রড*— (edt); নিউ দিল্লী ঃ শ্রীলালবাহাদুৰ শাস্ত্রী ৰাষ্ট্রীয় সংস্কৃত বিদ্যাপীঠ।

৩) বেনার্জী, প্র. সত্যৰঞ্জন, (২০০০), *এ হেণ্ডবুক অব সংস্কৃত ফিলোলজি*; কলকাতা ঃ সংস্কৃত পুস্তক ভাণ্ডাৰ।

৪) ভাগৰতী, কামাখ্যাচৰণ, *সংস্কৃত সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ গ্রন্থপীঠ।

৫) তালুকদাৰ, প্রিয়দাস (১৯৮৩); *অসমীয়া ভাষা বোধিকা*, গুৱাহাটী ঃ এল.বি.এছ পাব্লিকেশ্যান।

৬) দ্বিবেদী, কপিলদেৱ (২০০১); *প্রৌঢ়-ৰচনানুবাদকৌমুদী*, বাৰানসী ঃ বিশ্ববিদ্যালয় প্রকাশন।

৭) বিদ্যাসাগৰ, ঈশ্বৰ চন্দ্র, *সমগ্র ব্যাকৰণ- কৌমুদী*; কলিকতা ঃ দেৰ সাহিত্য কুটীৰ প্রাইভেট লিমিটেড।

৮) ভট্টাচার্য্য, ড° হৰিচন্দ্র (১৯৯৬); *সংস্কৃত ব্যাকৰণ প্রভা;* গুৱাহাটী ঃ বৰুৱা এজেন্সি।

৯) শাস্ত্রী, খগেন্দ্র নাথ (১৯৮৫); *সংস্কৃত প্রৱেশ ব্যাকৰণ*, গুৱাহাটী ঃ গ্রন্থ পীঠ।

১০) শাস্ত্রী, চক্রধৰ নৌটিয়াল (১৯৮৮); *বৃহদ্-অনুবাদ- চন্দ্রিকা*, দিল্লী ঃ মোতীলাল বনাৰসীদাস।

১১) কালে, এম, আৰ, *হিতোপদেশ;* বাৰাণসী ঃ চৌখম্বা সংস্কৃত সীৰীজ অফিস।

১২) মালবীয়, ড° সুধাকৰ, *পঞ্চতন্ত্রম্*; বাৰাণসী ঃ চৌখম্বা সংস্কৃত সীৰীজ অফিস।

১৩) শর্মা, গিৰীধৰ, (১৯৮৮); *Sanskrit Grammer, Composition & Translation*, গুৱাহাটী ঃ ৰাধা প্রকাশন।

১৪) শাস্त्री, वेम्पटि कुटुम्ब, *सम्भाषणम् (संस्कृत-स्वाध्यायः, प्रथमा दीक्षा)*, नव देहली : राष्ट्रिय संस्कृत-संस्थानम्।

১৫) शास्त्री, वासुदेव द्विवेदी, *संस्कृत-वाक्यसंग्रहः*, वाराणसी : सार्वभौम-संस्कृत-प्रचार संस्थानम्।

১৬) सम्भाषण-सन्देशः, संस्कृत-मासिक-पत्रिका, संस्कृत-भारती।

১৭) পাণ্ডুৰঙ্গ পৰৰ, কাশীনাথ, *দ্য ৰামায়ণ অৰ বাল্মীকি*, প্রপ্রাইটৰ অব্ জাভাজী দাদাজীজ নির্ণয়সাগৰ প্রেছ, বোম্বে, ১৯০২।

১৮) *শ্রীমদ্ বাল্মীকি ৰামায়ণ* (প্রথম খণ্ড) গীতা প্রেছ, গোৰখপুৰ ১৯৬৯।

১৯) বন্দোপাধ্যায়, অশোক কুমাৰ, *ৰামায়ণম্*, শ্রীবলৰাম প্রকাশনী, কোলকাতা, ১৪১২।

২০) মহন্ত, কবিচন্দ্র, *অসমীয়া বাল্মীকি ৰামায়ণ*, লয়ার্ছ বুক ষ্টল, ১৯৬২।

২১) সেন, দীনেশচন্দ্র, *ৰামায়ণী কথা*, জিজ্ঞাসা, কলিকাতা, ১৩৬৭।

২২) আগৰৱাল, এইচ. আৰ, *এ চর্ট হিষ্টৰী অৱ সংস্কৃত লিটাৰেচাৰ*, মুন্সীৰাম মনোহৰলাল, দিল্লী, ১৯৬৩।

২৩) শর্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্র প্রকাশ, গুৱাহাটী, ।

২৪) দেবগোস্বামী, হৰমোহন, *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*।

২৫) শর্মা দলৈ, শ্রীহৰিনাথ, *ভাৰত কোষ*, পদ্মপ্রিয়া লাইব্রেৰী, বৰপেটা, ১৯৭৭।

২৬) বসু, যোগীৰাজ (১৯৭২), *বেদৰ পৰিচয়*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

২৭) শর্মা, থানেশ্বৰ (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, গুৱাহাটী ঃ বেদ বিদ্যালয়।

২৮) শর্মা, থানেশ্বৰ (২০০৭), *বেদৰ সৌৰভ*, নগাঁও ঃ বৈদিক বিচার্চ এণ্ড গ্লোবেল ষ্টাডি চেণ্টাৰ।

২৯) হিষ্ট্ৰী অব্ ধর্মশাস্ত্র (খণ্ড-১, অংশ-১), পি, ভি, কানে, ভাণ্ডাৰকাৰ অৰিয়েণ্টেল ৰিচার্ছ ইনষ্টিটিউট, পুনা, ১৯৬৮।

৩০) কালচাৰেল হেৰিটেজ অব্ ইণ্ডিয়া (খণ্ড-২) ৰামকৃষ্ণ মিচন, ইনষ্টিটিউট অব্ কালচাৰ, কলকাতা, ১৯৬২

৩১) মনুস্মৃতি, কম্পাৰেটিভ, গঙ্গানাথ ঝা, ইউনিভাচিটি অব্ কলকাতা ১৯২৯।

৩২) দ্য ধর্মশাস্ত্র-এন, ইণ্ট্রডাক্টৰী এনালাইচিচ, বি কে, স্বাঈন, (সম্পাদিত) অক্ষয় প্রকাশন, দিল্লী, ২০০৪।

৩৩) মনুসংহিতা, শ্যামকান্ত বিদ্যাভূষণ, ভোলানাথ ব্রাডার্চ এণ্ড কোং,কলিকতা।

৩৪) মনুসংহিতা, কিৰণ শর্মা, চন্দ্র প্রকাশ, গুৱাহাটী, ২০০৮।

৩৫) শর্মা, তীর্থনাথ, (১৯৯১), *উপনিষদ্ অষ্টক*, গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৩৬) শর্মা তীর্থ নাথ, (১৯৯৮), *ছান্দোগ্য উপনিষদ্*, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩৭) শর্মা থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা*, ৰূপনগৰ ঃ অসম বেদবিদ্যালয়।

৩৮) শর্মা থানেশ্বৰ, (২০০৮), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, ২য় সংস্কৰণ*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩৯) শ্রীমদ্ভগৱদ্গীতা, সুবোধচন্দ্র মজুমদাৰ, দেৰ সাহিত্য কুটীৰ, কলকাতা, ১৯৭৩।

৪০) শ্রীমদ্ভগৱদ্গীতা, ড° সর্বপল্লী ৰাধাকৃষ্ণণ, মিশ্র ও ঘোষ পাৱলিচার্চ, কলকাতা ১৩৯০ (বংগাব্দ)।

৪১) গোস্বামী, হৰমোহন দেৰ (১৯৯২); *সংস্কৃত সাহিত্যৰ বুৰঞ্জী*, গুৱাহাটী ঃ বুকলেণ্ড।

৪২) শর্মা, থানেশ্বৰ, (১৯৯৫); *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* ,গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪৩) কৃষ্ণমাচাৰিয়াৰ, এম (১৯৮৯); *হিষ্টৰি অব্ ক্লাচিকেল সংস্কৃত লিটাৰেচাৰ*, বাৰানসী ঃ মতিলাল বনাৰসী দাস।

৪৪) এম্, আৰ্, কালে (সম্পাদিত), কাদম্বৰী, পূর্বভাগ ঃ তত্ত্বপ্রকাশিকা টীকা, দিল্লী, ১৯৬৮

৪৫) পি ভি কাণে (সম্পাদিত), হর্ষচৰিতম্, দিল্লী, ১৯৮৬

৪৬) প্রভাত চন্দ্র শর্মা, কাদম্বৰী (অনুবাদ), আবিলেক, ২০০০

৪৭) এম্, আৰ্, কালে (সম্পাদিত), কাদম্ৱৰী, পূৰ্বভাগ ঃ, তত্ত্বপ্রকাশিকা টীকা, দিল্লী, ১৯৬৮

৪৮) পি ভি কানে (সম্পাদিত), হৰ্ষচৰিতম্, দিল্লী, ১৯৮৬

৪৯) প্রভাত চন্দ্র শর্মা, কাদম্ৱৰী (অনুবাদ), আবিলেক, ২০০০

৫০) কৌটিলীয় অর্থশাস্ত্র, আৰ পি কাঙ্গল, মোতিলাল বানাৰসীদাস পাবলিচার্ছ প্রাইভেট লিমিটেড, দিল্লী ১৯৯৭ (পুনর্মুদ্রণ)

৫১) কৌটিলীয় অর্থশাস্ত্র, ড° অনিল চন্দ্র বসু, সংস্কৃত বুক ডিপো, কোলকাতা, দ্বিতীয় সংস্কৰণ ২০০১।

৫২) কৌটিল্য অন্ ৰাজনীতি, কে পি মেনন, ৰাষ্ট্রীয় সংস্কৃত সংস্থান, নিউ দিল্লী, ১৯৯৮।

৫৩) কৌটিলীয়ম্ অর্থশাস্ত্রম্, শ্রীবিশ্বনাথৰামচন্দ্র, শ্রীগীর্ৱাণবাগ্ধর্ধিনীসভা, বাৰানসী।

৫৪) ভৱদেৱ ভাগৱতী ৰচিত সতী জয়মতী— ড° দীপক কুমাৰ শর্মা, কিতাপ ঘৰ, নলবাৰী

1) Radhakrishnan, S, (ed), (1953), *The Principal Upanisads*, London : George Allen and Unwin Ltd.

2) Vedebar, V. M. and Palsule G. B. (trans.) (1970), *Sixty Upanisads*, (trans. from-German edn. of Paul Deussen, 1897)

3) Max Mueller, F, (ed). (1879 & 1884), *The Upanisads*, 2 Vols. SBE Series. vol. 1415. Oxford.